# সেই পোন্ধৰটা দিন

১ আগষ্ট, ১৯৪৭ৰ পৰা ১৫ আগষ্ট ১৯৪৭ লৈ
নিৰ্ণায়ক দিনকেইটাৰ কথা



সীমান্ত চেতনা

প্ৰশান্ত পোল

# সেই পোন্ধৰটা দিন

১ আগষ্ট, ১৯৪৭ৰ পৰা ১৫ আগষ্ট ১৯৪৭ লৈ
নিৰ্ণায়ক দিনকেইটাৰ কথা

মূল হিন্দী ঃ প্ৰশান্ত পোল
অনুবাদ ঃ মৰমী ওজা ৰয়

সীমান্ত চেতনা মঞ্চ পূৰ্বোত্তৰ
কেশৱ ধাম, পল্টন বজাৰ, গুৱাহাটী- ৭৮১০০৮

*সেই পোন্ধৰটা দিন ঃ* মূল প্ৰশান্ত পোলে লিখা 'ৱ পন্ধৰ দিন' নামৰ কিতাপ খনৰ মৰমী ওজা ৰয়ে কৰা অসমীয়া অনুবাদ আৰু ইয়াক সীমান্ত চেতনা মঞ্চ পূৰ্বোত্তৰৰ দ্বাৰা প্ৰকাশ কৰি উলিওৱা হৈছে।

---

মূল হিন্দী ঃ প্ৰশান্ত পোল
অনুবাদ ঃ মৰমী ওজা ৰয়

প্ৰকাশক ঃ সীমান্ত চেতনা মঞ্চ পূৰ্বোত্তৰ
কেশৱ ধাম, পল্টন বজাৰ, গুৱাহাটী।

প্ৰকাশন তিথি ঃ ৬ আগষ্ট, ২০২৩

বৰঙণি ঃ ১৫০/- টকা মাত্ৰ

মুদ্ৰণ ঃ ডি ডি এচোচিয়েটছ
ফটাশিল, গুৱাহাটী- ৭৮১০০৯

# উচৰ্গা

স্বাধীনতা সংগ্ৰামৰ সেই সংকটকালত, নিঃস্বাৰ্থভাবে যিসকল সেনানী আৰু স্বয়ংসেৱকে নিজৰ প্ৰাণ বিপন্ন কৰি হিন্দু-শিখ বন্ধু সকলক সুৰক্ষিত ৰূপে ভাৰতলৈ আনিছিল আৰু দেশৰ সেৱাত নিজকে নিয়োজিত কৰিছিল

সেইসকলৰ হাতত আমাৰ দ্বাৰা অনুদিত ‘সেই পোন্ধৰটা দিন’ শ্ৰদ্ধাৰে অৰ্পণ কৰিলোঁ ।

---প্ৰকাশক

গুৱাহাটী।

# সূচীপত্ৰ


- প্ৰস্তাৱনা ৫
- মনৰ কথা ৭
- অনুবাদকৰ একাষাৰ ১৪
- প্ৰকাশকৰ একাষাৰ ১৬
- প্ৰথম ঃ ১ আগষ্ট, ১৯৪৭ ১৭
- দ্বিতীয় ঃ ২ আগষ্ট, ১৯৪৭ ২৫
- তৃতীয় ঃ ৩ আগষ্ট, ১৯৪৭ ৩৩
- চতুৰ্থ ঃ ৪ আগষ্ট, ১৯৪৭ ৪০
- পঞ্চম ঃ ৫ আগষ্ট, ১৯৪৭ ৫০
- ষষ্ঠ ঃ ৬ আগষ্ট, ১৯৪৭ ৫৯
- সপ্তম ঃ ৭ আগষ্ট, ১৯৪৭ ৭০
- অষ্টম ঃ ৮ আগষ্ট, ১৯৪৭ ৮০
- নৱম ঃ ৯ আগষ্ট, ১৯৪৭ ৯০
- দশম ঃ ১০ আগষ্ট, ১৯৪৭ ১০০
- একাদশ ঃ ১১ আগষ্ট, ১৯৪৭ ১১১
- দ্বাদশ ঃ ১২ আগষ্ট, ১৯৪৭ ১২১
- ত্ৰয়োদশ ঃ ১৩ আগষ্ট, ১৯৪৭ ১৩০
- চতুৰ্দশ ঃ ১৪ আগষ্ট, ১৯৪৭ ১৪১
- পঞ্চদশ ঃ ১৫ আগষ্ট, ১৯৪৭ ১৫৩
- সামৰণি ১৬৩
- সন্দৰ্ভ ১৬৬

# প্ৰস্তাৱনা

অতীতৰ সাম্যক জ্ঞান আৰু ইতিহাসৰ সত্যতা নিৰূপণ। এই কথা ওপৰে ওপৰে চালে যিমান সহজ যেন লাগে, প্ৰকৃততে কিন্তু সিমান সহজ নহয়।

দেশ বিভাজনৰ সময়ত আমাৰ দেশত লিখিত সাহিত্যৰ সংখ্যা কম নাছিল, কিন্তু তাৰ অধিকাংশ লেখকে 'ৰাজনৈতিক শুদ্ধতা'ৰ প্ৰতি লক্ষ্য ৰাখিছিল আৰু অপ্ৰিয় সত্যখিনিৰ ফালে চকু মুদি আছিল। এই 'পলিটিকেল কাৰেক্টনেছ' এইসকলৰ বাবে 'সুৰক্ষা কৱচ' আছিল। যদি কোনোবাই গাৰ্গী-মৈত্ৰেয়ীৰ বিষয়ে উল্লেখ কৰে, তেতিয়া এচাম লোকে সতীদাহৰ প্ৰসংগ উত্থাপন কৰি প্ৰশ্ন তোলে। আকৌ যদি ব্যাস-বাল্মীকিৰ দৰে মহান পুৰুষৰ মহাকাব্যৰ ওপৰত চৰ্চা হয়, তেতিয়া সেইচাম লোকে একলব্যৰ দুৰ্ভাগ্যপূৰ্ণ উদাহৰণ দাঙি ধৰে। এইদৰে অনেক ধৰণৰ ঋণাত্মক কথাৰে প্ৰকৃত সত্য ঢাকি ৰখাৰ প্ৰচেষ্টা চলে।

প্ৰকৃত ইতিহাস লিখিবলৈ হ'লে অনুশাসন, ৰাজনৈতিক হেঁচাৰ পৰা মুক্ত আৰু প্ৰলেখনত ৰঞ্জকতা, এই তিনিও অংগৰ আৱশ্যক। বস্তুনিষ্ঠ বিশ্লেষণৰ দ্বাৰা ইতিহাস পঢ়োতাসকলৰ ইতিহাসৰ প্ৰতি ধাউতি বাঢ়ে।

এই ত্ৰিবেণী সংগম মোৰ বন্ধু প্ৰশান্ত পোলে নিজা শৈলীৰে 'ৰ পন্ধৰ দিন' নামৰ এই গ্ৰন্থখন বৰ সুন্দৰকৈ, শক্তিশালীভাবে প্ৰস্তুত কৰিছে। সম্পূৰ্ণ গ্ৰন্থখন কেৱল সেই পোন্ধৰ দিনৰ বিষয়ে, যিসকলে ১ আগষ্টৰ পৰা ১৫ আগষ্ট, ১৯৪৭ৰ মাজৰ ইতিহাসৰ প্ৰত্যক্ষ ৰূপত সংঘটিত হোৱা দেখিছিল।

প্ৰশান্তজীৰ সামাজিক পৰিচয় ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ জ্যেষ্ঠ দায়িত্বশীল কাৰ্যকৰ্তা ৰূপে, কিন্তু কিছুদিন সাংবাদিকতা কৰিছিল আৰু এজন ভাল লেখক। যথেষ্ট প্ৰমাণ আৰু তথ্য সংগ্ৰহ কৰি, লগতে দুৰ্লভ চিত্ৰসমূহ বিচাৰি উলিয়াই ইয়াত সন্নিৱিষ্ট কৰি বৰ যত্নেৰে প্ৰতিটো পৃষ্ঠা প্ৰস্তুত কৰিছে।

শেষত, প্ৰশান্তজীক লেখক হিচাপে আন্তৰিক অভিনন্দন আৰু তেওঁক প্ৰেৰিত কৰা সকলোকে ধন্যবাদ জনালোঁ। মোক এই গ্ৰন্থখনৰ প্ৰস্তাৱনা লিখিবলৈ দি যি সন্মান প্ৰদান কৰিলে, তাৰবাবে লেখক আৰু প্ৰকাশক দুয়োৰে ওচৰত কৃতজ্ঞ ।

ড০ বিনয় সহস্ৰবুদ্ধে
অধ্যক্ষ,
ভাৰতীয় সাংস্কৃতিক সম্পৰ্ক পৰিষদ। (ICCR)
বৰ্ষ প্ৰতিপদা, ৱিক্ৰম সংৱৎ- ২০৭৬

## মনৰ কথা

এই কিতাপখনৰ এই বিষয়টো কেতিয়া মোৰ চকুত পৰে, সেইটো কোৱা কঠিন হ'ব। মনতো নাই। কিন্তু যোৱা প্ৰায় পঁচিশ বছৰৰ পৰা এই বিষয়টোৱে মোৰ মগজুত ঘূৰি আছিল।

সেই সময়ত কেতিয়াবা কেতিয়াবা ভাৰত-পাকিস্তান বিভাজন সম্বন্ধীয় কিতাপ পঢ়িবলৈ আৰম্ভ কৰা হয়। চাওঁতে চাওঁতে মোৰ মগজুত কিছুমান বিশেষ প্ৰশ্নৰ উদয় হয়। অখণ্ড ভাৰতৰ বিভাজন আমাৰ ইতিহাসৰ আটাইতকৈ বেছি ৰক্তাক্ত ঘটনাবহুল অধ্যায়। এইটো সঁচা যে বিভাজনৰ বিষয়ৰ ওপৰত বহুতো লিখা হৈছে, কিন্তু এইটোও সঁচা যে আৰু কিছু লিখা উচিত। দেশৰ জনতাৰ সম্মুখত সেই কালছোৱাৰ কিছুমান কথা উল্লেখ কৰা প্ৰয়োজন। দহৰ পৰা পোন্ধৰ লাখ লোক ক্ৰূৰতা আৰু নৃশংসতাৰ বলি হৈছিল, ডেৰকোটিৰো অধিক লোক স্থানচ্যুত হৈছিল, এয়া কোনো সাধাৰণ ঘটনা নাছিল। বিশ্বৰ যিকোনো দেশৰ ইতিহাসত এয়া ভয়ানক ঘটনা। কিন্তু এই সম্বন্ধে ভাৰতীয়সকলৰ মাজত বিশেষ প্ৰকাৰৰ উদাসীনতা দেখিবলৈ পোৱা যায়। সম্ভৱতঃ আমি ভাৰতীয়সকলৰ এই কলংকিত আৰু ৰক্তাক্ত কালছোৱাৰ স্মৰণ কৰাৰ ইচ্ছায়েই নাই।

সেইদৰে দেখা যায় যে জাৰ্মানসকলে হিটলাৰ আৰু তেওঁৰ ভয়ংকৰ অত্যাচাৰবোৰ স্মৰণ কৰিবলৈ নিবিচাৰে। কিন্তু তেওঁলোকে সেই কালছোৱাৰ ইতিহাস সযতনে সংৰক্ষণ কৰি ৰাখিছে। জাৰ্মানীৰ অনেক স্থানত হিটলাৰে শাস্তি দিয়া কেম্পবোৰ যেনেদৰে আছিল তেনেদৰেই ৰাখিছে। জাৰ্মানীৰ অনেক সংগ্ৰহালয়ত হিটলাৰৰ সময়ৰ বস্তু, চিত্ৰ, অস্ত্ৰ-শস্ত্ৰ, শাস্তি দিয়া সঁজুলি,

কাপোৰ, কাগজ-পত্ৰ, বাতৰি কাকত আদি ভালেমান বস্তু স্মৃতি হিচাপে সংৰক্ষণ কৰি ৰাখিছে।

কিন্তু আমি ভাৰতীয়সকলে আমাৰ বিভাজনৰ কালছোৱাৰ বিষয়ে কি কৰিলোঁ ? একোৱেই নকৰিলোঁ। লাহে লাহে এই কূ-স্মৃতিবোৰ মানুহৰ মগজুত পাবলৈ কঠিন হ'ব আৰু কিছুবছৰৰ পাছত এই কালছোৱা প্ৰমাণৰ অভাৱত ইতিহাসৰ পৰা নোহোৱা হৈ যাব।

কোনো দেশৰ কাৰণে এই স্থিতি ঠিক নহয়। ভৱিষ্যত প্ৰজন্মৰ সন্মুখত এই সমস্ত ইতিহাস প্ৰমাণ সহকাৰে আনিবই লাগিব। সেয়ে মই এই বিষয়ে অধ্যয়ন কৰিবলৈ আৰম্ভ কৰোঁ। এই কালছোৱা পঢ়াৰ সময়ত মনলৈ প্ৰশ্ন আহিছিল, বিভাজনৰ সেই উথপথপৰ সময়ত ভাৰতৰ নেতৃত্বই কি কৰি আছিল ? পুনৰ অনুসন্ধান কৰিবলৈ আৰম্ভ কৰোঁ। আজিৰ পৰা বিশ-পঁচিশ বছৰৰ আগতে ইন্টাৰনেট ব্যৱস্থাও ইমান উন্নত নাছিল। সেইকাৰণে বিভিন্ন কিতাপ আৰু মাহেকীয়া আলোচনীৰ ওপৰতে নিৰ্ভৰ কৰিবলগা হৈছিল আৰু এই কিতাপ তথা আলোচনীবোৰ পোৱাও সহজ নাছিল। তথাপি মই লাহে লাহে সমস্ত বিৱৰণ একত্ৰিত কৰিবলৈ আৰম্ভ কৰোঁ।

বিভাজনৰ সমস্ত ঘটনাৰ কেন্দ্ৰ কংগ্ৰেছ, নেহৰু, গান্ধী আৰু জিন্না হ'ব পাৰে, কিন্তু ভাৰতৰ উত্তৰ-পশ্চিম ভাগত ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘ এটা বৃহৎ শক্তিৰ ৰূপত সন্মুখলৈ আহিছিল। মই এই কথাৰো অনুসন্ধান কৰিবলৈ ধৰিলোঁ যে সেই সময়ত সংঘৰ প্ৰমুখ, অৰ্থাৎ সৰসংঘচালক শ্ৰীগুৰুজী ক'ত আছিল ? তেতিয়া গম পালোঁ যে বিভাজনৰ উথপথপৰ বিশেষ কালছোৱাত অৰ্থাৎ পাঁচ - আঠ আগষ্টত গুৰুজী সিন্ধ প্ৰান্তত আছিল। কৰাচী আৰু হাইদৰাবাদত তেওঁৰ ডাঙৰ ডাঙৰ সভা অনুষ্ঠিত হৈছিল। কিন্তু এই বিষয়ে আৰু অধিক নিশ্চিত তথ্য পোৱা নগৈছিল।

সেই দিনকেইটাত গুৰুজীৰ লগত একেৰাহে থকা তেওঁৰ ব্যক্তিগত সচিব ডঃ আবাজী থাত্তেলৈ মই চিঠি লিখোঁ। সোনকালেই আবাজীৰ পৰা বিশদ বিৱৰণেৰে চিঠিৰ উত্তৰো পালোঁ। তেওঁ মোক লগ পাবৰ বাবে মাতি পঠিয়ালে। বোধহয় ১৯৯৫-৯৬ ত নাগপুৰৰ সংঘ কাৰ্যালয়ত আমাৰ ডেৰ-দুই ঘণ্টাৰ সাক্ষাৎ হৈছিল, বহুকথাই পাতিছিলোঁ। আবাজী থাত্তেৰ স্মৃতিবোৰ একেবাৰে

পৰিষ্কাৰ আৰু সজীৱ হৈ আছিল। গুৰুজীৰ সেই অন্তিম সিন্ধ ভ্ৰমণৰ বিষয়ে তেওঁ কিছুমান সৰুসুৰা কিন্তু গুৰুত্বপূৰ্ণ কথা মোক কৈছিল।

১৯৯৭ চনত ভাৰতৰ স্বাধীনতা দিৱসৰ পঞ্চাশ বছৰীয়া বৰ্ষপূৰ্তি পালন কৰা হৈছিল। সেই সময়তে এই কিতাপখন লিখি প্ৰকাশ কৰাৰ কথা ভবা হৈছিল। কিন্তু তেতিয়ালৈকে বহুতো তথ্য ভালদৰে পোৱা নগৈছিল। যিবোৰ কিতাপ মই বিচাৰিছিলোঁ সেয়াও পোৱা নাছিলোঁ। এনেদৰেও ক'ব পাৰি যে এই কামৰ বাবে যিমানখিনি সময় দিয়া উচিত সেয়া মই দিব পৰা নাছিলোঁ, আৰু এই বিষয়টো সেই সময়ত ৰৈ গ'ল।

ইয়াৰ মাজতে মই যিসকল ব্যক্তিক লগ পাইছিলোঁ আৰু এই কিতাপ তথা বিষয়টোৰ সম্বন্ধে কৈছিলোঁ, তেওঁলোক সকলোকে এই কল্পনাই পুলকিত কৰিছিল। জব্বলপুৰত মই সুমিত্ৰা তাঈ মহাজনক 'মকৰ সংক্ৰমণ ব্যাখ্যানমালা'ত আমন্ত্ৰণ কৰিছিলোঁ। সেই সময়তেই তেওঁৰ লগত আলোচনা কৰোঁতে তেওঁক এই কিতাপখনৰ বিষয়ে ভবাৰ কথা কৈছিলোঁ। তেওঁ এই কথাটো ভাল পালে আৰু পিছদিনাই তেওঁ ভূপালত স্বৰ্গীয় অনিল মাধৱ দৱেৰ লগত আলোচনা কৰি মোলৈ ফোন কৰিলে, "কিতাপখন পঠিয়াই দিয়ক, আমি এইখন হিন্দীত প্ৰকাশ কৰিম।" কিন্তু মোৰ কিতাপ প্ৰস্তুত ক'ত হৈছিল ? কেৱল কল্পনাতহে আছিল। কিতাপ লিখাৰ সংযোগেই হোৱা নাছিল।

অন্ততঃ দুবছৰৰ আগতে, যেতিয়া 'একতা' নামৰ মাহেকীয়া আলোচনীত মোৰ 'ভাৰতীয় জ্ঞানাচা খজিনা' নামৰ ধাৰাবাহিক লেখা সমাপ্ত হ'ল, তেতিয়া সম্পাদক মহোদয়ে আগ্ৰহ প্ৰকাশ কৰে যে আগলৈও যাতে নিয়মীয়াকৈ লিখোঁ। তেতিয়া বিভাজনৰ এই বিষয়টো ধাৰাবাহিকভাৱে লিখিবলৈ মনত দৃঢ়সংকল্প লওঁ আৰু লাহে লাহে এই ধাৰাবাহিকে সুদৃঢ় আকাৰ ল'বলৈ ধৰে।

এই ধাৰাবাহিক প্ৰকাশ হোৱাৰ সময়ত মিলিন্দজী ওক, অজিংক কুলকাৰ্ণী দৰে বন্ধুৰ মনত খেলালে যে ২০১৮ তেই ১ আগষ্টৰ পৰা ১৫ আগষ্টলৈকে এইলানি লেখা সামাজিক মাধ্যমলৈ অবিৰতভাৱে অনা উচিত। আৰু এইটোৱে হ'ল... এক ইতিহাস তৈয়াৰ হ'ল। এই লেখাৰ প্ৰতিটো সমল, প্ৰতিটো অধ্যায় 'অৰ্থাৎ প্ৰত্যেক দিনৰ এটা অধ্যায়' যথেষ্ট ডাঙৰ আছিল। "Facebook

অথবা WhatsApp ত প্ৰতিদিনে এটা বিষয়ৰে সমল একেৰাহে কোনে forward কৰিব অথবা এই বিষয়ৰ লেখা কোনে share কৰিব" এনেকুৱা স্বাভাৱিক শংকা এটা মনলৈও আহিছিল। কিন্তু সকলো শংকা-কূশংকা নস্যাৎ কৰি এই লোমহৰ্ষক লেখালানি লাখ লাখ লোকৰ ওচৰ পালেগৈ। হিন্দীত এইলানি লেখাৰ অনুবাদ উজ্জয়িনীৰ মোৰ বন্ধু 'সুৰেশ চিপলূনকৰজী'য়ে বৰ তৎপৰতাৰে আৰু সুন্দৰভাৱে কৰে। ইংৰাজী অনুবাদ পুণেৰ দেৱীদাস দেশপাণ্ডেজীয়ে কৰে। কন্নড় আৰু তামিল ভাষাতো এইলানি লেখাৰ অনুবাদ হয়। জাৰ্মানীৰ পৰা মোৰ পুত্ৰই কিছুমান 'স্ক্ৰীনশ্বট' পঠিয়ায়। যিবোৰৰ পৰা গম পোৱা গৈছে যে এই লেখাসমূহ ইউৰোপতো ভাইৰেল হৈছে।

এইখিনি লিখাৰ সময়ত মই কিবা আৱেগৰ বশৱৰ্তী হৈ গৈছিলোঁ। ১৯৪৭ ১ আগষ্ট মাহ'তে জীৱন অতিবাহিত কৰিছিলোঁ। যেনেদৰে আৰু য'লৈকে গৈছিলোঁ, সেই কালছোৱাৰ ঘটনা গোটাই গৈছিলোঁ। যেনেদৰে নতুন বিষয় পাইছিলোঁ, তাৰ লগতেই ইতিহাসৰ এটা এটা নতুন পৃষ্ঠা মোৰ সম্মুখত খোল খাই গৈ আছিল।

এনেকুৱাও নহয় যে মই পোৱা সকলো সমলেই শুদ্ধ আছিল, তাত কিছুমান ভুলো আছিল। ৱি. স. ৱালিংবে মাৰাঠী সাহিত্য-জগতৰ এটা জ্যেষ্ঠ নাম। সম্পূৰ্ণ অনুসন্ধান সহকাৰে লিখা তেওঁৰ বিশেষত্ব। কিন্তু '1947' নামৰ কিতাপত তেওঁ দিয়া এটা ঘটনা সম্পূৰ্ণ ভুল ওলাল।

বিষয়টো আছিল, 'নৰ্থ ৱেষ্ট ফ্ৰণ্টিয়াৰ প্ৰৱিন্স'। একমাত্ৰ মুছলিম সংখ্যাগৰিষ্ঠ প্ৰদেশ, যিখন খান আব্দুল গফুৰ খান 'সীমান্ত গান্ধী অথবা বাদশাহ্ খান' - এ কংগ্ৰেছৰ মোনাত ভৰাই দিছিল। ১৯৪৭ ত এই সীমান্তৱৰ্তী মুছলিম ৰাজ্যখনত কংগ্ৰেছৰ শাসন আছিল। স্বাভাৱিক কথা, সকলোৱে এনেদৰেই ভাবিছিল যে বিভাজনৰ পাছত আন কংগ্ৰেছ শাসিত ৰাজ্যৰ লগতে এই ৰাজ্যখনো ভাৰতত চামিল হ'ব। আব্দুল গফুৰ খানে নিজেও এইটোত আগ্ৰহী আছিল। কিন্তু নেহৰুৰ জে'দ আছিল যে 'সাধাৰণ জনতাৰ সহমত'ৰ দ্বাৰা অৰ্থাৎ এই বিষয়ত সকলোৰে সন্মতি লোৱা হওক। পাছত কংগ্ৰেছৰ এই সহমতৰ পাকচক্ৰত আঁতৰি যাবলগীয়া হয়। খান চাহাবৰ এনেকুৱা লাগিছিল যে কংগ্ৰেছে তেওঁৰ লগত বিশ্বাসঘাটকতা কৰিলে। 'আফগানিস্তানৰ বিষয়ত

একেলেথাৰিয়ে লিখি থকা লেখিকা প্ৰতিভা ৰানডেৰ এটা লেখা 'অন্তৰ্নাদ'ৰ ২০১৮ ৰ দীপাৱলীৰ অংশত আছে --- "আক্ৰোশৰ অৱকাশ" এই লেখাত তেওঁ আশীৰ দশকত 'যেতিয়া তেওঁ আফগানিস্তানত আছিল' বাদশাহ খান তেওঁৰ ঘৰলৈ আহিছিল, সেই ঘটনাৰ বিৱৰণ লিখিছে। এই সাক্ষাতত খান চাহাবে প্ৰতিভা ৰাণাডেক কৈছিল, "বাস্তৱত আমি ভাৰততেই আছিলোঁ... গান্ধীজীয়ে তেনেকুৱাই কথা দিছিল। কিন্তু পাছত তেওঁ আমাৰ লগত বিশ্বাসঘাটকতা কৰিলে। গান্ধী-নেহৰুৱে স্বাধীনতা অধিকাৰ কৰিলে, কিন্তু আমাক কুকুৰ 'পাকিস্তান'ৰ সম্মুখত পেলাই দিলে। এই দুখ মই কেতিয়াও পাহৰিব নোৱাৰোঁ। গান্ধী-নেহৰুৱে আমাক ঠগিলে।" এই সমস্ত ইতিহাস এই কিতাপখনতেই আছে।

কিন্তু ভোটদানৰ যি অংক ৰি. স. ৱালিংবেজীয়ে তেওঁৰ '১৯৪৭' নামৰ কিতাপখনৰ পৃষ্ঠা ২৮০ ত দিছে, সেয়া একেবাৰে ভুল। ৱালিংবেৰ দ্বাৰা দিয়া অংক এনেধৰণৰ --- ৫, ৭২, ৭৯৮ জনে ভোটদানত ভাগ লয়... ইয়াৰ ভিতৰত পাকিস্তানৰ পক্ষে ২, ৮৯, ২৪৪ জনে, আৰু ইয়াৰ বিৰুদ্ধে ২, ৮৩, ৫৪৪ অৰ্থাৎ মুঠ পাৰ্থক্য কেৱল ৫, ৬৯০হে আছিল।

ময়ো আৰম্ভণিতে এই অংকৰ মাধ্যমেৰে নিজৰ মত ব্যক্ত কৰিবলৈ বিচাৰিছিলোঁ। কিন্তু নিজৰ অভ্যাস অনুসৰি এই অংকৰ যেতিয়া পুনৰীক্ষণ কৰাত লাগিলোঁ তেতিয়া এই কথা গম পালোঁ যে ৱালিংবেজীৰ দ্বাৰা দিয়া গণনা একেবাৰে ভুল।

কোৱাৰ উদ্দেশ্য হৈছে মই লাভ কৰা প্ৰত্যেক সন্দৰ্ভত অনুসন্ধান কৰিছোঁ। সেয়ে মই সম্পূৰ্ণ বিশ্বাসেৰে ক'ব পাৰোঁ যে এই কিতাপখনত দিয়া প্ৰতিটো ঘটনাই সম্পূৰ্ণ সত্য আৰু ইয়াৰ সাক্ষী-প্ৰমাণ মোৰ ওচৰত সংৰক্ষিত হৈ আছে।

মোৰ এনেকুৱা লাগে যে স্বাধীনতা লাভৰ কালছোৱাৰ এই উথপথপত 'সেই পোন্ধৰটা দিন' বৰ গুৰুত্বপূৰ্ণ আছিল। এই পোন্ধৰ দিনৰ ঘটনাৱলীয়ে দেশৰ সেই সময়ৰ নেতৃত্বৰ ক্ষমতা আৰু সীমাবোৰ স্পষ্ট ৰূপত প্ৰকাশ কৰিছিল। আমি যাৰ হাতত নিজৰ দেশ সঁপিছিলোঁ, সেই নেতৃত্ব উচ্চ নে নিম্ন সেয়া দেখুৱাবৰ বাবে উপৰোক্ত পোন্ধৰ দিন আছিল। ভাৰত যেতিয়া

স্বাধীনতাৰ দুৱাৰদলিত উপস্থিত হৈছিল, সেই সময়ত যিসকল নেতাই এই দেশৰ নেতৃত্ব বহন কৰিছিল, তেওঁলোকে বিভাজনৰ গম্ভিৰতা বুজিয়েই পোৱা নাছিল।

বহুতৰে এই কথাত বিশ্বাস হোৱা নাছিল যে গান্ধীজীয়ে লাহোৰৰ হিন্দু-শিখ নিৰ্বাসিতসকলক স্পষ্টভাবে কৈছিল যে মৃত্যু হ'বলৈ ধৰা লাহোৰৰ লগতে আপোনালোকেও উদাত্ত মনেৰে মৃত্যুক স্বীকাৰ কৰক। চৰ্দাৰ পেটেল, খান আব্দুল গফুৰ খান আৰু অনেক কংগ্ৰেছ নেতাৰ বিৰোধিতা সত্বেও আন্তঃৰাষ্ট্ৰীয় ৰণনীতি ৰূপে অতি গুৰুত্বপূৰ্ণ 'নৰ্থ ৱেষ্ট ফ্ৰণ্টিয়াৰ প্ৰৱিন্স'ক সৰ্বমতৰ জে'দত হেৰুওৱা নেহৰুৱে কি কৰিব কোনেও বুজি পোৱা নাছিল। বিভাজনৰ কালছোৱাৰ সেই অতি বিস্ফোৰক, জ্বলন্ত আৰু স্পৰ্শকাতৰ পৰিস্থিতিতিত দেশৰ নেতৃত্ব দিবলৈ ওলোৱা কংগ্ৰেছ একেবাৰে নিষ্ক্ৰিয় হৈ কেনেকৈ আছিল, এই প্ৰশ্নই বাৰে বাৰে পাঠকৰ মনত কষ্ট দিয়ে।

১ আগষ্টৰ পৰা ১৫ আগষ্ট, ২০১৮ লৈকে পোন্ধৰ দিনত যেতিয়া এই লেখালানিয়ে সামাজিক মাধ্যমত হুলস্থূলৰ সৃষ্টি কৰিছিল, সেই সময়ত বহুলোকে, বিশেষকৈ যুৱচামে কৈছিল যে এই ঘটনাবোৰৰ এটাৰ বিষয়েও তেওঁলোকে নাজানে। নব্বৈ শতাংশ পাঠকে 'মুছলিম নেচনেল গাৰ্ড'-ৰ নামো শুনা নাছিল। তাৰ মাজতে ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘ নামৰ সংগঠনটো সিন্ধ, পাঞ্জাব, বেলুচিস্তানৰ দৰে ক্ষেত্ৰসমূহত ইমান সক্ৰিয় আছিল, এই কথাও বহু পাঠকে নাজানে।

দুৰ্ভাগ্যবশতঃ এই গম্ভীৰ আৰু ঐতিহাসিক বিষয়ৰ ওপৰত কোনো প্ৰকৃত দলিল পাবলৈ নাই। এই কালছোৱাৰ অধিকাংশ সাহিত্য হয় অনুমানৰ ওপৰত ভিত্তি কৰি আৱেগত লিখা হৈছিল অথবা একেবাৰে বিপৰীত দৃষ্টিকোণত ধ্যান দি লিখা হৈছিল। এনেকুৱাত সত্য বিচাৰি পোৱা বৰ কঠিন।

আৰু সেইকাৰণে এই কিতাপখন লিখিবলৈ সাহস কৰিলোঁ। ইতিহাসৰ লগত সম্পূৰ্ণৰূপে বিশ্বাসযোগ্যতাৰে বিভাজনৰ সেই অন্তিম পোন্ধৰ দিনত দেশৰ নেতৃত্বই কেনেকুৱা আচৰণ কৰিছিল এইটো দেখুওৱাৰ এটা ক্ষুদ্ৰ প্ৰচেষ্টা মাথোন।

এই কিতাপখন লিখোঁতে মোক বহুতেই সহায় কৰিছে। অনেকে তৎপৰতাৰে প্ৰসংগৰ গ্ৰন্থ আনি দিছে। গান্ধীজীৰ অনেক সন্দৰ্ভ মোৰ বন্ধুৰ সহায়ত পাইছোঁ। তেওঁলোক সকলোকে ধন্যবাদ জ্ঞাপন কৰিছোঁ। এই কিতাপখন ধাৰাবাহিক লেখা ৰূপে 'একতা' নামৰ পত্ৰিকাত নিয়মীয়াকৈ প্ৰকাশ কৰাৰ বাবে পত্ৰিকাৰ সেই সময়ৰ সম্পাদক শ্ৰী ৰিদ্যাধৰ তাথে আৰু বৰ্তমান সম্পাদক শ্ৰী মনোহৰ কুলকাৰ্ণীৰ প্ৰতি কৃতজ্ঞ ।

'ভাৰতীয় সাংস্কৃতিক সম্পৰ্ক পৰিষদ' 'ICCR' নামৰ সন্মানিত আৰু মহত্বপূৰ্ণ সংস্থানৰ অধ্যক্ষ ডঃ ৰিনয় সহস্ৰবুদ্ধেজীয়ে নিজৰ ব্যস্ত সময়ৰ পৰা কিছু সময় উলিয়াই এই কিতাপখনৰ প্ৰস্তাৱনা লিখে, তেওঁকো সহৃদয়ে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। এই লেখাৰ সম্পূৰ্ণ নিৰ্ধাৰিত সময়ছোৱাত বিভিন্ন সমল উপলব্ধ কৰোৱাৰ দৰে বহুমূলীয়া কাৰ্য কৰা সুমেধা, ইন্দ্ৰনীল, নিহাৰীকা, নৰেন্দ্ৰ জৈন, আদি সকলোকে ধন্যবাদ জ্ঞাপন কৰিছোঁ।

এই কিতাপখনৰ হিন্দী অনুবাদ সামাজিক মাধ্যমত সক্ৰিয় উজ্জয়িনীৰ মোৰ বন্ধু সুৰেশ চিপলুনকৰজীয়ে অতি সংগঠিতভাৱে আৰু দক্ষতাৰে আকাৰ দিয়ে। তেওঁ প্ৰশংসনীয়।

আৰু শেষত আপোনালোক সকলো পাঠককে, যিসকলে সামাজিক মাধ্যমত এই লেখাৰ ঐতিহাসিক প্ৰমাণ দিলে, তেওঁলোকক প্ৰণাম জনাইছোঁ। আশাকৰোঁ, এই কিতাপখন আপোনালোকে যিমান পাৰে অধিক সংখ্যক লোকৰ ওচৰলৈ নিবলৈ চেষ্টা কৰিব !

আপোনাৰ
--- প্ৰশান্ত পোল
জব্বলপুৰ

# অনুবাদকৰ একাষাৰ



'ৰ পন্ধৰ দিন' প্ৰশান্ত পোলৰ এই গ্ৰন্থখনৰ হিন্দী সংস্কৰণ পঢ়ি যেতিয়া অসমীয়ালৈ অনুবাদ কৰাৰ কাম হাতত ল'বলগীয়া হ'ল, প্ৰথমতে বৰ চিন্তিত হৈছিলোঁ। বৰ্তমানলৈকে ন- খন কিতাপ 'জুলে ভাৰ্ন, ডিকন্স, ৰেমাৰ্ক আৰু মাৰ্গাৰেট ডুৰাছৰ কালজয়ী সাহিত্য'ৰ অনুবাদ কৰিছোঁ 'ইয়াৰে ২ খন অপ্ৰকাশিত' যদিও এইখনৰ কামটো সিমান সহজ নাছিল। ছাত্ৰাৱস্থাতে প্ৰথম কবিতাৰে বাতৰি কাকতত লেখা আৰম্ভ কৰিছিলোঁ আৰু ২০২৩ বৰ্ষৰ 'বুনিয়াদ' পাঠ্যপুথিৰ অষ্টম মানৰ পাঠ্যক্ৰমত আমাৰ কবিতা এটি অন্তৰ্ভুক্ত কৰিছে।

অলিখিত ইতিহাসৰ সেই পোন্ধৰ দিনৰ প্ৰতিটো পৃষ্ঠাৰ প্ৰতিটো শাৰীয়েই সেই সময়ৰ দলিল স্বৰূপ। প্ৰায় এমাহৰ ভিতৰতে সম্পূৰ্ণ অনুবাদ কৰিবলগীয়া হৈছিল। যিমান পাৰি সহজ-সৰল শব্দৰ প্ৰয়োগেৰে অনুবাদ কৰি আগবঢ়োৱা হৈছে। পাঠকৰ ভাল লগাতেই নিহিত আছে আমাৰ শ্ৰমৰ সাৰ্থকতা।

পুনঃশ্চ ঃ

'ৰ পন্ধৰ দিন' --- গ্ৰন্থখন পঢ়ি হোৱা ব্যক্তিগত অনুভৱ ---

দেশ কঁপোৱা সেই পোন্ধৰ দিনৰ বিচিত্ৰতা সকলো ক্ষেত্ৰতে বিৰাজমান আছিল।

একে সময়তে এভাগে যদি নেতৃত্বৰ অংকত মগ্ন, আন এভাগ বন্য উল্লাসত মত্ত ! মাজত দিশহাৰা অসহায় জনতা ! অত্যাচাৰত ঘৰ-বাৰী এৰি আশ্ৰয় বিচাৰি ধপলিয়াই ফুৰিছে জৰ্জৰিতসকলে !

এচাম সুবিধাবাদীয়ে গুণ্ডাবাহিনীক উচটনি দি ভোগৰ লালসাত সকলো পাহৰি গৈছে। যি কোনো প্ৰকাৰে ঘৰ-বাৰী-খেতি-ভূমি-দোকান-কাৰখানা ... সৰ্বস্ব দখল কৰি নিঃস্বজনক নিঃশেষ কৰাৰ প্ৰতিযোগিতা চলিছিল!

অত্যাচাৰীহঁতৰ হাতত কিমান জীয়ৰী-বোৱাৰী ধৰ্ষিতা হ'ল, কিমানৰ মৃত্যু হ'ল, কিমান আত্মজাহ গ'ল...তাৰ কোনো হিচাপ নাই ! তাৰেই মাজত এচামে মন-প্ৰাণ সঁপি দিছিল আৰ্তসকলক উদ্ধাৰৰ বাবে।

অস্থিৰ, উৎকণ্ঠাৰে ভৰা আছিল সেই পোন্ধৰটা দিন !

নেতৃত্বৰ তুষ্টিকৰণ নীতি আৰু জেদভাবৰ বাবেই আমি বহুতো হেৰুৱালোঁ.. !

হত্যা, হিংসা, অগ্নিকাণ্ড, লুট-পাত, ৰক্তপাত ... এনেধৰণৰ বাতৰি প্ৰকাশত বাতৰি কাকতৰ ওপৰত নিষেধাজ্ঞা আৰোপ কৰা হ'ল, ফলত বহুকথাই অলিখিত হৈয়ে থাকি গ'ল ... !

স্বাধীনতা-পূৰ্ব সেই পোন্ধৰ দিনৰ এনে বহু শিহৰণকাৰী তথ্যৰে সমৃদ্ধ প্ৰশান্ত পোলৰ গ্ৰন্থ--- 'ৰ পন্ধৰ দিন' --- সেই পোন্ধৰটা দিন ---

**কৃতজ্ঞতা স্বীকাৰ –**

খুউব কম সময়ৰ ভিতৰত সীমান্ত চেতনা মঞ্চ পূৰ্বোত্তৰ প্ৰকাশনে কিতাপ আকাৰত ছপা কৰি উলিওৱাৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছোঁ। বৈ যোৱা ভুল - ত্ৰুটীৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনাৰে--

-- মৰমী ওজা ৰয়
প্ৰাক্তন আচাৰ্য্যা, শংকৰদেৱ শিশু-বিদ্যা নিকেতন,
উত্তৰ লখিমপুৰ।

# প্ৰকাশকৰ একাষাৰ

১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰে। কিন্তু ভাৰতবৰ্ষৰ স্বাধীনতা লাভৰ প্ৰাকক্ষণত অৰ্থাৎ ১ আগষ্টৰ পৰা ১৫ আগষ্টৰ ভিতৰত ভাৰত বিভাজন সংক্ৰান্তত ঘটা অতি দুঃখজনক ঘটনা সমূহৰ বিস্তৃত বিৰৰণ তথ্য সহকাৰে লিখিত ৰূপত হিন্দী ভাষাত শ্ৰীপ্ৰশান্ত পোল ডাঙৰীয়াই 'ৰ পন্ধৰ দিন' নামৰ গ্ৰন্থ খনৰ দ্বাৰা প্ৰকাশ কৰিছে। সেই সময়ত ভাৰতবৰ্ষৰ হিন্দু -শিখ সমাজৰ ওপৰত হোৱা অবৰ্ণনীয় অত্যাচাৰ সমূহৰ বিষয়ে আৰু সেই সময়ৰ আমাৰ নেতৃবৰ্গৰ অদূৰদৰ্শী আৰু দুৰ্বল স্থিতিৰ বিষয়ে এই গ্ৰন্থ খনত স্পষ্টকৈ উল্লেখ কৰা হৈছে।

এই কথা সমূহ আমাৰ অসমৰ মানুহে জনাৰ প্ৰয়োজনীয়তা উপলব্ধি কৰি সীমান্ত চেতনা মঞ্চ পূৰ্বোত্তৰে এই কিতাপ খন 'সেই পোন্ধৰটা দিন' নামেৰে প্ৰকাশ কৰি উলিয়াইছে।

গ্ৰন্থখনৰ হিন্দীভাষাৰ সংস্কৰণৰ পৰা অসমীয়া ভাষালৈ অনুবাদ কৰি কৃতাৰ্থ কৰা বাবে শ্ৰীমৰমী ওজা ৰয় বাইদেউলৈ এই ছেগতে কৃতজ্ঞতা জনালোঁ। ডি ডি এছোছিয়েটছ, গুৱাহাটীৰ কৰ্মীবৃন্দক মুদ্ৰণত সহায় কৰি পাঠকৰ হাতলৈ আগবঢ়াই দিয়াত সুবিধা কৰি দিয়া বাবে আমি কৃতজ্ঞতা যাচিলোঁ।

এই গ্ৰন্থখনৰ প্ৰচাৰ আৰু প্ৰসাৰৰ কাৰণে দৃশ্য-শ্ৰব্য প্ৰস্তুত কৰাত সহযোগ আগবঢ়োৱা সন্মানীয় শিল্পীসকলৰ লগতে জ্যোতি চিত্ৰবনৰ অধ্যক্ষ সহিতে কৰ্মীবৃন্দকো আন্তৰিক ধন্যবাদ আৰু শলাগ জ্ঞাপন কৰিলোঁ।

সাধাৰণতে কিতাপত হোৱা ভুল-ত্ৰুটিৰ পৰা আমিও পৃথক নহয় গতিকে পাঠকসকলে ভুল-ত্ৰুটি শুধৰাই পৰামৰ্শ দিলে আমি কৃতাৰ্থ হ'ম।

— **সীমান্ত চেতনা মঞ্চ পূৰ্বোত্তৰ**

## প্ৰথম ঃ ১ আগষ্ট, ১৯৪৭

শুক্ৰবাৰ, ১ আগষ্ট, ১৯৪৭। এই দিনটো হঠাৎ মহত্বপূৰ্ণ হৈ পৰিল। এই দিনটোতে কাশ্মীৰ সম্বন্ধে দুটা বিশেষ ঘটনা ঘটিছিল। দুয়োটাৰ মাজত কোনো সম্বন্ধ নাছিল যদিও আহিবলগীয়া সময়ত ইয়াৰ মহত্ব অতি গুৰত্বপূৰ্ণ হিচাপে বিবেচিত হ'ব।

১ আগষ্টৰ দিনা গান্ধীজী শ্ৰীনগৰত উপস্থিত হ'লগৈ। এইটো আছিল গান্ধীজীৰ প্ৰথম কাশ্মীৰ ভ্ৰমণ। ইয়াৰ আগতে ১৯১৫ চনত, অৰ্থাৎ গান্ধীজী দক্ষিণ আফ্ৰিকাৰ পৰা স্বদেশলৈ ঘূৰি অহাৰ সময়ত, কাশ্মীৰৰ ৰজা হৰিসিংহই গান্ধীজীক কাশ্মীৰলৈ ব্যক্তিগত ভাবে নিমন্ত্ৰণ কৰিছিল। স্মৰ্তব্য যে সেই সময়ত মহাৰাজ হৰিসিংহৰ বয়স আছিল মাত্ৰ বিশ বছৰ। তেতিয়া প্ৰথম বিশ্বযুদ্ধ চলি আছিল।

ইতিমধ্যে ১৯৪৭ চনত দেশৰ দৃশ্যপটসমূহ নাটকীয় ৰূপে পৰিৱৰ্তন ঘটিছে। সেয়ে এনে জটিল সময়ত মহাৰাজ হৰিসিংহ আৰু জম্মু - কাশ্মীৰ প্ৰশাসনে গান্ধীজীৰ এই ভ্ৰমণ একেবাৰে বিচৰা নাছিল। স্বয়ং মহাৰাজা হৰিসিংহই ভাইচৰয় লৰ্ড মাউণ্টবেটেনলৈ এখন চিঠি লিখিছিল, "...সকলো কথা ভাবি -চিন্তি মই আপোনাক ক'বলৈ বিচাৰোঁ যে, মহাত্মা গান্ধীৰ প্ৰস্তাৱিত কাশ্মীৰ ভ্ৰমণ বৰ্তমান সময়ত বাতিল কৰা উচিত। যদি আহিবলৈ বিচাৰে, শৰৎ ঋতুৰ শেষভাগত আহিব পাৰে। পুনৰ বিনীত ভাবে ক'ব বিচাৰোঁ যে, গান্ধীজী প্ৰমুখ্যে আন কোনো ৰাজনৈতিক নেতা কাশ্মীৰৰ পৰিস্থিতি অনুকূল নোহোৱা পৰ্যন্ত অহা উচিত নহয়।" গান্ধীজীয়ে এই কথা ভালদৰে উপলব্ধি কৰিছিল যে "কাশ্মীৰ বৰ্তমান ভাৰত আৰু পাকিস্তান দুয়োপক্ষৰ বাবেই সন্মানৰ কথা হৈ পৰিল।"

স্বাধীনতালৈ তেতিয়া মাত্ৰ এক পষেকৰ দূৰত্ব, কিন্তু এই পৰ্যন্ত কাশ্মীৰে

নিজৰ স্থিতি ঘোষণা কৰা নাই। অৰ্থাৎ ভাৰত নে পাকিস্তান কোন ভাগত অন্তৰ্ভুক্ত হ'ব সেয়া জনোৱা নাই। সেয়ে গান্ধীজীয়েও এইটো বিচৰা নাছিল, তেওঁৰ কাশ্মীৰ ভ্ৰমণৰ অৰ্থ যাতে তেওঁৰ দ্বাৰা কাশ্মীৰ ভাৰতীয় সংঘত অন্তৰ্ভুক্তিৰ বাবে প্ৰচাৰ অভিযান চলোৱা বুলি আনটো পক্ষই নাভাবে। এয়া আছিল গান্ধীজীৰ ব্যক্তিত্বৰ আন এটা দিশ।


২৯ জুলাইৰ দিনা কাশ্মীৰ যাত্ৰাৰ পূৰ্বে গান্ধীজীয়ে দিল্লীৰ প্ৰাৰ্থনা-সভাত কৈছিল, " মই কাশ্মীৰৰ মহাৰাজক এই কথা ক'বলৈ নাযাওঁ যে তেওঁ ভাৰত নে পাকিস্তানৰ অন্তৰ্ভুক্ত হ'ব। কাৰণ সেই বিষয়ে নিৰ্ণয় কৰাৰ অধিকাৰ প্ৰকৃততে কাশ্মীৰৰ জনতাৰহে। গতিকে ক'ত চামিল হয় সেই সিদ্ধান্ত তেওঁলোকেই লোৱা উচিত। সেয়ে মই এই যাত্ৰাত কাশ্মীৰৰ কোনো ধৰণৰ সাৰ্বজনিক কাৰ্যক্ৰমত অংশগ্ৰহণ নকৰোঁ, আনকি প্ৰাৰ্থনাও। মই যি কৰোঁ, ব্যক্তিগত ভাবে কৰিম ...।"

গান্ধীজী ৰাৱলপিণ্ডী পথেৰে ১ আগষ্টত কাশ্মীৰৰ শ্ৰীনগৰত উপস্থিত হ'লগৈ। এইবাৰ যিহেতু তেওঁক ৰজাই নিমন্ত্ৰণ কৰা নাছিল, সেয়ে কিশোৰীলাল শেঠীৰ ঘৰতে অতিথি হিচাপে আশ্ৰয় ল'লৈগৈ। ভাৰাঘৰ হ'লেও ঘৰটো যথেষ্ট ডাঙৰ আছিল। শেঠী চাহাব বনবিভাগৰ ঠিকাদাৰ আছিল লগতে কংগ্ৰেছ আৰু নেছনেল কনফাৰেন্স দুয়ো দলৰ লগত ভাল সম্পৰ্ক আছিল। কিন্তু এই সময়ত নেছনেল কনফাৰেন্সৰ নেতা শ্বেখ আব্দুল্লাক মহাৰাজে জে'লত ভৰাই থৈছিল। নেছনেল কনফাৰেন্সৰ কেইবাজনো নেতাক কাশ্মীৰৰ পৰা বহিষ্কাৰ কৰা হৈছে। শ্বেখ আব্দুল্লাৰ নেতৃত্বত এইসকল নেতাই মহাৰাজৰ বিৰুদ্ধে ষড়যন্ত্ৰত লিপ্ত হোৱাৰ অভিযোগত দোষী সাব্যস্ত কৰি মহৰাজে এই ব্যৱস্থা লৈছিল।

গান্ধীজী যিদিনা ৰাৱলপিণ্ডী পথেৰে শ্ৰীনগৰলৈ আহিছিল, সেই পথত চকলালাত নেছনেল কনফাৰেন্সৰ দুজন নেতা বাক্সি গোলাম মহম্মদ আৰু খাজা গোলাম মহম্মদে গান্ধীজীৰ সহযাত্ৰী হৈ কোহলাপুললৈকে আগবঢ়াই থৈ নেতা দুজন লাহোৰলৈ উভটি যায়। গান্ধীজীৰ লগত আছিল তেওঁৰ দুগৰাকী ভতিজী আৰু সচীৱ প্যাৰেলাল। শ্ৰীনগৰত প্ৰৱেশ কৰি গান্ধীজী পোনে পোনে শেঠীৰ ঘৰলৈ যায়। তাত কিছুসময় জিৰণি লোৱাৰ পাছত

ডাল সৰোবৰলৈ লৈ যোৱা হয়। গান্ধীজীৰ এই সম্পূৰ্ণ যাত্ৰাটোত নেছনেল কনফাৰেন্সৰ কাৰ্যকৰ্তা তেওঁৰ আশে-পাশে আছিল। কাৰণ এই যাত্ৰাৰ আগতে গান্ধীজীয়ে নেহেৰুৰ জড়িয়তে কথাবোৰ আগতীয়াকৈ জানিব পাৰিছিল। কাশ্মীৰত পণ্ডিত নেহেৰুৰ ঘনিষ্ঠ বন্ধু আছিল শ্বেখ আব্দুল্লা, তেওঁ আছিল জে'লত। হ'লেও শ্বেখ চাহাবৰ বেগম আৰু অনুগামীসকলে গান্ধীজীৰ বাবে সকলো ধৰণৰ সু-ব্যৱস্থা কৰিছিল।

কাশ্মীৰত গান্ধীজীয়ে লগ কৰা বিশিষ্ট ব্যক্তিসকলৰ ভিতৰত প্ৰথমতে নাম ল'ব লাগিব শাসকীয় পক্ষৰ ব্যক্তি 'ৰামচন্দ্ৰ কাক'ৰ। মহাৰাজ হৰিসিংহৰ অতি বিশ্বাসযোগ্য ব্যক্তি আছিল ৰামচন্দ্ৰ কাক। বিপৰীতে নেহৰুৰ 'ঘৃণা-সূচী'ত প্ৰথম স্থানতে আছিল তেওঁৰ নাম। কাৰণ ১৯৪৬ চনৰ ১৫ মে'ত যেতিয়া শ্বেখ আব্দুল্লাক কাশ্মীৰ বিৰোধী কাৰ্যকলাপৰ বাবে গ্ৰেপ্তাৰ কৰা হয়, তেতিয়া নেহৰুৱে আব্দুল্লাৰ হৈ ওকালতি কৰাৰ বাবে নিজে উকিল হিচাপে কাশ্মীৰলৈ অহাৰ কথা ঘোষণা কৰে। কাক মহাশয়ে এই কথা সহজভাৱে ল'ব পৰা নাছিল। সেয়ে কাশ্মীৰত নেহৰুৰ প্ৰৱেশত বাধা আৰোপ কৰে আৰু মুজফ্ফৰবাদৰ ওচৰত নেহৰুক গ্ৰেপ্তাৰ কৰায়। ফলত ৰামচন্দ্ৰ কাক নেহৰুৰ চকুৰ কূটা যেন হৈ পৰে। যি কি নহওক, ৰামচন্দ্ৰ কাকে গান্ধীজীক কাশ্মীৰত মহাৰাজ হৰিসিংহই লিখা ছিল-মোহৰ সন্নিৱিষ্ট এখন চিঠি দিছিল। এই চিঠিখন প্ৰকৃততে গান্ধীজীক লগ পোৱাৰ নিমন্ত্ৰণী-পত্ৰহে আছিল। মহাৰাজৰ 'হৰি নিৱাস'ত তিনি আগষ্টত লগ কৰাৰ সময় ধাৰ্য কৰা হৈছিল।



নেহৰুৰ নির্দেশনা অনুসাৰে কাশ্মীৰত থকা দিনকেইটাত নেছনেল কনফাৰেন্সৰ কার্যকর্তাসল গান্ধীজীৰ চৌপাশে আছিল। শ্বেখ চাহাবৰ অনুপস্থিতিত তেওঁৰ বেগম আকবৰ জাহাঁ আৰু জীয়েক খালিদাই এই সময়ছোৱাত কেইবাবাৰো গান্ধীজীক লগ কৰিছিল। কিন্তু ১ আগষ্টৰ দিনা শ্রীনগৰত এজনো ৰাষ্ট্রবাদী হিন্দু নেতাক গান্ধীজীয়ে লগ দিয়া নাছিল।

❑

এই ১ আগষ্টৰ পৰাই পৰিবেশ, পৰিস্থিতিয়ে এনে ৰূপ ল'লে যে যিটোৱে এই উপমহাদেশখনৰ বাবে ভৱিষ্যতলৈ অসন্তোষ, অশান্তিৰ কাৰণ হ'ল আৰু এই ঘটনাও কাশ্মীৰ সন্দৰ্ভতেই আছিল। মহাৰাজ হৰিসিংহৰ নেতৃত্বত যি কাশ্মীৰ ৰাজ্য আছিল, তাৰ আয়তন যথেষ্ট ডাঙৰ আছিল। ১৯৩৫ চনত ইয়াৰ পৰা গিলগিট এজেন্সী নামৰ অংশটো ইংৰাজে অধিগ্ৰহণ কৰি বৃটিছ সাম্রাজ্যত চামিল কৰে।



প্ৰকৃততে অখণ্ড কাশ্মীৰ ৰাজ্য পৃথিৱীৰ স্বৰ্গ স্বৰূপ আছিল। ইয়াৰ উপৰিও সামৰিক তথা সৈনিক দৃষ্টিত কাশ্মীৰ বহুত গুৰুত্বপূৰ্ণ ৰাজ্য আছিল অৱশ্যে বৰ্তমানেও আছে। তিনিখন দেশৰ সীমা ইয়াৰ লগত সংলগ্ন হৈ আছে। ১৯৩৫ চনত আন্তঃৰাষ্ট্ৰীয় স্তৰত বৃহৎ ৰাজনৈতিক পৰিৱৰ্তনৰ সূচনা হৈছিল।

ৰাছিয়াৰ শক্তি বৃদ্ধি হৈ আহিছিল। সেয়ে কাশ্মীৰৰ যি অংশ ৰাছিয়াৰ লগত সংলগ্ন আছিল, অৰ্থাৎ গিলগিট, বৃটিছ নেতৃত্বই মহাৰাজ হৰিসিংহৰ পৰা কাঢ়ি ল'লে।

ঝেলাম নৈৰ বুকুৰে বহুত পানী বাগৰি গ'ল। ইতিমধ্যে দ্বিতীয় বিশ্বযুদ্ধও সমাপ্ত হ'ল। সেই যুদ্ধত ভাগ লোৱা সকলো দেশেই দুৰ্বল হৈ পৰিল। বৃটিছে ভাৰত ত্যাগৰ সিদ্ধান্ত সেই সময়তেই লৈছিল। এনে পৰিস্থিতিতিত 'গিলগিট-বাল্টিস্তান' নামৰ দুৰ্গম ঠাইখন নিজৰ নিয়ন্ত্ৰণত ৰখাৰ প্ৰতি ইংৰাজ শাসকৰ কোনো আগ্ৰহ নাছিল। সেয়ে তেওঁলোকে ভাৰতক স্বাধীনতা প্ৰদান কৰাৰ পূৰ্বে, ১ আগষ্টৰ দিনা গিলগিট প্ৰদেশ, মহাৰাজ হৰিসিংহক পুনৰাই ঘূৰাই দিয়ে। ১ আগষ্ট, ১৯৪৭ ৰ সূৰ্যোদয় হওঁতেই গিলগিট-বাল্টিস্তানৰ সকলো জিলাৰ মুখ্য কাৰ্যালয়ত ইংৰাজৰ য়ুনিয়ন জেক আঁতৰাই কাশ্মীৰৰ ৰাজকীয় পতাকা উত্তোলন কৰা হয়। কিন্তু এই হস্তান্তৰৰ বাবে মহাৰাজ হৰিসিংহ সিমান প্ৰস্তুত নাছিল। ইয়াৰ কাৰণ?

কাৰণ এই ঠাইখন ৰক্ষাৰ বাবে বৃটিছ শাসকে 'গিলগিট স্কাউট' নামেৰে এটা সেনা-গোট নিয়োগ কৰিছিল। ইয়াত কিছুসংখ্যক বৃটিছক বাদ দি অধিকাংশ সৈনিকেই মুছলমান আছিল। ১আগষ্টৰ গিলগিট হস্তান্তৰণৰ লগতে মুছলমানৰ এই ফৌজ মহাৰাজৰ হাতলৈ আহে। হৰিসিংহই ব্ৰিগেডিয়াৰ ঘঞ্চাৰা সিংহক এই প্ৰদেশৰ গৰৰ্ণৰ হিচাপে নিযুক্তি দিয়ে। আৰু তেওঁক সহায় কৰিবৰ বাবে গিলগিট স্কাউটৰ মেজৰ ডব্লিউ ব্ৰাউন আৰু কেপ্তেইন এচ, মেথিছন নামৰ দুজন বিষয়াক নিয়োগ কৰে। গিলগিট স্কাউটৰ চুবেদাৰ মেজৰ বাবৰ খান-ও তেওঁলোকৰ লগতে আছিল। এই নিযুক্তিৰ সময়ত মহাৰাজ হৰিসিংহই একেবাৰে অনুমান কৰিব পৰা নাছিল যে কেৱল ২ মাহ ৩ দিনৰ ভিতৰতেই সম্পূৰ্ণ গিলগিট স্কাউট বিশ্বাসঘাটকতা কৰি আঁতৰি যাব। বাস্তৱত সেয়াই হ'ল। সিহঁতে ব্ৰিগেডিয়াৰ ঘঞ্চাৰা সিংহক বন্দী কৰি থ'লে। ১ আগষ্টৰ দিনা গিলগিটৰ হস্তান্তৰণেই ভৱিষ্যতৰ ঘটনাসমূহ তথা দুৰ্ভাগ্য নিৰূপণ কৰিছিল।

❑


অখণ্ড হিন্দুস্থানৰ খণ্ডিত স্বাধীনতা যেতিয়া দেশৰ দুৱাৰডলিত, সেই

সময়ত পূব আৰু পশ্চিম সীমান্তত প্ৰচণ্ড নৰসংহাৰ চলি আছিল। স্বতন্ত্ৰতা তথা বিভাজনৰ দিন যিমানে কাষ চাপি আহিব, সিমানেই নৰসংহাৰ বৃদ্ধি পাব..., সেই কথা বৃটিছ বিষয়াই অনুমান কৰিব পাৰিছিল। সেইবাবে তেওঁলোকে এই সন্ত্ৰাসৰ জুই কমোৱাৰ মানসেৰে মুছলমান আৰু শিখৰ সন্মিলিত সেনাৰ প্ৰস্তাৱ আগবঢ়ায়। সেই অনুসাৰে 'পাঞ্জাব বাউণ্ডেৰী ফোৰ্চ' নামৰ সেনাৰ সংগঠন তৈয়াৰ কৰা হয়। ইয়াত এঘাৰটা পদাতিক সেনা সংগঠন আছিল। এই খণ্ডত পঞ্চাশ হাজাৰ সৈনিক আছিল আৰু এইসকলক নেতৃত্ব দিবৰ বাবে চাৰিজন ব্ৰিগেডিয়াৰ আছিল। তেওঁলোকৰ নাম -- মহম্মদ আয়ুব খান, নাছিৰ আহমদ, দিগম্বৰ বাৰাৰ আৰু থিমায়য়া। ১ আগষ্টৰ দিনা চাৰিওজন ব্ৰিগেডিয়াৰে লাহোৰত তেওঁলোকৰ অস্থায়ী কাৰ্যালয়ত 'পাঞ্জাব বাউণ্ডেৰী ফোৰ্চ' বেনাৰৰ তলত নিজৰ কাম আৰম্ভ কৰে। কিন্তু কোনে জানিছিল যে অহা পোন্ধৰ দিনতেই এই সন্মিলিত সেনাই তেওঁলোকৰ লাহোৰস্থিত মুখ্য কাৰ্যালয় হো হোৱাই জ্বলি থকা দেখিবলৈ পাব।

❑

### আনহাতে সুদূৰ কলকাতাত এখন নাটক ৰচনা হৈছিল ...

কংগ্ৰেছৰ জ্যেষ্ঠ নেতা সুভাষ চন্দ্ৰ বসুৰ ককায়েক শৰৎ চন্দ্ৰ বসুৱে ১ আগষ্টৰ দিনা কংগ্ৰেছৰ পৰা পদত্যাগ কৰে। শৰৎচন্দ্ৰ বসু বিশাল ব্যক্তিত্বৰ



অধিকাৰী আছিল। চল্লিশ বছৰ কংগ্ৰেছত থাকি নিষ্ঠাৰে, দলৰ হকে কঠোৰ পৰিশ্ৰম কৰা ব্যক্তি বুলি জনাজাত আছিল। ১৯৩০ চনত বৃটিছ ইণ্টেলিজেন্সৰ ৰিপোৰ্টত তেওঁৰ নাম উল্লেখ আছে। শৰৎচন্দ্ৰ বসু আৰু পণ্ডিত জৱাহৰলাল নেহেৰুৰ মাজত কিছু ক্ষেত্ৰত মিল থকা দেখা পোৱা যায়। দুয়োৰে জন্ম চন ১৮৮৯চনত। দুয়োজনেই শিক্ষা গ্ৰহণ কৰিছিল ইংলেণ্ডত। দুয়োজনেই ইংলেণ্ডৰ পৰা আইনৰ ডিগ্ৰী লৈছিল। ডেকা কালত দুয়োগৰাকী বিশিষ্ট ব্যক্তিৰ ভাবধাৰা বামপন্থীৰ ফালে ধাৱমান

হৈছিল যদিও সময়ত দুয়োৰে কংগ্ৰেছৰ সক্ৰিয় সদস্য হিচাপে স্বীকৃতি লাভ কৰে। তদুপৰি দুয়োজনৰে মাজত ভাল সম্বন্ধ আছিল।

কিন্তু ১৯৩৭ চনত, পট পৰিৱৰ্তন হয়। বেংগলত হোৱা নিৰ্বাচনত কংগ্ৰেছ দলে সৰ্বাধিক ৫৪ খন আসন লাভ কৰি প্ৰথম স্থান, 'কৃষক প্ৰজা পাৰ্টি'য়ে ৩৭ আৰু 'মুছলিম লীগে'ও ৩৭ খন আসন লাভেৰে দ্বিতীয় স্থানত থাকে। তেতিয়া কংগ্ৰেছ নেতা হিচাপে শৰৎচন্দ্ৰ বসুৱে কংগ্ৰেছ পাৰ্টিৰ, প্ৰধানকৈ নেহৰুৰ ওচৰত প্ৰস্তাৱ ৰাখে যে কংগ্ৰেছ আৰু 'কৃষক প্ৰজা পাৰ্টি'য়ে মিলি সংযুক্ত চৰকাৰ গঠন কৰা উচিত। কিন্তু নেহেৰুৱে সেই প্ৰস্তাব প্ৰত্যাখ্যান কৰে।

সৰ্বাধিক আসনত জয়লাভ কৰিও কংগ্ৰেছে বিৰোধী দল হিচাপে থাকিবলগীয়া হ'ল আৰু কৃষক প্ৰজা পাৰ্টিয়ে মুছলিম লীগৰ সৈতে মিলি চৰকাৰ গঠন কৰে। 'শেৰ-এ-বংগাল' নামেৰে বিখ্যাত 'এ, কে, ফজলুল হক বংগৰ প্ৰধানমন্ত্ৰী হয়। সেই সময়ৰ পৰাই বংগত কংগ্ৰেছ ক্ৰমে দুৰ্বল হৈ আহে। ন- বছৰৰ পাছত এই ভুলৰ পৰিণতিত মুছলিম লীগৰ ছুহৰাবৰ্ডিৰ দৰে কট্টৰ মুছলমান ব্যক্তি প্ৰধানমন্ত্ৰী হ'ল। কুখ্যাত ব্যক্তি ছুহৰাবৰ্ডিৰ নেতৃত্বত ১৯৪৬ চনত 'ডাইৰেক্ট একচন ডে' নামে পাঁচ হাজাৰ নিৰ্দোষী হিন্দুক হত্যা কৰিছিল।

উপৰোক্ত ঘটনাসমূহে শৰৎ বাবুৰ মনত বৰ আঘাত দিয়ে। তেওঁ সময়ে সময়ে এই সম্বন্ধে কংগ্ৰেছ নেতৃত্বক, বিশেষকৈ নেহৰুক অৱগত কৰিছিল কিন্তু একো সুফল নাপালে। নেহৰুৱে অলপো গুৰুত্বই নিদিলে। ১৯৩৯ চনত কংগ্ৰেছৰ ত্ৰিপুৰী জব্বলপুৰ অধিবেশনৰ কংগ্ৰেছৰ অধ্যক্ষ পদৰ নিৰ্বাচনত নেহৰুৱে সুভাষ চন্দ্ৰ বসুৰ বিৰুদ্ধে অপপ্ৰচাৰ কৰে। এই কথাত শৰৎ চন্দ্ৰ বসু অসন্তুষ্ট হোৱা নিতান্তই স্বাভাৱিক। এইবোৰৰ উপৰিও আন এটা ঘটনাই বিশেষভাৱে আঘাত হানে। সেয়া হ'ল বংগ বিভাজন সম্পৰ্কে। গান্ধী-নেহৰুৱে যেতিয়া এই বিভাজনক মান্যতা প্ৰদান কৰিলে, এই কথাটো শৰৎ বাবুৰে একেবাৰে ভাল নাপালে। এনেবোৰ কাৰণতে অসন্তুষ্ট হৈ চল্লিশ বছৰীয়া কংগ্ৰেছৰ কৰ্মজীৱনৰ পৰা পদত্যাগ পত্ৰ দি আঁতৰি আহে ১আগষ্টৰ দিনা। আৰু সেইদিনাই শৰৎচন্দ্ৰ বসুৱে 'চছিয়েলিষ্ট ৰিপাব্লিকান আৰ্মী' নামেৰে

এটা পাৰ্টি গঠন কৰে। জনসাধাৰণৰ আগত স্পষ্টভাবে ক'বলৈ ধৰিলে যে দেশৰ বিভাজন তথা দেশত যি ধৰণৰ অৰাজক পৰিবেশৰ সূচনা হৈছে, সেয়া নেহৰুৰ নেতৃত্বৰ বিফলতাৰ বাবেই হৈছে।

❑

১ আগষ্ট : ইমানবোৰ বিশিষ্ট ঘটনাবহুল দিনটো ক্রমে সন্ধিয়া লাগিছিল। সিফালে সমগ্র পাঞ্জাব জুই আৰু হিংসাত্মক ঘটনাৰ কবলত। ৰাতিৰ সেই গভীৰ আন্ধাৰত পাঞ্জাব, সিন্ধ, বেলুচিস্তানৰ শতাধিক গাঁৱৰ পৰা উদ্‌গীৰণ হোৱা জুইৰ শিখা বহুদূৰৈৰ পৰাই দেখা পোৱা গৈছিল। ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ ৫৮, ০০০ হাজাৰ স্বয়ংসেৱকে সমগ্র পাঞ্জাবত হিন্দু-শিখৰ ৰক্ষাত দিন-ৰাতি একাকাৰ কৰিছিল। ঠিক একেদৰেই বংগৰ পৰিস্থিতিও অৰাজকতাৰ দিশে অৱনতি ঘটিছিল।

স্বাধীনতা আৰু তাৰ লগতে বিভাজন, এতিয়া মাত্র চৈধ্য দিন দূৰ... !

❑

## দ্বিতীয় ঃ ২ আগষ্ট, ১৯৪৭

১৭, য়ৰ্ক ৰোড... । এই ঠিকনাৰ ভৱনটো, এতিয়া কেৱল দিল্লীবাসীৰ বাবে নহয়, সমগ্ৰ ভাৰতৰ বাবে মহত্বপূৰ্ণ ৰূপে বিবেচিত হ'ল। প্ৰকৃততে এই ভৱনটো বহুবছৰ ধৰি পণ্ডিত জৱাহৰলাল নেহেৰুৰ আৱাস আছিল। ভাৰতৰ 'মনোনীত' প্ৰধানমন্ত্ৰীৰ ভৱনৰ 'মনোনীত' শব্দটো আঁতৰিবলৈ মাত্ৰ তেৰ দিন সময় আছিল। কাৰণ পোন্ধৰ আগষ্টৰ পৰা জৱাহৰলাল নেহেৰুৱে স্বাধীন ভাৰতৰ প্ৰথম প্ৰধানমন্ত্ৰী ৰূপে কাৰ্যকাল আৰম্ভ কৰাৰ পথত।

১৭, য়ৰ্ক ৰোড...। এই বিশেষ ঠিকনাটোৰ প্ৰতি জনসাধাৰণৰ উৎসুকতা দিনে দিনে বাঢ়িবলৈ ধৰিলে। অৱশ্যে আগৰেপৰাই এই পথটো উল্লেখযোগ্য আছিল। বংগৰ অশান্ত পৰিস্থিতিৰ বাবে ইংৰাজে যেতিয়া ভাৰতৰ ৰাজধানী কলকাতাৰ পৰা দিল্লীলৈ স্থানান্তৰিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল, সেই সময় অৰ্থাৎ ১৯১১ চনৰ পৰা এডুইন লটিয়েনছ্ নামৰ বৃটিছ অভিযন্তাক 'নতুন দিল্লী' নিৰ্মাণৰ দায়িত্ব অৰ্পণ কৰে। লটিয়েনছে এই মহান কৰ্মটো এই বিশেষ অঞ্চলত অৰ্থাৎ এই য়ৰ্ক ৰোডৰ পৰাই আৰম্ভ কৰে। নেহৰু যিটো ভৱনত আছিল, সেইটো ১৯১২ চনত নিৰ্মাণ কৰা হৈছিল। এই ভৱনটোতেই ২ আগষ্ট, ১৯৪৭ চনৰ ৰাতিপুৱা ভীষণ ব্যস্ততা, তালৈ যোৱাসকলৰ মাজত প্ৰতিফলিত হৈছিল নিজৰ নিজৰ চিন্তাৰ ব্যাকুলতা।

ব্ৰিটিছ সাম্ৰাজ্যৰ ফালৰ পৰা হস্তান্তৰৰ বাবে মাত্ৰ তেৰ দিন বাকী। সেই কাৰ্যক্ৰম প্ৰস্তুত কৰাটো এটা প্ৰধান বিষয় আছিলেই, লগতে বিভিন্ন ধৰণৰ লানি নিছিগা বিষয় নেহৰুৰ সন্মুখত যেন অগা-দেৱা কৰিছিল। ৰাষ্ট্ৰীয় সংগীতৰ পৰা আৰম্ভ কৰি মন্ত্ৰীসভা গঠনলৈকে বৰ দীঘলীয়া কাৰ্যসূচী আছিল নেহৰুৰ

সন্মুখত। এই সকলোবোৰৰ ভিতৰত ১৫ আগষ্টৰ দিনা কেনে ধৰণৰ সাজ-পোছাক পৰিধান কৰিব এনেকুৱা সৰু কথাবোৰতো নেহৰুৱে গুৰুত্ব আৰোপ কৰিছিল। কংগ্ৰেছ দলৰ কিছুমান নেতা তথা প্ৰশাসনৰ কিছুমান জ্যেষ্ঠ বিষয়া ১৭, য়ৰ্ক ৰোডলৈ আহিছিল। সেইসকলৰ লগত নেহৰুৱে বেলেগ বেলেগ বিষয়ৰ ওপৰত চৰ্চা কৰিবলগীয়া আছিল। সেই কাৰণে সেইদিনা নেহৰুৱে অতি সোনকালেই নিজৰ ভোজন পৰ্ব সমাপ্ত কৰে আৰু অত্যন্ত ব্যস্ততাৰ দিনটোৰ বাবে নিজকে প্ৰস্তুত কৰে।



❑


সিফালে ভাৰতৰ স্বাধীনতা দিৱসৰ আগতে ভাৰতবৰ্ষত চামিল হ'বলগীয়া বিষয়ক লৈ ৰাজ্যসমূহত কিছুমান ঘটনা সংঘটিত হৈছিল। চৰ্দাৰ বল্লভভাই পেটেলে প্ৰত্যেক ৰাজ্যৰ প্ৰত্যেকজন ৰাজকীয় মুৰব্বীৰ ওপৰত তীক্ষ্ণ দৃষ্টি নিৰন্ধ কৰি ৰাখিছিল। এই কামৰ বাবে তেওঁ নিজৰ গৃহ বিভাগত ভি, কে, মেননৰ দৰে অভিজ্ঞ প্ৰশাসনিক বিষয়াৰ নিযুক্তিৰ ব্যৱস্থাও কৰিছিল। চৰ্দাৰ পেটেলৰ নিৰ্দেশনা অনুসৰি ২ আগষ্টৰ দিনা ৰাতিপুৱা ভি, কে, মেননে নিৰীক্ষণ বিভাগৰ ডেপুটি চেক্ৰেটেৰী ছাৰ পেট্ৰিকলৈ এখন চিঠি লিখে। এই চিঠিৰ দ্বাৰা তেওঁ জনালে যে, "আৰ্থিক দিশত যিবোৰ ৰাজ্য সবল যেনে -- মহীশূৰ,

বৰোদা, গোৱালিয়ৰ, বীকানেৰ, জয়পুৰ, যোধপুৰ-- এই সমূহ ভাৰতীয় সংঘত চামিল হ'বলৈ প্ৰস্তুত। অৱশ্যে হায়দৰাবাদ, ভূপাল আৰু ইন্দোৰে এই সম্বন্ধে একো জনোৱা নাই।" এই ৰাজ্য সমূহৰ বিষয়ে নিৰ্ণয় ল'বলৈ বাকী আছে।

ভূপাল, হায়দৰাবাদ আৰু জুনাগড় -- এই তিনিখন ৰাজ্যৰ ভাৰতবৰ্ষৰ লগত থকাৰ একেবাৰে ইচ্ছা নাছিল। এই সন্দৰ্ভত ২ আগষ্টত ভূপালৰ নবাবে জিন্নালৈ এখন চিঠি লিখে। জিন্না আৰু ভূপালৰ নবাব হামিদুল্লা দুয়ো ভাল বন্ধু আছিল। বন্ধুলৈ লিখা এই পত্ৰত নবাব হামিদুল্লাই লিখিছিল -- *"আশী শতাংশ হিন্দু জনসংখ্যা থকা মোৰ ভূপাল খন এই 'হিন্দু ভাৰতত' একেবাৰে অকলশৰীয়া আৰু দুৰ্বল হৈ পৰিছে। মোৰ এই ৰাজ্যক মোৰ আৰু ইছলামৰ শত্ৰুৱে চাৰিওফালে ঘেৰি ৰাখিছে। কালি ৰাতিয়েই আপুনি স্পষ্টকৈ জনাইছিল যে পাকিস্তানেও আমাক একো সহায় কৰিব নোৱাৰে।"*

❑

সিফালে 'কুইন ভিক্টৰিয়া ৰোড' স্থিত নিবাসী ডাঃ ৰাজেন্দ্ৰ প্ৰসাদৰ ব্যস্ততাও ইতিমধ্যে বহুত বাঢ়িছিল। যদিও ভৱিষ্যত ভাৰতৰ ৰাষ্ট্ৰপতি হ'বলৈ কিছুদিন বাকী আছিল, বৰ্তমান নেতৃত্বৰ পিতৃ স্বৰূপে তেওঁ সকলো কথাৰ ওপৰত দৃষ্টি ৰাখিবলগীয়া হৈছিল। স্বাভাৱিকতে নেতৃত্বৰ হস্তান্তৰণৰ এই সময়ত বিভিন্ন বিষয়ৰ পৰামৰ্শ বিচাৰি বিভিন্ন ধৰণৰ লোকে ৰাজেন্দ্ৰ প্ৰসাদৰ ওচৰলৈ অহা-



যোৱা কৰিছিল। ডাঃ ৰাজেন্দ্ৰ প্ৰসাদ বিহাৰৰ আছিল। সেয়ে বিহাৰৰ পৰা অহা প্ৰতিনিধিসকলে বিভিন্ন বিষয় লৈ অৰ্থাৎ বিভিন্ন সমস্যাৰ সমাধান বিচাৰি তেওঁৰ ওচৰলৈ আহিছিল। ইয়াৰ মাজতে ২ আগষ্টৰ দিনা দুপৰীয়া তেওঁ তৎকালীন প্ৰতিৰক্ষা মন্ত্ৰী চৰ্দাৰ বলদেৱ সিংহলৈ ১৫ আগষ্টত উৎসৱ পালনৰ বিষয়ে এখন চিঠি লিখে। চিঠিত তেওঁ লিখে, "পাটনা চহৰত নাগৰিক আৰু প্ৰশাসনৰ লগতে সেনায়ো এই উৎসৱত ভাগ লোৱা উচিত। কাৰণ, তেতিয়াহে এই কাৰ্যক্ৰমৰ মৰ্যাদা বাঢ়িব।"

চৰ্দাৰ বলদেৱ সিংহ আকালী দলৰ পৰা মন্ত্ৰীমণ্ডলত অন্তৰ্ভুক্ত হৈছিল। তেওঁ ডাঃ ৰাজেন্দ্ৰ প্ৰসাদক বৰ সন্মান কৰিছিল। সেয়ে চিঠিখনৰ কথাখিনি গুৰুত্ব সহকাৰে বিবেচনা কৰি উৎসৱৰ কাৰ্যক্ৰম সফল কৰি তুলিব বুলি সকলো নিশ্চিত হৈছিল।

❑

২ আগষ্টৰ দিনা ৰাতিপুৱাৰ পৰাই সংযুক্ত প্ৰান্তত 'বৰ্তমান উত্তৰ প্ৰদেশ' আন এখন নাটকৰ ৰূপায়ণ হৈছিল। এই প্ৰদেশৰ হিন্দু মহাসভাৰ নেতাসকলক চৰকাৰে আগনিশাই গ্ৰেপ্তাৰ কৰি জেলত ভৰায়। এবছৰৰ আগতে বংগত মুছলিম লীগৰ হিংসুক গুণ্ডাই 'ডাইৰেক্ট এক্সন'ৰ নামত পাঁচ হাজাৰৰো অধিক হিন্দুক হত্যা আৰু হাজাৰ হাজাৰ মহিলাক বলাৎকাৰ কৰিছিল। কিন্তু তেতিয়া দোষীক যিহেতু কোনো শাস্তি দিয়া নহ'ল, বৰ্তমান তাৰ সৰব প্ৰতিবাদ কৰিব পাৰে বুলি অনুমান কৰিয়েই চৰকাৰে এই ব্যৱস্থা কৰে। বিশেষকৈ ছিংগাপুৰৰ পৰা প্ৰকাশিত হোৱা 'ইণ্ডিয়ান ডেইলী মেইল' নামৰ বাতৰি কাকতত ২ আগষ্ট, শনিবাৰে প্ৰথম পৃষ্ঠাত উক্ত বাতৰিটো প্ৰকাশ হোৱাৰ পাছত হিন্দু মহাসভাৰ সমৰ্থক সকলৰ মাজত অশান্তিৰ পৰিবেশৰ সূচনা হয়।

❑

সিফালে, সুদূৰ পূব প্ৰান্তৰ 'কোহিমা'ৰ ২ আগষ্ট, শনিবাৰে এটি বাতৰিয়ে খলকনি তুলিলে, যিটো ভাৰতীয় সংঘ ৰাজ্যৰ বাবে ভাল খবৰ নাছিল। 'ইণ্ডিপেণ্ডেণ্ট লীগ অফ কোহিমা'ই ঘোষণা কৰে যে ১৫ আগষ্টত তেওঁলোকে ভাৰতীয় সংঘ ৰাজ্যত চামিল নহয়। তেওঁলোকে স্বাধীনভাৱে থাকি নগা চৰকাৰ গঠন কৰিব। এইদৰে বিশেষ দিনটোক লৈ ভাৰতীয় সংঘ ৰাজ্যৰ সন্মুখত এটাৰ পাছত আন এটা সমস্যাৰ উদ্ভৱ হৈছিল।

❑

এনেকুৱা উত্তেজনাভৰা খবৰৰ পটভূমিত দেশ-বিদেশত ভাৰতীয় চিনেমাই দৰ্শকক মনোৰঞ্জন দিছিল। ছিংগাপুৰৰ ডায়মণ্ড থিয়েটাৰত অশোক কুমাৰে অভিনয় কৰা '৮ দিন' যথেষ্ট জনপ্ৰিয় হৈছিল। এই চিনেমাখনৰ কাহিনী প্ৰসিদ্ধ উৰ্দু গল্প লেখক ছৱাদত হাচান মণ্টোৱে লিখিছিল আৰু গীতিকাৰ




আছিল এচ, ডি, বৰ্মন। ভাৰতীয় চিনেমা জগতত এয়া আছিল এচ, ডি, বৰ্মনৰ প্ৰথম খোজ।

❑

চৰ্দাৰ বল্লভভাই পেটেলৰ দিল্লী স্থিত বাসভৱনত ‘বৰ্তমান ঔৰংজেৱ ৰোড’ এক হুলস্থূলীয়া পৰিবেশৰ সূচনা হয়। ৰাজ্যসমূহৰ চামিলকৰণ, সিন্ধ, বেলুচিস্তান আৰু বংগত উচটনিমূলক মাৰ-পিট, উত্তেজনা আদি ভালেমান বিষয়ৰ ওপৰত গৃহ মন্ত্ৰালয়ৰ সমীক্ষা চলি আছিল। এনে অৱস্থাতে দুপৰীয়া সময়ত চৰ্দাৰ পেটেলে পণ্ডিত নেহেৰুৰ পৰা এখন চিঠি পালে। নেহৰুৱে লিখিছিল --“ কেৱল নিয়মটো ৰক্ষা কৰিবৰ বাবেহে এই চিঠিখন আপোনালৈ পঠাইছোঁ। মই আপোনাক মন্ত্ৰীসভাত অন্তৰ্ভুক্ত হ’বৰ বাবে আমন্ত্ৰণ জনাব বিচাৰিছোঁ। অৱশ্যে আপুনি আগৰেপৰাই মোৰ মন্ত্ৰীসভাৰ শক্তিশালী স্তম্ভ... ।” চৰ্দাৰ পেটেলে চিঠিখন গ্ৰহণ কৰি চিঠিখনৰ ফালে চাই হাঁহিলে আৰু তৎক্ষনাৎ ভাৰত-পাকিস্তানৰ সীমাত (যিটো এতিয়ালৈকে ঘোষণা কৰা হোৱা নাছিল) হৈ থকা উত্তেজনা সন্দৰ্ভত তেওঁৰ সচিবৰ লগত আলোচনা কৰিব ধৰিলে

❑

দিল্লীৰ এই দৌৰা-দৌৰি আৰু ব্যস্ততাৰ সময়তে সুদূৰ মহাৰাষ্ট্ৰৰ আলন্দি নামৰ ঠাইত কংগ্ৰেছৰ অভ্যন্তৰত বামপন্থী চিন্তাধাৰাৰ নেতাসকলৰ সমাবেশ

হয়। শংকৰৰাও মোৰে আৰু ভাউচাহেব ৰাউতৰ আহ্বানত এই ভিতৰুৱা বামপন্থীসকলে দুমাহ আগতেই ২ আৰু ৩ আগষ্টত এই গোটৰ বৈঠক অনুষ্ঠিত হোৱাৰ সিদ্ধান্ত গ্রহণ কৰিছিল। ভাৰত স্বাধীন হোৱাৰ পথত আৰু এই স্বাধীন ভাৰতৰ চাবি এতিয়া কংগ্রেছৰ হাতলৈকে আহিব। এইটো তেওঁলোকে দুমাহৰ আগতেই স্পষ্টকৈ দেখা পাইছিল। এতিয়া এওঁলোকৰ সম্মুখত ডাঙৰ প্রশ্নটো হ'ল, নেতৃত্ব হস্তান্তৰণৰ এই প্রক্রিয়াত বামপন্থী আৰু সাম্যবাদীসকলৰ কি হ'ব? সেই বিষয়ে আলোচনা কৰিবৰ বাবেই দিল্লীৰ পৰা ইমান দূৰত বৈঠক অনুষ্ঠিত কৰা হৈছিল।

কংগ্রেছ দলৰ হৈ কাম কৰে, কিন্তু ভাবধাৰা বামপন্থী। এনেকুৱা নেতাসকলৰ ভিতৰত তুলসীদাস যাদৱ, কৃষ্ণৰাও ধুলুপ, জ্ঞানোবা যাঘৱ, দত্ত দেশমুখ, আৰ, কে, খাডিলকাৰ, কেশৱৰাও জেধেৰ দৰে বিখ্যাত আৰু বয়োজ্যেষ্ঠ নেতাসকল উক্ত বৈঠকত ভাগ লৈছিল। কংগ্রেছৰ ভিতৰতে মজদুৰ আৰু কৃষকৰ বাবেও বেলেগ সংগঠন তৈয়াৰ কৰিছিল। কোনেও ভবা নাছিল যে এই বৈঠকৰ পৰাই ভৱিষ্যতে মহাৰাষ্ট্রত কৃষক-মজদুৰৰ পক্ষপাতী, বৃহৎ বামপন্থী দলৰ জন্ম হ'ব। ২ আগষ্টত সম্পন্ন হোৱা এই বৈঠকত বামপন্থী নেতাসকলে ভাৰত বিভাজন অথবা ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত হোৱা পাশৱিক অত্যাচাৰৰ সন্দৰ্ভত মৌনতা অৱলম্বন কৰিছিল। তেওঁলোকে কেৱল কংগ্রেছত নিজৰ ভৱিষ্যত স্থিতি কি হ'ব সেই চিন্তাত মগ্ন আছিল।

❑

২ আগষ্টৰ দিনাই সন্ধিয়া মাদ্রাজৰ এগ্মোৰত এখন বিশাল জনসভাত মাদ্রাজ প্রেচিডেন্সিৰ খাদ্য আৰু স্বাস্থ্য মন্ত্রী টি, এচ, এচ, ৰাজনে এংল' ইণ্ডিয়ান সংগঠনৰ লগত আলোচনাত মিলিত হয়। ইংৰাজ যোৱাৰ পাছত এংল' ইণ্ডিয়ানসকলৰ কি হ'ব, এই প্রশ্নটোৱে বহুতৰে মনত শংকাৰ সৃষ্টি কৰিছিল।

এই সংগঠনক আশ্বস্ত কৰি মন্ত্রী মহোদয়ে কয়, "আপোনালোকৰ এই সৰু সংগঠনটোৱে এতিয়ালৈকে উত্তম পদ্ধতি আৰু সংস্কাৰৰ দ্বাৰা ভাৰতীয় সমাজত মিলা-প্রীতিৰে বাস কৰি সৌন্দৰ্য বৰ্দ্ধন কৰিছে। আগলৈও স্বাধীনতাৰ

পাছত আপোনালোকে দায়িত্বশীল নাগৰিকৰ ভূমিকা পালন কৰিব। কংগ্ৰেছে এই বিষয়ত নিশ্চয় লক্ষ্য ৰাখিব।”

❑



সিফালে পুণাত হিন্দু মহাসভাই এচ, পি কলেজত এখন জনসভাৰ আয়োজন কৰে। দেশৰ বৰ্তমান পৰিস্থিতি, দেশৰ স্বাধীনতা আৰু বিভাজনৰ ঘটনাসমূহৰ ওপৰত এই সভাত বীৰ চাৱাৰকাৰে ভাষণ দিব বুলি প্ৰচাৰ হোৱাত মানুহৰ সমাগম ক্ৰমে বাঢ়িবলৈ ধৰিলে। সেই বিশাল জনসমাবেশত চাৱাৰকাৰে অগ্নিগৰ্ভ ভাষণত জনতাক উদ্দেশ্য কৰি কয়, “আজি দেশত যি পৰিস্থিতিৰ উদ্ভৱ হৈছে তাৰ বাবে প্ৰধানকৈ কংগ্ৰেছেই দায়ী নহয়, সাধাৰণ জনতাও সমানেই দোষী। জনসাধাৰণে চকু মুদি যেনেদৰে কংগ্ৰেছক সমৰ্থন দিলে, তাৰেই পৰিণতি দেশ বিভাজন। কংগ্ৰেছৰ নেতাসকলৰ দ্বাৰা কেৱল এটা শ্ৰেণীক সন্তুষ্ট কৰিবলৈ গৈ সেই শ্ৰেণী আৰু তাৰ নেতাসকলে দেশ বিভাজন কৰাত সফল হ’ল।”

❑

সিফালে শ্ৰীনগৰত গান্ধীজীৰ যাত্ৰাৰ আজি দ্বিতীয় দিনৰ অন্ত পৰিব। আজিৰ দিনটোত তেনেকুৱা বিশেষ কোনো ঘটনা সংঘটিত হোৱা নাই। ৰাতিপুৱা প্ৰাৰ্থনাৰ পাছত শ্বেখ আব্দুল্লাৰ পত্নীয়ে জীয়েকক লগত লৈ গান্ধীজীৰ ওচৰলৈ আহে। ‘আগতে উল্লেখ কৰি অহা হৈছে, গান্ধীজী সেই যাত্ৰাত শ্ৰীনগৰত কিশোৰীলাল শেঠীৰ ভাৰাঘৰত আছিল।’ গান্ধীজীক সাক্ষাতৰ মূল উদ্দেশ্য আছিল শ্বেখ আব্দুল্লাক জেইলৰ পৰা মুক্ত কৰা। অৰ্থাৎ কেনেকৈ, কি উপায়েৰে তেওঁৰ স্বামীক দোষমুক্ত কৰিব পৰা যায় তাৰেই পৰামৰ্শ বিচাৰে। সেইদিনাও গান্ধীজীৰ চাৰিওফালে নেচনেল কনফাৰেন্সৰ মুছলমান নেতাসকলে আবৰি আছিল। সেইদিনা অৱশ্যে

কেইজনমান হিন্দু নেতায়ো গান্ধীজীক লগ কৰিছিল। ৰামচন্দ্ৰ কাকে দিয়া নিমন্ত্ৰণ অনুসৰি ৩ আগষ্টৰ দিনা কাশ্মীৰৰ ৰজা হৰিসিংহই গান্ধীজীক সাক্ষাৎ কৰিব বুলি জনায়।

❑

আজিৰ দিনটোতেই লাহোৰ, ৰাৱলপিণ্ডী, পেচোৱাৰ, চট্টগ্ৰাম, ঢাকা, অমৃতসৰ আদি ঠাইৰ পৰা একেৰাহে হিন্দু-মুছলমানৰ সংঘৰ্ষৰ বাতৰি আহি আছিল। যিমানেই ৰাতি গভীৰ হৈ আহিছিল, সেই ঠাইবোৰত ভয়ংকৰ জুই-শিখা আৰু ধোঁৱাৰ কুণ্ডলীবোৰ বহুদূৰৈৰ পৰাই দেখা গৈছিল। ২ আগষ্টৰ ভয়ানক কালৰাত্ৰি এনেদৰেই অশান্তিৰে পাৰ হৈছিল ...।

❑



## তৃতীয় ঃ ৩ আগষ্ট, ১৯৪৭

আজি গান্ধীজীৰ মহাৰাজ হৰিসিংহৰ লগত সাক্ষাৎ হোৱাৰ কথা। এই সন্দৰ্ভত কাশ্মীৰৰ দেৱান ৰামচন্দ্ৰ কাকে গান্ধীজীক শ্ৰীনগৰলৈ অহাৰ দিনাই এখন চিঠি দিছিল। আনদিনাৰ দৰেই আজিও গান্ধীজীয়ে নিয়মিত কাৰ্যসূচী অনুসৰি পুৱা পোহৰ হোৱাৰ আগতেই উঠে। তেওঁৰ নাতিনী মনু অনবৰতে গান্ধীজীৰ লগত ছাঁৰ দৰে আছিল, একেলগে শুইছিল, সেয়ে গান্ধীজী উঠাৰ লগে লগে তেৰোঁ সাৰ পাইছিল।

নাতিনী মনুৰ লগত গান্ধীজীৰ এই সম্পৰ্কক লৈ বহুতে কটু সমালোচনা কৰিলেও গান্ধীজীৰ মতে এয়া আছিল "সত্যৰ অন্বেষণ", "শুদ্ধ মনেৰে চাবলৈ গ'লে এইটো একো বেয়া কথা নহয়।" কংগ্ৰেছৰ নেতাসকলে অৱশ্যে এই বিষয়ত একো মাত মতা নাছিল। বিৰোধীসকলৰ মাজত সমালোচনা তীব্ৰ হোৱাৰ ফলত গান্ধীজীৰ বিহাৰ যাত্ৰাকালত মনু লগত নাছিল। কিন্তু শ্ৰীনগৰত তেওঁলোকৰ সম্পৰ্কক লৈ আলোচনা কৰাৰ চিন্তা নাই।

যি কি নহওক, ৰাতিপুৱাৰ প্ৰাৰ্থনাৰ অন্তত নিত্য কাৰ্যসমূহ সম্পন্ন কৰি গান্ধীজীয়ে প্ৰায় ১১ বজাত কাশ্মীৰৰ মহাৰাজ হৰিসিংহৰ ৰাজপ্ৰাসাদ 'গুলাব ভৱন'ত উপস্থিত হয়। গান্ধীজীৰ লগত সাক্ষাৎ হোৱাৰ আন্তৰিক ইচ্ছা নাথাকিলেও মহাৰাজে মহাৰাণী তাৰাদেৱী সিংহক লগত লৈ সন্মান সহকাৰে গান্ধীজীক আদৰণি জনাইছিল। ৰাণী তাৰাদেৱীয়ে পৰম্পৰা অনুসৰি তিলক আৰু আৰতীৰে গান্ধীজীক আদৰণি জনায়। যুৱৰাজ কৰ্ণ সিংহয়ো এই আদৰণি অনুষ্ঠানত উপস্থিত থাকি সম্পূৰ্ণ সহযোগ কৰে।




*(সেই 'গুলাব ভৱন' নামৰ ৰাজপ্ৰাসাদৰ যি জোপা গছৰ তলত গান্ধীজী আৰু মহাৰাজ হৰিসিংহৰ সাক্ষাৎ হৈছিল সেইজোপা গছত সেই সাক্ষাতৰ স্মৃতি-চিহ্ন হিচাপে এখন তাম্ৰপত্ৰ লগাই থোৱা আছে। মহাৰাজ হৰিসিংহ আৰু গান্ধীজীৰ সাক্ষাৎ হৈছিল ১৯৪৭ চনৰ ৩ আগষ্টত; ভুলবশতঃ তাম্ৰপত্ৰখনত এই সাক্ষাৎ জুন, ১৯৪৭ বুলি উল্লেখ আছে।)*

সেইদিনা ৰাজপ্ৰাসাদত থকা সময়ছোৱাত গান্ধীজীয়ে সহজভাৱেই বিশাল চৌহদত ইফালে-সিফালে ঘূৰিছিল, মুখত কোনো উদ্বিগ্নতাৰ চিন নাছিল। মহাৰাজ হৰিসিংহ আৰু গান্ধীজীৰ মাজত দীঘলীয়া আলোচনা হৈছিল। কিন্তু এই আলোচনাত গান্ধীজীয়ে মহাৰাজক "ভাৰতত চামিল হওক ", এই কথাটো এবাৰো নক'লে। কাৰণ, এনেদৰে কোৱাটো তেওঁৰ ব্যক্তিত্বৰ পৰিপন্থী। ভাৰত আৰু পাকিস্তান, এই দুয়োখন দেশৰে তেওঁ পিতৃ হিচাপে নিজকে গণ্য কৰিছিল। কিন্তু, পাকিস্তান বিচৰা মুছলমানে গান্ধীজীক "এজন হিন্দু নেতা" হিচাপেহে জ্ঞান কৰিছিল সেয়ে পাকিস্তানত গান্ধীজীৰ সন্মান নাই। দুৰ্ভাগ্যৰ কথা, গান্ধীজীয়ে এই কথা উপলব্ধি কৰিব নোৱাৰিলে।

ভাৰত স্বাধীন হোৱাৰ পাছত কাশ্মীৰে কি ভূমিকা লোৱা উচিত হ'ব, সেই সম্বন্ধে গান্ধীজীয়ে একোৱেই নক'লে। ফলত মহাৰাজ আৰু তেওঁৰ মাজত কোনো ৰাজনৈতিক আলোচনা নহ'ল। গান্ধীজীৰ এই 'নিৰপেক্ষ' সাক্ষাতে নিঃসন্দেহে কাশ্মীৰ প্ৰসংগত এটা সমস্যা হিচাপে চলাই নিবলৈ নেহৰুক সহায় কৰিলে। ১০ আগষ্টৰ দিনা মহাৰাজৰ পৰম বিশ্বাসী আৰু

এসময়ত নেহৰুক গ্ৰেপ্তাৰ কৰা কাশ্মীৰৰ দেৱান ৰামচন্দ্ৰ কাকক মহাৰাজে তেওঁৰ কামৰ পৰা অৱসৰ দিয়ে। আনহাতে নেহেৰুৰ প্ৰিয় বন্ধু শ্বেখ আব্দুল্লাক ২৯ চেপ্তেম্বৰত জেইলৰ পৰা মুক্তি দিয়া হয়।



গান্ধীজীয়ে যদি মহাৰাজ হৰিসিংহক কাশ্মীৰ ৰাজ্য ভাৰতৰ লগত চামিল কৰিবৰ বাবে অনুৰোধ বা পৰামৰ্শ আগ বঢ়ালেহেঁতেন, তেতিয়া নিশ্চয় ১৯৪৭ চনৰ আগষ্ট মাহতেই ভাৰতৰ অন্তৰ্ভুক্ত হ'লহেঁতেন। আজি কাশ্মীৰক লৈ যি জ্বলন্ত সমস্যা চলি আছে, সেই সমস্যাৰ উদ্ভৱ নহ'লেইহেঁতেন।

কিন্তু সেয়া নহ'ল...।

❑

## মণ্ডী —

হিমালয়ৰ কোলাত শুৱাই থকা এখন সৰু চহৰ। মনু ঋষিৰ নাম অনুসৰি এই ঠাইৰ নাম মণ্ডী হয়। ব্যাস নদীৰ পাৰত অৱস্থিত এই অঞ্চলৰ প্ৰাকৃতিক দৃশ্য অতি মনোৰম। ১৯৪৭ চনত এইখন স্বায়ত্ব শাসিত ৰাজ্য আছিল। তাৰ ৰজাই ভাৰত স্বাধীন হোৱাৰ পাছতো মণ্ডী স্বাধীন ৰাজ্য হিচাপেই থকাটো বিচাৰিছিল। সেইদৰে মণ্ডীৰ চুবুৰীয়া ৰাজ্য 'চিৰমৌৰ' ৰাজ্যৰ ৰজায়ো ভাৰতৰ

অন্তৰ্ভুক্ত নহৈ স্বাধীনভাবে থকাৰ সিদ্ধান্ত লয়। এই সৰু ৰাজ্যকেইখনে এই কথাও উপলব্ধি কৰিছিল যে ডাঙৰ ৰাজ্য কিছুমান মিলি যেতিয়া এখন দেশ গঠন কৰিব, তেতিয়া স্বাধীন হৈ থকাটো তেওঁলোকৰ বাবে সম্ভৱ নহব। এনেকুৱা সময়তে তেওঁলোকে খবৰ পালে যে কাশ্মীৰৰ মহাৰাজেও নিজৰ ৰাজ্যখন স্বতন্ত্ৰ ৰাজ্য হিচাপে ৰাখিবলৈ বিচাৰে। তেতিয়া তেওঁলোকে জম্মু - কাশ্মীৰ, পাঞ্জাব, চিমলা আদি পাহাৰীয়া ৰাজ্যকেইখনে মিলি এটা সংঘ গঠন কৰি ভাৰতৰ পৰা স্বতন্ত্ৰ হৈ থাকিবলৈ ঠিক কৰে। সেই সিদ্ধান্ত সমূহ উল্লেখ কৰি মণ্ডী আৰু চিৰমৌৰ ৰাজ্যৰ ৰজা দুজনে এখন পত্ৰ লিখি লৰ্ড মাউণ্টবেটেনক লগ কৰি কয়, "বৰ্তমান ভাৰতৰ অন্তৰ্ভুক্ত হোৱা সন্ধি-পত্ৰত স্বাক্ষৰ কৰা আমাৰ পক্ষে সম্ভৱ নহয়। আমাক অলপ সময়ৰ প্ৰয়োজন।"

দিল্লী স্থিত ভাইচৰয় কাৰ্যালয়ত বহি লৰ্ড মাউণ্টবেটেনে সেই চিঠিৰ বিষয়ে চিন্তা-চৰ্চা কৰে। দেশ ত্যাগৰ আগমুহূৰ্তত ইংৰাজৰ সন্মুখত এনেকুৱা সমস্যাবোৰে যথেষ্ট অসুবিধাৰ সৃষ্টি কৰিছিল। তথাপি গণতন্ত্ৰৰ প্ৰতি সন্মান জনাই লৰ্ড মাউণ্টবেটেনে এই ৰাজ্যকেইখনৰ সিদ্ধান্তৰ কথা উল্লেখ কৰি ৩ আগষ্টৰ দিনা চৰ্দাৰ বল্লভভাই পেটেললৈ এখন পত্ৰ প্ৰেৰণ কৰে। লগতে সেই পাহাৰীয়া ৰাজ্যকেইখনৰ ৰজাকেইজনক হস্তাক্ষৰৰ বাবে কিছুসময় দিবলৈ চৰ্দাৰ পেটেলক অনুৰোধ কৰে।

❑

ডাঃ বাবাচাহেব আম্বেদকাৰ আজি দিল্লীতে আছিল। কিছুদিনৰ পৰা বিভিন্ন



কামত তেওঁ বৰ ব্যস্ত হ'বলগীয়া হৈছিল। অৱশ্যে তেওঁৰ বাবে কাম আছিল উৎসৱৰ দৰে। কৰ্মব্যস্ততা নিজেও ভাল পায়। দেশৰ বিভিন্ন ঠাইৰ পৰা 'চিডুল কাষ্ট ফেডাৰেচন'ৰ কাৰ্যকৰ্তাসলে তেওঁক লগ পাবলৈ দিল্লীলৈ আহিছিল। আম্বেদকাৰৰ কৰ্মদক্ষতাৰ কথা নেহৰুৱে জানিছিল। সেয়ে নেহৰুৱে আগন্তুক মন্ত্ৰীসভাত অন্তৰ্ভুক্ত হ'বৰ বাবে তেওঁক আমন্ত্ৰণ জনায়। আম্বেদকাৰেও সন্মতি প্ৰকাশ কৰি কয়,

"মোক এনেকুৱা দায়িত্ব দিয়ক য'ত কাম বেছি।" নেহৰুৱে হাঁহি ক'লে, "নিশ্চিন্ত থাকক, বহুত ডাঙৰ কাম এটাৰ দায়িত্ব আপোনাক মই দিম।"

আজিৰ দিনটোতে জৱাহৰলাল নেহেৰুৰ পৰা আম্বেদকাৰে সেই আমন্ত্ৰণি-পত্ৰখন পালে। উক্ত পত্ৰৰ জৰিয়তে নেহেৰুৱে বাবাচাহেব আম্বেদকাৰক স্বাধীন ভাৰতৰ প্ৰথম আইনমন্ত্ৰী নিযুক্ত কৰে। বাবচাহেব আৰু চিডুল কান্ত ফেডাৰেচনৰ বাবে এইটো বৰ আনন্দদায়ক কথা আছিল।

❑

ইতিমধ্যে ব্ৰিটিছ প্ৰধানমন্ত্ৰী এটলীয়ে অভিজ্ঞ ন্যায়াধীশ ৰেডক্লিফ চাহাবক ভাৰত বিভাজনৰ কামত নিয়োগ কৰিছে। ৰেডক্লিফ চাহাবে অনিচ্ছাকৃতভাৱে এই কামৰ বাবে সাজু হৈছিল। লৰ্ড মাউন্ট বেটেনে ভাৰত বিভাজনৰ কামৰ কাৰণে এনেকুৱা এজন মানুহ বিচাৰিছিল যিজনে ভাৰতৰ বিষয়ে একো নাজানে। ৰেডক্লিফ চাহাব দিল্লীলৈ আহি দুটা অসুবিধাৰ সন্মুখীন হৈছিল। এফালে আগষ্ট মাহৰ অসহ্য গৰম আৰু আনফালে বিশাল দেশখনৰ ইমানবোৰ নদী, পৰ্বত, বনাঞ্চলৰ মাজেৰে এনেদৰে সীমা নিৰ্ধাৰণ কৰা কামটো কেৱল কঠিনেই নহয়, মূৰ বিষোৱা কাৰ্য। তথাপি তেওঁ যথেষ্ট সাৱধানেৰে, নিৰপেক্ষভাৱে কামখিনি কৰিবলৈ চেষ্টা কৰে।



৩ আগষ্টৰ দিনালৈ পাঞ্জাবৰ কিছুমান বিতৰ্কিত অঞ্চলৰ বাহিৰে বিভাজনৰ কাম প্ৰায় শেষ হোৱাৰ পথত। সেইদিনাই মেজৰ চৰ্টৰ পৰা ৰেডক্লিফ চাহাবে এখন চিঠি পালে। ভাৰতৰ জনসাধাৰণৰ প্ৰতিক্ৰিয়া জনোৱাটোৱে আছিল চিঠিখনৰ মূল উদ্দেশ্য। চাৰ্টে লিখিছিল, "জনতাই ভাবে যে, মাউণ্টবেটেনে যেনেদৰে বিচাৰে, ৰেডক্লিফে কোনো আপত্তি নকৰাকৈ সেইমতেই সীমা নিৰ্ধাৰণ কৰিব।"

❑

৩ আগষ্ট। বিয়লি প্ৰায় চাৰি বজাত ১৭, য়ৰ্ক হাউচ স্থিত জৱাহৰলাল নেহেৰুৰ আৱাসৰ পৰা এখন প্ৰেছ-নোট প্ৰকাশ কৰা হয়। ইয়াৰ মাধ্যমেৰে নেহৰুৱে তেওঁৰ মন্ত্ৰীসভাৰ সদস্যসকলৰ নাম ঘোষণা কৰে। এইখনেই আছিল স্বাধীন ভাৰতৰ প্ৰথম মন্ত্ৰীসভা। সদস্যসকলৰ নাম ক্ৰমে ---

১। চৰ্দাৰ বল্লভভাই পেটেল

২। মৌলানা আবুল কালাম আজাদ

৩। ডাঃ ৰাজেন্দ্ৰ প্ৰসাদ

৪। ডাঃ জন মাথাই

৫। জগজীৱন ৰাম

৬। চৰ্দাৰ বলদেৱ সিংহ

৭। চি, এচ, ভাবা

৮। ৰাজকুমাৰী অমৃত কৌৰ

৯। ডাঃ ভীমৰাও আম্বেদকাৰ

১০। ডাঃ শ্যামা প্ৰসাদ মুখাৰ্জী

১১। ষণমুগম চেট্টী

১২। নৰহৰি বিষ্ণু গাডগিল।

এই বাৰজনীয়া সদস্যৰ মন্ত্ৰীসভাত ৰাজকুমাৰী অমৃত কৌৰ একমাত্ৰ মহিলা মন্ত্ৰী আছিল। আনহাতে ডাঃ বাবাচাহেব আম্বেদকাৰ ‘চিডুল কাষ্ট ফেডাৰেচন’ পাৰ্টিৰ, ডাঃ শ্যামা প্ৰসাদ মুখাৰ্জী হিন্দু মহাসভাৰ আৰু চৰ্দাৰ বলদেৱ সিংহ পন্থিক পাৰ্টিৰ প্ৰতিনিধি ৰূপে মন্ত্ৰীসভাত লোৱা হৈছিল।

❑

সিফালে পশ্চিম প্ৰান্তত ৰামমনোহৰ লোহিয়াৰ প্ৰেছ-নোট এখন বাতৰি কাকতত প্ৰকাশ পায়। লোহিয়াই উল্লেখ কৰে, “গোৱাৰ স্বাধীনতা, ভাৰতৰ স্বাধীনতাৰ লগত সম্ভৱ নহয়। গতিকে গোৱাৰ নিবাসীসকলে স্বাধীনতাৰ সংগ্ৰাম চলাই থাকিব লাগিব।” এইখনে গোৱাৰ নিবাসীসকলক নিৰাশ কৰে।

❑

বিভাজনৰ ভয়ংকৰ ঘটনা আৰু এই কষ্ট দায়ক বিভিষিকাৰ পৰা বহু দূৰৈত মহাৰাষ্ট্ৰৰ আলন্দিত কংগ্ৰেছৰ হৈ কাম কৰা কমিউনিষ্টৰ বৈঠকৰ

আজি দ্বিতীয় তথা অন্তিম দিন। দুদিনীয়া আলোচনাচক্ৰৰ অন্তত তেওঁলোকে এই সিদ্ধান্তত উপনীত হয় যে কংগ্ৰেছ দলৰ ভিতৰতেই কৃষক-মজদুৰৰ হিতৰ বাবে চিন্তা-চৰ্চা কৰা সাম্যবাদী পন্থাৰ এটা শক্তিশালী গোট গঠন কৰিব পৰা যাব। শংকৰৰাও মোৰে, কেশৰৰাও জেধে, ভাউচাহেব ৰাউত, তুলসীদাস যাদৱ আদি নেতাৰ দ্বাৰা এই গোটৰ নেতৃত্বত মহাৰাষ্ট্ৰত এনেদৰেই এটা নতুন সাম্যবাদী দলৰ জন্ম হয়।

❑

শ্ৰীনগৰত গান্ধীজীৰ প্ৰবাসৰ আজি অন্তিম দিন। কাইলৈ পুৱাতেই তেওঁ জম্মুলৈ ৰাওনা হ'ব। সেয়ে শ্বেখ আব্দুল্লাৰ পত্নী বেগম আকবৰ জাহাঁৰ নিমন্ত্ৰণ অনুসৰি আজি তেওঁলোকৰ ঘৰত সন্ধিয়াৰ আহাৰ গ্ৰহণ কৰিব। শ্বেখ আব্দুল্লা জেইলত থাকিলেও বেগম চাহিবা আৰু জীয়ৰী খালিদাই নেচনেল কনফাৰেন্সৰ কাৰ্যকৰ্তাসকলেৰে সৈতে গান্ধীজীক আদৰণি জনায়। তেওঁৰ বাবে আয়োজন কৰা এই ৰাজকীয় আদৰণি অনুষ্ঠান আৰু ভোজনৰ প্ৰাচুৰ্য দেখি গান্ধীজী অভিভূত হৈছিল।

❑

৩ আগষ্ট। ৰাতি ক্ৰমে গভীৰ হৈ আহিছিল। লাহোৰ, পাঠানকোট আৰু বংগৰ পৰা লাখ লাখ পৰিয়াল শৰণাৰ্থী ৰূপত খণ্ডিত ভাৰতত লাহে লাহে প্ৰৱেশ কৰিছে। পূব আৰু পশ্চিম পাকিস্তানত নিজা ঘৰ-বাৰী, স্থাৱৰ অস্থাৱৰ সকলো সা-সম্পত্তি এৰি প্ৰাণৰ ভয়ত তেওঁলোক পলাই আহিছে। এফালে ভোক, পিয়াহ, ভয়, ভাগৰত লেবেজান শৰণাৰ্থীসকলৰ দুৰৱস্থা আৰু আনফালে দিল্লীত নেতাসকলৰ ৰাজনৈতিক ব্যস্ততা।

অধিকৃত ৰূপত বিভাজনলৈ আৰু মাত্ৰ বাৰদিন বাকী.....

❑

## চতুৰ্থ ঃ  ৪ আগষ্ট, ১৯৪৭

আজি ৪ আগষ্ট, সোমবাৰ। দিল্লীত ভাইচৰয় লৰ্ড মাউণ্টবেটেনে দিনটোৰ কাৰ্যসূচী সোনকালেই আৰম্ভ কৰে। দিল্লীত তাপমাত্ৰাও বাঢ়িছে। আকাশত মেঘ আছে কিন্তু বৰষুণ নাই। ভাৰত ত্যাগৰ দিন যিমানেই চমু চাপিছে, সিমানেই সন্মুখত বিভিন্ন ধৰণৰ সমস্যাৰ উদ্ভৱ হৈছে। মুঠতে গোটেই পৰিবেশটোৰেই গৰম। বাস্তৱ দৃষ্টিৰে চাবলৈ গ'লে দায়িত্বসমূহৰ পৰা মুক্ত হ'বলৈ মাউণ্টবেটেনৰ সন্মুখত এতিয়াও আৰু এঘাৰ ৰাতি বাকী আছে। যদিও তাৰ পাছত তেওঁ ভাৰতৰ 'গৱৰ্ণৰ জেনেৰেল' ৰূপে ভাৰততে থকাৰ কথা, সেই পদৰ বিশেষ দায়িত্ব নাথাকে। কিয়নো ১৫ আগষ্টৰ পিছত সকলো দায়িত্ব ভাৰতীয় নেতাৰ ওপৰত ন্যস্ত হ'ব।




কিন্তু অহা এঘাৰ দিনত হ'বলগীয়া ঘটনাবোৰ তেৱেঁই নিয়ন্ত্ৰণ কৰিব লাগিব। এনেবোৰ চিন্তাই তেওঁৰ মনত তোলপাৰ লগাইছিল।

ৰাতিপুৰা প্ৰথম বৈঠক খন আছিল বেলুচিস্তান প্ৰদেশৰ সম্বন্ধে। ইৰাণৰ সীমাত লাগি থকা এই প্ৰদেশখনত মুছলমানৰ জনসংখ্যা বেছি। গতিকে স্বাভাৱিক কথা, এইখনে নিশ্চয় পাকিস্তানত চামিল হ'বলৈ ইচ্ছা কৰিব। কিন্তু এই ধাৰণা ভুল আছিল। সেই প্ৰদেশৰ মানুহখিনিৰ সংস্কৃতি, মনোভাৱ কেতিয়াও পাকিস্তানৰ পাঞ্জাৱ আৰু সিন্ধ প্ৰদেশৰ মুছলমানৰ লগত মিল নাছিল। বলুচসকলৰ ভাষা, সংস্কৃতি সুকীয়া। তেওঁলোকৰ ভাষা আৰু সংস্কৃতিত 'অৱস্থা' নামৰ ভাষাৰ প্ৰভাৱ দেখা যায়, যিটোৰ সংস্কৃত ভাষাৰ লগত মিল আছে। সেয়ে পাকিস্তানত চামিল হ'বলৈ বলুচসকলে বিচৰা নাছিল।

বলুচৰ জনতাৰ মত দুভাগত বিভক্ত হৈছিল। এভাগে ইৰাণত চামিল হ'বলৈ বিচাৰিছিল কিন্তু সমস্যাটো হ'ল, ইৰাণত চিয়া মুছলমানৰ শাসন চলি আছিল। বলুচসকল চুন্নি মুছলমান, সেয়ে সেইটো সম্ভৱ নহ'ল। তাৰ অধিকাংশ নেতাই ভাৰতত চামিল হোৱাটো বিছাৰিছিল, কিন্তু তাতো ভৌগোলিক সমস্যাৰ কথা আহিল। বলুচ আৰু ভাৰতৰ মাজত পাঞ্জাব আৰু সিন্ধ প্ৰদেশ, গতিকে সম্ভৱ নহয়। এতিয়া তেওঁলোকৰ সন্মুখত দুটা উপায় আছে, বেলুচিস্তান এখন স্বাধীন ৰাজ্য হিচাপে থকা বা পাকিস্তানত চামিল হোৱা।

খান অফ কলাতৰ সৈতে কায়দে আজম



এই বিশেষ বৈঠকত বেলুচিস্তানৰ 'খান অব্ কলাত' মীৰ আহমদ য়াৰ খান আৰু মহম্মদ আলী জিন্না উপস্থিত আছিল। ৭ আগষ্টত জিন্না কৰাচীলৈ যোৱাৰ কথা, সেয়ে তেওঁৰ সুবিধা অনুসৰি ৪ আগষ্টৰ দিনা এই বৈঠক অনুষ্ঠিত কৰা হয়।

এই বৈঠকত মীৰ আহমদ য়াৰ খানে 'ভৱিষ্যতৰ পাকিস্তান' সন্দৰ্ভত কিছুমান শংকাৰ কথা ব্যক্ত কৰি কেইবাটাও প্ৰশ্ন উত্থাপন কৰে। উত্তৰত মাউণ্টবেটেনে পাকিস্তানত চামিল হ'বৰ বাবে তেওঁক পতিয়ন নিয়াবলৈ চেষ্টা কৰে। কাৰণ সৰু সৰু স্বাধীন দেশবোৰৰ মাজত ক্ষমতা হস্তান্তৰ কৰা তেওঁৰ বাবে কঠিন কাম আছিল। বৈঠকত মহম্মদ আলী জিন্নাই বলুচ নেতাগৰাকীক যেতিয়া বহুতো আশ্বাস দিছিল, সেই সময়তেই লৰ্ড মাউণ্টবেটেনে বুজি পাইছিল যে সময়ত এইবোৰ অসাৰ হ'ব। কিন্তু নিজৰ দায়িত্বৰ বোজা কমাবলৈকে জিন্নাৰ কথাকে সমৰ্থন কৰে। প্ৰায় দুঘণ্টা সময় চলা এই বৈঠকৰ অন্তত মীৰ আহমদ য়াৰ খানে পাকিস্তানত চামিল হোৱাৰ পক্ষত কিছু নৰম হ'লেও তেওঁৰ অন্তিম সিদ্ধান্ত ঘোষণা কৰা নাছিল। সেয়ে এই বৈঠকখন অমীমাংসিত ভাবে সমাপ্ত হয়।

❑

পাঞ্জাব প্ৰদেশৰ লায়লপুৰ অঞ্চলৰ মাটি বৰ সাৰুৱা, প্ৰচুৰ পৰিমাণে ফচল উৎপাদন হয়। বিশেষকৈ কপাহ, ঘেঁহু, কুঁহিয়াৰ যথেষ্ট পৰিমাণে উৎপন্ন হয়। সেয়ে সূতা, আটা, চেনিৰ কেইবাটাও কাৰখানা তাত গঢ় লৈ উঠিছে। এই অঞ্চলৰ কল-কাৰখানা আৰু ডাঙৰ বজাৰসমূহৰ বেছিভাগেই হিন্দু-শিখ ব্যৱসায়ীসকলৰ নিয়ন্ত্ৰণত। উৎপাদিত ফচলসমূহৰ ৮০% শিখসকলৰ পৰাই আহে। অধিবাসীসকলৰ আৰ্থিক অৱস্থা যথেষ্ট উন্নত। বিগত বৰ্ষ অৰ্থাৎ ১৯৪৬ চনত লায়লপুৰ জিলাত হিন্দু আৰু শিখে এষষ্ঠী লাখ, নবৈ হাজাৰ টকাৰ কৰ ভৰিছিল কিন্তু মুছলমানসকলে ভৰিছিল কেৱল পাঁচ লাখ, ত্ৰিশ হাজাৰ টকা।

এই লায়লপুৰ জিলা যেতিয়া পাকিস্তানত চামিল হ'ব বুলি খবৰ আহিল আৰু তাত মুছলীম লীগৰ পোষ্টাৰ দেখা গ'ল, তেতিয়াও হিন্দু আৰু শিখ ব্যৱসায়ীসকলে সিমান চিন্তা কৰা নাছিল। কাৰণ, জিলাৰ ডেপুটি কমিছনাৰ

হামিদ মুছলমান হোৱা সত্বেও তেওঁ সদায় নিৰপেক্ষ ভূমিকা পালন কৰি আহিছে। সেয়ে হিন্দু আৰু শিখসকলে এনেকুৱা ভয়ানক সমস্যাৰ সৃষ্টি হ'ব পাৰে বুলি কেতিয়াও ভবা নাছিল।




৪ আগষ্ট, ১৯৪৭। সেই জিলাৰ জৰণৱালা নামে ঠাইত 'মুছলিম নেচনেল গার্ড'ৰ এখন বৈঠক অনুষ্ঠিত হৈছে। ১৫ আগষ্টৰ আগতে লায়লপুৰ জিলাৰ পৰা হিন্দু-শিখ ব্যৱসায়ী আৰু কৃষকসকলক ইয়াৰ পৰা কেনেকৈ খেদিব পৰা যায় আৰু তেওঁলোকৰ খেতি-বাতি, ঘৰ-বাৰী, সম্পত্তি কেনেকৈ দখল কৰিব পৰা যায় সেইবিষয়ে আলোচনা চলিছে। লাহোৰৰ পৰা অহা 'মুছলিম নেচনেল গার্ড'ৰ পদাধিকাৰীসকলে এই কথাত জোৰ দিয়ে যে, "সিহঁতৰ ছোৱালীবোৰক বাদ দি বাকীবোৰক মাৰি পেলাব লাগে।" আজি ৰাতিৰ পৰাই সৰু সৰু গোট তৈয়াৰ কৰি এই কাম কৰিবলৈ সিদ্ধান্ত লয়। মাজনিশা সূতা-কলৰ মালিকৰ ঘৰত আক্ৰমণ কৰিবলৈ পৰিকল্পনা কৰে।

*যদি আজি ৰাতি অর্থাৎ ৪ আগষ্ট ১৯৪৭ চনত কোনো ব্যক্তিয়ে যদি হিন্দু আৰু শিখসকলক ক'লেহেতেন যে "অহা ১৪-১৫দিনৰ ভিতৰত লায়লপুৰ নিবাসী সকলো হিন্দু আৰু শিখে নিজৰ সম্পত্তি, ধন-সম্পদ, ঘৰ-দুৱাৰ আদি এৰি নিঃসহায় অৱস্থাত শৰণাৰ্থী শিবিৰত এটুকুৰা ৰুটিৰ বাবে আতুৰ হ'ব লগীয়া হ'ব আৰু লায়লপুৰ নিবাসী হিন্দু-শিখ সকলৰ আধাতকৈ অধিকক কাটি পেলোৱা হ'ব তথা মা-ভনীসকলক মুছলমান গুণ্ডাই উঠাই*

*নিব” তেতিয়াহ’লে নিশ্চিতৰূপে সেই কথা কোৱা ব্যক্তিজনক পাগল বুলি কলেহেতেন। কিন্তু দুৰ্ভাগ্যৰ কথা এইটোৱেই হ’ল।*

❑

১৭, য়ৰ্ক ৰোড, দিল্লী। নেহৰুৰ আৱাসত স্বাধীন ভাৰতৰ প্ৰথম মন্ত্ৰীসভা গঠন হোৱাৰ পথত। এই সম্বন্ধে লিখিত ভাবে জনোৱাকে ধৰি কিছুমান কাম কৰিবলৈ এতিয়াও বাকী আছে। যোৱাকালি ডঃ ৰাজেন্দ্ৰ প্ৰসাদক মন্ত্ৰী মণ্ডল গঠনৰ সম্পৰ্কে যিখন পত্ৰ দিবলগীয়া আছিল সেইখন দিয়া হোৱা নাছিল। সেয়েহে আজি ৰাতিপুৱাই নেহেৰুৱে সেই পত্ৰখন ৰাজেন্দ্ৰ প্ৰসাদলৈ পঠালে।


❑

শ্ৰীনগৰত আনদিনাৰ দৰেই গান্ধীজীৰ ৰাতিপুৱাৰ কাৰ্যসূচী আৰম্ভ। যোৱা তিনিদিন ধৰি কিশোৰীলাল শেঠীৰ ভাৰাঘৰত তেওঁ আৰামেৰেই কটাইছে। কিন্তু আজি প্ৰস্থানৰ দিন। ইয়াৰ পৰা গান্ধীজী জম্মুলৈ যাব, তাৰ পৰা পাঞ্জাব। ইতিমধ্যে শ্বেখ আব্দুল্লাৰ পত্নী বেগম আকবৰ জাহাঁই জীয়েকক লগত লৈ গান্ধীজীক বিদায় জনাবৰ বাবে ৰাতিপুৱাই উপস্থিত হৈছেহি। শ্বেখ চাহাবক জেইলৰ পৰা কেনেকৈ মুক্ত কৰা যায় সেই প্ৰসংগটো বেগম চাহিবাই কথাৰ মাজে মাজে গান্ধীজীক সোঁৱৰাই আছিল। গান্ধীজীয়ে তেওঁৰ সমৰ্থনত সোলা মুখেৰে মিচিকিয়াই হাঁহিছিল।

*(সেই সময়ত বেগম চাহিবাই ভবাই নাছিল যে তেওঁৰ কথাৰ প্ৰতি সঁহাৰি জনাই ইমান সোনকালেই গান্ধীজীয়ে কামখিনি কৰিব। অৰ্থাৎ শাস্তিৰ সময় সম্পূৰ্ণ হোৱাৰ বহু আগতেই, কেৱল ডেৰমাহতে শ্বেখ আব্দুল্লাই জেইলৰ পৰা মুক্তি পালে।)*

দুৱাৰৰ বাহিৰত গাড়ীৰ লাইন। স্বয়ং কিশোৰীলাল শেঠীয়ে এই ব্যৱস্থাৰ তদাৰক কৰিছিল। মহাৰাজ হৰিসিংহৰ ৰাজপ্ৰাসাদৰ পৰাও এজন বিষয়া গান্ধীজীক বিদায় জনাবৰ বাবে নিযুক্ত কৰা হৈছিল। ঠিক দহ বজাত গান্ধীজীৰ এই সমদল জম্মু অভিমুখে ৰাওনা হয়।

❑



ছৈয়দ হাৰুণ নামৰ ঊনৈশ বছৰীয়া ল'ৰাটো জিন্নাৰ পৰম ভক্ত। কৰাচীতে তাৰ জন্ম। 'মুছলিম নেচনেল গাৰ্ড'ৰ সম্পৰ্কলৈ অহাৰ পাছতে কঠোৰ কাৰ্যকৰ্তা হ'ল।

বিয়লি চাৰি বজাত কৰাচীৰ ক্লিফটন নামৰ আৰ্থিক দিশত চহকী গাঁৰ এখনৰ মছজিদ এটাত হাৰুণে মুছলমান যুবক কিছুমানক লৈ এখন বৈঠক পাতে। কৰাচীৰ পৰা হিন্দুখিনিক মাৰি-পিটি খেদোৱাৰ বাবে বিভিন্ন উপায়ৰ ওপৰত তাত আলোচনা চলে। কিছুদিনৰ পৰা এই বিষয়ে প্ৰশিক্ষণো চলি আছে। গোলাম ৰছুল নামৰ ল'ৰাটোৱে ক'লে, "আৰ, এচ, এচ -এ ইয়াতকৈ ভাল প্ৰশিক্ষণ দিয়ে।" শেষত তেওঁলোক এই সিদ্ধান্তত উপনীত হয় যে আৰ, এচ, এচৰ কাৰ্যকৰ্তা আৰু কিছুমান শিখক বাদ দি বাকী হিন্দুখিনিক আক্ৰমণ কৰা হ'ব।

৭ আগষ্টত জিন্না কৰাচীলৈ যোৱাৰ কথা। তেওঁক আদৰণি জনোৱাৰ আয়োজন কৰাৰ বিষয়েও বৈঠকত আলোচনা কৰে।.


❑

ৰাতিপুৱা ভাইচৰয় হাউচত বেলুচিস্তান সম্বন্ধে হোৱা বৈঠকখনৰ অন্তত ব্যাৰিষ্টাৰ মহম্মদ আলী জিন্না ১০, ঔৰংজেব ৰোডত থকা নিজা বাসভৱনলৈ উভতি আহে। দিল্লীৰ লুটিয়ন জনৰ এই বিশাল ভৱনটো জিন্নাই ১৯৩৮ চনত কিনিছিল। কিন্তু তেওঁ বিগত কেইমাহমানৰ পৰা বুজি পাইছে যে দিল্লীত বৰ্তমান তেওঁৰ চাউল উকলিছে। সেয়ে ভৱনটো ইতিমধ্যে প্ৰসিদ্ধ ব্যৱসায়ী ৰামকৃষ্ণ ডালমিয়াক বিক্ৰী কৰিছে। তেওঁ অনুমান কৰিব পাৰিছে, অহা দুই বা তিনি নিশাই হয়তো এই ভৱনত তেওঁৰ বাবে অন্তিম নিশা হ'ব। গতিকে এইকেইদিনতে 'পেকিং' সম্পূৰ্ণ কৰিব লাগিব। ৭ আগষ্ট, বৃহস্পতিবাৰে দুপৰীয়া ডকোটা নামৰ বিশেষ বিমানেৰে কৰাচীলৈ যাবলগীয়া কথাটো জিন্নাই লৰ্ড মাউণ্টবেটেনক জনায়। তেওঁৰ সপোনৰ দেশ ... কৰাচীলৈ ... !

ইয়াৰ মাজতে প্ৰতিনিধিৰ গোট এটাক লগ দিবলৈ জিন্নাই সময় দি থৈছিল। এই প্ৰতিনিধিবৰ্গ আছিল দক্ষিণ ভাৰতৰ বৃহৎ ৰাজ্য হায়দৰাবাদৰ নিজামৰ। নিজামে ভাৰতত চামিল হ'বলৈ বিচৰা নাছিল, পাকিস্তানত চামিল হ'বলৈ বিচাৰিছিল। ভৌগোলিক দিশৰ পৰা এইটো সম্ভৱ নোহোৱা বাবে তেওঁ 'হাইদৰাবাদ ষ্টেট' স্বাধীনভাৱে থকাৰ ইচ্ছা প্ৰকাশ কৰে। কিন্তু আন দেশৰ লগত বেহা- বেপাৰ কৰিবলৈ হ'লে এটা বন্দৰৰ আৱশ্যক। হাইদৰাবাদ ভাৰতৰ মাজত অৱস্থিত আৰু ইয়াৰ ওচৰত কোনো সমুদ্ৰৰ কাষ নাই। গতিকে স্বাধীন 'হাইদৰাবাদ ষ্টেট'-এ ভাৰতত কোনো বন্দৰৰ কাৰণে যাতে 'সুৰক্ষিত পথ' পায়, সেইবিষয়ে লৰ্ড মাউণ্টবেটেনলৈ জিন্নাই যেন এখন পত্ৰ লিখে। এইখিনি কথাকে জিন্নাৰ লগত প্ৰতিনিধি বৰ্গই আলোচনা কৰিবলৈ আহিছিল।

হাইদৰাবাদৰ এই প্ৰতিনিধি মণ্ডলক জিন্নাই ভালদৰে সুশ্ৰুষা কৰে। জিন্নাই নিজামক দুখী কৰিব বিচৰা নাছিল, কিয়নো এক বৃহৎ ভূখণ্ডত নিজামৰ শাসন আছিল। নিজামৰ ওচৰত অজস্ৰ ধন-সম্পত্তি থকাৰ উপৰিও তেওঁ মুছলমান আছিল। সেয়েহে জিন্নাই এই প্ৰতিনিধি মণ্ডলৰ কথা মনোযোগেৰে শুনে আৰু ভাইচৰয়লৈ তেওঁলোকে বিচৰা ধৰণেৰেই পত্ৰ লিখা হ'ব বুলি প্ৰতিনিধি মণ্ডলক আশ্বাস দিয়ে।

সন্ধিয়া হৈ আহিছিল, আকাশত তেতিয়াও মেঘ বিচৰণ কৰি আছিল, গধূলি সময়ৰ এই পৰিবেশত এটা উদাসীনতাই বিৰাজ কৰিছিল। এই



উৎসাহহীন বাতাবৰণটো মহম্মদ আলী জিন্নাই 'মই অহা দুদিনতে মোৰ সপোনৰ দেশ পাকিস্তানলৈ যাম', এনেকুৱা চিন্তা মনলৈ আনি উৎসাহিত হোৱাৰ ব্যৰ্থ চেষ্টা কৰি আছে।

❑

**মুম্বাইৰ লেমিংটন ৰোডৰ নাজ চিনেমাৰ কাষত, ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ কাৰ্যালয় –**

আজিৰ দিনটোত অনেক স্বয়ংসেৱকক কাৰ্যালয়ৰ ফালে যোৱা দেখা গৈছে। সন্ধিয়া লাগিছে, ধূপ-চাকি জ্বলোৱাৰ সময়। আজি কাৰ্যালয়ত প্ৰত্যক্ষ ভাৱে সৰসংঘচালক শ্ৰীগুৰুজী উপস্থিত আছে।

মুম্বাইৰ সংঘ অধিকাৰীসকলৰ গুৰুজীৰ লগত হোৱা বৈঠকখন সমাপ্ত হৈছে। বৈঠকৰ অন্তত সংঘৰ প্ৰাৰ্থনা হয়। ইয়াৰ পাছত স্বয়ংসেৱকসকলে শৃংখলাবদ্ধ ভাৱে শাৰী পাতি বাহিৰত থিয় হয়। সকলোৰে ইচ্ছা, গুৰুজীক

সাক্ষাৎ কৰা। আজি স্বয়ংসেৱকসকল কিছু চিন্তিত। কাইলৈ গুৰুজী চাৰিদিনৰ বাবে সিন্ধলৈ প্ৰবাসত যাব। ৩ জুনৰ নিৰ্ণয় অনুসৰি সিন্ধ প্ৰদেশ পাকিস্তানৰ হাতলৈ যোৱাটো প্ৰায় নিশ্চিত। কৰাচী, হাইদৰাবাদ, নবাবশাহ আদি সমৃদ্ধিশালী চহৰসমূহক লৈ গঠিত সিন্ধ প্ৰদেশখন ভাৰতত নাথাকে, এই কথাটোক লৈ সকলো স্বয়ংসেৱকৰ মনত শংকাৰ ভাৱ আছিল।

স্বয়ংসেৱকসকল অধিক চিন্তিত হোৱাৰ কাৰণ হ'ল ইতিমধ্যে সিন্ধ প্ৰদেশত ভয়ানক সংঘৰ্ষ আৰম্ভ হৈছে। 'মুছলিম নেছনেল গাৰ্ডে' ১৫আগষ্টৰ আগতেই সিন্ধু প্ৰদেশৰ সকলো হিন্দুক শেষ কৰি দিয়াৰ সিদ্ধান্ত লৈছিল। কেৱল জিন্নাৰ বাসস্থান থকাৰ বাবে কৰাচী চহৰ খন হ'বলগীয়া পাকিস্তানৰ ৰাজধানী সদৃশ হৈ উঠিছে। ইতিমধ্যে চহৰখনত অধিক পৰিমাণে পুলিচ আৰু সেনাক কৰ্তব্যত নিয়োজিত কৰা হৈছে। সেইবাবে কৰাচী চহৰত হিন্দুৰ ওপৰত হোৱা অত্যাচাৰৰ সংখ্যা তুলনামূলকভাৱে কম আছিল। কিন্তু হাইদৰাবাদ, নবাবশাহ আদি গাঁও-চহৰ সকলোতে অত্যাচাৰৰ সীমা নাছিল। হিন্দু ছোৱালীক উঠাই লৈ যোৱা, হিন্দুৰ কল-কাৰখানা-ঘৰ-বাৰী জ্বলোৱা, দুই - চাৰিজন হিন্দুক অকলশৰীয়াকৈ দেখা পালেই কাটি পেলোৱা হৈছে। এনেকুৱা অসংখ্য ঘটনাৰ খবৰ পোৱা গৈছিল।

এনেকুৱা আতংকৰ পৰিস্থিতিত প্ৰত্যেক স্বয়ংসেৱকৰে মনত গুৰুজীৰ সুৰক্ষাৰ প্ৰতি চিন্তা হৈছিল।

সম্পূৰ্ণ সিন্ধ প্ৰদেশ জ্বলিছে, সংঘৰ্ষৰ জুই জ্বলি উঠিছে। হিন্দু ছোৱালী সমূহক উঠাই লৈ যোৱাতো মুছলমান গুণ্ডাৰ বিনোদন কাৰ্য হৈ পৰিছে। য'ত পুলিচৰ সংখ্যা কম তেনে ঠাই সমূহত মুছলমান গুণ্ডাসকলে পুলিচৰো সমৰ্থন লাভ কৰিছে। এনেকুৱা কঠিন পৰিস্থিতিতিত সংঘৰ স্বয়ংসেৱকসকলে হিন্দুসকলক যথাসম্ভৱ সহায় কৰি সুৰক্ষিতভাৱে ভাৰতলৈ পঠোৱাৰ ব্যৱস্থা কৰিছে।

এই সাহসী স্বয়ংসেৱকসকলক সাক্ষাৎ কৰিবৰ বাবে গুৰুজীয়ে ডঃ আবাজী থাত্তেক লগত লৈ সিন্ধ প্ৰদেশৰ সন্ত্ৰাস-জৰ্জৰ অঞ্চলসমূহলৈ যায়।

❑

ৰাতি এঘাৰ বাজিছে। আগষ্ট মাহৰ গৰম। সিন্ধ, বেলুচিস্তান, বংগৰ

অধিকাংশ হিন্দু আৰু শিখসকলৰ ঘৰত নিশা সাৰে থকাটো নিয়মত পৰিণত হৈছে। এই আতংকৰ পৰিবেশত কাৰোবাৰ টোপনি অহা সম্ভৱনে? ঘৰৰ বাহিৰত যুবকসকলে টহল দি আছে। ভিতৰত আবাল-বৃদ্ধ-বনিতা সকলোৰে দুঃচিন্তাত নিশা উজাগৰে বহি আছে।

লায়লপুৰ জিলাৰ জৰনৱালা গাঁও... শ্বহীদ ভগৎ সিংহৰ পৈতৃক গাঁও। এইখন গাঁৱত যথেষ্ট সংখ্যক হিন্দু আৰু শিখ আছে। সেয়ে তেওঁলোকে ভাবিছিল যে ইয়াত মুছলমানে আক্ৰমণ নকৰে। কিন্তু ৰাতি এঘাৰ বজাত হঠাৎ গাঁৱৰ তিনি দিশৰ পৰা 'মুছলিম নেচনেল গাৰ্ড'ৰ আক্ৰমণকাৰীয়ে হাতত চোকা তৰোৱাল, কুঠাৰ আৰু ছুৰী লৈ "আল্লা-হু-আকবৰ" ধ্বনি দি দৌৰি আহে। এই আক্ৰমণকাৰীহঁতে চৰ্দাৰ কৰতাৰ সিংহৰ ঘৰখন প্ৰথম লক্ষ্য কৰি লয়। ১৮ জন সদস্যৰ কৰতাৰ সিংহৰ পৰিয়াল ; ভৱনটো যথেষ্ট ডাঙৰ আৰু মজবুত। ভিতৰত পৰিয়ালৰ পুৰুষসকলে কৃপাণ আৰু মহিলাসকলে হাতত লাঠি আৰু ছুৰী লৈ সাজু হৈ আছে।

এনে সময়তে বাহিৰৰ পৰা কেৰাচিনত ভৰোৱা কপাহ আৰু কাপোৰৰ জ্বলন্ত গোলা ভিতৰত খাটিয়াত পৰেহি। ভিতৰৰ সমস্ত বস্তু নিমিষতে জ্বলি শেষ। নিজক বচাবলৈকে ঘৰৰপৰা বাহিৰত ওলাই অহাৰ বাহিৰে তেওঁলোকৰ আন উপায় নাছিল। "জো বোলে চো নিহাল, সৎশ্ৰী অকাল" ধ্বনিৰে এঘাৰজন পুৰুষ সদস্যই মুছলমান আক্ৰমণকাৰীৰ লগত প্ৰায় আধাঘণ্টা সাহস আৰু বীৰত্বৰে যুঁজিলে। অৱশেষত ৯ জন সদস্য অত্যাচাৰীহঁতৰ হাতত নিহত হয়। দুজন বাচি থাকিল। পৰিয়ালটোৰ বাকী ৭ গৰাকী মহিলা সদস্যাৰ বৃদ্ধা চাৰিগৰাকীক মুছলিম নেচনেল গাৰ্ডৰ অত্যাচাৰীহঁতে জীয়াই জীয়াই জ্বলাই দিলে, যুৱতীদুগৰাকীক উঠাই লৈ গ'ল। কৰতাৰ সিংহৰ পত্নী ক'লৈ গ'ল, কোনেও গম নাপালে ...।

মুছলমানৰ দ্বাৰা সন্ত্ৰাসৰ সৃষ্টি কৰা হ'ল। ৪ আগষ্টৰ মাজনিশালৈকে বিভিন্ন স্থানত চলা তাণ্ডৱৰ পাছত অনেক ঠাইৰপৰা এনেদৰে হাজাৰ হাজাৰ হিন্দু - শিখ পৰিয়ালে নিজৰ ঘৰ-বাৰী, সকলো সম্পত্তি তাতে এৰি ভাৰতলৈ আহিবলৈ মনস্থ কৰে ... !

❑

## পঞ্চম ঃ ৫ আগষ্ট, ১৯৪৭


আজি আগষ্ট মাহৰ ৫ তাৰিখ। আকাশ ডাৱৰে ঢাক খাই আছে। হ'লেও অলপ ঠাণ্ডা ভাব এটাও আছে। জম্মুৰ পৰা লাহোৰলৈ যোৱাৰ সময়ত ৰাৱলপিণ্ডীৰ ৰাস্তা ভাল আছিল, সেয়ে গান্ধীজীৰ সমদলটো পিণ্ডী পথেৰে লাহোৰ অভিমুখে ৰাওনা হয়।

ৰাস্তাৰ কাষত 'ৱাহ' নামৰ শৰণাৰ্থী শিবিৰ এটা দেখা পাই গান্ধীজীয়ে সেইটো চাবলৈ ইচ্ছা কৰে। কিন্তু তেওঁৰ লগত যিকেইজন কাৰ্যকৰ্তা আছিল, তেওঁলোকে সেইটো বিচৰা নাছিল। কাৰণ ইয়াৰ শৰণাৰ্থীসকল আছিল মাৰ-পিট, অত্যাচাৰত সৰ্বস্ব হেৰুৱাই কোনোমতে প্ৰাণটো লৈ বাচি থকা হিন্দু আৰু শিখ। এওঁলোকৰ বেছিভাগেই কালিলৈকে আছিল লাখপতি আৰু আজি শৰণাৰ্থী - ইয়াৰে কিছুমানৰ পৰিয়াল মুছলমান গুণ্ডাৰ হাতত নিহত হৈছে, কিছুমানৰ ভনী, জীয়ৰী, পত্নীক এওঁলোকৰ সম্মুখতে বলাৎকাৰ কৰি হত্যা কৰিছে বা উঠাই লৈ গৈছে। অথচ এইক্ষেত্ৰত গান্ধীজী বা কংগ্ৰেছৰ ফালৰপৰা এওঁলোকৰ প্ৰতি কোনো সহানুভূতি পৰিলক্ষিত হোৱা নাছিল। গতিকে, কংগ্ৰেছ আৰু গান্ধীজীৰ প্ৰতি এই শৰণাৰ্থীসকলৰ খং উঠাটো স্বাভাৱিক কথা।

কংগ্ৰেছ কাৰ্যকৰ্তাসকলে ভাবিছিল যে এই শিবিৰলৈ নিয়াটো গান্ধীজীৰ সুৰক্ষাৰ বাবে ঠিক নহ'ব। অৱশ্যে শৰণাৰ্থীসকলক সাক্ষাৎ কৰাৰ প্ৰবল ইচ্ছাৰ কথা জনাই দুপৰীয়া সময়ত গান্ধীজীয়ে 'ৱাহ' শৰণাৰ্থী শিবিৰত প্ৰৱেশ কৰে।

'ৱাহ' শৰণাৰ্থী শিবিৰটো ৰক্তাক্ত ইতিহাসৰ এটা জীৱন্ত উদাহৰণ। বিগত মাহত এই শিবিৰত শৰণাৰ্থীৰ সংখ্যা পোন্ধৰ হাজাৰ পৰ্যন্ত হৈছিল, কিন্তু যিমানেই ১৫ আগষ্টৰ দিন চমু চাপি আহিছিল, সিমানেই শিবিৰটোত

শৰণাৰ্থীসকলৰ সংখ্যা কমি আহিছিল। কাৰণ এই অঞ্চলটো পাকিস্তানৰ হাতলৈ যাব বুলি সকলোৱে গম পাইছিল। হিন্দু আৰু শিখসকলে বুজি পাইছিল যে পাকিস্তানত এতিয়া তেওঁলোক সুৰক্ষিত হৈ থাকিব নোৱাৰে। সেইকাৰণে নিৰ্বাসিত লোকসকলে যেয়ে যেনেদৰে পাৰে তেনেদৰেই পূব পাঞ্জাবৰ ফালে পলাই গৈছিল। গান্ধীজী যোৱাৰ সময়ত শিবিৰটোত ন- হাজাৰ শৰণাৰ্থী আছিল। ইয়াৰ ভিতৰত অধিকাংশ পুৰুষ, কেইগৰাকীমান বয়সস্থ মহিলা আছিল যদিও শিবিৰটোত এজনীও ছোৱালী নাছিল। কাৰণ শিবিৰ পোৱাৰ আগতেই মুছলিম নেচনেল গাৰ্ডৰ গুণ্ডাবাহিনীয়ে তেওঁলোকক অপহৰণ কৰি বলাৎকাৰ অথবা হত্যা কৰে। এইটোক প্ৰকৃততে শৰণাৰ্থী শিবিৰ বুলি নকৈ 'যাতনা শিবিৰ' বুলিহে ক'ব পাৰি। বৰষুণত চাৰিওফালে বোকা জমা হৈছিল, কিছুমান টেণ্ট ফাটি টোপ টোপকৈ পানী পৰিছিল, ঠায়ে ঠায়ে খোৱা-পানীৰ বাবে দীঘলীয়া শাৰী পাতিব লগীয়া হৈছিল।



গান্ধীজী শিবিৰটোত উপস্থিত হোৱাৰ পাছত ন হাজাৰৰ পৰা প্ৰায় ডেৰহাজাৰমানে তেওঁৰ পৰা কিবা এষাৰ হ'লেও শুনিবৰ বাবে উৎসুক হয়। তেনেকুৱা লেতেৰা পৰিবেশতে গান্ধীজীয়ে প্ৰথমতে প্ৰাৰ্থনা কৰে আৰু তাৰ পাছত শৰণাৰ্থীসকলৰ লগত বাৰ্তালাপ আৰম্ভ কৰে। তেওঁলোকৰ মাজৰ পৰা দুজন শিখে থিয় হৈ ক'লে, "এই শিবিৰটো অতি সোনকালেই পূব পাঞ্জাবলৈ স্থানান্তৰ কৰিব লাগে। কাৰণ ১৫ আগষ্টৰ পাছত ইয়াত পাকিস্তানৰ শাসন চলিব। পাকিস্তানৰ শাসন, মানে মুছলমানৰ শাসন। বৃটিছৰ

শাসনকালতেই মুছলমানে হিন্দু আৰু শিখক এনেদৰে কাটি-মাৰি শেষ কৰিছে, যেতিয়া সিহঁতৰ শাসন চলিব, তেতিয়া আমাৰ কি হ'ব, সেয়া কল্পনাও কৰিব নোৱাৰি।"

তেওঁলোকৰ কথাত গান্ধীজীয়ে হাঁহিমুখে লাহে লাহে ক'লে, "আপোনালকে ১৫ আগষ্টৰ পাছত মাৰ-পিট হ'ব বুলি ভয় খাইছে, মই কিন্তু তেনেদৰে নাই ভবা। মুছলমানসকলে পাকিস্তান বিচাৰিছে, সেইমতে পাইছে। গতিকে তেওঁলোকে পুনৰ আতংকৰ সৃষ্টি কৰিব পাৰে বুলি মই কেতিয়াও নাভাবোঁ। তদুপৰি স্বয়ং জিন্না চাহাব আৰু কেইবাজনো মুছলমান নেতাই মোক শান্তি আৰু সম্প্ৰীতিৰ ভৰসা দিছে, পাকিস্তানত হিন্দু আৰু শিখ সুৰক্ষিত থাকিব বুলি তেওঁলোকে মোক আশ্বাস দিছে। গতিকে আমি তেওঁলোকৰ এই আশ্বাসক বিশ্বাসত লোৱা উচিত। এই শৰণাৰ্থী-শিবিৰটো পূব পাঞ্জাবলৈ স্থানান্তৰ কৰাৰ কাৰণ মই বুজা নাই। আপোনালোক ইয়াতেই সুৰক্ষিত থাকিব, মনৰ পৰা মাৰ-পিটৰ ভয় উলিয়াই পেলাওক। আগতে নোৱাখলীলৈ যোৱাৰ কাৰ্যক্ৰম তৈয়াৰ কৰি নোথোৱাহ'লে ১৫ আগষ্টৰ দিনা মই ইয়াত আপোনালোকৰ লগতে থাকিলোঁহেঁতেন। গতিকে আপোনালোকে একো চিন্তা নকৰিব।" ( Mahatma Volume 8, Life of Mohandas K. Gandhi --- D. G. Tendulkar)

যেতিয়া গান্ধীজীয়ে শিবিৰটোত এই কথাখিনি কৈ আছিল, সেই সময়ত সম্মুখত থিয় হৈ থকা মানুহখিনিৰ মাজত ক্ৰোধ, অসন্তুষ্টি আৰু হতাশাৰ ভাব দেখা গৈছিল। তথাপি গান্ধীজীয়ে মুছলমানৰ প্ৰতি এইসকলৰ কিয় ইমান ভয় আৰু খং সেই কথা বুজি পোৱা বা বুজিবলৈ চেষ্টা কৰা নাছিল। পৰিবৰ্তে প্ৰতিনিধিৰূপে গান্ধীজীয়ে ডঃ সুশীলা নায়াৰক এই শৰণাৰ্থীসকলক সেই শিবিৰটোতে ৰখাবৰ বাবে আদেশ দিয়ে।

❑

## সিফালে লাহোৰৰ দুপৰীয়া ...

লাহোৰ অৰ্থাৎ প্ৰভুশ্ৰীৰামচন্দ্ৰৰ পুত্ৰ লৱৰ নামেৰে স্থাপিত চহৰ। পাঞ্জাৱী সংস্কৃতিৰ চহৰ, নূৰজাহান আৰু জাহাংগীৰৰ সমাধিৰ চহৰ, মহাৰাজ ৰঞ্জিৎ

সিংহৰ চহৰ, অসংখ্য মন্দিৰ- মছজিদ - গুৰুদ্বাৰেৰে ভৰা, উৎসাহপূৰ্ণ লাহোৰ চহৰ।

কিন্তু আজি ৫ আগষ্ট, ১৯৪৭ ৰ দুপৰীয়াটো বৰ উদাসেৰে ভৰা। কাৰণ আজি লাহোৰ চহৰৰ সকলো হিন্দু আৰু শিখ ব্যৱসায়ীয়ে "চহৰ বন্ধ" ঘোষণা কৰিছে। এইসকলৰ ওপৰত একেলেথাৰিয়ে হৈ থকা আক্ৰমণ আৰু অত্যাচাৰৰ বিৰুদ্ধে আজি এই বন্ধৰ আয়োজন কৰা হৈছে। ইয়াৰ আগতে হিন্দু আৰু শিখ প্ৰতিনিধিসকলে বিভিন্ন স্তৰত নিজৰ কথাবোৰ দৃঢ়তাৰে সাব্যস্ত কৰিছিল। আজিৰ পৰা তিনি চাৰেতিনি মাহৰ আগতে অৰ্থাৎ এপ্ৰিল মাহত লাহোৰ, ৰাৱালপিণ্ডি আৰু ইয়াৰ আশে-পাশে থকা ঠাইবোৰত মুছলমান গুণ্ডাৰ দ্বাৰা কৰা আক্ৰমণৰ ঘাঁ শুকুৱাই নাছিল আৰু আগলৈও এই আক্ৰমণৰ সংখ্যা কমাৰ কোনো লক্ষ্যণ নাছিল।



'মুছলিম নেচনেল গাৰ্ড'ৰ বৰ্বৰতা দিনক-দিনে বাঢ়ি গৈ আছে। দেখাত মুছলিম নেচনেল গাৰ্ডৰ মুছলীম লীগৰ সৈতে কোনো সম্পৰ্ক নাছিল, কিন্তু সেইটো কেৱল দেখুৱাবৰ বাবেহে আছিল। মুছলিম নেচনেল গাৰ্ডে মুছলীম লীগৰ পতাকাই ব্যৱহাৰ কৰিছিল। বাস্তৱিকতে মুছলিম নেচনেল গাৰ্ড মুছলীম লীগৰেই এটা গুণ্ডা বাহিনী আছিল। হিন্দু-শিখ ব্যৱসায়ীসকলক পাকিস্তানৰ পৰা খেদোৱা আৰু তেওঁলোকৰ জীয়ৰী-বোৱাৰীক অপহৰণ কৰাটোৰেই আছিল উক্ত সংগঠনটোৰ মূল উদ্দেশ্য।

একে সময়তে অৰ্থাৎ মঙ্গলবাৰ, ৫ আগষ্টৰ দিনাই লাহোৰৰ গৱৰ্ণৰ হাউচত গৱৰ্ণৰ ছাৰ ইভান জেনকিন্সে বৰ উৎকণ্ঠাৰে নিজৰ বিভাগত কাম কৰি আছে। জেনকিন্সে পাঞ্জাবৰ সংস্কৃতি বৰ ভাল পাইছিল। সেয়ে তেওঁ বিভাজন

নোহোৱাটোৱেই কামনা কৰিছিল। আজিৰ দিনটোৰ লাহোৰৰ ঘটনাবোৰৰ ওপৰত তেওঁ চোকা দৃষ্টি ৰাখিছিল। শিখৰ দ্বাৰা এই ব্যৱসায়িক ধৰ্মঘটৰ বাবে ক'তো যাতে মাৰ-পিট নহয়, সেই চিন্তাতে তেওঁ মগ্ন আছিল। মুছলিম নেচনেল গাৰ্ডৰ ফালৰপৰা আক্ৰমণ তথা উপদ্ৰৱ কৰিবলৈ ঠিক কৰাৰ গুপ্ত খবৰ তেওঁ আগতীয়াকৈ পাই গৈছিল। গান্ধীজীৰ লাহোৰ-ভ্ৰমণৰ কথাটোও তেওঁ গম পাইছিল, সেয়ে তেওঁৰ চিন্তা বাঢ়িছিল।


লাহোৰৰ গোমতি বজাৰ, কিশান নগৰ, সন্ত নগৰ, ৰাম গলী ৰাজগড়ৰ দৰে অধিক হিন্দু-শিখবসতি অঞ্চলত ধৰ্মঘট সম্পূৰ্ণ সফল হয়। এই অঞ্চলবোৰত ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘ কৰ্মীসকলে দিন-ৰাতি একাকাৰ কৰি সকলোফালে খবৰ ৰাখিছিল। প্ৰতিদিনে সন্ধিয়া শাখাত দুশৰ পৰা তিনিশ হিন্দু আৰু শিখ যুৱক উপস্থিত আছিল। মাৰ্চ মাহৰ আগতে লাহোৰত সংঘৰ শাখা প্ৰায় ২৫০ ৰো অধিক হৈছিল। মাৰ্চ-এপ্ৰিলৰ সংঘৰ্ষৰ পিছত যথেষ্ট সংখ্যক হিন্দুৱে তাৰ পৰা ঘৰ বাৰি এৰি গুছি গৈছিল ফলত সেই অঞ্চলৰ শাখা সমূহ বন্ধ হৈ গৈছিল। লাহোৰৰ তিনিলাখ হিন্দু-শিখৰ প্ৰায় এক লক্ষাধিক লোকে 'মুছলিম নেচনেল গাৰ্ড'ৰ অত্যাচাৰৰ পৰা পৰিত্ৰাণ বিচাৰি যোৱা তিনিমাহত লাহোৰ ত্যাগ কৰি পূব পাঞ্জাবলৈ "বৰ্তমান ভাৰত" ধাপলি মেলে।

❑

মাৰ-পিট, অগ্নিকাণ্ড, লুট-পাত, বলাৎকাৰৰ এই অশান্ত পৰিবেশৰ মাজত লাহোৰৰ পৰা প্ৰায় ছশ মাইল দূৰত সিন্ধ প্ৰদেশৰ কৰাচীত বিশেষ ধৰণৰ উথপথপ দেখা গৈছে। কৰাচী বিমানবন্দৰত আজি জনতাৰ ভিৰ লাগিছে। দুপৰীয়া ১২:৫৫ ত ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ সৰসংঘচালক শ্ৰী গোলৱালকৰ গুৰুজী, ডঃ আবাজী থাত্তেক লগত লৈ টাটা এয়াৰ চাৰ্ভিচেছ বিমানেৰে মুম্বাইৰ পৰা কৰাচী পাবহি।

এনেকুৱা অশান্ত পৰিবেশত স্বয়ংসেৱকসকলে গুৰুজীৰ সুৰক্ষাৰ সম্পূৰ্ণ ব্যৱস্থা লৈছিল। কৰাচী মহানগৰৰ কাৰ্যবাহ লালকৃষ্ণ আদৱানীও এই স্বয়ংসেৱকসকলৰ ভিতৰত আছিল। গুৰুজীৰ গাড়ীৰ লগতে মটৰচাইকেল আৰোহীৰ গোট এটাও আছিল। ঠিক ১:০০ বজাৰ লগে লগে গুৰুজী আৰু আবাজী বিমানৰ পৰা নামে। স্বয়ংসেৱকসকলে তেওঁলোকৰ ৰীতি অনুযায়ী

নিজৰ কাম কৰে। তিনিজন স্বয়ংসেৱকে বোৰ্খা পৰিধান কৰি আহিছিল, তেওঁলোকে বোৰ্খাৰ জালীৰ মাজেৰে বিমানবন্দৰটোৰ চৌপাশে সাৱধানে চকু ৰাখিছিল, অৰ্থাৎ নিৰীক্ষণ কৰি আছিল। গুৰুজী মূল ঠাইত উপস্থিত হোৱাৰ লগে লগে "ভাৰত মাতা কী জয়" ধ্বনিৰে স্বয়ংসেৱকসকলে স্বাগত সম্ভাষণ জনায়। গুৰুজীক লৈ এই সমদলটো কৰাচী চহৰ অভিমুখে ৰাওনা হয়। সন্ধিয়া সময়লৈ সংঘৰ পূৰ্ণ গণবেশত পথ সঞ্চালনৰ কাৰ্যসূচী আৰু গুৰুজীৰ এখন সভা ঠিক কৰা হয়।



কেৱল ন-দহ দিনৰ ভিতৰতে, যিটো ভাগ পাকিস্তানৰ অন্তৰ্ভুক্ত হোৱাৰ পথত, এনেকুৱা ঠাইত হিন্দুৰ দ্বাৰা পথ সঞ্চালন উলিওৱা আৰু সাধাৰণ সভা আয়োজন কৰাটো অতি সাহসী পদক্ষেপ বুলিয়েই ক'ব লাগিব। উপদ্ৰৱকাৰী, অত্যাচাৰী মুছলমানৰ প্ৰতি কঠোৰ বাৰ্তা আৰু হিন্দু-শিখৰ মনত আত্মবিশ্বাস জগাবৰ বাবেই সংঘই এই কাৰ্যক্ৰমৰ সিদ্ধান্ত গ্ৰহণ কৰে।


সন্ধিয়া ৫:০০বজাৰ লগ লগে প্ৰায় দহ হাজাৰ স্বয়ংসেৱকে অংশগ্ৰহণ কৰা এই পথ সঞ্চলন ইমান সুন্দৰ আৰু প্ৰভাৱশালী আছিল যে কোনো মুছলমান আতংকবাদীয়ে এওঁলোকক আক্ৰমণ কৰিবলৈ সাহস নকৰিলে।

❑

ভাৰতৰ পূব আৰু পশ্চিম সীমান্তত হৈ থকা হিন্দু-মুছলমান সংঘৰ্ষ তথা শৰণাৰ্থী শিবিৰৰ দুখ-কষ্ট, অশান্তিৰ পৰা বহু দূৰৈত দিল্লীৰ ১৭, য়ৰ্ক ৰোড, জৱাহৰলাল নেহেৰুৰ আৱাসত তেওঁৰ নতুন মন্ত্ৰীসভা গঠনৰ কাম পূৰ্ণগতিত চলি আছে।

নেহেৰুৰ সন্মুখত লৰ্ড মাউন্টবেটনে ১আগষ্টত পঠোৱা এখন পত্ৰ আছিল। চিঠি খনত মাউন্টবেটনে নেহেৰুক সুধিছিল, "ভাৰত চৰকাৰৰ বৰ্তমান অ'ডিটৰ জেনেৰেল ছাৰ বৰ্টি ষ্টেগক স্বাধীন ভাৰতত এই পদত ৰাখিব পৰা হ'ব নে

নহয় ? যদি তেওঁৰ কাৰ্যকাল বঢ়াব পৰা যায় তেন্তে ছাৰ বৰ্টি ষ্টেগে ভাৰতত তেওঁৰ কাম-কাজ চলাই নিবলৈ ইচ্ছুক।”



নেহৰুৱে সেইদিনাই তেওঁৰ সচিবৰ দ্বাৰা উত্তৰ লিখালে, “ছাৰ বৰ্টি ষ্টেগ বিত্ত মন্ত্ৰালয়ৰ পৰামৰ্শদাতা আৰু ভাৰতৰ অ'ডিটৰ জেনেৰেল। আপুনি নিশ্চয় জানে, আমাৰ নীতি মতে, যিসকল ইংৰাজ বিষয়াই স্বাধীন ভাৰতত নিজৰ কাম কৰিবলৈ বিচাৰে তেওঁলোকক আমি তেওঁলোকৰ কাম কৰি থাকিবৰ বাবে অনুমতি দিম। কিন্তু যিবোৰ পদত যোগ্য ভাৰতীয় ব্যক্তি পোৱা যাব, সেইবোৰ পদত ভাৰতীয়কহে নিযুক্তি দিয়া হ'ব। নীতি অনুসৰি, বৰ্তমান যিসকল বিষয়াৰ ইয়াত কাম কৰাৰ ইচ্ছা, তেওঁলোকে সেই পদতে কাৰ্যনিৰ্বাহ কৰি থাকিব পাৰিব। গতিকে ছাৰ বৰ্টি ষ্টেগ স্বাধীন ভাৰতৰ অ'ডিটৰ জেনেৰেল ৰূপে কাৰ্য নিৰ্বাহ কৰক, মোৰ কোনো আপত্তি নাই।”


১৪ জুলাইৰ আন এখন পত্ৰত লৰ্ড মাউণ্টবেটেনে নেহৰুৰ পৰা দুটা কথা জানিব বিচাৰিছিল, স্বাধীন ভাৰতত তেওঁৰ ষ্টাফৰ কিবা কাম কৰিবলগীয়া থাকিবনে ? এই পত্ৰৰ উত্তৰ দিয়াৰ আগতে নেহেৰুৱে কিছু সময় চিন্তাত মগ্ন হৈ পৰিল। আৰু লাহেকৈ নিজৰ সচীবক চিঠিখনৰ উত্তৰৰ শ্ৰুতলিপি দিলে।

প্ৰীয় লৰ্ড মাউন্টবেটেন,

আপোনাৰ ১৪ জুলাইৰ চিঠিখনত মুখ্যতঃ দুটা প্ৰশ্ন উত্থাপন কৰিছে। প্ৰথম প্ৰশ্নৰ উত্তৰ হিচাপে আপোনাৰ ষ্টাফৰ বিষয়ে আপুনিয়েই সিদ্ধান্ত ল'ব। আপোনাৰ আৱশ্যকতা অনুসৰি যি সেৱক বৰ্গ আপোনাক লাগে স্বাধীন ভাৰতৰ তৰফৰ পৰা সেইয়া আপোনাৰ লগতে থাকিব। দ্বিতীয় প্ৰশ্নৰ উত্তৰ হিচাপে স্বাধীন ভাৰতত বৰ্ত্তমান ভাইচৰয় হাউচটোৰ কোনো উপযোগিতা নাই গতিকে আপোনালোক পতি-পত্নী সেই ভৱনটোতে থাকিব পাৰিব।

❑

কৰাচীৰ মূল চাৰিআলিৰ কাষৰ মুকলি ঠাইত সৰসংঘচালকৰ জনসভা আৰম্ভ হৈছে। সৰু মঞ্চটোত তিনিখন চকী, এখন সৰু টেবুলত পানী খাবৰ বাবে লোটা আৰু গিলাচ থোৱা হৈছে। সন্মুখত স্বয়ংসেৱকসকলে অনুশাসিত পদ্ধতিত বহিছে। সোঁফালে আজিৰ এই সভাৰ অধ্যক্ষ সাধু টি, এল, বাসৱানীজী বহিছে। সাধু বাসৱানী, সিন্ধী সমাজৰ গুৰু। গুৰুজীৰ বাওঁফালে বহিছে সিন্ধ প্ৰদেশৰ সংঘচালক। গুৰুজীৰ ভাষণ শুনিবৰ বাবে অগণন শ্ৰোতা গোট খাইছিল। প্ৰথমতে বাসৱানীজীয়ে প্ৰাস্তাবিকভাষণ দিয়ে। তেওঁ কয়, "ইতিহাসত এই সময়চোৱাৰ এক বিশেষ মহত্ব থাকিব যে আমাৰ সিন্ধি হিন্দুৰ সমৰ্থনত ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘই এক মজবুত পাহাৰৰ দৰে থিয় হৈছেহি।



তাৰপাছত গুৰুজীয়ে গহীন-গম্ভীৰ, দৃঢ় আৰু স্পষ্ট উচ্চাৰণেৰে ভাষণ আৰম্ভ কৰে, ---"... আমাৰ মাতৃভূমিৰ প্ৰতি এটা ডাঙৰ বিপদ আহিছে। মাতৃভূমিৰ বিভাজন ইংৰাজৰ ভাগ-ভাগ কৰা আৰু শাসন কৰা নীতিৰেই পৰিণাম। মুছলমানসকলে যি পাকিস্তান লৈছে, সেয়া হিংসাত্মক পদ্ধতিৰে, অত্যাচাৰ, সন্ত্ৰাসৰ সৃষ্টি কৰি লৈছে। আমাৰ দুৰ্ভাগ্য এয়ে যে কংগ্ৰেছে মুছলমানৰ সন্মুখত সেও হৈ থাকে। মুছলমান আৰু তেওঁলোকৰ নেতা সকলক ভুল দিশেৰে পৰিচালিত কৰিছে। এনেধৰণে কোৱা হয় যে তেওঁলোক ইছলাম পন্থৰ অনুগামী সেইকাৰণে তেওঁলোকক পৃথক ৰাষ্ট্ৰ লাগে, কিন্তু দেখা যায় তেওঁলোকৰ ৰীতি-নীতি, সংস্কৃতি পূৰ্ণৰূপে ভাৰতীয়হে আৰবীয় মূলৰ নহয়। এইটো কল্পনা কৰাও কঠিন যে, আমাৰ খণ্ডিত মাতৃভূমি, সিন্ধ নদীৰ অবিহনে আমি পাম। এই প্ৰদেশখন সপ্ত সিন্ধৰ প্ৰদেশ, ৰজা দাহিৰৰ শৌৰ্যৰ প্ৰদেশ। হিংগলাজ দেৱীৰ অস্তিত্বৰ পৱিত্ৰ সিন্ধ প্ৰদেশ আমি হেৰুৱাব লগা হ'ল। এই দুৰ্ভাগ্য আৰু সংকটৰ সময়ত সকলো হিন্দু নিজৰ ভিতৰত

মিলা-প্ৰীতিৰে থাকি এজনে আনজনৰ সহায় হোৱা উচিত। সংকটৰ এই দিন শেষ হ'ব বুলি মোৰ বিশ্বাস...।" গুৰুজীৰ ভাষণ শুনি সকলো মুগ্ধ হয়, হিন্দুসকলৰ মনত নতুন শক্তিৰ সঞ্চাৰ হয়।

ভাষণৰ পাছত কৰাচী চহৰৰ কেইজনমান গণ্য-মান্য ব্যক্তিৰ লগত গুৰুজীৰ চাহ-মেলৰ আয়োজন কৰা হয়। এওঁলোকৰ ভিতৰত ৰংগনাথন্দ, ডঃ চইথৰাম, প্ৰফেছাৰ ঘনশ্যাম, প্ৰফেছাৰ মালকানী, লালজী মেহৰোত্ৰা, শিৰৰতন মেহতা, ভাই প্ৰতাপ ৰায়, নিশ্চল দাস ৰজীৰানী, ডঃ হেমনদাস বাধৰানী, মুখী গোবিন্দম আদি মহামান্যসকল চাহ-মেল বৈঠকত উপস্থিত থাকে।

'সিন্ধ অবজাৰভাৰ' নামৰ দৈনিক বাতৰি কাকত এখনৰ সম্পাদক তথা কৰাচীৰ এজন বিশিষ্ট ব্যক্তি, কে. পুনৈয়াও উক্ত বৈঠকত উপস্থিত আছিল। গুৰুজীক তেওঁ প্ৰশ্ন কৰিছিল, "আমি যদি আনন্দেৰে এই বিভাজন মানি লওঁ, তাতনো কি অসুবিধা আছে? মানুহৰ এটা ভৰি বেয়া হ'লেও সেইটো কাটি পেলোৱা হয়, মানুহটো অন্ততঃ বাচি থাকে, নহয় জানো ?" গুৰুজীয়ে লগে লগে উত্তৰ দিলে, "হয়, ঠিকেই কৈছে, মানুহৰ নাকটো কটা গ'লেও জীয়াই থাকে, নহয় জানো?"

সিন্ধু প্ৰান্তৰ হিন্দু বন্ধু সকলৰ ওচৰত গুৰুজীক ক'বলগীয়া বহুত কথা আৰু দুঃখ যাতনা আছিল। নিজৰ সন্মুখত অন্ধকাৰ ভৱিষ্যত দেখা এই হিন্দুসকল অত্যন্ত পিড়িত অৱস্থাত থাকি হতাশগ্ৰস্ত হৈ পৰিছিল। এওঁলোকৰ গুৰুজীৰ সৈতে বহু বিষয় আলোচনা কৰিব লগীয়া আছিল কিন্তু সময় বহুত কম কাম বহুত আছিল। সেই প্ৰান্তৰ প্ৰচাৰক আৰু কাৰ্যবাহ সকলৰ সৈতে বৈঠকত বহিবলগীয়া আছিল।

৫ আগষ্টৰ নিশা, যেতিয়া ভাৰতৰ ৰাজধানী দিল্লী শান্তিৰে শুই আছিল, তেতিয়া পাঞ্জাব - সিন্ধ - বেলুচিস্তান আৰু বংগত হিন্দু আৰু শিখৰ ওপৰত অমানুষিক অত্যাচাৰ চলিছিল। একে সময়তে, কৰাচীত থকা এই মহান তপস্বীয়ে বিভাজনৰ বিনাশকাৰী চিত্ৰখন দেখি হিন্দুসকলৰ ভৱিষ্যতৰ চিন্তাত মগ্ন আছিল ...।

❑

## ষষ্ঠ ঃ ৬ আগষ্ট, ১৯৪৭

বুধবাৰ, ৬ আগষ্ট। আনদিনাৰ দৰেই আজিও গান্ধীজীয়ে পুৱা পোহৰ হোৱাৰ আগতেই উঠি দৈনন্দিন কাৰ্যসমূহ আৰম্ভ কৰিছে। 'ৱাহ' শৰণাৰ্থী শিবিৰটোৰ ওচৰতে তেওঁৰ আশ্ৰয়-স্থল। ৱাহ ঠাইডোখৰ ডাঙৰ চহৰ নহয় যদিও ইয়াৰ এটা মহত্ব আছিল কিয়নো ইংৰাজে ইয়াত এটা সৈনিক শিৱিৰ স্থাপন কৰিছিল।

আজি গান্ধীজী তেওঁৰ সহযোগীসকলৰে সৈতে লাহোৰলৈ যোৱাৰ কথা। সেই ঠাইৰ পৰা লাহোৰলৈ প্ৰায় আঢ়ৈশ মাইল দূৰ। গতিকে নিৰ্দিষ্ট স্থানত গৈ পাবলৈ কমেও সাত-আঠ ঘণ্টা সময় লাগিব। সেয়ে সূৰ্যোদয়ৰ পাছতেই গান্ধীজীয়ে ৰাৱলপিণ্ডী পথেৰে লাহোৰ অভিমুখে ৰাওনা হয়।

❑

**লাহোৰ**

ৰাৱী নদীৰ পাৰত অৱস্থিত এই চহৰখন শিখসকলৰ এখন ঐতিহাসিক চহৰ। প্ৰাচীন গ্ৰন্থত 'লৱপুৰ' বা 'লৱপুৰী' নামেৰে জনাজাত আছিল। এই চহৰখনত প্ৰায় চল্লিশ শতাংশৰো অধিক হিন্দু-শিখৰ ভূমি আছিল। বিগত মাৰ্চ মাহত মুছলমানৰ অত্যাচাৰত হিন্দু-শিখসকলে নিজৰ ঘৰ-বাৰী এৰি যাবলৈ আৰম্ভ কৰে।

লাহোৰ আৰ্য সমাজৰ দুৰ্গ আছিল। এওঁলোকে সংস্কৃত ভাষাৰ উন্নতিৰ বাবে চৰ্চা কৰিছিল। এসময়ত লাহোৰত কেইবাখনো সংস্কৃত পাঠশালা গঢ়ি উঠিছিল। বিশিষ্ট সংস্কৃত পণ্ডিত, 'ভাৰত বিদ্যা'ৰ প্ৰকাশক মতিলাল বানাৰসীদাস লাহোৰৰে আছিল। কিন্তু একেৰাহে হৈ থকা মাৰ-পিট, উপদ্ৰৱৰ

কাৰণে তেওঁ নিজৰ বয়-বস্তু সামৰি ভাৰতলৈ আহিবলৈ সিদ্ধান্ত লয়।




হৈ থকা ঘটনাসমূহৰ পৰা স্পষ্টকৈ বুজি পোৱা গৈছিল যে, লাহোৰ পাকিস্তানৰ হাতলৈ যাব। সেইকাৰণে মহাৰাজ ৰঞ্জিৎ সিংহৰ ৰাজধানী আৰু তেওঁৰ সমাধি থকা এই চহৰখন ত্যাগ কৰি ভাৰতলৈ অহাটো লাহোৰৰ শিখসকলৰ বাবে বৰ কঠিন আছিল। শীতলা মাতা মন্দিৰ, ভৈৰৱ মন্দিৰ, দুধৱালী মাত মন্দিৰ, ডাৱৰ ৰোড স্থিত শ্ৰীকৃষ্ণ মন্দিৰ, ডেৰা চাহাব, ভাৱাৰীয়া স্থিত শ্বেতাম্বৰ আৰু দিগম্বৰ পন্থৰ জৈন মন্দিৰ, আৰ্য সমাজৰ মন্দিৰৰ দৰে প্ৰসিদ্ধ মন্দিৰসমূহৰ এতিয়া কি হ'ব, এই চিন্তাই প্ৰত্যেক হিন্দু-শিখৰ মনত তোলপাৰ লগাইছিল। প্ৰভু শ্ৰীৰামচন্দ্ৰৰ পুত্ৰ লৱ, যিয়ে এই চহৰখন ৰক্ষা কৰিছিল, তেওঁৰ মন্দিৰো লাহোৰৰ দুৰ্গৰ ভিতৰত আছে। তাৰ পূজাৰী সকলৰ মনতো এই বিষয়ত চিন্তা হৈছিল, মন্দিৰৰ লগতে তেওঁলোকৰ ভৱিষ্যত চিন্তা কৰি শংকিত হৈছিল।

একে সময়তে লাহোৰত গান্ধীজীয়ে কংগ্ৰেছ কাৰ্যকৰ্তাসকলৰ লগত আলোচনাত বহে। অৱশ্যে এই কংগ্ৰেছীসকলো হিন্দু আৰু শিখেই আছিল। কাৰণ, ইতিমধ্যে লাহোৰ কংগ্ৰেছৰ মুছলমান কাৰ্যকৰ্তাসকলে কংগ্ৰেছ ত্যাগ কৰি 'মুছলিম লীগ'ৰ অন্তৰ্ভুক্ত হৈছিল।

❑

যি সময়ত গান্ধীজী 'ৰাহ'ৰ পৰা লাহোৰলৈ ওলাই আহিছিল, ঠিক সেই সময়তে ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ সৰসংঘচালক শ্ৰী গুৰুজীও কৰাচীৰ পৰা সিন্ধ প্ৰদেশৰ হাইদৰাবাদলৈ ওলাইছিল। পুৱা চাৰিবজাতে উঠাৰ অভ্যাস গুৰুজীৰ। ৰাতিপুৱাৰ কামখিনি কৰি ৬ বজাত প্ৰভাত শাখাত প্ৰাৰ্থনা কৰে আৰু তাৰপাছত এখন বৈঠকত অংশ লয়। সিন্ধ প্ৰদেশৰ আটাইকেইখন প্ৰধান চহৰৰ সংঘচালক, কাৰ্যবাহ আৰু প্ৰচাৰক এই বৈঠকত উপস্থিত থাকে। এই বৈঠকত পাকিস্তানৰ হিন্দু আৰু শিখসকলক ভাৰতলৈ সুৰক্ষিত ৰূপত কেনেদৰে আনিব পৰা যায়, সেই সম্বন্ধে আঁচনি প্ৰস্তুত কৰা হয়।

গুৰুজীয়ে কাৰ্যকৰ্তাসকলৰ মনৰ কথাবোৰ শুনিছিল অৰ্থাৎ তেওঁলোকৰ সমস্যাৰ বুজ লৈছিল। কাষত বহি থকা ডঃ আবাজী থাত্তেয়ে ব্যৱস্থাসমূহৰ বিষয়ে আঁচনি তৈয়াৰ কৰিছিল। আগদিনা হৈ যোৱা সংঘৰ বৈঠকত গুৰুজীয়ে যিখিনি কথা কৈছিল, সেই কথাখিনি থাত্তেজীয়ে পুনৰ কাৰ্যকৰ্তাসকলক অৱগত কৰায়। লগতে তেওঁ কয়, "হিন্দুসকলৰ সুৰক্ষাৰ দায়িত্ব নিয়তিয়েই সংঘৰ কান্ধত সঁপি দিছে।" কথা প্ৰসংগত গুৰুজীয়ে কাৰ্যকৰ্তাসকলক কয়, "সংগঠন ক্ষমতাৰ দ্বাৰা আমি বহুত অসাধ্য কথাও সৰলতাৰে সম্পন্ন কৰিব পাৰোঁ।" গুৰুজীৰ কথাই কাৰ্যকৰ্তাসকলৰ মনোবল বঢ়ায়।

বৈঠকৰ অন্তত কাৰ্যকৰ্তাসকলৰ লগত গুৰুজীয়ে অল্পাহাৰ গ্ৰহণ কৰে আৰু পুৱা ন- বজাত হাইদৰাবাদ অভিমুখে ৰাওনা হয়। কৰাচীৰ কেইজনমান স্বয়ংসেৱকৰ 'মটৰগাড়ী' আছিল। তাৰে এখনত গুৰুজী, আবাজী, প্ৰান্ত প্ৰচাৰক ৰাজপাল জী আৰু এজন স্বয়ংসেৱক, পিছে পিছে আন এখন 'মটৰগাড়ী'। আতংকৰ এনে অস্থিৰ পৰিবেশত, গাড়ীদুখনৰ আগত আৰু পিছত মটৰচাইকেলত কেইজনমান স্বয়ংসেৱকে নিজা সুৰক্ষাৰে সেনাপতি তথা ৰাষ্ট্ৰৰ মুৰব্বীৰ দৰে গুৰুজী গোলৱালকৰক হাইদৰাবাদলৈ লৈ গৈছিল।


কৰাচীৰ পৰা হাইদৰাবাদলৈ প্ৰায় চৌৰানব্বৈ মাইল দূৰ, ৰাস্তাটো যথেষ্ট ভাল। সেয়ে ভবা হৈছে যে দুপৰীয়া ভোজনৰ সময়ত গুৰুজী হায়দৰাবাদ পাবগৈ। ৰাস্তাতেই প্ৰান্ত প্ৰচাৰক ৰাজপালজীয়ে গুৰুজীক তাৰ ভয়াবহ পৰিস্থিতিৰ বিষয়ে অৱগত কৰায়।

❑

## ১৭, য়ৰ্ক ৰোড ... নেহৰুৰ আৱাস স্থানৰ কাৰ্যালয়

নেহৰুৱে লৰ্ড মাউণ্টবেটেনৰ পৰা বিশেষ পত্ৰ এখন পাই কিছু চিন্তিত হ'ল। উত্তৰত লিখিলে --

"প্ৰিয় লৰ্ড মাউণ্টবেটেন,



... আপোনাৰ চিঠিখনৰ অৰ্থ মই বুজা মতে, ভাৰতৰ সকলো ৰাজহুৱা স্থানত আমাৰ ৰাষ্ট্ৰীয় পতাকাৰ লগতে য়ুনিয়ন জেক উত্তোলন কৰাটো বিচাৰিছে। এই কথাটোত কেৱল এদিন মোৰ সমস্যা আছে। সেই দিনটো হৈছে ১৫ আগষ্ট, অৰ্থাৎ আমাৰ স্বাধীনতা দিৱসৰ দিনা। মই ভাবোঁ যে সেইদিনা য়ুনিয়ন জেক উত্তোলন কৰা উচিত নহ'ব। ...

বাকী আপুনি উল্লেখ কৰা ধৰণে, ১ জানুৱাৰী -- সৈনিক দিৱস ; ১ এপ্ৰিল -- বায়ুসেনা দিৱস ; ১২ জুন -- বৃটেইনৰ ৰজাৰ জন্মদিন ; ১৪ জুন -- সংযুক্ত ৰাষ্ট্ৰসংঘৰ ধ্বজ দিৱস ; ৪ আগষ্ট -- বৃটিছ মহাৰাণীৰ জন্মদিন ; ৭ নবেম্বৰ -- নৌসেনা দিৱস ; ... এই দিনবোৰত য়ুনিয়ন জেক উত্তোলন কৰালে আমাৰ কোনো আপত্তি নাই।..."

❑

ডঃ বাবাচাহেব আম্বেদকাৰ আজি মুম্বাইৰ নিজা বাসভৱনতে আছে। স্বাধীন ভাৰতৰ প্ৰথম মন্ত্ৰীসভাত অন্তৰ্ভুক্ত হ'বলগীয়া নিজৰ প্ৰিয় নেতাগৰাকীক লগ পাবলৈ তেওঁৰ শুভাকাংক্ষীসকলে, বিশেষকৈ 'চিড্যুল কাষ্ট ফেডাৰেচন'ৰ কাৰ্যকৰ্তাসকলে আম্বেদকাৰৰ বাসভৱনৰ সন্মুখত দীঘলীয়া শাৰী পাতিছে।

দেশৰ পশ্চিম ভাগৰ পৰা আহি থকা হিন্দু-মুছলমান সংঘৰ্ষৰ খবৰবোৰ



পাই আম্বেদকাৰ বৰ চিন্তিত হৈছিল। সেয়ে সকলো কথা ভাবি-চিন্তি বিভাজনৰ পক্ষ তেওঁ সমৰ্থন কৰিছিল। অৱশ্যে বিভাজনৰ সপক্ষে সমৰ্থন দিয়াৰ সময়ত বাবাচাহেব আম্বেদকাৰৰ মূল চৰ্ত আছিল 'জনসংখ্যাৰ সাল-সলনি কৰা'। তেওঁ কৈছিল যে যিহেতু ধৰ্মৰ আধাৰত এই বিভাজন হৈছে, গতিকে প্ৰস্তাৱিত পাকিস্তানৰ সকলো হিন্দু-শিখক ভাৰতত তথা ভাৰতৰ সকলো মুছলমানক পাকিস্তানত সংস্থাপিত কৰা উচিত। জনসংখ্যাৰ এই সাল-সলনি কৰিলেহে ভাৰতৰ ভৱিষ্যত শান্তিপূৰ্ণ হ'ব।

কংগ্ৰেছৰ কিছুমান নেতা, বিশেষকৈ গান্ধীজী আৰু নেহৰুৰ কাৰণে বাবাচাহেবৰ এই প্ৰস্তাৱ গ্ৰহণ কৰা নহ'ল, এই কথাত তেওঁ বৰ দুখ পালে। বাৰে বাৰে এই কথা তেওঁৰ মনলৈ আহিছিল যে প্ৰণালীবদ্ধভাবে হিন্দু-মুছলমানক তেওঁৰ প্ৰস্তাৱ অনুসৰি সংস্থাপিত কৰা হলে লাখ লাখ নিৰ্দোষী মানুহক বচাব পৰা গ'লহেঁতেন। এই ক্ষেত্ৰত গান্ধীজীৰ বক্তব্য আছিল, "ভাৰতত সকলো হিন্দু-মুছলমান ভাই ভাইৰ দৰে থাকিব।" গান্ধীজীৰ এই কথাষাৰত বাবাচাহেবৰ বৰ খং উঠিছিল।

শুভাকাংক্ষী আৰু কাৰ্যকৰ্তাসকলক সাক্ষাৎ কৰি বাবাচাহেব নিজৰ অধ্যয়ন কক্ষত বহিলগৈ। হ'বলগীয়া মন্ত্ৰীসভাত তেওঁৰ বিভাগৰ কৰিবলগীয়া কাম-

কাজৰ বিষয়ে চিন্তা-চৰ্চা কৰে। আজি সন্ধিয়ালৈ মুম্বাইৰ উকিল সংস্থাই বাবাচাহেবৰ বাবে অভিনন্দন সমাৰোহৰ আয়োজন কৰিছে। উক্ত সমাৰোহত তেওঁ কি ক'ব সেই বিষয়েও চিন্তা কৰিছে। তাৰ মাজতে তেওঁৰ মনত পৰিল, "আজি হিৰোচিমা দিৱস।" আজিৰ দিনটোতেই আমেৰিকাই জাপানত আণৱিক বোমা পেলাইছিল। জাপানৰ নিৰ্দোষী জনগণৰ এই হত্যাৰ স্মৰণত তেওঁৰ মন ভাৰাক্ৰান্ত হয়।

❑

দুপৰীয়া প্ৰায় ডেৰ বজাত গান্ধীজীৰ দলটো লাহোৰ পালেগৈ। তাত যিজন কংগ্ৰেছ পদাধিকাৰীৰ ঘৰত গান্ধীজী আৰু তেওঁৰ সহযাত্ৰীসকলে দুপৰীয়া ভোজন কৰিছিল, সেয়া হিন্দু বসতিপ্ৰধান অঞ্চল আছিল। কিন্তু তাত যি দৃশ্য প্ৰত্যক্ষ কৰিছিল, সেইবোৰে গান্ধীজীৰ হৃদয় স্পৰ্শ কৰিবলগীয়া দৃশ্যই আছিল -- জ্বলাই দিয়া কিছুমান ঘৰ, জ্বলি থকা দোকান কেইখনমান, হনুমান মন্দিৰৰ দুৱাৰ ভঙা... এক বিধ্বস্ত পৰিবেশ!

গান্ধীজীয়ে বৰ কম আহাৰ গ্ৰহণ কৰিছিল। ছাগলীৰ গাখীৰ অলপ, শুকান ফল, লগত আঙুৰ বা কোনো এবিধ ফল। ভোজন-পৰ্ব সমাপ্ত কৰিয়েই প্ৰায় আঢ়ৈ বজাত গান্ধীজী কংগ্ৰেছ কাৰ্যকৰ্তাসকলৰ বৈঠকত বহে।

আনদিনাৰ দৰেই প্ৰাৰ্থনাৰ পাছত তেওঁ সভা আৰম্ভ কৰে। গান্ধীজীয়ে হাঁহিমুখে ভাষণ আৰম্ভ কৰিবলৈ লওঁতেই কাৰ্যকৰ্তাসকলে থিয় হৈ বান্ধ ভাঙি যোৱাৰ দৰে সকলো কাৰ্যকৰ্তাই অনৰ্গল অসন্তুষ্টি প্ৰকাশ কৰে। সেই সময়ত কেৱল হিন্দু শিখ কাৰ্যকৰ্তাহে অৱশিষ্ট আছিল, তেওঁলোকে কংগ্ৰেছৰ নেতৃত্বৰ ওপৰত ভীষণ খঙত আছিল। শেষ সময়লৈকে তেওঁলোকৰ এয়েই আশা আছিল যে গান্ধীজীয়ে কৈছে যেতিয়া দেশ বিভাজন নহয় আৰু যদি হয় তেতিয়াহ'লে গান্ধীজীৰ শৰীৰৰ দুটকুৰা হোৱাৰ পিছতহে হ'ব সেয়েহে চিন্তাৰ কোনো কাৰণ নাই। গান্ধীজীৰ এই বক্তব্যৰ আধাৰতে লাহোৰত কংগ্ৰেছৰ হিন্দু শিখ কাৰ্যকৰ্তাসকলে একো নহয় বুলি আশ্বস্ত হৈ আছিল। সকলোৱে আশা কৰিছিল, অন্ততঃ গান্ধীজীয়ে বিভাজন বিৰুদ্ধে মাত মাতিব। কিন্তু সেই আশা কৰাটো বৃথা আছিল। কাৰণ, ৩ জুনতেই, কংগ্ৰেছৰ সমৰ্থনত দেশ বিভাজনৰ কথা ঘোষণা কৰা হৈছিল। অহা দুসপ্তাহৰ ভিতৰত আমি

নিজৰ বয়বস্তু যিমান পাৰি বান্ধিলৈ নিৰ্বাসিতৰ দৰে ভাৰতলৈ যাব লাগিব। জীৱনটো ওলট পালট হৈ গ'ল যদিও আমি কংগ্ৰেছৰে কাৰ্যকৰ্তা তথাপিও আমাৰ সকলো শেষ হৈ গ'ল।

সকলো কংগ্ৰেছ কাৰ্যকৰ্তাই গান্ধীজীক উপৰাউপৰি প্ৰশ্ন কৰে। গান্ধীজীয়ে শান্তভাৱে শুনি থাকে। শেষত পাঞ্জাৱ কংগ্ৰেছ কমিটীৰ অধ্যক্ষই কাৰ্যকৰ্তাসকলক শান্ত কৰায় আৰু তেওঁলোকক কয় গান্ধীজীয়ে কি ক'ব বিচাৰিছে সেইটো শুনি লোৱা। এতিয়া তেওঁলোকে বৰ আশাৰে গান্ধীজীৰ মুখলৈ উৎসুকতাৰে চাই তেওঁলোকৰ বাবে মলম হিচাপে গান্ধীজীয়ে কি কয় সেইটো শুনিবলৈ।

❑

হায়দৰাবাদত গুৰুজীয়ে ভোজন কৰি উঠি তাৰ স্বয়ংসেৱকসকলৰ লগত কথা পাতি আছে। আব্বাজীয়ে গুৰুজীক কিছু সময় জিৰণি ল'বলৈ, শুবলৈ অনুৰোধ কৰে। কিন্তু সিন্ধ প্ৰান্তৰ সেই বিষাক্ত পৰিবেশ দেখা পাই গুৰুজীৰ বাবে টোপনি যোৱাটো দূৰৰে কথা, ক্ষন্তেক বিছনাত জিৰণি লোৱাও অসম্ভৱ।

হাইদৰাবাদৰ স্বয়ংসেৱকসকলে গুৰুজীক বিগত বৰ্ষৰ নেহৰুৰ হাইদৰাবাদ ভ্ৰমণৰ কাহিনী কৈ আছিল।

সেই সময়ত সিন্ধ প্ৰদেশত মুছলমানৰ সংখ্যা গাঁওবোৰতহে অধিক আছিল। কৰাচীক বাদ দি প্ৰায় সকলো চহৰ হিন্দুবহুল আছিল। লৰকানা আৰু শিকাৰপুৰত হিন্দু জনসংখ্যা আছিল ৬৩ শতাংশ । কেৱল ৩০ শতাংশ জনসংখ্যা হোৱা সত্বেও তাৰ মুছলমানসকলে দেশ বিভাজন বিচাৰি হিংসাত্মক পদ্ধতিৰে আন্দোলন কৰে। সকলো ৰাজহুৱা স্থানত হিন্দুৰ বিৰুদ্ধে ডাঙৰ ডাঙৰ বেনাৰ লগায়। সিন্ধ প্ৰদেশৰ মন্ত্ৰীসভাৰ মুছলিম লীগৰ মন্ত্ৰী খুৰ্মে ৰাজহুৱা সভাবোৰত নিজৰ ভাষণত হিন্দু ছোৱালীক অপহৰণ কৰাৰ ধমকি দিয়ে।

এই সংঘৰ্ষত মুছলমান গুণ্ডাগিৰীৰ মুখামুখি হ'ব পৰা এটা সংগঠনেই সক্ষম আছিল আৰু সেইটো হৈছে ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘ। প্ৰান্ত প্ৰচাৰক ৰাজপালজীয়ে নিয়মিতভাৱে প্ৰবাসত হাইদৰাবাদৰ শাখালৈ আহিছিল।

যেতিয়া কংগ্ৰেছ কাৰ্যকৰ্তাসকলে গম পালে যে হাইদৰাবাদত ১৯৪৬

চনত নেহৰুৰ হ'বলগীয়া সভাখনত মুছলিম লীগৰ গুণ্ডাই আক্ৰমণ কৰি নেহৰুক হত্যা কৰাৰ পৰিকল্পনা কৰিছে, তেতিয়া তেওঁলোকে কি কৰিব ভাবি পোৱা নাছিল। সেই সময়ত সিন্ধৰ জ্যেষ্ঠ কংগ্ৰেছ নেতা চিমনদাস আৰু লালা কৃষ্ণচন্দ্ৰই সংঘৰ প্ৰান্ত প্ৰচাৰক ৰাজপালজীৰ লগত সম্পৰ্ক কৰে আৰু নেহৰুৰ সুৰক্ষাৰ বাবে সংঘৰ স্বয়ংসেৱকসকলৰ সহায় বিচাৰে। ৰাজপালজীয়ে সন্মতি জনায় আৰু সভাৰ কাম সুচাৰুৰূপে সম্পন্ন হোৱাত সহায় কৰে। সংঘৰ স্বয়ংসেৱকসকলৰ সম্পূৰ্ণ সুৰক্ষা ব্যৱস্থাৰ মাজত হাইদৰাবাদত কোনো গণ্ডগোল নোহোৱাকৈ নেহেৰুৰ বিশাল জনসভা অনুষ্ঠিত হয়।

(Hindus in Partition - During and After ', w w w . revitalization. blogspot. in --- V Sundaram, Retd IAS Officer )

গুৰুজীৰ সান্নিধ্যত হাইদৰাবাদত প্ৰায় দুহাজাৰ স্বয়ংসেৱক একত্ৰিত হয়। গুৰুজীয়ে ভাষণ আৰম্ভ কৰে, " নিয়তিয়ে আমাৰ সংগঠনৰ ওপৰত গধুৰ দায়িত্ব অৰ্পণ কৰিছে। পৰিস্থিতিৰ বাবে ৰজা দাহিৰৰ দৰে বীৰৰ এই সিন্ধ প্ৰান্তত আমি পিছুৱাই যাবলগীয়া হৈছে। গতিকে সকলো হিন্দু-শিখ বন্ধুৰ পৰিয়ালক সুৰক্ষিতভাৱে ভাৰতত প্ৰৱেশ কৰাবলৈ আমি জীৱন ত্যাগ কৰিবলৈ প্ৰস্তুত হ'ব লাগিব। এই কথাটো মই বিশ্বাস কৰোঁ যে গুণ্ডাগিৰি আৰু হিংসাৰ সন্মুখত তলমূৰ কৰি যি বিভাজন মানি লোৱা হৈছে, সেয়া কৃত্ৰিম। আজি নহ'লে কাইলৈ আমি পুনৰ অখণ্ড ভাৰত লাভ কৰিম। কিন্তু বৰ্তমান আমাৰ সন্মুখত হিন্দুৰ সুৰক্ষাৰ কাম অধিক গুৰুত্বপূৰ্ণ আৰু প্ৰত্যাহ্বানেৰে ভৰা। ... আমাৰ সংগঠন শক্তিৰ দ্বাৰা এনেকুৱা অনেক অসাধ্য কাৰ্য আমি সম্পন্ন কৰিব পাৰোঁ, সেয়ে ধৈৰ্য ধৰক। সংগঠনৰ মাধ্যমেৰে আমি পুৰুষাৰ্থ দেখুৱাব লাগে...।"

এনেকুৱা অস্থিৰ, হিংসাত্মক পৰিবেশতো গুৰুজীৰ মুখেৰে ওলোৱা শব্দই স্বয়ংসেৱকসকলৰ মনত ধৈৰ্য আৰু উৎসাহ বঢ়াইছিল।

❑

আনফালে লাহোৰত কংগ্ৰেছ কাৰ্যকৰ্তাৰ বৈঠকত গান্ধীজীয়ে ভাষণ আৰম্ভ

কৰিছে, “এইটো দেখি মোৰ বৰ বেয়া লাগিছে যে পশ্চিম পাঞ্জাবৰ পৰা সকলো অ-মুছলমানে পলায়ন কৰিছে। কালি ‘ৱাহ’ শিবিৰতো মই এই কথাটো শুনিছোঁ আৰু আজি লাহোৰতো একে কথাই শুনিছোঁ। এইটো হোৱা উচিত নহয়। যদি আপোনালোকে ভাবে যে আপোনালোকৰ লাহোৰ চহৰ মৰিশালি হ’বলৈ গৈ আছে, ইয়াৰ পৰা নপলাব, এই চহৰখনৰ লগতে আপোনালোকেও মৃত্যুবৰণ কৰক। আপোনালোক যেতিয়া ইমানেই আতংকিত হৈ পৰিছে, বাস্তৱত আপোনালোকৰ দেখোন মৃত্যুৰ পূৰ্বেই মৃত্যু হৈছে। এইটো উচিত নহয়। মোৰ এইটোত বেয়া নালাগিব, যদি মই খবৰ পাওঁ যে পাঞ্জাবৰ মানুহে ভয় নকৰে, ধৈৰ্যৰে মৃত্যুৰ মুখামুখি হ’ব পাৰে ...।”



FRIDAY — THE TIMES OF INDIA

LAW AND ORDER IN INDIA

Mr. Gandhi To Spend Rest Of His Days In Pakistan

GRIEF OVER PUNJAB'S WOES: PEOPLE URGED NOT TO FLEE PROVINCE

BENGAL & ASSAM COUNCILS TO GO

Sequel To Division Of Provinces

BIG EXODUS FROM HYDERABAD

Panic Prevails

Swollen Ankles Need Fresh Blood

SWEARING IN OF "C. R."

Midnight Ceremony

Koraton

গান্ধীজীৰ এই ভাষণ শুনি কংগ্ৰেছ কাৰ্যকৰ্তাসকল হতভম্ব হ’ল। তেওঁলোকে কি ক’ব একো ভাবি নাপালে। গান্ধীজীয়ে কৈছে যে মুছলিম লীগৰ গুণ্ডাই কৰা হত্যা-হিংসাৰ বিপৰীতে ধৈৰ্যেৰে মৃত্যুৰ সন্মুখীন হোৱাৰ কথা... ! এইটো কেনেকুৱা পৰামৰ্শ ?

❑

লাহোৰলৈ আহোঁতে ৰাস্তাত গান্ধীজীক এজন কাৰ্যকৰ্তাই ক’লে যে স্বাধীন ভাৰতৰ ৰাষ্ট্ৰীয় পতাকা নিৰ্মাণৰ কাম প্ৰায় সম্পূৰ্ণ হোৱাৰ পথত। তাৰ মাজত থকা যঁতৰটো আঁতৰাই সম্ৰাট অশোকৰ প্ৰতীক চিহ্ন ‘অশোক চক্ৰ’টো ৰখা হৈছে। কথাটো শুনাৰ লগে লগে গান্ধীজীৰ খং উঠিল। যঁতৰ আঁতৰাই

'অশোক চক্র'? অশোক হিংসুক ৰজা আছিল। পাছত অৱশ্যে বৌদ্ধ ধৰ্ম গ্ৰহণ কৰিছিল। হ'লেও হিংসুক ৰজা এজনৰ প্ৰতীক চিহ্ন ভাৰতৰ ৰাষ্ট্ৰীয় পতাকাত? এইটো কেতিয়াও হ'ব নোৱাৰে। ... এই কথাটোৰ বাবে বৈঠক সমাপ্ত কৰিয়েই গান্ধীজীয়ে মহাদেৱ ভাইক তৎক্ষণাৎ এটা বক্তব্য প্ৰস্তুত কৰি বাতৰি কাকতলৈ প্ৰেৰণ কৰিবলৈ আদেশ দিয়ে।

গান্ধীজীয়ে নিজৰ বক্তব্য লিখালে, "মই আজি গম পাইছোঁ যে ভাৰতৰ ৰাষ্ট্ৰীয় পতাকাৰ সম্বন্ধে অন্তিম সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। যদি এই পতাকাৰ মাজত যঁতৰ নাথাকে, তেন্তে মই এই পতাকাক প্ৰণাম নকৰোঁ। আপোনালোক সকলোৰে জানে যে ভাৰতৰ ৰাষ্ট্ৰীয় পতাকাৰ কল্পনা সকলোতকৈ আগতে ময়েই কৰিছিলোঁ আৰু এনেকুৱাত যদি ৰাষ্ট্ৰীয় পতাকাৰ মাজত যঁতৰ নাথাকে, এনে পতাকাৰ কল্পনাও কৰিব নোৱাৰোঁ মই ... ।"

❑

৬ আগষ্ট, সময় সন্ধিয়া। মধ্য মুম্বাইৰ বিখ্যাত সভাগৃহ এটাত মুম্বাইৰ অধিবক্তাসকলৰ সংগঠনৰ কাৰ্যক্ৰম চলি আছে। হ'বলগীয়া স্বাধীন ভাৰতৰ প্ৰথম মন্ত্ৰীসভাৰ আইনমন্ত্ৰী ডঃ বাবাচাহেব আম্বেদকাৰক সম্বৰ্দ্ধনা জনোৱাৰ উদ্দেশ্যে এই সভা আহ্বান কৰা হৈছে। নিৰ্দিষ্ট সময়ত বাবাচাহেবে তেওঁৰ ভাষণ আৰম্ভ কৰে। ভাৰতত চলি থকা হিংসাত্মক পৰিবেশৰ বিষয়ে উল্লেখ কৰে তেওঁ। পাকিস্তান সম্বন্ধে পুনৰ দৃঢ়তাৰে কয়, "জনসংখ্যাৰ শান্তিপূৰ্ণ সাল-সলনিৰ আৱশ্যকতা"ৰ কথা। যিসকল অধিবক্তাই এই সম্পৰ্কে তৰ্ক কৰাৰ মানসেৰে আহিছিল, পাকিস্তান আৰু মুছলমান সম্বন্ধে বাবাচাহেবৰ স্পষ্ট বিচাৰ শুনি শেষত সকলোৰে সহমত প্ৰকাশ কৰে। মুঠতে, এই সভাখন সুন্দৰ আৰু সফলতাৰে সমাপ্ত হয়।

❑

৬ আগষ্ট, নিশা গভীৰ হৈছে, তেতিয়াও ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ সৰসংঘচালক শ্ৰী গুৰুজীয়ে সিন্ধ প্ৰদেশৰ হাইদৰাবাদত হিন্দুৰ ভৱিষ্যতৰ আঁচনি তৈয়াৰ কৰাত মগ্ন, অৰ্থাৎ তেওঁলোকক সুৰক্ষিতভাবে ভাৰতলৈ আনিবলৈ পৰিকল্পনা কৰাত ব্যস্ত।

সিফালে গান্ধীজীয়ে লাহোৰৰ পৰা পাটনা হৈ কলকাতালৈ ৰাওনা হয়।

তেওঁৰ ট্ৰে'ন অমৃতসৰ - আম্বালা - মুৰাদাবাদ - বাৰাণসী হৈ ত্ৰিশ ঘণ্টাত পাটনা পাবগৈ।

খণ্ডিত, স্বাধীন ভাৰতৰ ভাবী প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে দিল্লীৰ ১৭, য়ৰ্ক ৰোডৰ নিজা বাসভৱনত নিশালৈকে ব্যক্তিগত চিঠি লিখাৰ কামত ব্যস্ত। দিল্লীতেই, হ'বলগীয়া মন্ত্ৰীসভাৰ গৃহমন্ত্ৰী চৰ্দাৰ বল্লভভাই পেটেল ব্যস্ত হৈ আছে, সকলো ৰাজ্য তথা ৰাজপ্ৰতিনিধিসকলৰ ফাইলবোৰ নিৰীক্ষণত। এই ফাইলবোৰ হৈছে, ভাৰতত চামিল হোৱা-নোহোৱাৰ সম্পৰ্কে। হাতত বৰ্তমান সময় বৰ কম। এই কামখিনি কৰাটোৱেই হৈছে তেওঁৰ প্ৰথম লক্ষ্য।

❑

৬ আগষ্ট, যিমানেই ৰাতি গভীৰ হৈ আহিছিল, সিমানেই পশ্চিম পাঞ্জাব, পূব বংগ, সিন্ধ, বেলুচিস্তান আদি ঠাইত থকা হিন্দু-শিখসকলৰ ওপৰত আতংকৰ ছাঁয়া তীব্ৰ হৈ আহিছিল। সীমান্তৱৰ্তী অঞ্চলত হিন্দুৰ ঘৰত দিয়া জুইৰ জ্বলন্ত শিখা দূৰৈৰ পৰাই দেখা গৈছিল... ! স্বাধীনতাৰ দিশে গতি কৰা আৰু এটা ভয়াবহ দিনৰ সামৰণি পৰিছিল ... !

❑



## সপ্তম ঃ ৭ আগষ্ট, ১৯৪৭

বৃহস্পতিবাৰ, ৭ আগষ্ট। স্বাধীন ভাৰতৰ ৰাষ্ট্ৰীয় পতাকাৰ সম্বন্ধে কালি গান্ধীজীয়ে লাহোৰত দিয়া বক্তব্যটোৰ ওপৰত দেশজুৰি চৰ্চা আৰম্ভ হৈছে। মুম্বাইৰ 'টাইমছ', দিল্লীৰ 'হিন্দুস্তান', কলকাতাৰ 'ষ্টেটছমেন', মাদ্ৰাজৰ 'দ্য হিন্দু' আদি বাতৰি কাকত সমূহে বিশেষ বাতৰি হিচাপে প্ৰকাশ কৰিছে।

"ভাৰতৰ ৰাষ্ট্ৰীয় পতাকাত যদি যঁতৰ নাথাকে তেন্তে মই এই পতাকাক প্ৰণাম নকৰোঁ", এনেকুৱা ক্ষোভ প্ৰকট কৰা বক্তব্য গান্ধীজীৰ ব্যক্তিত্বৰ পৰিপন্থী। এই ক্ষোভজনিত বক্তব্যটো ৰাতিপুৱাৰ পৰাই দেশৰ জনগণৰ মাজত বিশেষ ভাৱে চৰ্চিত হৈছে।

❑

'মিলাপ' লাহোৰৰ পৰা প্ৰকাশিত হিন্দুৰ প্ৰধান দৈনিক বাতৰি কাকত। 'মিলাপ', 'বন্দে মাতৰম্', 'পাৰস', 'প্ৰতাপ' আদি হিন্দী দৈনিক বাতৰি-কাকত সমূহে সিন্ধ প্ৰদেশৰ হাইদৰাবাদত অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ বিশাল জনসভাৰ বিষয়ে প্ৰকাশ কৰিছিল। সৰসংঘচালক শ্ৰী গুৰুজীৰ ভাষণটোও সংক্ষিপ্ত ৰূপত প্ৰকাশ পাইছিল। 'ডন' নামৰ ইংৰাজী দৈনিক বাতৰি-কাকতখনেও গুৰুজীৰ ভাষণটো প্ৰকাশ কৰিছিল।

❑

**ৰাৱলপিণ্ডীৰ এটা ঘৰত আজি বৃহস্পতিবাৰে, ৰাতিপুৱা 'পাকিস্তানী হিন্দু মহাসভা'ৰ নেতাসকলৰ এখন চমু বৈঠক অনুষ্ঠিত হয়।**

বিভাজন নিশ্চিত হৈছে, পিণ্ডী সহ অধিকাংশ পাঞ্জাব আৰু সম্পূৰ্ণ সিন্ধ প্ৰদেশ পাকিস্তানৰ অন্তৰ্ভুক্ত হোৱাটো স্পষ্ট হৈ পৰিছে। পাকিস্তানৰ 'মুছলিম

নেচনেল গাৰ্ড'ৰ দ্বাৰা হিন্দুৰ ওপৰত আক্ৰমণ দিনক-দিনে বাঢ়ি গৈ আছে। এনেকুৱা পৰিস্থিতিত পাকিস্তানত থকা হিন্দুসকলৰ বাবে কিবা এটা কৰা আৱশ্যকৰ কথা চিন্তা কৰি 'পাকিস্তান হিন্দু মহাসভা'ৰ নেতাসকলে বাতৰি কাকত সমূহলৈ বক্তব্য এটা প্ৰকাশৰ বাবে পঠালে। এই বক্তব্যত তেওঁলোকে পাকিস্তানত থকা হিন্দুসকলক মুছলিম লীগৰ পতাকাৰ প্ৰতি সন্মান জনাবলৈ কয়। ইয়াৰ লগতে পাকিস্তান হিন্দু মহাসভাই ইফটিকাৰ হুছেইন খান 'মেমদোন'ক পশ্চিম পঞ্জাবৰ মুছলিম লীগৰ এছেম্বলী পাৰ্টিৰ নেতা নিৰ্বাচিত হোৱাত তেখেতক অভিনন্দন জনোৱাৰ লগতে পশ্চিম বংগৰ মুছলিম লীগৰ এছেম্বলী পাৰ্টিৰ নেতা নিৰ্বাচিত হোৱা বাবে খাজা নিজামুদ্দিনকো সাৰ্বজনীক ভাৱে অভিনন্দন জনাই।

পাকিস্তান যে এতিয়া এখন সুকীয়া দেশ হ'ব, সেই কথাটো তাৰ হিন্দুসকলে ভালদৰেই বুজি পাইছিল।

❑

## হাইদৰাবাদ ... সিন্ধ



ৰাতি হৈ যোৱা বৰষুণৰ বাবে আজি আনদিনাৰ তুলনাত গৰম কম। যি প্ৰভাত শাখালৈ গুৰুজীক লৈ যোৱা হৈছে, তাত অসংখ্য স্বয়ংসেৱক উপস্থিত হৈছে। শাখাত গুৰুজীৰ সাক্ষাৎ লাভৰ প্ৰসন্নতাৰ লগতে স্বয়ংসেৱকসকলৰ মনত উদাসীন ভাবো পৰিলক্ষিত হৈছিল। কাৰণ, পূৰ্বপুৰুষৰ এই পৱিত্ৰ ভূমি অতি সোনকালেই আমাৰ বাবে পৰ হ'বলৈ গৈ আছে। নিজৰ ঠাই এৰি এতিয়া ভাৰতৰ কোনোবা এখন অচিনাকি ঠাইত বাস কৰিবগৈ লাগিব।

দুৰ্ভাগ্যৰ কথা, হায়দৰাবাদ-সিন্ধকে ধৰি বিভিন্ন প্ৰান্তৰ, সেই সময়ত গুণ্ডাবাহিনীৰ হাতত সৰ্বস্বান্ত হোৱা হিন্দুসকলক ভাৰতৰ কোন ঠাইত,

কেনেদৰে সংস্থাপিত কৰা হ'ব, সেই সম্বন্ধে ভাৰত চৰকাৰৰ ফালৰপৰা কোনো ধৰণৰ স্পষ্ট নীতি-নিৰ্দেশনা নাছিল আৰু কোনোধৰণৰ সহায়ো পোৱা নগৈছিল। কিয়নো মূলতঃ জনসংখ্যাৰ বদলা বদলি কৰা বিষয়টো কংগ্ৰেছৰ নীতি নাছিল।

গান্ধীজীয়ে পূৰ্ব পাঞ্জাব আৰু সিন্ধু প্ৰান্তৰ হিন্দু সকলক নিজৰ ঠাইতেই থকাৰ পৰামৰ্শ দি আছিল। গান্ধীজীয়ে পৰামৰ্শ দিছিল যে মুছলিম গুণ্ডাই আক্ৰমণ কৰা অৱস্থাত তেওঁলোকে নিৰ্ভয়তাৰে আত্মবলিদান স্বীকাৰ কৰি ল'ব লাগে। কংগ্ৰেছ আৰু ভাৰত চৰকাৰে পিঠি দেখুওৱা অৱস্থাত হিন্দু সকলক ৰক্ষা কৰি ভাৰতলৈ সুস্থ ভাৱে অনাটো এটা প্ৰত্যাহ্বানমূলক কাম আছিল। এনে পৰিস্থিতিত ধৈৰ্য আৰু সাহসেৰে ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘই এই প্ৰত্যাহ্বান গ্ৰহণ কৰি হিন্দুসকলক সুৰক্ষিতভাৱে ভাৰতলৈ অনাৰ কাম হাতত লয়।

লঘু আহাৰ গ্ৰহণ কৰি ৰাতিপুৱা ন- বজাত গুৰুজী কৰাচী-যাত্ৰাৰ বাবে সাজু হয়। সেই সময়তো ভালেসংখ্যক স্বয়ংসেৱক গোট খায়। গুৰুজীক বিদায় জনাবৰ বাবে অহা এই সকলোৰে চকুত চকুপানী। তাত থকা সকলোৱেই বুজি পাইছিল যে সিন্ধ প্ৰান্তত এইটোৱেই গুৰুজীৰ অন্তিম ভ্ৰমণ। আবাজী থাত্তে, ৰাজপালজী সহ গুৰুজীৰ দলটো লাহে লাহে কৰাচী অভিমুখে ৰাওনা হয়।


**মস্কো**



ঠিক সেই সময়তে, সুদূৰ ৰুছ দেশৰ মস্কোৰ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত স্বাধীন ভাৰতৰ প্ৰথম ৰাষ্ট্ৰদূত বিজয়লক্ষ্মী পণ্ডিতৰ বিমান অৱতৰণ কৰে। বিমানবন্দৰত তেওঁক আদৰণি জনাবৰ বাবে অশোক চক্ৰৰে সজ্জিত হ'বলগীয়া ভাৰতৰ ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰা হয়। সম্ভৱতঃ ভাৰতৰ

বাহিৰত ভাৰতৰ ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰা এয়ে প্ৰথম ঘটনা। বিজয়লক্ষ্মী পণ্ডিতে এমোকোৰা হাঁহিৰে সন্তুষ্টি প্ৰকাশ কৰে। ৰুছত বৰ সুন্দৰভাৱে তেওঁ কাৰ্যকাল আৰম্ভ কৰে। প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৰ ভগ্নী বুলিয়েই তেওঁৰ একমাত্ৰ পৰিচয় নহয়, বৰ চোকা বুদ্ধিৰ মহিলা আছিল, ভাৰতৰ স্বাধীনতা আন্দোলনত অংশগ্ৰহণ কৰি কেইবাবাৰো কাৰাবাস খাটিছিল। বিজয়লক্ষ্মী পণ্ডিতে একৈশ বছৰ বয়সত স্ব-ইচ্ছাৰে, কাঠিয়াৱাৰৰ বিখ্যাত উকীল ৰঞ্জিত পণ্ডিতৰ লগত বিবাহ পাশত আৱদ্ধ হয়।

দুপৰীয়া এক বজাৰ আশে-পাশে, দিল্লীৰ পৰা জিন্না চাহাবক লৈ ভাইচৰয় চাহাবৰ বিশেষ ডাকোটা বিমানখন কৰাচীৰ মৌৰিপুৰ বিমানবন্দৰত অৱতৰণ কৰে। বিমানৰ পৰা জিন্না, তেওঁৰ ভনীয়েক ফাটেমা আৰু তেওঁৰ তিনিজন সহযাত্ৰী নামে। পাকিস্তান নিৰ্মাতাৰ ৰূপত 'প্ৰস্তাৱিত পাকিস্তান'ৰ এই প্ৰথম যাত্ৰাত বিমানবন্দৰত মুছলিম লীগৰ কৰ্মকৰ্তাসকলে জিন্নাক আদৰণি জনায়। অৱশ্যে আদৰণি জনাবলৈ উপস্থিত থকা এই কাৰ্মকৰ্তাসকলৰ সংখ্যা বৰ কম আছিল। 'কায়দে আজম' জিন্নাৰ বাবে, তেওঁৰ সপোনৰ দেশ, অৰ্থাৎ পাকিস্তানত প্ৰথম আগমন সিমান উৎসাহজনক নাছিল।



**মুম্বাই –**

আজি ৭ আগষ্ট, ১৯৪৭ ৰ দিনটোতে মুম্বাইৰ ইতিহাসত এক নতুন অধ্যায়ৰ সূচনা হয়। মুম্বাই মহানগৰপালিকা ভৱনৰ সন্মুখত সৰু-সুৰা এক সমাৰোহৰ আয়োজন চলিছে। ‘বম্বে ইলেকট্ৰিক চাপ্লাই এণ্ড ট্ৰেন্সপোৰ্ট’ (BEST ) নামেৰে, ১৮৭৪ চনৰ পৰা মুম্বাইবাসীৰ সেৱাত কাৰ্যৰত কোম্পানীটো আজি, ভাৰতৰ স্বাধীন হ’বলৈ মাত্ৰ এসপ্তাহ বাকী থকা অৱস্থাতে মহানগৰ পালিকালৈ হস্তান্তৰ কৰা হ’ব। এই সন্দৰ্ভতে উক্ত সমাৰোহৰ আয়োজন।

❑

**ৱাৰংগল**

কাকতীয় ৰাজবংশৰ ৰাজধানী, ১০০০ স্তম্ভযুক্ত মন্দিৰৰ বাবে জনাজাত স্থান আৰু নিজামৰ শাসনৰ এখন ডাঙৰ চহৰ। আগষ্ট মাহৰ অসহ্য গৰমকো নেওচি, আজি ৰাতিপুৱা ১১ বজাত, হাতত কংগ্ৰেছৰ পতাকা লৈ শতাধিক লোক, ৱাৰংগল চহৰৰে মুকলি ঠাইত সমবেত হয়। তেওঁলোকে সমস্বৰে এই ধ্বনি দিয়ে, “ নিজাম-শাসিত ৰাজ্য ভাৰতীয় সংঘ ৰাজ্যত চামিল কৰক ... ।” কংগ্ৰেছ কৰ্মকৰ্তাৰ এই দলটোৰ নেতৃত্ব দিছিল ৱাৰংগল জিলাৰ কংগ্ৰেছ কমিটীৰ অধ্যক্ষ কোলিপাকা কিশানৰাও গুৰুৱে।

হাইদৰাবাদ ৰাজ্যৰ কংগ্ৰেছ অধ্যক্ষ স্বামী ৰামতীৰ্থই এই সত্যাগ্ৰহত অংশগ্ৰহণ কৰিবলৈ জনতাৰ প্ৰতি আহ্বান জনায়। তেওঁ নিজেও কাচিগুড়া অঞ্চলৰ কংগ্ৰেছ কৰ্মীসকলক লগত লৈ ধ্বনি দি নিজামৰ বিৰুদ্ধে সত্যাগ্ৰহ আৰম্ভ কৰে।

কলকাতাৰ ‘আনন্দ বাজাৰ পত্ৰিকা’, ‘দৈনিক বসুমতী’, ‘ষ্টেটছমেন’ আদি প্ৰায়বোৰ দৈনিক বাতৰি-কাকতৰ প্ৰথম পৃষ্ঠাৰ আজিৰ প্ৰধান বাতৰি : চক্ৰৱৰ্তী ৰাজা গোপালাচাৰী, অৰ্থাৎ ৰাজাজীক বংগৰ গৱৰ্ণৰ জেনেৰেল নিযুক্ত কৰা হৈছে। তেৱেঁই হ’ব বিভাজিত বংগ অৰ্থাৎ পশ্চিমবঙ্গৰ প্ৰথম ৰাজ্যপাল।

❑

উক্ত খবৰটো পঢ়ি শৰৎচন্দ্ৰ বসুৰ মূৰ ঘূৰাই গ’ল। কাৰণ বংগ বিভাজনত

ৰাজাজীয়ে সক্ৰিয় ভূমিকা লৈছিল, কিন্তু এই বিভাজন বঙালীসকলে বিচৰা নাছিল। শৰৎচন্দ্ৰই সেইদিনাই বিবৃতি এটা লিখি দৈনিক বাতৰি-কাকতৰ প্ৰেছসমূহলৈ পঠিয়াই দিলে, "ৰাজা গোপালাচাৰীৰ নিযুক্তিক বাস্তৱত বংগক অপমান কৰা হৈছে। যিজন ব্যক্তিক মাদ্ৰাজে অস্বীকাৰ কৰিলে, নিৰ্বাচনত হৰুৱালে, সেইজনক আমাৰ মূৰৰ ওপৰত বহুওৱাটো কেনে ধৰণৰ বুদ্ধি ?"

❑

## দিল্লীত ভাৰতীয় সেনাৰ মুখ্য কাৰ্যালয়

দিল্লী, ভাৰতৰ 'কামাণ্ডাৰ ইন চীফ্'ৰ কাৰ্যালয় -- দুৱাৰত পিতলৰ ডাঙৰ ফলকত সুন্দৰ, স্পষ্ট আখৰেৰে লিখা আছে -- Sir Claude John Auchinleck. সন্মুখত মেহগনি কাঠৰ টেবুলত সৰু



য়ুনিয়ন জেক; প্ৰভাৱশালী, সুন্দৰ চকীত ছাৰ অচিনলেক বিৰাজমান। ইতিমধ্যে পোৱা পত্ৰখনক লৈ চিন্তিত হৈ পৰিছে তেওঁ। পত্ৰখনত, স্বাধীনতা দিৱসৰ দিনা সকলো ৰাজনৈতিক বন্দীকে মুক্তি দিবৰ বাবে কোৱা হৈছে। "সকলো ভাৰতীয় ৰাজনৈতিক বন্দী" ... এই বাক্যটোত দৃষ্টি নিবদ্ধ হৈছে তেওঁৰ। "সুভাষ চন্দ্ৰ বসুৰ সযোগীসকলকো এৰি দিমনে ? 'আজাদ হিন্দ ফৌজ'ৰ সেনাক? ওঁহো, কেতিয়াও নহয়। ১৫ আগষ্টলৈকেতো বৃটিছৰ শাসনেই চলিব, তেতিয়ালৈকে মই সিহঁতক নেৰোঁ। "লগে লগে উত্তৰ লিখালে তেওঁ, "আন সকলো ৰাজনৈতিক বন্দীকে মুক্তি দিয়াত ভাৰতীয় সেনাৰ কোনো আপত্তি নাই। কিন্তু সুভাষ চন্দ্ৰ বসুৰ নেতৃত্বত গঠন হোৱা 'ইণ্ডিয়ান নেচনেল আৰ্মী'ৰ সৈনিকসকলক মুক্তিৰ আমি ঘোৰ বিৰোধী।"

এইদৰেই সুভাষচন্দ্ৰ বসুৰ সহযোগী, যিসকলে ভাৰতৰ স্বাধীনতাৰ কাৰণে জীৱন উচৰ্গা কৰিবলৈ আগবাঢ়িছিল, সেই বীৰ সৈনিক সকলে অন্ততঃ ১৫ আগষ্টলৈকে মুক্তি লাভ নকৰাটো নিশ্চিত হ'ল।

সিফালে মাদ্ৰাজ চৰকাৰে ঘোষণা কৰিছে, "স্বাধীনতা আন্দোলনত ভাগ লোৱা মাদ্ৰাজ প্ৰান্তৰ সকলো লোককে ৫ একৰকৈ ভূমি বিনামূলীয়াকৈ দিয়া

হ'ব।" লগতে ১৫ আৰু ১৬ আগষ্ট বিৰতিৰ দিন ঘোষণা কৰা হয়।

❑

সময়, বিয়লি চাৰি বাজিছে। মাদ্ৰাজৰ স্থানীয় 'চিনেমা হল'ৰ মেনেজাৰৰ এখন বৈঠক আৰম্ভ হৈছে। স্বাধীনতাৰ সম্বন্ধে এই বৈঠকৰ আয়োজন। বৈঠকত জ্যেষ্ঠ থিয়েটাৰ মালিক কে, চি, আৰ, ৰেড্ডীয়ে প্ৰস্তাৱ আগবঢ়ালে যে "১৫ আগষ্টৰ পৰা চিনেমা হলত ইংৰাজৰ ৰাষ্ট্ৰগীত বজোৱা নহ'ব। তাৰ ঠাইত যি কোনো ভাৰতীয় দেশপ্ৰেমমূলক গীত বজোৱা হ'ব।" উক্ত প্ৰস্তাৱটো হাততালিৰে সভাই সৰ্বসন্মতিক্ৰমে গ্ৰহণ কৰে।

❑

## কৰাচীৰ এটা বৃহৎ অট্টালিকাত

সুচেতা কৃপালনীয়ে কৰাচীৰ এটা বিশাল ভৱনত সিন্ধী মহিলাসকলৰ এখন বৈঠক অনুষ্ঠিত কৰিছে। সুচেতা কৃপালনীৰ পতি আচাৰ্য জে, বি, কৃপালনী কংগ্ৰেছৰ ৰাষ্ট্ৰীয় অধ্যক্ষ। কংগ্ৰেছৰ দ্বাৰা বিভাজন নিশ্চিত হোৱাৰ পাছত সীমান্তৱৰ্তী অঞ্চলসমূহৰ লোকসকল বৰ অসন্তুষ্ট হয়। নিজৰ বাসস্থান থকা ঠাইৰ মানুহখিনিয়েই কংগ্ৰেছৰ বিৰোধিতা কৰাত তেওঁলোকক শান্ত কৰাবলৈ পতি-পত্নী দুয়োৱে চেষ্টা কৰে। এই বৈঠকত সিন্ধী মহিলাসকলে সুচেতা কৃপালনীৰ ওচৰত অভিযোগ কৰে যে তেওঁলোক কিমান অসুৰক্ষিত। তেওঁলোকৰ ওপৰত হোৱা মুছলমানৰ নৃশংসতাৰ বিষয়ে বৰ্ণনা কৰে।


Mrs. Kripalani Condemns Sindhi Women's Craze For Fashion

(From Our Own Correspondent)

Karachi, Aug. 6.—The craze for fashion prevalent among Sindhi women was condemned by Mrs. Sucheta Kripalani, wife of Congress President J. B. Kripalani, addressing a Women's meeting yesterday.

She said she roamed all over Punjab and Noakhali without fear and no goondas took notice of her

কিন্তু এই মহিলাসকলৰ কথাত সুচেতা কৃপালনী একমত হ'ব নোৱাৰিলে বা তেওঁলোকৰ প্ৰতি অকণো সহানুভূতি পৰিলক্ষিত

নহ'ল। ওলোটাই তেওঁ নিজৰ উদাহৰণ দি ক'লে, "মই পাঞ্জাবৰ নোৱাখলীত মুক্তভাৱে ঘূৰিছোঁ। মোৰ ফালেতো মুছলমান গুণ্ডাই বেয়া দৃষ্টিৰে চাবলৈও সাহস নকৰে। কাৰণ মই বেছি প্ৰসাধন নকৰোঁ, লিপষ্টিকো নলগাও। আপোনালোক মহিলাসকলে কটা ডিঙিৰ ব্লাউজ পিন্ধে, জাক-জমক শাড়ী পিন্ধে। সেইকাৰণে মুছলমান গুণ্ডাৰ আপোনালোকৰ ওপৰত চকু পৰে। ধৰি ল'লোঁ, কোনোবা গুণ্ডাই আপোনালোকক আক্ৰমণ কৰিলেই যেনিবা, তেতিয়া আপোনালোকে ৰাজপুত ভনীৰ আদৰ্শ নিজৰ আগত ৰাখি আত্মজাহ দিয়া উচিত ... !"

সুচেতা কৃপালনীৰ বক্তব্য শুনি সিন্ধী মহিলাসকলৰ মুখৰ মাত হৰিল, ৰাষ্ট্ৰীয় অধ্যক্ষৰ পত্নীয়ে আমাক এয়া কি ক'লে বাৰু? এনেকুৱা ভয়ানক সংকটৰ সময়ত আমি ছুটি ব্লাউজ পিন্ধিম নে নিজক সজাম? মুছলমান গুণ্ডাই যদি আমাক বলাৎকাৰ কৰাৰ প্ৰয়াস কৰে তেতিয়া আমি কি ৰাজপুত মহিলাৰ দৰে বিষ পান কৰিম? কংগ্ৰেছৰ নেতা তথা তেওঁলোকৰ পত্নী সকল বৰ্তমানৰ বাস্তৱিকতা আৰু মুছলিম মানসিকতাৰ পৰা আতৰি বহু দূৰত অৱস্থান কৰিছে।

❑

**দিল্লী, সেনাৰ প্ৰধান কাৰ্যালয় –**

ইয়াতে আছে 'গোৰ্খা ৰাইফলছ্' নামেৰে অতি সাহসী সেনা সংগঠন গোৰ্খা ৰেজিমেন্টৰ কাৰ্যালয়। সন্মুখত এখন ডাঙৰ টেবুলৰ কাষত এই ৰেজিমেন্টৰ চাৰিজন বিষয়া চিন্তাক্লিষ্টভাবে বহি আছে। কাৰণ, ভাৰতীয় সেনাসকলৰ আজি বিভাজন হ'ব। গোৰ্খা ৰেজিমেন্ট পাকিস্তানলৈ যাবনে নাযায়, এইটো এতিয়া প্ৰধান বিষয়। ইয়াৰ আগতে ইংৰাজ বিষয়াৰ অনুৰোধত



এই ৰেজিমেন্টৰ কিছুসংখ্যকক ছিংগাপুৰ আৰু ব্ৰুনেইলৈ পঠিওৱা হৈছিল। এই বিষয়ত নেপাল চৰকাৰেও সন্মতি প্ৰকাশ কৰিছিল। কিন্তু এজন গোৰ্খা সৈনিকো পাকিস্তানলৈ যাবলৈ সন্মত নহয়।

অৱশেষত এই চাৰিওজন বিষয়াই একমত প্ৰকাশ কৰি 'নোট' তৈয়াৰ কৰি 'কমাণ্ডাৰ - ইন - ছীফ'ক অৰ্পণ কৰিলে, "গোৰ্খা ৰেজিমেন্টৰ এজনো বেটেলিয়ান পাকিস্তানৰ সেনাৰ লগত চামিল হ'বলৈ ইচ্ছুক নহয়। আমি ভাৰততে থাকিম"

❑

**লক্ষ্ণৌ –**

মুখ্যমন্ত্ৰীৰ কাৰ্যালয়। গোবিন্দ বল্লভ পন্টে তেওঁৰ স্বভাৱসুলভ হাঁহিৰে, সহযোগী মন্ত্ৰী কৈলাস নাথ কাটজু, ৰফী আহমদ কিদৱাঈ আৰু পি, এল, শৰ্মাৰ লগত এটা বিষয়ৰ ওপৰত চৰ্চা আৰম্ভ কৰিছে। বিষয়টো হৈছে বৃটিছৰ



দ্বাৰা অপভ্ৰংশ হোৱা চহৰ, নদীৰ নামবোৰ সলাই মূল হিন্দু নামেৰে পৰিচিত কৰা। (উদাহৰণ : গংগা - 'গেংগেজ্', মথুৰা - 'মুত্ৰা'... ) এই সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ অধ্যক্ষতাত এই সমিতিয়ে নাম সলনিকৰণৰ সিদ্ধান্ত গ্ৰহণ কৰে।

❑

## ১৭, য়ৰ্ক ৰোড। স্বাধীন ভাৰতৰ বৰ্তমান মুখ্য প্ৰশাসনিক কেন্দ্ৰ

স্বাধীনতা দিৱসলৈ আৰু এসপ্তাহ বাকী। বিভাজন সম্পৰ্কে এতিয়াও ভালেখিনি কাম কৰিবলগীয়া আছে। গতিকে পাকিস্তানত ভাৰতৰ ৰাজদূত



এজনৰ প্ৰয়োজন হ'ব। এই প্ৰসংগত নেহৰুৰ মনলৈ এটা নাম আহিল --শ্ৰীপ্ৰকাশ। কেমব্ৰিজত উচ্চ শিক্ষা গ্ৰহণ কৰা, প্ৰয়াগ নিবাসী, শ্ৰীপ্ৰকাশ অমায়িক আৰু সু-বক্তা আছিল। স্বাধীনতা আন্দোলনত তেওঁ সক্ৰিয় অংশগ্ৰহণ কৰিছিল। ভাৰত ত্যাগ আন্দোলনত অংশগ্ৰহণ কৰি দুবছৰ কাৰাবাস খাটিছিল। শ্ৰীপ্ৰকাশৰ প্ৰশাসনিক দক্ষতাৰ কথা নেহৰুৱে জানিছিল গতিকে, নৱনিৰ্মিত পাকিস্তানত ভাৰতৰ প্ৰথম হাইকমিচনাৰ ৰূপে শ্ৰীপ্ৰকাশক নিযুক্তি দিবলৈ সিদ্ধান্তগ্ৰহণ কৰে। ১১ আগষ্টৰ দিনা জিন্নাই পাকিস্তানৰ সংসদত নিজৰ প্ৰথম ভাষণ দিব। তাৰ আগতে শ্ৰীপ্ৰকাশক কৰাচীলৈ পঠিয়াব লাগিব।

বিগত দুবছৰে পাকিস্তানৰ পৰা ওলাই অহা লাখ লাখ হিন্দু - শিখৰ বিষয়, পাকিস্তানৰ উচ্ছৃংখল স্বভাৱ, কাশ্মীৰ হস্তগত কৰাৰ সম্বন্ধে পাকিস্তানৰ কূট-কৌশল আদি বিভিন্ন সমস্যাৰ মুখামুখি হ'ব লাগিব বুলি শ্ৰীপ্ৰকাশে কেতিয়াও ভবা নাছিল।

❑

## বৃহস্পতিবাৰ, ৭ আগষ্ট

গান্ধীজী কাইলৈ পাটনাত উপস্থিত হ'বগৈ। তেওঁৰ ট্ৰে'ন'ত যাত্ৰা চলি আছে। ইফালে ট্ৰে'ন গান্ধীজী অস্থিৰ হৈ পৰিছে। তেখেতে ৱাহ শিৱিৰ আৰু লাহোৰত যি দেখিলে আৰু শুনিছে সেইয়া তেওঁৰ অন্তৰে মানি ল'ব পৰা নাই। মুছলমানৰ আক্ৰমনৰ কাৰণেই নিজৰ ঘৰ-বাৰি সকলো সম্পত্তি এৰি ভাৰতলৈ পলাই আহিব লাগেনে? এনেকুৱা হ'লে মই যি সিদ্ধান্তৰ কথা কৈছো সেইবিলাক সকলো মিছা হৈ পৰিব। ৰাতি গভীৰ হৈ আহিছে, মাজে মাজে খিৰিকীৰে দূৰলৈ চাইছে ... কিন্তু... দৃষ্টিৰ আঁৰতে থাকিল এখন অসুস্থ ভাৰত ... !

❑

## অষ্টম ঃ ৮ আগষ্ট, ১৯৪৭

শুকুৰবাৰ, ৮ আগষ্ট। গান্ধীজীৰ ট্ৰে’ন পাটনা পাইছেহি। ইতিমধ্যে সূৰ্যোদয় হৈছে। গান্ধীজীক আদৰণি জনাবৰ বাবে ষ্টেচনত অগণন জনতা সমবেত হৈছে। কিন্তু আজি গান্ধীজীৰ মনত আন দিনাৰ দৰে উৎসাহ নাই, উদাস ভাব এটাই যেন আৱৰি ৰাখিছে। গান্ধীজীৰ মনত পৰিছে, আজিৰ পৰা ঠিক পাঁচ বছৰৰ আগতে নেহৰু আৰু তেওঁক বৃটিছ চৰকাৰে গ্ৰেপ্তাৰ কৰিছিল। ‘ক্ৰিপ্স মিছন’ অসফল হোৱাৰ পাছত গান্ধীজীয়ে বৃটিছ শাসনৰ বিৰুদ্ধে আন্দোলন কৰাৰ সিদ্ধান্ত লয় আৰু সেই উদ্দেশ্যে ১৯৪২ চনৰ ৮ আগষ্টত মুম্বাইত অখিল ভাৰতীয় কংগ্ৰেছ কমিটীৰ বৈঠকৰ আহ্বান কৰে। উক্ত বৈঠকৰ মূল লক্ষ্য আছিল, “ইংৰাজে, ভাৰত ত্যাগ কৰা” এই বৈঠক সমাপ্ত হোৱাৰ পাছতেই বৃটিছ চৰকাৰে গান্ধীজীক গ্ৰেপ্তাৰ কৰে।




তুলনা কৰি চাইছে, পাঁচ বছৰৰ আগৰ সেই দিন আৰু আজিৰ দিন। সেইদিনা দেশ স্বাধীন হোৱাৰ কথা বহুতে কল্পনাও কৰা নাছিল, কিন্তু উৎসাহ আছিল। আৰু আজি? এসপ্তাহৰ পাছতে আমাৰ দেশ স্বাধীন হ'ব, তথাপি মনত উৎসাহ - আনন্দ নাই কিয় ?

'ৱাহ' শৰণাৰ্থী শিবিৰ আৰু লাহোৰত হিন্দুসকলৰ দুৰ্দশা দেখি অহাৰ পৰা তেওঁৰ মনত একেটা কথাই আমনি কৰিছিল, "হিন্দুসকলে ঘৰ-বাৰী এৰি পলাইছে কিয়, মুছলমানসকলে পাকিস্তান বিচাৰিছে আৰু সেইমতে পাইছে। ইয়াৰ পাছত তেওঁলোকে হিন্দুসকলক অশান্তি কৰাৰ কাৰণ নাথাকে। এওঁলোকে পলাই গৈ বৰ ভুল কৰিছে ... ।" মই লাহোৰত যেনেদৰে কৈছো সেইধৰণেৰেই মই নিজৰ স্থিতিত অটল হৈ থাকিম। মোৰ বাকী থকা জীৱন মই নতুনকৈ সৃষ্টি হোৱা পাকিস্তানতে কটাম।

❑

## ৮ আগষ্ট, ১৯৪৭। হায়দৰাবাদৰ অম্বৰপেঠ সহিত ওস্মানীয়া বিশ্ববিদ্যালয়

বিশ্ববিদ্যালয়খন প্ৰতিষ্ঠা চল্লিশ বছৰ আগতে হৈছিল। সঠিক কৈ ক'বলৈ হ'লে ১৯১৮ চনত হায়দৰাবাদৰ মীৰ ওস্মান আলী নামৰ নবাবে ইয়াৰ স্থাপনা কৰিছিল। সেয়ে আৰম্ভণিৰে পৰাই বিশ্ববিদ্যালয়খনত উৰ্দু আৰু ইছলামিক সংস্কৃতিৰ প্ৰভাৱ আছিল। হায়দৰাবাদ ৰাজ্য ভাৰতৰ লগত চামিল নকৰে বুলি নিজামে ঘোষণা কৰাৰ পাছৰে পৰাই বিশ্ববিদ্যালয়খনৰ পৰিবেশ দূষিত হৈছে। নিজামৰ সেই ঘোষণাত প্ৰেৰণা পাই ৰজাকাৰ আৰু মুছলমান গুণ্ডাই হিন্দু ছাত্ৰসকলক বিভিন্ন ধৰণৰ ভীতি প্ৰদৰ্শন কৰি আহিছে। হিন্দু



ছাত্ৰীৰ সংখ্যা আগৰে পৰাই কম, যি কেইগৰাকী আছিল তেওঁলোকেও যোৱা এমাহৰ পৰা বিশ্ববিদ্যালয়লৈ অহা বন্ধ কৰিছে। কিন্তু ছাত্ৰাবাসত থকাসকল ক'লৈ যাব? ইয়াৰ মাজতে গোপন সূত্ৰে খবৰ পালে যে হিন্দু ল'ৰাখিনিক বিশ্ববিদ্যালয়ৰ পৰা খেদিবৰ বাবে মুছলমান ল'ৰাবোৰে অস্ত্ৰ-শস্ত্ৰ আনি ছাত্ৰাবাসত গোটাইছে। ৰাতিয়েই যদি আক্ৰমণ চলে, আন্ধাৰত কোন, ক'লৈ যাব ? অৱশ্যে সেই ৰাতি তেনেকুৱা একো নহ'ল। কিন্তু, আজি ওস্মানীয়া বিশ্ববিদ্যালয়ত থাকিবলৈ তেওঁলোকৰ মনে কোৱা নাই। সেয়ে, সকলোৰে একমত হৈ সিদ্ধান্ত লৈছে যে পুৱা নিজান পৰিবেশত, ৬ বজাতেই তাৰপৰা ওলাই যাব। সেইমতে ছাত্ৰাবাসত থকা প্ৰায় তিনিশ হিন্দু ছাত্ৰ, বিশ্ববিদ্যালয় চৌহদৰ পৰা মনে মনে পলাই গৈছে।

❑

## মুম্বাইৰ দাদৰ স্থিত 'চাৱাৰকাৰ সদন'

তাত্যাৰাৱ অৰ্থাৎ বীৰ চাৱাৰকাৰ কেইদিনমানৰ বাবে দিল্লীলৈ যাব। দেশ বিভাজনৰ সিদ্ধান্ত শুনাৰ পৰা তেওঁ মনত বৰ কষ্ট পাইছে। কাৰণ খণ্ডিত ভাৰতৰ কল্পনাও কৰিব পৰা নাছিল তেওঁ। ইংৰাজক খেদি অখণ্ড ভাৰত ৰক্ষাৰ বাবেই তেওঁ জীৱনৰ সৰ্বস্ব অৰ্পণ কৰিছিল, কিন্তু কংগ্ৰেছৰ দুৰ্বল নেতৃত্বই বিভাজন মানি ল'লে ! হিন্দু আৰু শিখৰ নৰসংহাৰৰ বাতৰি, বাসস্থান হেৰুওৱাসকলৰ বাতৰিয়ে তেওঁক বৰ কষ্ট দিছে। সেয়ে, এনে পৰিস্থিতিত বৰ্তমান কি কৰিব পৰা যায়, সেইবিষয়ে আলোচনা কৰিবৰ বাবে কাইলৈ দিল্লীত হিন্দু মহাসভাৰ এখন ৰাষ্ট্ৰীয় বৈঠকৰ আয়োজন কৰা হৈছে। ৰাতিপুৱা ১১ বজাত তেওঁৰ বিমান উৰিব। চাৱাৰকাৰৰ আশা, এই বৈঠকত নিশ্চয় কিবা উপায় ওলাব !

❑

## অকোলা

নিজামচাহীৰ সীমাত লাগি থকা বিদৰ্ভৰ এখন ডাঙৰ চহৰ। কপাহ উৎপাদনৰে সমৃদ্ধ জমিদাৰসকলৰ চহৰ। কালিৰ পৰা এই চহৰখনত বৰ

উথপথপ দেখা গৈছে। এসপ্তাহৰ ভিতৰতে দেশ স্বাধীন হ'ব, কিন্তু এই দেশত মাৰাঠীভাষীসকলৰ স্থান ক'ত আৰু কেনেকুৱা হ'ব ? এই বিষয়ে আলোচনা কৰিবৰ বাবে পশ্চিম মহাৰাষ্ট্ৰ আৰু বিদৰ্ভৰ ডাঙৰ ডাঙৰ নেতাসকল গোট খাইছে। ধনঞ্জয় ৰাৱ গাডগিলে আগবঢ়োৱা এটা সূত্ৰৰ ওপৰত কালিৰ পৰাই চৰ্চা হৈ আছে।

উক্ত বৈঠকত ভাগ লোৱা স্থানীয় ব্যক্তিসকল -- পঞ্জাবৰাৱ দেশমুখ, বৃজলাল বিয়ানী, শেষৰাৱ বানখেৰে, বাপুজী অণে। এইসকলৰ বাহিৰেও শংকৰৰাৱ দেৱ, পন্ধৰীনাথ পাটিল, পুনমচন্দ ৰাংকা, শ্ৰীমন্নাৰায়ণ অগ্ৰৱাল, ৰামৰাৱ দেশমুখ, দা. ৰি. গোখলে, ধনঞ্জয়ৰাৱ গাডগিল, গোপালৰাৱ খেডকৰ, দ.ৱা. পোতদাৰ, প্ৰমিলাতাঈ ওক, গ. ত্ৰয়ং. মাডখোলকৰ, জি.আৰ. কুলকাৰ্ণীৰ দৰে, সৰ্বমুঠ যোল্লজন নেতাই মাৰাঠীভাষীসকলৰ ভৱিষ্যত নিৰ্ধাৰণৰ অৰ্থে অকোলাত একত্ৰিত হৈছে। বিদৰ্ভৰ নেতাসকলে 'পৃথক বিদৰ্ভ ৰাজ্য' বিচাৰিছে। আনহাতে, পশ্চিম মহাৰাষ্ট্ৰৰ নেতাসকলে 'সংযুক্ত মহাৰাষ্ট্ৰ'ৰ ওপৰত জোৰ দিছে। আশা কৰা হৈছে, আজি সন্ধিয়ালৈ নিশ্চয় কিবা এটা সিদ্ধান্ত গ্ৰহণ কৰা হ'ব।

এনেকুৱা পৰিস্থিতিৰ মাজতে মহাৰাষ্ট্ৰৰ ৰত্নগিৰি জিলাৰ সংগমেশ্বৰত এখন গাঁৱত, ৰাতিপুৱা ঠিক ১১ বজাত, মাতা সৰস্বতীৰ ফটোত মাল্যাৰ্পণ কৰি গাওঁবাসীয়ে এখন মাৰাঠী বিদ্যালয় আৰম্ভ কৰে।

❑

## দিল্লী

দুপৰীয়া ১২ বাজিছে। ভাইচৰয় হাউচৰ সন্মুখত যোধপুৰ ৰাজ্যৰ ক'লা ৰঙৰ সুন্দৰ গাড়ী এখন ৰৈছেহি। দাৰোৱানে লাহে লাহে দুৱাৰ খুলি দিছে, সেই গাড়ীখনৰ পৰা নামি আহিছে যোধপুৰৰ দেৱান, 'কদম্বী শেষাচাৰী ৱেংকটাচাৰী'। (যোধপুৰৰ প্ৰধানমন্ত্ৰী)

ইণ্ডিয়ান চিভিল চাৰ্ভিচ পৰীক্ষাত উত্তীৰ্ণ, চি. এচ. ৱেংকটাচাৰী নামেৰে পৰিচিত এইজন বাংগালোৰৰ, কন্নড়ভাষী, বুদ্ধিত বৃহস্পতি। সেয়ে যোধপুৰ ৰাজ্যৰ যিকোনো সিদ্ধান্তত এওঁৰ পৰামৰ্শ লোৱা হয়। ভাইচৰয় লৰ্ড

মাউণ্টবেটেনে আজি ৰেংকটাচাৰীক ভোজনৰ বাবে আমন্ত্ৰণ কৰিছে।

যোধপুৰৰ নিচিনা সম্ভ্ৰান্তশালী ৰাজ্য সদায় বৃটিছৰ সমৰ্থক আছিল। এওঁক ভোজনৰ বাবে আমন্ত্ৰণ কৰাৰ মাউণ্টবেটেনৰ উদ্দেশ্য হ'ল, যোধপুৰ ৰাজ্য ভাৰতত চামিলকৰণ। ভোজনৰ অন্তত দুয়োৰে মাজত সৌজন্যমূলক বাৰ্তালাপ হয় আৰু ৰেংকটাচাৰীয়ে স্পষ্টকৈ জনায় যে যোধপুৰ, ভাৰতত চামিল হ'বলৈ প্ৰস্তুত। এই খবৰটো ইংৰাজ আৰু ভাৰত, দুয়োৰে বাবে বৰ ভাল খবৰ।

যোৱা কিছুদিনৰ পৰা জিন্নাই যোধপুৰ ৰাজ্য পাকিস্তানত চামিল কৰাৰ বাবে বিভিন্ন ধৰণৰ প্ৰস্তাৱেৰে প্ৰলোভন দি আহিছে। ভূপালৰ নবাব আৰু তেওঁৰ পৰামৰ্শদাতা জফৰুল্লা খান, এই দুয়োজনেই যোধপুৰ, কচ্চ, উদয়পুৰ আৰু বৰোদা ৰাজ্যৰ ৰজাৰ লগত যোগাযোগ কৰি তেওঁলোকক পাকিস্তানত চামিল হ'লে কি কি লাভ হ'ব সেই সম্বন্ধে বুজাইছে। জিন্নাই ভূপালৰ নবাবৰ জৰিয়তে যোধপুৰৰ ৰজাক কৈছে, যদি ১৫ আগষ্টৰ আগতে কেৱল নিজৰ ৰাজ্যখন স্বাধীন বুলিও ঘোষণা কৰে, তেতিয়াও যোধপুৰক নিম্নলিখিত সুবিধাখিনি দিয়া হ'ব ---

* কৰাচী বন্দৰৰ সকলো সুবিধা।
* পাকিস্তানৰ দ্বাৰা অস্ত্ৰ-শস্ত্ৰৰ অভাৱ পূৰণ কৰিব পৰা যাব।
* যোধপুৰ - হাইদৰাবাদ 'সিন্ধ' ৰে'লপথত কেৱল যোধপুৰৰ অধিকাৰ থাকিব।
* যোধপুৰ ৰাজ্যত আকাল হ'লে পাকিস্তানৰ দ্বাৰা খাদ্যৰ অভাৱ পূৰণ কৰা হ'ব।

যোধপুৰৰ বুদ্ধিমান দেৱান ৰেংকটাচাৰীয়ে এইবোৰ প্ৰলোভনৰ বিপৰীতে ভাৰতত চামিল হ'বলৈ যোধপুৰ মহাৰাজক মান্তি কৰায় আৰু এনেদৰেই এটা সমস্যাৰ সু-সমাধান হয়।

❑

## হাইদৰাবাদ

নিজামচাহীৰ ৰাজধানী হাইদৰাবাদ। ৰাতিপুৱাৰ পৰাই চহৰৰ বাতাবৰণ

উত্তেজনাপূৰ্ণ। পুৰাই ওচমানিয়া বিশ্ববিদ্যালয়ৰ পৰা ৩০০ হিন্দু ছাত্ৰই নিজৰ প্ৰাণ ৰক্ষা কৰি হোষ্টেলৰ পৰা পলাই গৈছে। এই বিষটোত ৰাজাকাৰ বাহিনী অত্যন্ত ক্ৰোধিত হৈ পৰে আৰু ইয়াৰ প্ৰতিশোধ ল'বৰ বাবে চহৰত থকা বিভিন্ন হিন্দু ব্যৱসায়ীৰ ওপৰত আক্ৰমণ কৰে।

সিফালে ৱাৰংগল জিলাৰ পৰা অহা খবৰ অতি চিন্তনীয় আছিল। সম্পূৰ্ণ ৱাৰংগল জিলাৰ হিন্দু নেতাসকলৰ ঘৰৰ ওপৰত মুছলমান গুণ্ডাই শিলগুটিৰে আক্ৰমণ কৰিছে, লুট-পাত কৰি দোকান - ঘৰ জ্বলাই দিছে। এইবোৰৰ পৰা পৰিত্ৰাণ বিচাৰি, হায়দৰাবাদৰ এজন ব্যৱসায়ীৰ ঘৰত, চহৰৰ কেইজনমান ব্যৱসায়ী গোট খাইছে। আটাইকেইজনে আলোচনা কৰি লৰ্ড মাউণ্টবেটেন আৰু জৱাহৰলাল নেহেৰুলৈ পঠিয়াবৰ বাবে দীঘলীয়া টেলিগ্ৰাম প্ৰস্তুত কৰে ---

For more than a month, Muslim goondas, military and police reign of terror, loot, incendiarism there and murder are prevailing. There is no protection to non Muslims life, property and honour. Non Muslims are forcibly deprived of and penalised even for the most elementary self-defense preparations, whereas Muslims are openly allowed and even supplied with arms. The police act as spectators when and where Muslims are strong, but became active and shoot mercilessly when Hindus gather for self-defense.

( Indian Daily Mail / Singapore / 9th August .)


ইতিমধ্যে চাৱাৰকাৰৰ বিমান দিল্লীৰ ৱেলিংটন বিমান বন্দৰত অৱতৰণ কৰিছে। বিমানবন্দৰৰ বাহিৰত হিন্দু মহাসভাৰ অসংখ্য কাৰ্যকৰ্তা সমবেত হৈছে।

❑

"ভাৰত মাতা কী জয়", "বীৰ চাৱাৰকাৰ কী জয়", "বন্দে মাতৰম্" ধ্বনিৰে গোটেই অঞ্চলটো মুখৰিত হয়। চাৱাৰকাৰক লৈ গাড়ী আৰু মটৰচাইকেলেৰ সমদলটো 'হিন্দু মহাসভা' ভৱন'লৈ যায়।

❑

সেই সময়তে, লণ্ডনত ৰাতিপুৱা ১০ : ৩০ বাজিছে। শেফৰ্ড বুশ গুৰুদ্বাৰত




শিখ নেতাসকল গোট খাইছে। ইংলেণ্ডত থকা শিখ সমাজ, ভাৰতত হৈ থকা হিংসাত্মক ঘটনাৰ বাবে বৰ চিন্তিত হৈছে। পশ্চিম পাঞ্জাবত থকা কোনোবা আত্মীয়ৰ ভনীয়েকক মুছলমান গুণ্ডাই উঠাই লৈ গৈছে, কোনোবাজনৰ আত্মীয়ক ৰাস্তাতেই কাটিছে... ! আনহাতে বিভাজনৰ ৰেখা এতিয়াও স্পষ্ট হোৱা নাই। কোন কাৰ ফালে যাব তাৰ ঠিক নাই। পাঞ্জাব বিভাজনে ইংলেণ্ডবাসী শিখসকলকো মনোকষ্ট দিছে। বিভাজন সম্পৰ্কে গান্ধীজী আৰু নেহৰুৰ বক্তব্যবোৰৰ ওপৰত তেওঁলোক বৰ অসন্তুষ্ট। সেয়ে আজি তেওঁলোকে লণ্ডনৰ এই গুৰুদ্বাৰত একত্ৰিত হৈ ১০, ডাউনিং ষ্ট্ৰিট স্থিত প্ৰধানমন্ত্ৰী এটলীক দিবৰ বাবে এখন স্মাৰক-পত্ৰ প্ৰস্তুত কৰে। তাত উল্লেখ কৰে যে "বিভাজন নকৰাকৈ সমগ্ৰ পাঞ্জাব প্ৰদেশ ভাৰতত চামিল কৰিব লাগে।" ১১ : ৩০ বজাত শিখ নেতাৰ প্ৰতিনিধিসকলে সেই স্মাৰক-পত্ৰ খন প্ৰধানমন্ত্ৰী, এটলীক দিবলৈ যায়।

❑

## পাঞ্জাবৰ দক্ষিণ-পূব ক্ষেত্ৰত

শাওন মাহৰ অসহ্য গৰম, কিছুদিন ধৰি বৰষুণো হোৱা নাই। ফলত, গছ-গছনি, কুঁৱাৰ পানী শুকাই গৈছে। ফিৰোজপুৰ, ফৰিদকোট, মুক্তচৰ, ভটিণ্ডা, মোগা আদি অঞ্চলসমূহৰ মাটি চিৰাল-ফাট মেলিছে। জীৱ-জন্তুৱে পিয়াহত প্ৰাণ ত্যাগ কৰিছে। এনেকুৱা বিপৰ্যয়ৰ দিনত উত্তৰ-পশ্চিম পাঞ্জাবৰ পৰা

শৰণাৰ্থীৰ ৰূপত হিন্দু-শিখ দলে দলে ইয়ালৈ আহিয়েই আছে প্ৰতিদিনে। নিজৰ আত্মীয়, প্ৰিয়জন, সৰ্বস্ব হেৰুৱাই আশ্ৰয় বিচাৰি ধপলিয়াই আহিছে এইসকল ... কাৰ ভুলৰ বাবে হৈছে এইবোৰ ... ?

পাটনা বিশ্ববিদ্যালয়ৰ সভা-গৃহত, ছাত্ৰসকলৰ লগত গান্ধীজীৰ বাৰ্তালাপ চলি আছে। গান্ধীজীয়ে ছাত্ৰসকলক কৈছে, "১৫ আগষ্ট অৰ্থাৎ স্বতন্ত্ৰতা দিৱসৰ দিনটো উপবাসে থাকি পালন কৰিব। সেইদিনা যঁতৰত সূতা কাটিব, নিজৰ নিজৰ কলেজৰ চৌহদ পৰিষ্কাৰ কৰিব... । দক্ষিণ আফ্ৰিকাৰ শ্বেতাংগ শাসক উন্মত্ত হৈ পৰিছে। তাত থকা ভাৰতীয়সকলৰ লগত ঘৃণাসূচক ব্যৱহাৰ কৰি আহিছে। আন্তঃৰাষ্ট্ৰীয় স্তৰত তেওঁলোকৰ বিৰোধিতা কৰা উচিত।"

আগৰেপৰাই গান্ধীজীৰ ওপৰত ছাত্ৰসকলৰ খং উঠি আছিল। এতিয়া শেষৰ বাক্যটো শুনি খঙত অস্থিৰ হ'ল। অৱশ্যে কংগ্ৰেছৰ কেইজনমান স্থানীয় নেতাই তেওঁলোকক শান্ত কৰে।

ছাত্ৰসকলে আশা কৰিছিল যে গান্ধীজীয়ে তেওঁলোকক ভাৰত-পাকিস্তানৰ বিভাজন সম্বন্ধে, নিজৰ দেশৰ বাবে কিছুমান নীতি-নিৰ্দেশনা দিব। আজি কিন্তু তেওঁলোকে গান্ধীজীৰ কথা-বাৰ্তা শুনি বৰ হতাশ হ'ল।

❑

## কলকাতাত ভয়ানক সংঘৰ্ষ

এয়া সংঘৰ্ষ বুলি নকৈ নৰসংহাৰ বুলি কোৱাহে উচিত হ'ব। হিন্দুৰ গাঁওবোৰত মুছলমান গুণ্ডাই আক্ৰমণ কৰি অমানুষিক অত্যাচাৰ চলাইছে। প্ৰায় এবছৰৰ আগতে, ১৯৪৬ চনৰ ১৪ আগষ্টত, 'ডাইৰেক্ট এক্সন ডে'ৰ নামত মুছলমান গুণ্ডাই এনেদৰে আক্ৰমণ কৰি, হিন্দুৰ তেজেৰে পথসমূহ ৰাঙলী কৰিছিল। সেই আতংক মনৰ পৰা আঁতৰি নাযাওতেই আজি তাৰ পুনৰাবৃত্তি দেখা গ'ল।

পুৰণি কলকাতা অঞ্চলত হিন্দু দোকানীক আক্ৰমণ কৰিবলৈ অহা মুছলমান গুণ্ডাবাহিনীক ৰোধ কৰিবৰ বাবে পুলিচ বিষয়াসকলে সুৰক্ষিত দেৱাল নিৰ্মাণ কৰিছিল। কিন্তু গুণ্ডাবাহিনীয়ে তাতো দেশী বোমা পেলায়। এই আক্ৰমণত পুলিচ বিষয়া -- ডেপুটি পুলিচ কমিছনাৰ এচ. এচ. ঘোষ, চৌধুৰী আৰু



এফ. এম. জাৰ্মান গুৰুতৰভাৱে আহত হয়। আক্ৰমণত ৬ জন হিন্দুৰ মৃত্যু আৰু ৬০ জন গুৰুতৰভাৱে আহত হয়।

বংগৰ 'প্ৰমুখ' ছুহৰাবৰ্ডিৰ শাসনকালত মুছলমান আক্ৰমণকাৰীক গ্ৰেপ্তাৰ কৰা দূৰৰে কথা, সন্মান জনোৱাহে দেখা হৈছিল। নৱনিযুক্ত গৱৰ্ণৰ চক্ৰৱৰ্তী ৰাজা গোপালাচাৰীয়ে কলকাতাৰ এনেকুৱা ভয়ানক পৰিস্থিতিত বিচাৰ-বিবেচনা কৰি হিন্দুসকলক যে সুৰক্ষা প্ৰদান কৰিব পাৰিব, সেই বিষয়ে সকলোৱে সন্দেহ আৰু শংকা প্ৰকাশ কৰিছিল।

কলকাতাৰ পৰিবেশ উত্তপ্ত হৈ আছে। হাইদৰাবাদ, ৱাৰংগল আদি বিভিন্ন ঠাইতো একেই হিংসাত্মক পৰিবেশ ।

পূব মহাৰাষ্ট্ৰৰ অকোলা চহৰত, বিদৰ্ভ আৰু পশ্চিম মহাৰাষ্ট্ৰৰ নেতাসকলৰ মাজত 'অকোলা সন্ধি' স্বাক্ষৰিত হয়। এই সন্ধি অনুসৰি সংযুক্ত মহাৰাষ্ট্ৰৰ দুখন উপ-প্ৰদেশ থাকিব-- 'পশ্চিম মহাৰাষ্ট্ৰ' আৰু 'মহাবিদৰ্ভ'। এই দুয়োখন উপ-প্ৰদেশৰ বাবে সুকীয়া বিধানসভা, মন্ত্ৰীসভা আৰু উচ্চ ন্যায়ালয় থাকিব। কিন্তু সম্পূৰ্ণ প্ৰদেশৰ বাবে এজন গৱৰ্ণৰ আৰু এটাই লোকসভা আয়োগ থাকিব। এই সন্ধিৰ প্ৰতি সকলোৱে সন্তুষ্টি প্ৰকাশ কৰে।



সিফালে কৰাচীৰ অস্থায়ী নিবাসত মহম্মদ আলী জিন্নাই অহা ১১আগষ্টত পাকিস্তানৰ সংসদত দিবলগীয়া নিজৰ ভাষণৰ প্ৰস্তুতি কৰি উঠিছিল। তেখেতৰ শুবৰ সময় হৈছিল সেইসময়তে গান্ধীজী কলকাতালৈ যাবলগীয়া ৰে'লত বহি আছে। বাহিৰত পাতলীয়া বৰষুণ। দবাৰ ভিতৰতো ঠায়ে ঠায়ে বৰষুণৰ ছিটিকনি পৰিছে। খিৰিকীৰে ঠাণ্ডা বতাহ অহা বাবে মনুৱে খিৰিকী বন্ধ কৰি দিয়ে।

## দিল্লী

ৰাতি হৈ আহিছে, ভাইচৰয় হাউচৰ লাইব্ৰেৰীত লাইট এতিয়াও জ্বলি আছে। লৰ্ড মাউণ্টবেটেনে সন্মুখত, মেহগনি কাঠৰ প্ৰকাণ্ড টেবুলখনত আজিৰ দিনটোৰ ৰিপোৰ্ট লণ্ডনস্থ ভাৰতৰ সচিবৰ বাবে লিখি আছে। কাইলৈ তেওঁৰ চেক্ৰেটেৰীয়ে এই ৰিপোৰ্ট টাইপ কৰি লণ্ডনলৈ পঠিয়াব।

৮ আগষ্ট, শুকুৰবাৰৰ দিনটো সামৰণিৰ পথত। এই অখণ্ড ভাৰতৰ জনসংখ্যাৰ বৃহৎ সংখ্যক এতিয়াও সাৰে আছে। সিন্ধ, পেশাৱৰৰ পাৰ্বত্য অঞ্চল, পাঞ্জাব, বংগ, হাইদৰাবাদৰ বৃহৎ অংশত লাখ লাখ হিন্দুৰ চকুৰ টোপনি বহু দূৰৈত... !

অহা শুকুৰবাৰে এই অখণ্ড ভাৰত টুকুৰা হৈ দুখন দেশৰ আকাৰ ধাৰণ কৰিবলৈ গৈ আছে.. !

❑

## নৱম ঃ ৯ আগষ্ট, ১৯৪৭

সোডেপুৰ আশ্ৰম কলকাতাৰ পৰা ৮ - ৯ মাইল দূৰত, উত্তৰে অৱস্থিত, গছ-গছনিৰে ভৰা এখন সুন্দৰ আশ্ৰম। আজি ৰাতিপুৱাৰ পৰাই এই আশ্ৰমত হুলস্থূলীয়া পৰিবেশ এটা দেখা গৈছে। আশ্ৰমবাসীসকলে সাধাৰণতে সোনকালে শোৱে আৰু সোনকালেই উঠে। কিন্তু আজি গান্ধীজী ইয়ালৈ আহিব, কিছুদিন থাকিব ইয়াতে। সেয়ে, আনদিনাতকৈও সোনকালে উঠি সকলোৱে নিজৰ নিজৰ কামত ব্যস্ত হৈ পৰিছে। এওঁলোকে নিয়মিত চাফ-চিকুণ কৰে যদিও আজি বিশেষ ধৰণৰে কৰিছে, কাৰণ, বাপু আহিব... !

বিশেষকৈ, সতীশ চন্দ্ৰ দাসগুপ্তৰ আজি উৎসাহ আৰু আনন্দ লক্ষণীয়। আচাৰ্য প্ৰফুল্ল চন্দ্ৰ ৰায়ে স্থাপন কৰা ভাৰতৰ প্ৰথম কেমিকেল কোম্পানী, "বংগাল কেমিকেল ৱৰ্কচ"ত সতীশ বাবুয়ে 'চুপাৰিণ্টেণ্ডেণ্ট' পদত কৰ্মৰত আছিল। কিন্তু তেওঁৰ পত্নী হেমপ্ৰভা আৰু তেওঁ নিজেও গান্ধীজীৰ সংস্পৰ্শলৈ অহাত জীৱনৰ গতিপথ সলনি কৰে। ১৯২১ চনত সতীশ বাবুয়ে সেই পদবী ত্যাগ কৰি এই সুন্দৰ আশ্ৰমখন স্থাপন কৰে। সতীশ বাবু আৰু হেমপ্ৰভা দিদি বৰ্তমান এই আশ্ৰমতে থাকে।

হেমপ্ৰভা দিদিয়ে গান্ধীজীৰ আন্দোলনৰ প্ৰতি আকৰ্ষিত হৈ আৰম্ভণিতেই সহায় হিচাপে, তেওঁৰ লগত যিমানখিনি সোণৰ অলংকাৰ আছিল, সকলোখিনি গান্ধীজীক দান কৰে। এই বিষয়ত সতীশ বাবুৱেও সন্তুষ্টি প্ৰকাশ কৰিছিল।

সতীশ চন্দ্ৰ দাসগুপ্তই আশ্ৰমত 'অইল প্ৰেছ' আৰু বাঁহৰ পৰা কাগজ তৈয়াৰ কৰা সৰু কাৰখানা এটাও নিৰ্মাণ কৰিছিল। সেই কাৰখানাত উৎপাদিত



কাগজৰেই আশ্ৰমৰ বাবে প্ৰয়োজনীয় সকলো কাম চলি গৈছিল। কিছুমান কাগজ বাহিৰতো বিক্ৰী কৰা হৈছিল।

সতীশ বাবুয়ে এই কথা জানে যে গান্ধীজীয়ে এই আশ্ৰমখন বৰ ভাল পায়। এক-দেৰ বছৰৰ অন্তৰত গান্ধীজী ইয়ালৈ আহে আৰু এমাহমান ইয়াতেই থাকে। সেই সময়ছোৱাত গান্ধীজীক লগ কৰিবলৈ ডাঙৰ ডাঙৰ নেতা কিছুমানো আহে। মহান লোকসকলৰ আগমনত আশ্ৰমৰ পৰিবেশ অধিক পৱিত্ৰ হোৱা যেন লাগে। সতীশ বাবুৰ মনত আছে, ১৯৩৯ চনত সুভাষ চন্দ্ৰ বসুৰ লগত ইয়াতেই তেওঁৰ সাক্ষাৎ হৈছিল। গান্ধীজী, সুভাষ বাবু আৰু নেহৰু এই তিনিওজন আছিল। গান্ধীজীৰ ইচ্ছাৰ বিৰুদ্ধে সুভাষ চন্দ্ৰ বসু ত্ৰিপুৰী 'জব্বলপুৰ' কংগ্ৰেছৰ অধ্যক্ষ নিৰ্বাচিত হোৱাত কংগ্ৰেছৰ কিছুমান নেতাই বৰ অশান্তি কৰিছিল। সেই সমস্যা সমাধানৰ বাবে অধিবেশন সমাপ্ত হোৱাৰ লগে লগেই গান্ধীজীয়ে এখন বৈঠক অনুষ্ঠিত কৰিছিল। বৈঠকখনত একো সমাধানটো নোলালেই, ওলোটাই সুভাষ বাবুয়েহে কংগ্ৰেছ ত্যাগ কৰি ওলাই যাবলগীয়া হ'ল। সতীশ বাবু গান্ধীজীৰ ভক্ত হ'লেও এই কথাটোত বৰ দুখ পালে।

যি কি নহওক, এতিয়া এইবোৰ ভাবি থাকিলেতো নহ'ব, আৰু এঘণ্টাৰ পাছতে গান্ধীজী পাবহি। সতীশ বাবুৱে মনৰ পৰা সেই দুখৰ স্মৃতিবোৰ উলিয়াই ব্যৱস্থাসমূহ নিৰীক্ষণ কৰাত লাগিল।

❑

দিল্লীৰ ‘হিন্দু মহাসভা ভৱন’ত আজি ৰাতিপুৱাৰ পৰাই উখল-মাখল পৰিবেশ দেখা পোৱা গৈছে। মহাসভাৰ অধ্যক্ষ ডঃ ন. ভা. খৰে গোৱালিয়ৰৰ পৰা আহি দিল্লীত উপস্থিত হৈছে। খৰে চাহাব ১৯৩৭ চনত, মধ্য ভাৰতৰ প্ৰথম কংগ্ৰেছী মুখ্যমন্ত্ৰী আছিল, কিন্তু লোকমান্য তিলকৰ গোটৰ আছিল। কংগ্ৰেছৰ দ্বাৰা ‘মুছলিম লীগ’ক তুষ্টিকৰণ তেওঁ সহ্য কৰিব পৰা নাছিল, সেয়ে এই সন্দৰ্ভত ৰাজহুৱাকৈ নিজৰ মত প্ৰকাশ কৰিছিল। খৰে চাহাবৰ এনে ধৰণৰ কথাবোৰ শুনি নেহৰু আৰু গান্ধীজী তেওঁৰ ওপৰত অসন্তুষ্ট হয়। এদিন গান্ধীজীয়ে ডঃ খৰেক সেৱাগ্ৰামৰ আশ্ৰমলৈ মতাই নি মুখ্যমন্ত্ৰী পদৰ পৰা পদত্যাগ কৰিবলৈ আদেশ দিয়ে। এই আদেশৰ উত্তৰত তেওঁ সহজভাৱে ক’লে, “বৰ্তমান মোৰ মানসিক অৱস্থা ভাল নহয়, গতিকে পদত্যাগ পত্ৰখন আপুনিয়েই লিখি দিয়ক।” খৰেৰ কথাষাৰ শুনি গান্ধীজীয়ে আনন্দমনে লগে লগেই নিজৰ হাতেৰেই ডঃ খৰেৰ পদত্যাগ পত্ৰ লিখি দিলে। সেই পত্ৰখন খৰেই হাতত ল’লে আৰু চহী নকৰাকৈ নিজৰ গাড়ীত বহি গতি কৰিলে নাগপুৰ অভিমুখে। তেতিয়াহে গান্ধীজীৰ হুচ্ আহিল, পিছফালৰ পৰা চিঞৰি ক’লে, “আৰে’ কি কৰাঁ, ক’লৈ যাবলৈ ওলাইছা ?”

সেই পত্ৰখন লৈ ডঃ খৰে নাগপুৰ পালেগৈ আৰু নাগপুৰৰ পৰা প্ৰকাশিত সকলো বাতৰি কাকততে প্ৰকাশ কৰালে। জনতাৰ সম্মুখত স্পষ্ট কৰি দিলে যে কিদৰে গান্ধীজীয়ে মুখ্যমন্ত্ৰী এজনৰ ওপৰত হেঁচা প্ৰয়োগ কৰিব পাৰে পদত্যাগ কৰিবৰ বাবে।

সেইজন চতুৰ ডঃ ন. ভা. খৰে বৰ্তমান হিন্দু মহাসভাৰ ৰাষ্ট্ৰীয় অধ্যক্ষ। তেওঁক সহায় কৰিবৰ বাবে লগত আছে পণ্ডিত মৌলীচন্দ্ৰ শৰ্মাৰ দৰে ব্যক্তিত্বসম্পন্ন লোক। এইজনো প্ৰথমতে কংগ্ৰেছীয়েই আছিল, ১৯৩০ আৰু ১৯৩১ চনত লণ্ডনৰ ঘূৰণীয়া মেজমেলত কংগ্ৰেছৰ প্ৰতিনিধিত্ব কৰিছিল। কিন্তু কংগ্ৰেছৰ তুষ্টিকৰণ স্বভাৱত অতিষ্ঠ হৈ মৌলীচন্দ্ৰ শৰ্মাও হিন্দু মহাসভাৰ সংস্পৰ্শলৈ আহে। আজি চাৰাৰকাৰো ‘হিন্দু মহাসভা ভৱন’ত উপস্থিত হ’ব। মহান ব্যক্তিসকলৰ সাক্ষাত লাভৰ বাবেই আজি তাত বিৰাজ কৰিছে, উখল-মাখল পৰিবেশ।



ৰাতিপুৱাৰ আহাৰ খোৱাৰ পাছত, ৯ বজাত হিন্দু মহাসভাৰ কেন্দ্ৰীয় সমিতিৰ বৈঠক আৰম্ভ হয়। বৈঠকত এই প্ৰস্তাৱ ৰখা হয় যে, "খণ্ডিত ভাৰতত সকলো নাগৰিকে পূৰ্ণ অধিকাৰ লাভ কৰিব, কিন্তু প্ৰস্তাৱিত পাকিস্তানত হিন্দুসকলক যেনেদৰে যি অৱস্থাত ৰাখিব, ঠিক তেনদৰেই খণ্ডিত ভাৰতত থকা মুছলমানকো ৰখা উচিত।" হিন্দী ভাষী ৰাজ্যসমূহত দেৱনাগৰী লিপিৰে হিন্দী ভাষাত সকলো প্ৰশাসনিক কাম-কাজ চলোৱা হ'ব। আন আন ৰাজ্যত পঢ়াৰ মাধ্যম স্থানীয় ভাষা, লিপি হ'লেও ৰাষ্ট্ৰভাষা হিচাপে হিন্দীক প্ৰশাসনিক আৰু ন্যায়িক ব্যৱস্থাত মান্যতা প্ৰদান কৰা হওক। ইয়াৰ বাহিৰেও, অনিবাৰ্য কাৰণত সকলো নাগৰিকৰ বাবে সৈন্য প্ৰশিক্ষণকে ধৰি কেইবাটাও প্ৰস্তাৱ হিন্দু মহাসভাৰ এই বৈঠকত উত্থাপন কৰা হয়। খণ্ডিত হিন্দুস্থানত হিন্দুসকলে নিজৰ পূৰ্ণ অভিমান আৰু গৰ্বৰে সৈতে মূৰ ডাঙি যাতে থাকিব পাৰে এই উদ্দেশ্যৰেই এই সকলো নেতাই বিভিন্ন দিশত চেষ্টা কৰি আছে।

❑

## শনিবাৰ, ৯ আগষ্টৰ ৰাতিপুৱা

ব্যাৰিষ্টাৰ মহম্মদ আলী জিন্নাৰ আজি পাকিস্তানত তেওঁৰ দ্বিতীয় দিন। নতুন পাকিস্তান নিৰ্মাণৰ বিভিন্ন বিষয়ৰ চিন্তাত মগ্ন তেওঁ। এনেতে মনলৈ আহিল, পাকিস্তানৰ ৰাষ্ট্ৰীয় গীত কি হ'ব ...? বাকী বিষয়বোৰ চিন্তা-চৰ্চা



কৰা হৈছেই, কিন্তু ৰাষ্ট্ৰগীত অৰ্থাৎ ‘কৌমী তৰাণা’ৰ ওপৰত তেনেদৰে আলোচনা নহ’ল। এতিয়া নতুন পাকিস্তান নিৰ্মাণ হ’বলৈ কেৱল ৫ দিনহে বাকী আছে !

জিন্না যেতিয়া দিল্লীত আছিল, সেই সময়ত কিছুমান কবিৰ ৰচনাত তেওঁ চিহ্ন দি ৰাখিছিল। সেই কবিসকলৰ ভিতৰত এজনৰ নাম আছিল জগন্নাথ আজাদ। তেওঁ লাহোৰৰ পাঞ্জাবী হিন্দু, কিন্তু উৰ্দু ভাষাত যথেষ্ট দখল আছিল। জিন্নাই ভাবিলে, কোনোবাই যদি সুন্দৰ গীত উৰ্দুত লিখি দিব পাৰে, সেইজন যিয়েই নহওক তাত ভাবিবলৈ কি আছে ?

ভবামমতেই কাম, পাকিস্তানৰ ‘কৌমী তৰানা’ লিখোৱাৰ উদ্দেশ্যে পিছদিনা দুপৰীয়াৰ বাবে আজাদক নিমন্ত্ৰণ কৰিলে।

পিছদিনা নিৰ্দিষ্ট সময়ত জিন্নাই তেওঁৰ চেক্ৰেটেৰীক সুধিলে, “লাহোৰৰ পৰা জগন্নাথ আজাদ নামৰ কোনোবা আহিছে নেকি ?” আজাদ ৰাতিপুৱাই আহিছে বুলি চেক্ৰেটেৰীয়ে কোৱাত কবিজনক ভিতৰলৈ মাতি পঠিয়ালে।

জগন্নাথ আজাদ, বয়স ত্ৰিশ বছৰ। জিন্নাই ভাবিছিল, উৰ্দুত ইমান সুন্দৰ আৰু গাম্ভীৰ্যপূৰ্ণ, মনপৰশা ‘শায়েৰী’ লিখা ব্যক্তিজন অন্ততঃ পঞ্চাশতকৈ কম বয়সৰ নহ’ব। জিন্নাই আজাদক বহিবলৈ কৈ সুধিলে, পাকিস্তানৰ ৰাষ্ট্ৰীয় গীত হ’ব পৰা তেনেকুৱা গীত তেওঁৰ ওচৰত আছেনে ? জগন্নাথ আজাদে তাতেই এটি গীত ৰচনা কৰি জিন্নাক শুনালে ...

য়ে সৰজমী-এ-পাক
জৰে তেৰে হেঁ আজ
সিতাৰোঁ সে তাবনাক
ৰোশন হেঁ কহকশাং সে
কহী আজ তেৰী খাক
তুন্দী-এ- হসদাঁ পে
গালীব হেঁ তেৰা সৱাক
দামন কো মিল গয়া হেঁ

জো থা মুদ্দতোঁ সে চাক

য়ে সৰজমী-এ-পাক

“ঠিক... ঠিক... এইটোৱেই... এনেকুৱাই বিচাৰিছিলোঁ মই। জিন্নাই শুনি বৰ ভাল পালে আৰু এনেদৰেই এজন ‘কাফেৰ’ৰ দ্বাৰা লিখোৱা এটা গীত ‘ৱতন - এ - পাকিস্তানৰ ‘কৌমী তৰানা’ হোৱাটো নিশ্চিত হ’ল।

❑

## শনিবাৰ, ৯ আগষ্ট

আজিৰ দিনটো অমৃতসৰৰ পৰিস্থিতি বৰ উত্তেজনাপূৰ্ণ। অমৃতসৰ চহৰকে ধৰি গোটেই জিলাখনত মুছলমানৰ জনসংখ্যা অধিক। সীমান্তৱৰ্তী গাঁৱবোৰৰ পৰা সংঘৰ্ষৰ খবৰ আহিয়েই আছে। শিখসকলে প্ৰধান গুৰুদ্বাৰ স্বৰ্ণমন্দিৰত কটকটীয়া পহৰাৰ ব্যৱস্থা কৰিছে। গুৰুদ্বাৰৰ পৱিত্ৰ সৰোবৰ, আক্ৰমণকাৰীৰ হাতত অপৱিত্ৰ হোৱাটো তেওঁলোকে কেতিয়াও সহ্য নকৰে।

দুপৰীয়া সময়ত অমৃতসৰ ৰেলৱে ষ্টেচনৰ ঘোঁৰা-গাড়ীৰ ষ্টেণ্ডটো বগা কাপোৰেৰে আবৃত পুলিচৰ দল এটাই ঘেৰি ৰাখিছে। তেওঁলোকে খবৰ পাইছিল যে মুছলিম লীগৰ উগ্ৰ কৰ্মকৰ্তা মহম্মদ ছৈয়দ আজি অমৃতসৰলৈ আহিব। এই পাঠানজন ডাঙৰ ডাঙৰ হত্যাকাণ্ড সংঘটিত কৰাত অতি পাৰ্গত। অস্ত্ৰ-শস্ত্ৰ, দেশীয় বোমা আৰু উৰ্দুত লিখা কিছুমান কাগজ-পত্ৰৰে সৈতে এই হত্যাকাৰীক গ্ৰেপ্তাৰ কৰাত পুলিচ আজি সফল হয়।

❑

দিল্লীত ছাৰ চিৰিল ৰেডক্লিফ চাহাবৰ ভৱনত আজি কোনো ব্যস্ততা নাই। ৰেডক্লিফ চাহাবৰ প্ৰায়বোৰ কাম শেষ হৈছে। ভাৰত আৰু পাকিস্তানৰ বিভাজনৰ ৰেখা ইতিমধ্যে ঠিক কৰা হৈ গৈছে। এই কামত তেওঁ ন্যায় কৰিছে নে অন্যায় কৰিছে, এতিয়াও ঠিক ধৰিব পৰা নাই। এটা পক্ষৰ মতে ন্যায় আৰু আন এটা পক্ষৰ মতে অন্যায়। যি কি নহওক, নিজৰ দায়িত্বখিনি তেওঁ পালন কৰিছে।

আজি ৰাতিপুৱা ভাইচৰয় আৰু ৰেডক্লিফ চাহাবৰ মাজত আলোচনা হয়। এনেকুৱা বিস্ফোৰক পৰিস্থিতিত বিভাজনৰ ৰেখা ৰাজহুৱা কৰা মানে জ্বলা

জুইত ঘিউ ঢালি দিয়াৰ দৰেহে হ'ব, সংঘৰ্ষ ৰক্তপাতৰ পৰিমাণ আৰু বাঢ়িব। সেয়ে, দুয়োজনৰ আলোচনামৰ্মে এই সিদ্ধান্তত উপনীত হয় যে স্বাধীনতা দিৱসৰ দুই - এদিন পাছতহে বিতংভাবে বিভাজনৰ সম্পূৰ্ণ নক্সা ৰাজহুৱা কৰা হ'ব। তাৰমানে আৰু ৮ - ১০ দিনলৈ ৰেডক্লিফ চাহাবৰ ৰক্তচাপ নিয়ন্ত্ৰণত নাথাকিব ... !

❑

দক্ষিণৰ হায়দৰাবাদত নিজৰ বিশাল ভৱনত হাইদৰাবাদৰ নিজাম ওস্মান আলী, নিজ ৰাজ্যৰ দেৱানৰ লগত গুৰুত্বপূৰ্ণ আলোচনাত ব্যস্ত আছে। হাইদৰাবাদ ৰাজ্যখন স্বাধীনভাৱে ৰাখিবৰ বাবে পাকিস্তানৰ সহায়ৰ প্ৰয়োজন। সেই উদ্দেশ্যে দেৱানৰ দ্বাৰা এখন চিঠি লিখাই নিজামে চহী কৰে আৰু সেইখন জিন্নাক দিবৰ বাবে বিশ্বাসী দূত এজনক কৰাচীলৈ পঠিয়ায়। অহা এসপ্তাহৰ ভিতৰত, স্বাধীন হ'বলগীয়া খণ্ডিত ভাৰতৰ মাজত মুছলিম ৰাজ্য হিচাপে স্বাধীনভাৱে ৰাখিবৰ বাবে সকলো ধৰণৰ চেষ্টা অব্যাহত ৰাখিছে নিজামে।



❑

## পূৰ্ব দিশত অৱস্থিত ছিংগাপুৰত

শনিবাৰে ছিংগাপুৰত শাসকীয় কাৰ্যালয়সমূহৰ কৰ্মচাৰীসকলৰ ছুটিৰ দিন। 'মাৰিনা বে' ক্ষেত্ৰত কাৰ্যৰত কৰ্মচাৰী সংগঠনৰ কৰ্মচাৰীসকল আজি একত্ৰিত হৈছে। এই কৰ্মচাৰীসকল ভাৰতীয়। ছিংগাপুৰ চৰকাৰৰ প্ৰধান সচিবক দিবৰ বাবে এওঁলোকে এখন আৱেদন-পত্ৰ প্ৰস্তুত কৰিছে। ১৫ আগষ্টৰ দিনা শুকুৰবাৰ, সেইদিনা কাৰ্যালয় বন্ধ নাথাকে, কিন্তু নিজৰ জন্মভূমি ভাৰত স্বাধীন হ'ব। সেই উপলক্ষে এই ভাৰতীয় কৰ্মচাৰীসকলে তাতেই ১৫ আগষ্টৰ

দিনটো উৎসৱ হিচাপে পালন কৰিবলৈ বিচাৰে। সেয়ে ১৫ আগষ্টৰ দিনা ছুটি বিচাৰি এই আৱেদন।

❑

সিফালে অমৃতসৰত উত্তেজনা আগতকৈ বাঢ়িছেহে, কাৰণ, পুলিচে মহম্মদ ছৈয়দক গ্রেপ্তাৰ কৰাৰ কথাটো চাৰিওফালে বিয়পি পৰিছিল। এই খবৰটো পোৱাৰ পাছত মুছলমান গুণ্ডাই শিল-ইটা দ'লিয়াই শিখ আৰু হিন্দুৰ ঘৰ, দোকান সকলো ধ্বংসস্তুপত পৰিণত কৰে। 'মুছলিম লীগ'ৰ 'নেচনেল গাৰ্ড', সংঘৰ্ষ আৰু ৰক্তপাত কৰাত সদায় আগৰণুৱা। অমৃতসৰৰ ওচৰত, জবলফাদ গাঁৱত সিহঁতে এশৰো অধিক হিন্দু-শিখক হত্যা কৰে, প্রায় সত্তৰ গৰাকী যুৱতীক উঠাই লৈ যায়। ধাপাই গাঁৱত প্রায় এহেজাৰ মুছলমানে একেলগে আক্রমণ কৰে। অৱশ্যে শিখসকলেও প্রত্যুত্তৰ দিয়ে।

সংঘৰ্ষৰ ক্রূৰতা গম পাই মেজৰ জেনেৰেল টি.ডব্লিউ. ৰীছৰ নেতৃত্বত যোৱা এটা দলে হিংসাত্মক ঘটনা সংঘটিত হোৱা অঞ্চলত উপস্থিত হয়। মুছলিম লীগৰ নেচনেল গাৰ্ড আৰু সেনাৰ মাজত প্রায় এঘণ্টা যুদ্ধ সদৃশ পৰিবেশৰ সূচনা হয়। তাৰ পৰা কেইমাইলমান দূৰত অৱস্থিত পাঞ্জাবৰ ৰাজধানী লাহোৰলৈ টেলিগ্রামৰ জৰিয়তে এই খবৰটো পঠিওৱা হয়। পাঞ্জাবৰ গৱৰ্ণৰ ছাৰ ইৱন মেৰেডিথ জেনকিন্সে টেলিগ্রামখন পঢ়ি ব্যক্তিগত সচিবক মাতি সম্পূর্ণ পাঞ্জাব প্রদেশত 'প্রেছ চেন্সৰছিপ'ৰ আদেশ দিলে। অর্থাৎ ৯ আগষ্ট, শনিবাৰে অমৃতসৰ আৰু কাষৰীয়া অঞ্চলসমূহত হোৱা ৰক্তপাতৰ খবৰ পিছদিনা পাঞ্জাবৰ কোনো বাতৰি কাকততে দেখা নাযাব।

❑

সোডেপুৰ আশ্রমত গান্ধীজীৰ সান্ধ্য প্রার্থনাৰ সময় হৈছে। প্রার্থনাৰ আগতে ডাঃ সুনীল বসুৱে গান্ধীজীৰ স্বাস্থ্য পৰীক্ষা কৰে। ১৯৩৯ চনত গান্ধীজী যেতিয়া এই আশ্রমত এমাহ আছিল তেতিয়াও সুনীল বাবুয়েই স্বাস্থ্য পৰীক্ষা কৰিছিল। বৰ্তমান সকলো ঠিকেই আছে বুলি ডাক্তৰে জনালে।

আজি সন্ধিয়াৰ প্রার্থনা, কলকাতাৰ পৰিস্থিতিৰ ওপৰত কেন্দ্রীভূত আছিল। তেওঁ ক'লে, "হিন্দু আৰু মুছলমান, উভয়েই পাগলৰ দৰে ব্যৱহাৰ কৰি আছে।... মুছলিম লীগ মন্ত্রীসভাই কি কৰিছে বা কিয় কৰিছে, মই সেইবোৰ

জানিবলৈ নিবিচাৰোঁ। কিন্তু ১৫ আগষ্টৰ পৰা খণ্ডিত বংগৰ কাম-কাজ নিয়ন্ত্ৰণ কৰা কংগ্ৰেছৰ মুখ্যমন্ত্ৰী, ডঃ প্ৰফুল্ল চন্দ্ৰ ঘোষে নিজৰ কাম কেনেধৰণে কৰে, সেয়া মই লক্ষ্য কৰিম। মই এইটো সুনিশ্চিত কৰিম আৰু লক্ষ্য ৰাখিম যাতে কংগ্ৰেছৰ শাসনত মুছলমানৰ ওপৰত কোনো ধৰণৰ অত্যাচাৰ নহয়। মই নোৱাখলীলৈও যাম, কিন্তু কলকাতাত শান্তি স্থাপন হোৱাৰ পাছত ... !"

❑

## দিল্লীত সন্ধিয়া হোৱাৰ লগে লগে ৰামলীলা ময়দানত জনসমাগম

'স্বাধীনতা সপ্তাহ' আজিৰে পৰা আৰম্ভ হৈছে। আজি শনিবাৰ, অহা শুকুৰবাৰে আমাৰ দেশ স্বাধীন হ'ব। কংগ্ৰেছৰ ডাঙৰ ডাঙৰ নেতাসকলৰ ভাষণ, আজিৰ সভাৰ মুখ্য আকৰ্ষণ। এই সভাত নেহৰু, পেটেলৰ দৰে নেতাই ভাষণ দিব। দিল্লী প্ৰদেশ কংগ্ৰেছ কমিটীয়ে এই কাৰ্যক্ৰমৰ আয়োজন কৰিছে। আৰম্ভণিতে স্থানীয় নেতাসকলে ভাষণ দিয়ে। সভাস্থলীলৈ নেহৰু আৰু পেটেলৰ আগমনৰ লগে লগে জনতাই হৰ্ষধ্বনি দিবলৈ ধৰিলে। চৰ্দাৰ বল্লভভাই পেটেলৰ ভাষণৰ সময়ত সম্পূৰ্ণ ৰামলীলা ময়দানে শান্তিৰে শুনি আছিল। পেটেলে বিভাজনৰ বিষয়ে জনতাক বুজাবলৈ চেষ্টা কৰিছিল। কিন্তু এই বিষয়টোত জনতাৰ ৰুচি অথবা অৰুচি একোৱেই নাছিল, নিৰ্বিবাদে কেৱল শুনি আছিল সকলোৱে। নেহৰুৰ ভাষণৰ পাছতো এনেকুৱা পৰিবেশেই বিৰাজ কৰিছিল। তেতিয়ালৈ সকলোৰে উৎসাহ কমি আহিছিল, লাহে লাহে জনতাৰ ভিৰ কমি যোৱা দেখা গৈছিল।



নেহৰুৱে ভাষণ দিছিল আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিৰ ওপৰত। তেওঁ গৰ্জন কৰি কৈছিল, "এতিয়া সম্পূৰ্ণ এচিয়াৰ পৰাই বিদেশী শক্তিক খেদাব লাগিব...। "কিন্তু এই কথাবোৰে তাত গোট খোৱা জনতাৰ মনত একো প্ৰভাৱ পেলাব

নোৱাৰিলে। সকলোৱে আশা কৰিছিল, আক্ৰমণকাৰীৰ হাতত সৰ্বস্বান্ত হোৱা, হিন্দু শৰণাৰ্থীসকলৰ বিষয়ে কিবা এযাৰ নিশ্চয় ক'ব। দুখৰ কথা, সেই সম্বন্ধে নেহৰু আৰু পেটেল এজনেও একো নক'লে "!

'স্বাধীনতা সপ্তাহ' উদ্‌যাপনৰ প্ৰথম দিনটো সভাৰ আৰম্ভণিতে জনতাৰ মনত যি উৎসাহ আৰু আনন্দ দেখা হৈছিল, পিছলৈ সেই উৎসাহ ম্লান পৰিছিল... !

❑

৯ আগষ্ট, শনিবাৰ ... ইতিমধ্যে ৰাতি হৈ আহিছে। দেশৰ মাজভাগত অৱস্থিত নাগপুৰৰ ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ কাৰ্যালয়ত সংঘৰ জ্যেষ্ঠ প্ৰচাৰক আৰু পদাধিকাৰী বহি আছে। তেওঁলোকৰ সম্মুখৰ টেবুলত অখণ্ড ভাৰতৰ নক্সা থোৱা আছে। এই বিভাজনৰ সঠিক ৰেখা কেনেকুৱা হ'ব পাৰে, বিভাজন ৰেখাৰ সিপাৰে থকা হিন্দু - শিখসকলক কেনেকৈ উদ্ধাৰ কৰিব পৰা যায়, এই বিষয়ত চিন্তা-চৰ্চা চলি আছে ..

❑

## দশম ঃ ১০ আগষ্ট, ১৯৪৭

১০ আগষ্ট, দেওবাৰ, ঔৰংজেব ৰোডত অৱস্থিত, চৰ্দাৰ বল্লভভাই পেটেলৰ ভৱন। আজি এই ভৱনটোত ৰাতিপুৱাৰ পৰাই উখল-মাখল পৰিবেশ দেখা পোৱা গৈছে। চৰ্দাৰ বল্লভভাই পেটেলৰ পুৱা সোনকালে উঠাৰ অভ্যাস। তাত থকাসকলৰো একেই অভ্যাস গঢ় লৈ উঠিছে। যেতিয়া যোধপুৰৰ মহাৰাজৰ সুন্দৰ, বহুমূলীয়া গাড়ীখন ৰাতিপুৱাই ভৱনটোৰ সন্মুখত ৰ'লহি, তাৰ কৰ্মচাৰীসকলৰ বাবে খৰধৰ কৰাৰ লগতে সজাগ, সচেতন হোৱাটো সাধাৰণ কথা।



### যোধপুৰৰ মহাৰাজ, হনুমন্ত সিংহ

ৰাজপুতনাৰ সকলোতকৈ ডাঙৰ ভূ-খণ্ড, পশ্চিশ লাখ জনসংখ্যাৰ এই বিশাল ৰাজ্য ছয়ত্ৰিশ হাজাৰ বৰ্গমাইল পৰ্যন্ত বিস্তৃত হৈ আছে। যোৱা কিছুদিনৰ পৰা মহম্মদ আলী জিন্নাই এই ৰাজ্য পাকিস্তানত চামিল কৰিবৰ বাবে চেষ্টা কৰি আছে। ভি. কে. মেননে এই খবৰটো চৰ্দাৰ বল্লভভাই পেটেলক দিছিল। সেইকাৰণে চৰ্দাৰজীয়ে যোধপুৰ মহাৰাজ হনুমন্ত সিংহক আমন্ত্ৰণ কৰিছে।

চৰ্দাৰ পেটেলে হনুমন্ত সিংহক লগত লৈ নিজৰ সভাকক্ষত বহিলগৈ। প্ৰাৰম্ভিক কিছু বাৰ্তালাপৰ পাছত মূল প্ৰসংগলৈ আহিল।

চৰ্দাৰ পেটেল ঃ মই শুনিছো যে লৰ্ড মাউণ্টবেটেনৰ লগত আপোনাৰ সাক্ষাৎ হৈছিল। আপোনালোকৰ মাজত কি আলোচনা হৈছিল ?


হনুমন্ত সিংহ ঃ হয়, চৰ্দাৰ চাহাব। সাক্ষাৎ হৈছিল, কিন্তু বিশেষ একো আলোচনা হোৱা নাই।

চৰ্দাৰ পেটেল ঃ কিন্তু মই শুনামতে জিন্না চাহাবৰ লগতো আপোনাৰ সাক্ষাৎ হৈছিল আৰু আপোনাৰ ৰাজ্যখন স্বাধীনভাৱে ৰখাটোত আপুনি সিদ্ধান্ত লৈছিল ?

হনুমন্ত সিংহ ঃ হয়, আপুনি ঠিকেই শুনিছে।

চৰ্দাৰ পেটেল ঃ যদি আপুনি স্বাধীনভাৱে থাকিবলৈ ইচ্ছা কৰে, থাকিব পাৰে। কিন্তু আপোনাৰ এই সিদ্ধান্তৰ পাছত যদি যোধপুৰ ৰাজ্যত কিবা বিদ্ৰোহ হয়, তেতিয়া ভাৰত চৰকাৰৰ ফালৰপৰা আপুনি কোনো ধৰণৰ সহায়ৰ আশা নকৰিব।

হনুমন্ত সিংহ ঃ কিন্তু জিন্না চাহাবে আমাক বহুতো সুবিধা আৰু আশ্বাস দিছে। তেওঁ এইটোও কৈছে যে যোধপুৰক কৰাচীৰ ৰে'লপথৰ দ্বাৰা সংযোগ কৰা হ'ব। যদি এনেকুৱা নহয়, তেতিয়া আমাৰ ৰাজ্যৰ ব্যৱসায়ত লোকচান হ'ব।



চৰ্দাৰ পেটেল ঃ আমি আপোনাৰ যোধপুৰক কচ্ছৰ লগত সংযোগ কৰিম। আপোনাৰ ৰাজ্যৰ ব্যৱসায়ত কেতিয়াও কোনো ধৰণৰ অসুবিধা নহ'ব। হনুমন্তজী, আৰু এটা কথা, আপোনাৰ পিতৃ অৰ্থাৎ উমেশ সিংহজী মোৰ ভাল বন্ধুসকলৰ ভিতৰত অন্যতম আছিল। আপোনাৰ খবৰ ৰখাৰ দায়িত্বও তেওঁ মোৰ ওপৰত অৰ্পণ কৰিছিল। আপুনি যদি পোন বাটেৰে নচলে তেন্তে আপোনাক অনুশাসনত আনিবলৈ মই আপোনাৰ পিতৃৰ ভূমিকা পালন কৰিব লাগিব।

হনুমন্ত সিংহ ঃ চৰ্দাৰ পেটেল চাহাব, আপুনি এইটো কৰাৰ আৱশ্যকেই নহ'ব। কাইলৈকে মই যোধপুৰলৈ গৈ ভাৰত দেশৰ লগত চামিলকৰণত হস্তাক্ষৰ কৰিম।

❑

## কলকাতা, সোডেপুৰ আশ্ৰম

সম্ভৱতঃ আজি দেওবাৰ হোৱাৰ বাবেই সোডেপুৰ আশ্ৰমত গান্ধীজীৰ পুৰাৰ প্ৰাৰ্থনা সভাত আনদিনাতকৈ অধিক সংখ্যক লোক গোট খাইছে। গান্ধীজীয়ে আনদিনাৰ দৰেই নিজা শৈলীত প্ৰাৰ্থনা কৰাৰ পাছতে সূতা কটায়। তেওঁ তাত উপস্থিতসকলক সম্বোধি ভাষণ দিবলৈ আৰম্ভ কৰে, "মই নোৱাখলীলৈ যাবলৈ ওলাইছিলোঁ, কিন্তু বৰ্তমান এই যাত্ৰা স্থগিত ৰাখিবলগীয়া হ'ল। কাৰণ, কলকাতাৰ কেইবাজনো মুছলমান বন্ধুৱে মোক এই প্ৰাৰ্থনা জনাইছে। মোৰ এনেকুৱা লাগিছে যে যদি মই নোৱাখলীলৈ যাওঁ, তেতিয়া এই কলকাতাত কিবা অপ্ৰিয় ঘটনা সংঘটিত হ'ব, আপোনালোকে জানি থওক, মোৰ জীয়াই থকাৰ প্ৰয়োজনেই নাইকীয়া হৈ যাব।"

ক্ষন্তেক ৰৈ গান্ধীজীয়ে পুনৰ ক'বলৈ ধৰিলে, "মই এইটো শুনি বৰ দুখ পাইছোঁ যে কলকাতাৰ বহুতো অঞ্চললৈ মুছলমান বন্ধু যাব পৰা নাই আৰু কিছুমান অঞ্চললৈ হিন্দু মানুহ যাব নোৱাৰে। মই নিজেই এই অঞ্চলসমূহত গৈ পৰিস্থিতি কেনেকুৱা চাম। এই চহৰত কেৱল 23% মুছলমান। এই 23% মানুহে কাৰোবাৰ কিবা অশান্তি কৰিব পাৰেনে? মইতো এনেদৰে শুনিছোঁ, হ'বলগীয়া কংগ্ৰেছ শাসনৰ আঁৰ লৈ হিন্দু পুলিচবোৰে মুছলমানক হাৰাশাস্তি



কৰি আছে। যদি পুলিচেই এনেকুৱা মনোভাৱ লৈ আছে, তেতিয়াহলে ভাৰতৰ ভৱিষ্যত নিশ্চয় অন্ধকাৰময় হ'ব..."।

এই প্ৰাৰ্থনা-সভাত হিন্দুৰ সংখ্যাই অধিক আছিল। গান্ধীজীৰ ভাষণটো তেওঁলোকৰ অলপো ভাল নালাগিল। যদি কেৱল 23% মুছলমানেই যোৱাবছৰ 'ডাইৰেক্ট এক্সন ডে'ৰ দিনা হাজাৰ হাজাৰ হিন্দুৰ তেজ বোৱাব পাৰিলে, সিহঁত সংখ্যাগৰিষ্ঠ হোৱাৰ পাছত আমাৰ অৱস্থা কি হ'ব ? এই প্ৰশ্নটো তাত উপস্থিত থকাসকলে এজনে আনজনক সুধিছিল।

প্ৰাৰ্থনাৰ শেষত গান্ধীজীয়ে নিয়মিত লঘু আহাৰ গ্ৰহণ কৰে। তাৰ পাছত ভিতৰৰ কোঠালৈ যায়। আজি তেওঁ ইয়াত হ'বলগীয়া কংগ্ৰেছ চৰকাৰৰ মন্ত্ৰীসকলৰ লগত আলোচনা কৰিব। লাহে লাহে সকলো মন্ত্ৰী আহি উপস্থিত হৈছে। ১৫ মিনিটৰ আগতেই ভাবি মুখ্যমন্ত্ৰী প্ৰফুল্ল চন্দ্ৰ ঘোষ আহি উপস্থিত হৈছে। গান্ধীজীয়ে সকলোকে সম্বোধন কৰি ক'বলৈ ধৰিলে, "ছুহৰাবৰ্ডিৰ শাসনকালত হিন্দুৰ ওপৰত অত্যাচাৰ হৈছে। হ'ব পাৰে, কিছুমান মুছলমান পুলিচেও হিন্দুৰ লগত ভাল ব্যৱহাৰ কৰা নাই, কিন্তু ইয়াৰ অৰ্থ এইটো নহয় যে আমিও তাৰ প্ৰতিশোধ ল'ম। কলকাতাৰ প্ৰতিজন মুছলমান যাতে সুৰক্ষিত থাকে, এই চিন্তা আপোনালোক সকলোৱে কৰিব লাগিব ...।"

❑

## দিল্লীৰ মন্দিৰ মাৰ্গ স্থিত হিন্দু মহাসভাৰ ভৱনত

চলি থকা 'অখিল ভাৰতীয় হিন্দু সংসদ'ৰ আজি দ্বিতীয় দিন। বিভাজনৰ প্ৰতি এই পৰিষদৰ প্ৰতিনিধিসকলৰ মনত বৰ খং। হিন্দু-শিখসকলৰ ওপৰত হোৱা অত্যাচাৰ তথা এই আক্ৰমণত নিহত আৰু স্থান হেৰুৱাই অহা হিন্দু-শিখ ভগনীয়াসকলৰ বাবে এওঁলোকে মনত বৰ দুখ পাইছে। আজিৰ এই সভাত প্ৰস্তাৱ উত্থাপন কৰাৰ দিন। কেইবাজনো বক্তাই নিজৰ বক্তব্য আগবঢ়ায়। বংগৰ পৰা অহা ন্যায়াধীশ নিৰ্মল চন্দ্ৰ চেটাৰ্জীয়ে তেওঁৰ ভাষণত কয়, "৩ জুনত বৃটিছ চৰকাৰে দিয়া বিভাজনৰ প্ৰস্তাৱ স্বীকাৰ কৰি কংগ্ৰেছে কেৱল বহুত ডাঙৰ ভুল কৰায়েই নহয়, কোটি কোটি ভাৰতীয়ৰ পিঠিত ছুৰী বহুৱালে। ভাৰতৰ বিভাজন মানি লোৱাৰ অৰ্থ এইটোৱেই যে কংগ্ৰেছে মুছলমানৰ গুণ্ডাগিৰীৰ সন্মুখত পৰাজয় স্বীকাৰ কৰিলে।"

সকলোতকৈ শেষত ক'লে বীৰ চাৱাৰকাৰে, "এতিয়া চৰকাৰক আৰু একো নিৱেদন বা অনুৰোধ কৰিবলগীয়া নাই। আমি প্ৰত্যক্ষভাৱে কৰিবলগীয়াখিনি কৰা উচিত। সকলো দলৰে হিন্দু অখণ্ড ভাৰতৰ বাবে নিজৰ নিজৰ কামত লাগি যাওক। নেহৰুৱে ভয়াতুৰৰ দৰে কৈছে, "ৰক্তপাত ৰখাবৰ বাবে আমি পাকিস্তান নিৰ্মাণত মান্যতা প্ৰদান কৰিছোঁ...।" এইটো মিছা কথা। কাৰণ, বিভাজন মঞ্জুৰ হোৱাৰ পাছতো মুছলমানৰ দ্বাৰা হিন্দুৰ ৰক্তপাত বন্ধ হোৱাটো নায়েই, বৰঞ্চ এতিয়া দেশখন আৰু খণ্ডিত কৰিবলৈ সিহঁতে বিচাৰি আছে। সময় থাকোঁতেই যদি বাধা দিয়া নাযায়, তেন্তে এই



দেশত চৈধ্যখন পাকিস্তানৰ হোৱাৰ বিপদ আছে। সেয়ে ৰক্তপাত হ'ব বুলি ভয় নকৰি সিহঁতে যেনেকুৱা কৰে, আমিও সিহঁতক তেনেকুৱাই কৰা উচিত। ভেদাভেদ পাহৰি সকলো হিন্দু সংগঠিত হৈ সামৰ্থবান হোৱা উচিত, যাতে দেশৰ বিভাজন বন্ধ হয়...।"

চাৱাৰকাৰৰ বক্তব্য শুনি সকলো মুগ্ধ হয়। এই সভাত সৰ্বসন্মতিক্ৰমে লোৱা প্ৰস্তাৱসমূহ--- সকলো হিন্দু এক হৈ অখণ্ড ভাৰত নিৰ্মাণৰ বাবে সংগঠিত হোৱা উচিত। 'ভগৱা ধ্বজ' ৰাষ্ট্ৰধ্বজ হোৱা উচিত। হিন্দী ৰাষ্ট্ৰভাষা হোৱা উচিত। ভাৰতক হিন্দু ৰাষ্ট্ৰ ঘোষণা কৰিব লাগে। দেশত অতি সোনকালেই সাধাৰণ নিৰ্বাচন অনুষ্ঠিত কৰিব লাগে।

❑

১১ বজাত পাকিস্তানৰ সংবিধান সভাৰ প্ৰথম সংক্ষিপ্ত বৈঠক আৰম্ভ হৈছে। সৰ্বমুঠ ৭২ জন সদস্যৰ ভিতৰত ৫২ জন সদস্য উপস্থিত থাকে। পশ্চিম পাঞ্জাবৰ দুজন শিখ সদস্যক এই বিধানসভাৰ পৰা বহিষ্কাৰ কৰাৰ বাবে তেওঁলোক অনুপস্থিত। প্ৰথম শাৰীত বহি থকা পাকিস্তানৰ গৱৰ্ণৰ জেনেৰেলে ঘোষণা কৰে, ব্যাৰিষ্টাৰ মহম্মদ আলী জিন্না... যেতিয়া নিজৰ বহি থকা ঠাইৰ পৰা উঠি মঞ্চলৈ আগবাঢ়ে তেতিয়া সকলো সদস্যই সন্মানসূচক হাততালিৰে জিন্নাক স্বাগত জনায়। জিন্নাই পাকিস্তানৰ সংসদীয়



কামৰ ৰেজিষ্টাৰত চহী কৰে। পাকিস্তানৰ সংবিধান সভাৰ অধ্যক্ষ পদৰ বাবে তেওঁ বংগৰ যোগেন্দ্ৰ মণ্ডলৰ নাম প্ৰস্তাৱ কৰে আৰু লগে লগে উক্ত প্ৰস্তাৱটো মঞ্জুৰ হয়।

অখণ্ড ভাৰতৰ মধ্যৱৰ্তী চৰকাৰৰ আইন মন্ত্ৰী, দলিতসকলৰ নেতা যোগেন্দ্ৰনাথ মণ্ডলেই পাকিস্তানৰ প্ৰথম সংবিধান সভাৰ প্ৰথম অধ্যক্ষ হ'ল।



১৯৪০ চনত যোগেন্দ্ৰনাথ মণ্ডলক কংগ্ৰেছৰ পৰা বহিষ্কাৰ কৰাৰ পিছত তেওঁ 'মুছলিম লীগ'ৰ সদস্য পদ গ্ৰহণ কৰে। বংগৰ ছুহৰাবৰ্ডিৰ মন্ত্ৰীসভাৰো মন্ত্ৰী আছিল এওঁ। ১৯৪৬ চনত হিন্দুৰ বিৰুদ্ধে বংগৰ কুখ্যাত 'ডাইৰেক্ট এক্সন ডে'ৰ নামত মুছলমান গুণ্ডাই কৰা অত্যাচাৰ তথা ৰক্তপাতৰ সময়ত, মণ্ডল চাহাবে বংগৰ দলিতসকলক মুছলমানৰ বিৰোধিতা নকৰিবলৈ মান্তি কৰাইছিল। 'মুছলিম লীগ' আৰু জিন্নাই যোগেন্দ্ৰনাথ মণ্ডলৰ এই কাৰ্যক প্ৰশংসা কৰিছিল, তাৰেই পুৰস্কাৰ স্বৰূপে তেওঁক অধ্যক্ষ পাতে। আজিৰ বৈঠকখন ইমানতে সমাপ্ত হয়।

❑

**দেওবাৰ, দুপৰীয়া সময়।** পুৰণি দিল্লীৰ 'মুছলিম লীগ'ৰ কাৰ্যালয়ৰ বাহিৰত কিছুসংখ্যক মুছলমানে নিজৰ ভিতৰতে তৰ্ক কৰিছে। কথা-বতৰাৰ পৰা গম পোৱা গৈছিল, তেওঁলোক বৰ খঙত আছে। দিল্লীবাসী মুছলমান ব্যৱসায়ীসকলে অভিযোগ কৰিছে যে 'মুছলিম লীগ'ৰ নেতাসকলে আমাক বিপদত এৰি থৈ পাকিস্তানলৈ গুচি গৈছে। প্ৰতিদিনে চলাচল কৰা 'পাকিস্তান স্পেচিয়েল 'ট্ৰেন'ত এই দলৰ কোনোবা নহয় কোনোবা নেতা পাকিস্তানলৈ

গৈয়েই আছে। এই নেতাসকলৰ বিৰোধিতা কৰি মুছলমান ব্যৱসায়ীসকলে দৰিয়াগঞ্জ বজাৰ বন্ধৰ আহ্বান জনাইছে। এইসকলে নেতৃত্ববিহীনতাত ভুগিছিল।

❑

দিল্লীৰ মিউনিচিপ্যাল কমিটীয়ে বৈঠকসমূহ অনুষ্ঠিত কৰিবৰ বাবে এটা সুন্দৰ সভাগৃহ নিৰ্মাণ কৰিছে। দুপৰীয়া ভোজনৰ পাছত নেহৰুৱে এই নৱনিৰ্মিত সভাগৃহটো নিৰীক্ষণ কৰে।



Pandit Jawaharlal Nehru inspecting along with city fathers on Sunday the newly constructed meeting hall of Delhi Municipal Committee.

❑

সন্ধিয়া ১৭, য়ৰ্ক ৰোডৰ বিশাল ভৱনত নেহৰুৱে তেওঁৰ ব্যক্তিগত সচিবক এখন পত্ৰৰ শ্ৰুতলিপি দিছে ---

প্ৰিয় লৰ্ড মাউণ্টবেটেন,

৯ আগষ্টৰ দিনা আপুনি পঠিওৱা পত্ৰখনৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। অহাবছৰৰ পৰা ১৫ আগষ্টৰ দিনা শাসকীয় ভৱনৰ ওপৰত য়ুনিয়ন জেক উত্তোলন কৰাৰ সম্বন্ধে আপুনি লিখিছে। মই আপোনাক জনাবলৈ পাই আনন্দিত হৈছোঁ যে আপোনাৰ পৰামৰ্শ অনুসৰি অহাবছৰৰ পৰা আমি ১৫

আগষ্টত তিৰংগাৰ লগতে য়ুনিয়ন জেকো উত্তোলন কৰিম।

আপোনাৰ বিশ্বাসী,

জৱাহৰলাল নেহৰু

অৰ্থাৎ যি খন পতাকাক আঁতৰাবৰ কাৰণে অসংখ্য সত্যাগ্ৰহীয়ে গুলী বুকু পাতি ল'লে, অসংখ্য আন্দোলনকাৰী এই অত্যাচাৰত আহত, নিহত হ'ল, সেই য়ুনিয়ন জেক স্বাধীনতা দিৱসৰ লগতে আৰু ১২ টা প্ৰমুখ দিৱসৰ দিনা ভাৰতৰ সকলো চৰকাৰী ভৱনত উত্তোলন কৰা হ'ব।

❑

## লাহোৰৰ 'বাৰুদখানা'

লাহোৰৰ প্ৰথম নাগৰিক 'মেয়ৰ'ৰ ক্ষেত্ৰ। মুছলমান প্ৰধান এই অঞ্চলটোলৈ দিনৰ ভাগতেই হিন্দু-শিখসকলে যাবলৈ সাহস নকৰে। অঞ্চলটোত মুছলমান পৰিয়ালৰ একছত্ৰ ৰাজত্ব। হিন্দু-শিখৰ পৰিয়ালবোৰক পাকিস্তানৰ পৰা যিকোনো প্ৰকাৰে খেদাই তেওঁলোকৰ ছোৱালীবোৰ উঠাই নিয়া মুছলমান গুণ্ডাবাহিনীক ইয়াত দিনটো খুওৱাৰ ব্যৱস্থা আছে। আজি ইয়াত অধিক আনন্দ-উৎসাহ দেখিবলৈ পোৱা গৈছে।

আজি 'মিয়াঁ কী হৱেলী'ত ষড়যন্ত্ৰ ৰচনা কৰা হৈছে, ১৪ আগষ্টৰ বিষয়ে। সকলোৰে একমত যে ১৪ আগষ্টৰ পাছত লাহোৰত এজনো হিন্দু আৰু শিখক থাকিবলৈ দিয়া নহ'ব। এই সন্দৰ্ভত সিহঁতৰ আলোচনা সফল হৈছে, সেয়ে সিহঁত আজি আনন্দত উত্ৰাৱল।

ক্ৰমে সন্ধিয়া হৈ আহিছে ...! আলাৱাৰ, হাপুৰ, লায়লপুৰ, অমৃতসৰৰ দৰে চহৰসমূহৰ পৰা ভয়ংকৰ সংঘৰ্ষৰ বাতৰি আহিয়েই আছে। অগ্নিকাণ্ড, লুট-পাত, হিন্দুসকলক বিভিন্ন ধৰণে আক্ৰমণ কৰি খেদোৱা আদি খবৰবোৰ একেৰাহে আহিয়েই আছে...!

❑

লাহোৰৰ জেইল ৰোডৰ বাসিন্দা বীৰভান, কোম্পানী এটাৰ এজন উচ্চ পদস্থ বিষয়া। তেওঁ বৰ মৰমিয়াল আৰু পৰোপকাৰী ব্যক্তি বুলি জনাজাত। লাহোৰ চহৰৰ অস্থিৰ আৰু ভয়াবহ পৰিস্থিতি দেখি তেওঁ দেওবাৰৰ ছুটিৰ

দিনটোৰ সুবিধা লৈ এই চহৰ এৰি গুচি যোৱাৰ সিদ্ধান্ত লয়। এই কামৰ বাবে তেওঁ দুখন ট্ৰাক বন্দোবস্ত কৰে। বহুবছৰৰ পৰা তেওঁৰ লগত থকা বিশ্বাসী ড্ৰাইভাৰজন মুছলমান আছিল। বীৰভানে ট্ৰাকত মাল-বস্তু উঠাবৰ বাবে সেই ড্ৰাইভাৰজনকে কুলী কিছুমান আনিবলৈ পঠালে। তেওঁ বিশ্বাসী বুলি ভবা মুছলমান ড্ৰাইভাৰে লাহোৰৰ মোঝাং অঞ্চলৰ মুছলমান গুণ্ডা কিছুমানক কুলীৰ ৰূপত আনিলে। সন্ধিয়ালৈ সিহঁতে বীৰভানৰ গোটেইখিনি মাল-বস্তু দুয়োখন ট্ৰাকত ভৰালে। বীৰভান মহোদয়ে যেতিয়া পইচা দিবৰ বাবে কুলীৰ ওচৰলৈ গ'ল তেতিয়া সিহঁতে বীৰভানৰ ওপৰত ছুৰীৰে আক্ৰমণ চলায়। স্বামীৰ তেজেৰে তুমৰলি শৰীৰ দেখি বীৰভানৰ পত্নী অচেতন হৈ পৰে। গুণ্ডাবাহিনীয়ে তেওঁকো ট্ৰাকত ভৰায়। দুয়োকে লৈ ৰাতিৰ আন্ধাৰত দুয়োখন ট্ৰাক উধাও হয়। তাৰ মাজত সৌভাগ্যৰ কথা এইটোৱে আছিল যে বীৰভানৰ দুয়োগৰাকী জীয়েকে এই ঘটনা দেখি পিছ দুৱাৰেদি পলাই গৈ হিন্দুবহুল ঠাই কিশান নগৰ পালেগৈ, সেয়ে সিহঁত দুজনী বাচিল।

এজন জ্যেষ্ঠ চৰকাৰী বিষয়াক পাঞ্জাবৰ ৰাজধানীত ১০ আগষ্টৰ সন্ধিয়া লুট-পাত কৰি হত্যা কৰা হ'ল, কিন্তু একো হুলস্থূল নহ'ল... প্ৰতিবাদ কৰোঁতা কোনো নোলাল ... !

❑

যি সময়ত উক্ত ঘটনা সংঘটিত হৈছিল, সেই সময়তে আঠ-শ মাইল দূৰৰ কৰাচীত, পাকিস্তানৰ লিয়াকত আলীৰ বক্তব্য বাতৰি কাকতৰ কাৰ্যালয়লৈ গৈছিল। লিয়াকত আলীয়ে প্ৰেছ-নোটত লিখিছিল এনেদৰে -- "আমি বাৰে বাৰে আশ্বাস দি আহিছোঁ যে পাকিস্তানত থকা সকলো অ-মুছলমানক কেৱল সুৰক্ষিত ৰখায়ে নহয়, তেওঁলোকক আইনসম্মত সকলো অধিকাৰ প্ৰদান কৰা হ'ব। হিন্দু ইয়াত সম্পূৰ্ণ সুৰক্ষিত থাকিব, কিন্তু দুৰ্ভাগ্যৰ কথা এই যে ভাৰতৰ অধিক সংখ্যক হিন্দুৱে এইদৰে নাভাবে। ... ভাৰতৰ বিভিন্ন অঞ্চলৰ পৰা যিবোৰ খবৰ আহিছে, বিশেষকৈ পূব পাঞ্জাব, পশ্চিম বংগ আৰু সংযুক্ত প্ৰান্তৰ পৰা -- আমাৰ মুছলমান বন্ধুৰ ওপৰত বহুসংখ্যক হিন্দুৱে ভীষণ অত্যাচাৰ চলাইছে। স্বয়ং কংগ্ৰেছ দলৰ অধ্যক্ষই সিন্ধ প্ৰান্ত ভ্ৰমণৰ সময়ত ইয়াৰ হিন্দুসকলক আমাৰ বিৰুদ্ধে উচটাইছে। বিভিন্ন প্ৰেছ-

ৰিপোৰ্টৰ জৰিয়তে মই জানিব পাৰিছোঁ, কৃপালনীয়ে এই ধমকি দিছে যে সিন্ধ প্ৰদেশৰ হিন্দু আইন নিজৰ হাতলৈ নিব আৰু যি ঘটনা বিহাৰত হৈছে, তেনেকুৱাই সিন্ধতো ঘটোৱা হ'ব ... !"

❑

## লাহোৰৰ সংঘ কাৰ্যালয়

সৰু কাৰ্যালয়টো আজি স্বয়ংসেৱকসকলেৰে ভৰি আছে। দেওবাৰ, ১০ আগষ্টৰ ৰাতি ১০ বজাতো এই কাৰ্যালয়ত কাৰ্মকৰ্তাসকলৰ আহ-যাহ চলি আছে। স্বয়ংসেৱকসকলৰ চেহেৰাত স্পষ্ট হৈ পৰিছে, তেওঁলোক উত্তেজনাগ্ৰস্ত। লাহোৰৰ হিন্দু আৰু শিখসকলক সুৰক্ষিত ৰূপত ভাৰতৰ ফালৰ পাঞ্জাবলৈ কেনেদৰে নিব পৰা যায় !



কাৰ্যালয়ৰ বাহিৰত সংঘৰ সংস্থাপক ডাঃ হেডগেৱাৰৰ অৰ্ধ প্ৰতিমূৰ্ত্তি স্থাপন কৰা আছে। ডাঃ হেডগেৱাৰৰ এইটোৱেই প্ৰথম প্ৰতিমূৰ্ত্তি। এই মূৰ্তিয়েই সাক্ষী আছে, পাঞ্জাব প্ৰদেশৰ স্বয়ংসেৱকসকলে হিন্দু - শিখসকলক বচাবৰ কাৰণে সেই সময়ত কেনধৰণে ধৈৰ্য আৰু অদম্য সাহসৰ পৰিচয় দিছিল .. !

❑

## একাদশ ঃ ১১ আগষ্ট, ১৯৪৭

আজি সোমবাৰ হ'লেও কলকাতা চহৰৰ পৰা কিছু নিলগত থকা সোডেপুৰ আশ্ৰমত গান্ধীজীৰ প্ৰাতঃ প্ৰাৰ্থনা-সভাত যথেষ্ট সংখ্যক লোক উপস্থিত আছিল। যোৱা দুই-তিনিদিনৰ পৰা কলকাতা চহৰ শান্তিত আছে। গান্ধীজীৰ প্ৰাৰ্থনা-সভাৰ প্ৰভাৱ ইয়াৰ হিন্দু নেতাসকলৰ ওপৰত পৰিছিল। এবছৰৰ আগতে, 'মুছলিম লীগে' কলকাতা চহৰত হিন্দুক কৰা নৃশংস হত্যালীলাৰ প্ৰতিশোধ ল'বলৈ কেইজনমান প্ৰতিজ্ঞাবদ্ধ হৈছিল। কিন্তু গান্ধীজী কলকাতাত থকাৰ বাবে সেই ভাব লাহে লাহে আঁতৰি গৈছিল। অখণ্ড বংগৰ 'প্ৰধানমন্ত্ৰী' ছুহৰাবৰ্ডিৰো একান্ত ইচ্ছা, গান্ধীজী কলকাতাতেই থাকক।

বৰ্তমান এটা কথা স্পষ্ট হৈ পৰিছে যে বিভাজনৰ পাছত কলকাতা, ভাৰতত থাকিব আৰু ঢাকা পাকিস্তানলৈ যাব। ভাৰতৰ অন্তৰ্ভুক্ত বংগৰ নতুন মুখ্যমন্ত্ৰী কোন হ'ব সেয়াও ঠিক হৈছে। অহা পাঁচ দিনত পশ্চিমবংগত 'মুছলিম লীগ'ৰ শাসনৰ অন্ত পৰিব।

আজি পুৱাৰ প্ৰাৰ্থনা-সভাত গান্ধীজীয়ে কয়, "আজি মই মোৰ সন্মুখত সোধা প্ৰশ্নৰ উত্তৰ দিম। মোৰ ওপৰত এটা অভিযোগ কৰা হৈছে যে মোৰ প্ৰাৰ্থনা-সভাত বিশিষ্ট, ধনী নেতাসকলেহে স্থান পায়, সাধাৰণ মানুহে প্ৰথম শাৰীত স্থান নাপায়। কালি দেওবাৰ আছিল, সেয়ে আশ্ৰমত যথেষ্ট মানুহৰ ভিৰ হৈছিল। ভিৰত এনেকুৱা হ'ব পাৰে। সেইসকলক মই অনুৰোধ কৰিছোঁ, অনুগ্ৰহ কৰি ধৈৰ্য ধৰক। মোৰ কৰ্মকৰ্তাসকলক কৈ দিছোঁ, ভেদভাৱ নৰখাকৈ সকলোকে আহিবলৈ দিয়ক...।"

"যিদিনা মই কলকাতালৈ আহিছোঁ, সেইদিনাই চটগাঁৱত হৈ থকা বানপানীৰ

বাতৰি পঢ়িছিলোঁ। এই বানত যে কিমান মানুহৰ মৃত্যু হ'ল, কিমান সম্পত্তি লোকচান হ'ল, আজিলৈকে তাৰ হিচাপ নাই। এনেকুৱা বিপদৰ সময়ত আমি পশ্চিম বা পূব, পাকিস্তান অথবা ভাৰত এইবোৰ বিচাৰ নকৰাকৈ সহায়ৰ বাবে তৎক্ষণাৎ আগবাঢ়ি যাব লাগে। চটগাঁৱৰ বানপানী, সম্পূৰ্ণ বংগৰ ওপৰত হোৱা বিপদ। 'অল বেংগল ৰিলিফ কমিটী' গঠন কৰি সেইসকলক সহায় কৰা উচিত, আপোনালোকৰ ওচৰত এয়া মোৰ অনুৰোধ...।"

"অনেক ৰিপোৰ্টাৰে মোক সুধি আছে, স্বাধীন ভাৰতৰ গৱৰ্ণৰ, মন্ত্ৰী, আৰু অন্যান্য পদত মই কাক কাক নিযুক্তি দিম? মই কংগ্ৰেছ ৱৰ্কিং কমিটীৰ সদস্য আৰু তেওঁলোকৰ সিদ্ধান্তত প্ৰভাৱ পেলাব পাৰোঁ...! মইতো এনেদৰে ভাবোঁ যে মই কংগ্ৰেছৰ হৃদয়ত সোমাই আছোঁ। যদি মই নিজৰ মৰ্যদা উলংঘন কৰোঁ, তেন্তে কংগ্ৰেছৰ কৰ্মকৰ্তাৰ মনৰ পৰা বাহিৰ হৈ যাম। সেইকাৰণে যিকোনো প্ৰকাৰৰ নিযুক্তিত মোৰ কোনো আইনসম্মত অধিকাৰ নাই, কিন্তু নৈতিক অধিকাৰ আছে।"

"... এই কথাত একমতনে দুয়ো পক্ষৰ নেতাই পূব আৰু পশ্চিম বংগৰ বিভিন্ন অঞ্চলত গৈ শান্তি-সদ্ভাৱৰ আহ্বান কৰা উচিত... এতিয়া সংঘৰ্ষ শেষ হৈছে? মোৰ উত্তৰ-- "হয়।" যদি সকলো নেতাই আন্তৰিকতাৰে একগোট হয়, তেতিয়া সকলো সমস্যাৰে সমাধান হ'ব নিশ্চয়। এইকাৰণে মই কওঁ মুছলমানৰ আক্ৰমনৰ প্ৰতিকাৰ নকৰিবা। প্ৰতিশোধ হিংসাত্মক নীতি সেয়ে মই কওঁ, অহিংসায়েই সকলো প্ৰশ্নৰ উত্তৰ...।"

❑

**কৰাচী স্থিত বৃটিছ শৈলীত নিৰ্মিত সুন্দৰ সংসদ ভৱন। ৰাজমহল সদৃশ বিশাল অট্টালিকা–**

সোমবাৰ, ৰাতিপুৱা ৯.৫৫ বজাত নৱনিৰ্মিত পাকিস্তানৰ পিতৃপুৰুষ অৰ্থাৎ কায়দে আজম জিন্না সু-সজ্জিত ৰাজকীয় ঘোঁৰা-গাড়ী এখনৰ পৰা এই ভৱনৰ সন্মুখত নামেহি। লগে লগে তাত সাজু হৈ থকা, গণবেশ (Uniform) পৰিহিত কিছুমান বিষয়া আৰু লিয়াকত আলী খানে জিন্নাক স্বাগত সম্ভাষণ জনায়।

দহ বজাৰ লগে লগে পাকিস্তান সংবিধান সভাৰ প্ৰথমখন বৈঠক আৰম্ভ হয়। এই বৈঠকৰ অস্থায়ী অধ্যক্ষ যোগেন্দ্ৰনাথ মণ্ডল। যোগেন্দ্ৰনাথ মণ্ডলে বৈঠকৰ আৰম্ভণিতে কয়, "অধ্যক্ষ পদৰ নিৰ্বাচনৰ বাবে যিটো প্ৰস্তাৱ কালিৰ বৈঠকত ৰখা হৈছিল তাৰ অনুচ্ছেদ ক্ৰমাংক - ২ অনুসৰি ঘোষণা কৰিছোঁ যে এই পদৰ বাবে কায়দে আজম জিন্নাৰ সমৰ্থনত মই মুঠতে সাত জনৰ পত্ৰ পাইছোঁ।" এই সন্মানীয় সদস্য সকলৰ নাম হ'ল ---

১। গিয়াছুদ্দিন পাঠান

২। হামিদুল হক চৌধুৰী


৩। আব্দুল কাছিম খান

৪। লিয়াকত আলী খান

৫। খীৰাজা নাজিমুদ্দিন

৬। এম. কে.খুহৰো

৭। মৌলানা শব্বীৰ আহমদ ওস্মানী



আন কোনো ব্যক্তিৰ সমৰ্থনত এতিয়ালৈকে কাৰো পত্ৰ পোৱা নাই। সেয়ে মই মান্যৱৰ কায়দে আজম জিন্নাক পাকিস্তান সংবিধান সভাৰ অধ্যক্ষ ঘোষণা কৰিলোঁ। এতিয়া মই কায়দে আজম চাহাবক অনুৰোধ জনাওঁ যে তেখেতে যেন নিজৰ আসন গ্ৰহণ কৰে।"

লিয়াকত আলী খান আৰু চৰ্দাৰ আব্দুল ৰব খান নিস্তাৰ, দুয়োৰে কায়দে আজম জিন্নাক অধ্যক্ষৰ আসনলৈ আগবঢ়াই নিয়ে। হাত তালিৰ উষ্ণ সম্ভাষণৰ মাজতে মহম্মদ আলী জিন্নাই নিজৰ আসন গ্ৰহণ কৰে।

পূব বংগৰ লিয়াকত আলী খানে জিন্নাৰ গুণ বখানি প্ৰথম ভাষণ দিয়ে। ভাষণৰ দ্বাৰা তেওঁ জিন্নাৰ উচ্চ প্ৰশংসা কৰি, বিগত এঘাৰ বছৰে একলগে কৰা কামৰ সম্বন্ধে উল্লেখ কৰে আৰু কয়, "এইটো এটা ঐতিহাসিক আশ্চৰ্যই যে কোনো সন্ত্ৰাসৰ সৃষ্টি নকৰাকৈ, ৰক্তপাত অবিহনে, আপোনাৰ নেতৃত্বত আমি আমাৰ পাকিস্তান লাভ কৰিলোঁ।"

লিয়াকত আলীৰ পাছত পূব বংগৰ কংগ্ৰেছ দলৰ কিৰণ শংকৰ ৰয়ে কংগ্ৰেছ দলৰ ফালৰপৰা জিন্নাক অভিনন্দন জনায়। তেওঁ পাঞ্জাব আৰু বংগৰ বিভাজনৰ বাবে স্পষ্টভাবে নিজৰ অসন্তোষ ব্যক্ত কৰে, লগতে এইটোও কয়, "যিহেতু এই সিদ্ধান্ত কংগ্ৰেছ আৰু মুছলিম লীগ দুয়ো দলৰে সমৰ্থনত হৈছে সেয়ে এই দেশৰ প্ৰতি আমাৰ সম্পূৰ্ণ নিষ্ঠা থাকিব...।"



ৰয়ৰ পাছত ক্ৰমে সিন্ধ প্ৰদেশৰ পৰা অহা এম. এ. খুহৰো, যোগেন্দ্ৰনাথ মণ্ডল, পূব বংগৰ আব্দুল কাছিম খান, পশ্চিম পাঞ্জাবৰ বেগম জাহাঁআৰা চাহনৱাজ আৰু সৰ্বশেষত কায়দে আজম জিন্নাই ভাষণ দিয়ে।

জিন্নাই উপস্থিত সকলোকে সম্বোধি কয়, "... আপোনালোকে মোৰ ওপৰত যি দায়িত্ব অৰ্পণ কৰিছে তাৰবাবে আপোনালোকক কৃতজ্ঞতা জনাইছোঁ। যি পদ্ধতিৰে আমি পাকিস্তান নিৰ্মাণ কৰিলোঁ ইতিহাসত এনেকুৱা আৰু দ্বিতীয় উদাহৰণ নাই। এই সংবিধান সভাৰ প্ৰধান উদ্দেশ্য দুটা-- "পাকিস্তানৰ সাৰ্বভৌম সংবিধান প্ৰস্তুত কৰা" এখন সাৰ্বভৌম, সম্পূৰ্ণ ৰাষ্ট্ৰ ৰূপে নিজৰ ভৰিৰ ওপৰত থিয় হোৱা। ... মই জানিবলৈ পাইছোঁ, সীমাৰ দুয়োফালে পাঞ্জাব আৰু বংগৰ বিভাজন নিবিচৰা অসংখ্য লোক আছে। কিন্তু ইয়াৰ বিকল্প আন একো নাছিল। এতিয়া নিৰ্ণয় হ'ল যেতিয়া আমি সেইমতে উপযুক্ত ব্যৱস্থা ল'ম।"

"আপোনালোক যি ধৰ্মৰে হওক, পাকিস্তানত আপোনালোকে নিজৰ ধৰ্মীয় স্থানলৈ মুক্তভাৱে যাব পাৰিব। পাকিস্তানত সকলো ধৰ্মৰে প্ৰতি সমভাব আছে আৰু থাকিব। হিন্দু-মুছলমান-ৰোমান কেথলিক-পাৰ্ছী -- এই সকলোৱে পাকিস্তানত সদ্ভাৱ আৰু সম্প্ৰীতিৰে বাস কৰিব পাৰিব। ধৰ্মক লৈ কাৰো লগত কোনোধৰণৰ ভেদভাৱ কৰা নহ'ব।"

সভাগৃহত বহি থকা 'মুছলিম লীগ'ৰ সদস্যসকলে ভাবিছিল, বাস্তৱত যদি এনেকুৱাই হয় তেন্তে আমি পাকিস্তানৰ নিৰ্মাণ কিয় আৰু কাৰ কাৰণে কৰিলোঁ ...?

❑

কলাত, বেলুচিস্তানৰ এখন প্ৰধান আৰু জনসংখ্যাবহুল চহৰ। মজবুত দেৱালৰ ভিতৰত অৱস্থিত এই চহৰখনৰ ইতিহাস প্ৰায় দুই-আঢ়ৈহাজাৰ বছৰৰ পুৰণি। কুজদৰ, গণ্ডাৱা, নুস্কি, কীৱেটাৰ দৰে চহৰলৈ যাবলৈ হ'লে কলাত চহৰ পাৰ হৈ যাব লাগিব। সেয়ে এই চহৰৰ কিছু বিশেষত্ব আছে। বৃটিছ শাসনত বেলুচিস্তানৰ এই কলাত চহৰক বিশেষ মৰ্যাদা দিয়া হৈছিল। চহৰখনৰ মাজভাগতে আছে ৰাজভৱনটো। এই বিশাল ভৱনটো বেলুচিস্তানৰ ৰাজনীতিৰ প্ৰধান কেন্দ্ৰ। এই ৰাজভৱনটোত 'মুছলিম লীগ', বৃটিছ চৰকাৰৰ



প্ৰতিনিধি আৰু কলাতৰ মীৰ আহমদ য়াৰ খানৰ এখন বৈঠক চলি আছে। এওঁলোকৰ মাজত এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হোৱাৰ কথা।

অৱশেষত দুপৰীয়া ১ বজাত বুজাবুজিৰ পত্ৰত তিনিওজনে স্বাক্ষৰ কৰে। এই সন্ধিৰ দ্বাৰা ঘোষণা কৰা হয় যে কলাত এতিয়া ভাৰতৰ ৰাজ্য নহয়, এইখন এখন স্বাধীন ৰাষ্ট্ৰ। মীৰ আহমদ য়াৰ খান এই দেশৰ প্ৰথম ৰাষ্ট্ৰপতি।

১১ আগষ্ট, ১৯৪৭, কলাতৰ লগতে মীৰ আহমদ য়াৰ খান চাহাবে কাষৰীয়া অঞ্চল লাছবেলা, মকৰান আৰু খাৰান এই অঞ্চলৰ অন্তৰ্ভুক্ত কৰি লয়। ভাৰত আৰু পাকিস্তান নিৰ্মাণ হোৱাৰ আগতেই এই অঞ্চলসমূহক লৈ মীৰ আহমদ য়াৰ খানৰ নেতৃত্বত বেলুচিস্তান ৰাষ্ট্ৰ গঠন হয়।

❑

## অল ইণ্ডিয়া ৰেডিঅ'ৰ প্ৰধান কাৰ্যালয়, দিল্লী

'অল ইণ্ডিয়া ৰেডিঅ'ৰ প্ৰেছ-নোট সকলো বাতৰি কাকতলৈ পঠোৱা হৈছে। ১৪ আৰু ১৫ আগষ্টৰ প্ৰস্তুতিৰ বাবে সকলো ব্যস্ত হৈ পৰিছে। ১৪ আগষ্টৰ নিশাৰ কাৰ্যক্ৰম অল ইণ্ডিয়া ৰেডিঅ'ৰ মাধ্যমেৰে প্ৰচাৰ কৰা হ'ব।

১৪ আগষ্টৰ নিশা ৮.১০ ৰ পৰা ৮.৪৫ লৈ : ইণ্ডিয়া গে'টত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰা হ'ব। তাৰ বিৱৰণ ইংৰাজীত প্ৰচাৰ কৰা হ'ব।

নিশা ১০.৩০ ৰ পৰা ১১ বজালৈ ঃ ক্রমে সৰোজিনী নাইডু আৰু জৱাহৰলাল নেহেৰুৰ বার্তা ইংৰাজীত প্রচাৰ কৰা হ'ব। পুনৰ হিন্দী অনুবাদ প্রচাৰ কৰা হ'ব।

নিশা ১১ বজাৰ পৰা ১২.৩০ বজালৈ ঃ সংবিধান ভৱনত নেতৃত্বৰ হস্তান্তৰণৰ চলন্ত কার্যবিৱৰণীও প্রচাৰ কৰা হ'ব।

দিল্লীৰ এটা বিশেষ ভৱন। 'গো-হত্যা বিৰোধী পৰিষদ'ৰ সন্মিলন ইয়াত অনুষ্ঠিত হৈছে আৰু অধ্যক্ষতা কৰিছে, জিন্নাৰ দিল্লীৰ ঘৰটো যিজনে কিনিছিল, শেঠ ৰামকৃষ্ণ ডালমিয়াই। এই বৈঠকত লোৱা প্রস্তাৱ অনুসৰি স্বাধীন ভাৰতৰ প্রথম চৰকাৰক এই অনুৰোধ কৰা হ'ব যে গো-বংশ ৰক্ষা কৰা, প্রতিজন ভাৰতীয়ৰে মূল কর্তব্য হোৱা উচিত। প্রতিবছৰে কোটিৰো অধিক গো-বংশ কটা হয়। এই কার্য সম্পূর্ণৰূপে বন্ধ কৰিব লাগে।

ৰামকৃষ্ণ ডালমিয়াৰ একান্ত ইচ্ছা, ঔৰংজেৱ ৰোডত অৱস্থিত, জিন্নাৰ পৰা ক্রয় কৰা এই ভৱনটোৱেই গো-হত্যা বিৰোধী আন্দোলনৰ প্রধান কেন্দ্র হওক।

❑

## কৰাচী

মধ্যাহ্ন ভোজনৰ পাছত, পাকিস্তান সংবিধান সভাৰ বৈঠকত পাকিস্তানৰ ৰাষ্ট্রীয় পতাকাৰ বিষয়ে আলোচনা কৰা হয় আৰু সর্বসন্মতিক্রমে সিদ্ধান্ত গ্রহণ কৰা হয় যে পাকিস্তানৰ ৰাষ্ট্রীয় ধ্বজখন চাৰি ভাগৰ এভাগ বগা আৰু বাকী তিনিভাগ সেউজীয়া আৰু ইয়াত চন্দ্র আৰু তৰাৰ ডিজাইন থাকিব। এই প্রস্তাৱ সংবিধান সভাৰ সন্মুখত ৰখা হ'ল আৰু একমতত স্বীকৃত হ'ল।

❑

## মাদ্রাজ

ইয়াত ৩১বছৰীয়া পুৰণি জাষ্টিছ পার্টীৰ বৈঠক চলি আছে। আজিও এওঁলোকে ব্রাহ্মণবাদ বিৰোধী ৰাজনীতি কৰে। এই পার্টীৰ অধ্যক্ষ পী.টি. ৰাজনে ভাৰতৰ স্বাধীনতাক স্বাগত কৰিবৰ বাবে প্রস্তাব ৰাখে আৰু সর্ব সন্মতি ক্রমে এই প্রস্তাব গ্রহণ কৰা হয়।এই বৈঠকতে এইটো নিশ্চিত কৰা

হয় যে অহা ১৫আগষ্টত মাদ্ৰাজত স্বাধীনতা দিৱস বৰ আনন্দ উল্লাসেৰে মনোৱা হ'ব। ইয়াৰ লগে লগে বৈঠকত অন্য এটা প্ৰস্তাৱ গ্ৰহণ কৰা হয় যে স্বাধীনতাৰ পিছত ভাষাভিত্তিত প্ৰান্তসমূহৰ ৰচনাৰ কাৰণে দাবী জনোৱা হ'ব।

❑

লৰ্ড মাউণ্টবেটেনৰ আজিৰ দিনটো বৰ ব্যস্ততাপূৰ্ণ আছিল। পুৱা সোনকালে উঠি তেওঁ নিজৰ শোৱাকোঠাৰ দেৱালত আঁৰি থোৱা কেলেণ্ডাৰখনলৈ চালে। ... আৰু মাত্ৰ চাৰিদিন ... ! বৃটিছ সাম্ৰাজ্যৰ অধীনত থকা ভাৰতৰ পৰা নিজৰ বয়-বস্তু সামৰাৰ সময় সমাগত !



ৰাতিপুৱা লৰ্ড চাহাবৰ ডঃ কুঁৱৰ সিংহ আৰু চৰ্দাৰ পণিক্কৰৰ লগত এখন বৈঠক অনুষ্ঠিত হয়। এই বৈঠকৰ বিশেষত্ব এই যে ইয়াৰ আগতে ভূপালৰ নবাবৰ কথাত পতিয়ন গৈ বিকানেৰৰ মহাৰাজেও তেওঁৰ ৰাজ্য ভাৰতত চামিল কৰিবলৈ ইচ্ছা কৰা নাছিল। কিন্তু লৰ্ড মাউণ্টবেটেনে এনেকুৱা সৰু সৰু ৰাজ্যবোৰক সুকীয়াকৈ স্বাধীনতা দিবলৈ বিচৰা নাছিল। সেয়ে এই বৈঠক অনুষ্ঠিত কৰা হয়।

উক্ত বৈঠকত মাউণ্টবেটেনে ডঃ কুঁৱৰ সিংহ আৰু চৰ্দাৰ পণিক্কৰক ভালদৰে বুজায় যে যদি বিকানেৰ ৰাজ্য পাকিস্তানৰ লগত চামিল হয়, তেতিয়া কেনেধৰণৰ অনিশ্চয়তা আৰু অশান্তি হ'ব পাৰে। ইয়াৰ পাছত মাউণ্টবেটেনৰ বিশ্বাস হয়, বিকানেৰ ৰাজ্যৰ চামিলকৰণৰ প্ৰশ্নটো নিশ্চয় ইমানতে সামৰণি পৰিব।

সেইদিনাই লৰ্ড চাহাবে হায়দৰাবাদ ৰাজ্যৰ নবাবলৈ এখন পত্ৰ লিখিলে, হাইদৰাবাদ ৰাজ্য ভাৰতত চামিল হোৱাৰ সম্বন্ধে আৰু দুমাহলৈ সময়সীমা বঢ়াই দিয়া হ'ল।

❑




বংগৰ পূবে স্থিত খুলনা, ৰাজশাহী, দিনাশপুৰ, ৰামপুৰ,খৰিদপুৰ, বাৰিশাল, নদীয়া আদি গাঁওবোৰত আবেলি সময়ত চাকি জ্বলোৱাৰ সময় হৈছে। সন্ধিয়াৰ এই উদাস বাতাৱৰণ কিন কিনীয়া বৰষুণ আৰু সম্ভাৱিত সংঘৰ্ষৰ ভয়ৰ কাৰণে সম্পূৰ্ণ উদাসীনতাই দেখা দিছে। এই সকলো গাঁও হিন্দু প্ৰধান আছিল। কিন্তু যোৱা বছৰত হোৱা ডাইৰেক্ট এক্সন ডেৰ পিছৰ পৰাই ইয়াত মুছলীম লীগৰ গুণ্ডা ভয়ানক আক্ৰামক হৈ উঠিছে। এওঁলোকে হিন্দু ডাক্তৰ, অধ্যাপক, জমিদাৰ সকলক পশ্চিম বংগলৈ গুচি যাবলৈ আক্ৰমণাত্মক আদেশ দিছিল।

বাৰিশাল ... যাঠী-সত্তৰ হাজাৰ জনসংখ্যাৰ এখন সৰু চহৰ। ইয়াক 'পূবৰ ভেনিছ' বুলিও কোৱা হয়। 'কীৰ্তনখোলা' নদীৰ পাৰত অৱস্থিত এই চহৰখন সম্পূৰ্ণ হিন্দু সংস্কৃতিৰ। বংগ ইংৰাজৰ অধীনলৈ যোৱাৰ আগতে ইয়াৰ অন্তিমজন ৰজা আছিল ৰামৰঞ্জন চক্ৰৱৰ্তী। মুকন্দ দাস নামেৰে এজন

কবিৰাজৰ দ্বাৰা নিৰ্মিত বিখ্যাত কালী মন্দিৰ আৰু হিন্দু ৰজাই নিৰ্মাণ কৰোৱা বিশাল দুৰ্গা সৰোবৰে বাৰিশালক বিশেষত্ব প্ৰদান কৰিছে। হিন্দু সংস্কৃতিৰে সমৃদ্ধ এই বাৰিশালৰ পৰা আজি হিন্দুক মুছলমানে জোৰ-জুলুম কৰি বাহিৰ কৰি দিছে... !

❑

বিয়লি, ৪.৩০ বাজিছে। সোডেপুৰ আশ্ৰমৰ পৰা গান্ধীজী কলকাতাৰ হিংসাত্মক ঘটনা সংঘটিত হোৱা অঞ্চলসমূহলৈ যাবলৈ ওলাইছে। খণ্ডিত পশ্চিম বংগৰ মুখ্যমন্ত্ৰী ডঃ প্ৰফুল্ল চন্দ্ৰ ঘোষ, কলকাতাৰ মেয়ৰ এ.চি.ৰয় চৌধুৰী আৰু পূৰ্বৰ মেয়ৰ এ. এচ. ওস্মানো ইতিমধ্যে আহি আশ্ৰমত উপস্থিত হৈছে। এইসকলো গান্ধীজীৰ লগত যাব। পুলিচ কমিছনাৰ এচ. এন. চেটাৰ্জী অহাৰ লগে লগেই যাত্ৰা আৰম্ভ হ'ল। আগে-পিছে ৫-৬ খন পুলিচৰ গাড়ী লৈ গান্ধীজীৰ দলটোৱে কলকাতাৰ মাৰ-পিট, হত্যা, হিংসা জৰ্জৰিত অঞ্চল চাবলৈ ওলাল। ধ্বংসলীলাত ইতিমধ্যে প্ৰায়বোৰ অঞ্চলৰ ঘৰ-দোকান-মন্দিৰ বিধ্বস্ত হৈছিল ! চিতপুৰত হিন্দুৰ জ্বলি থকা ঘৰৰ ভগ্নাৱশেষ দেখা পাই গান্ধীজী ক্ষন্তেক সময় তাত ৰ'ল আৰু কিছুসময় কেৱল চাই থাকিল! বেলিয়াঘাটত কিছুলোক সমবেত হৈ "মহাত্মা গান্ধী কী জয়" ধ্বনিৰ বাহিৰে আন কোনো স্থানত গান্ধীজীৰ প্ৰতি কাৰো কোনো প্ৰতিক্ৰিয়া দেখা নগ'ল। মুছলমান গুণ্ডাবাহিনীৰ হাতত সৰ্বস্ব হেৰুওৱা এইসকলে নিৰ্বিকাৰভাৱে কেৱল গান্ধীজীৰ ফালে চাই আছিল ... !

❑

## দ্বাদশ ঃ ১২ আগষ্ট, ১৯৪৭

আজি মঙ্গলবাৰ, ১২ আগষ্ট, পৰমা একাদশী। এই বৰ্ষৰ পুৰুষোত্তম মাহ শাওণ মাহ, সেইকাৰণে এই মাহত একাদশীক পৰমা একাদশী কোৱা হয়।

সোডেপুৰ আশ্ৰমত গান্ধীজীৰ লগত থকাসকলৰ দুজনমানেও এই ব্ৰত ৰাখে। তেওঁলোকৰ বাবে বিশেষ ফলাহাৰৰ ব্যৱস্থা কৰা হৈছে।

### শহীদ ছুহৰাবৰ্ডি

১৯৪৬ চনৰ 'ডাইৰেক্ট এক্সন ডে'ৰ খলনায়ক, পাঁচ হাজাৰ হিন্দুৰ হত্যাকাৰী ছুহৰাবৰ্ডি, সেই ঘটনাৰ এবছৰৰ পাছত গান্ধীজীক সাক্ষাৎ কৰিবলৈ আহিছিল।



অতি ধূৰ্ত, লম্পট, নিষ্ঠুৰ ছুহৰাবৰ্ডিক দেখাত লেখা-পঢ়া কৰা, ভদ্ৰলোক যেন লাগিছিল। কট্টৰ মুছলমান আছিল যদিও ইংৰাজৰ দৰে আধুনিক সাজ পৰিধান কৰিছিল।

আজি গান্ধীজীৰ প্ৰাৰ্থনা-সভাত যথেষ্ট জনসমাগম হৈছে। কিছুমান ৰিপ'ৰ্টাৰকো সন্মুখত বহি থকা দেখা গৈছে। ভজন আৰু সূতা কটাৰ পাছত গান্ধীজীয়ে ক'বলৈ আৰম্ভ কৰে, "এতিয়া কেৱল দুদিনৰ পাছতেই আহিবলগীয়া ১৫ আগষ্ট, ভাৰতৰ ইতিহাসত এটা অতি মহত্বপূৰ্ণ দিৱস হিচাপে পৰিগণিত হোৱাৰ পথত। মই শুনিছোঁ, কলকাতাত কিছুমান মুছলমানে এই দিৱসক 'শোক দিৱস' হিচাপে পালন কৰিব। মই আশা কৰিছোঁ যে এই বাতৰি নিশ্চয় ভুল হ'ব। এতিয়া কথাটো হ'ল এই দিৱস কেনেদৰে

পালন কৰা উচিত ? এই বিষয়ত প্ৰত্যেকৰে দৃষ্টিকোণ নিশ্চয় বেলেগ হ'ব। কাৰো ওপৰত আমি বিশেষ পদ্ধতিৰে পালন কৰিবৰ বাবে জোৰ-জুলুম নকৰোঁ। এতিয়া প্ৰশ্ন হৈছে পাকিস্তানৰ হিন্দুসকলক কি কৰা উচিত? মোৰ উত্তৰটো হৈছে তেওঁলোকে পাকিস্তানৰ ৰাষ্ট্ৰীয় পতাকাক প্ৰণাম কৰা উচিত।"

"মই এইটোও শুনিছোঁ যে ভাৰতত পৰ্তুগাল আৰু ফ্ৰান্স শাসিত ৰাজ্য অৰ্থাৎ গোৱা, দমন, ডিউ, পণ্ডিচেৰী আদিত থকা ভাৰতীয়য়ো ১৫ আগষ্টৰ দিনা স্বাধীনতা ঘোষণা কৰিব। এয়া সম্পূৰ্ণ মূৰ্খামী। ইয়াৰ অৰ্থ এইটোৱেই হ'ব আমি ভাৰতীয়সকল অহংকাৰী হৈ গ'লোঁ। এতিয়া বৃটিছে ভাৰত ত্যাগ কৰি যাবলৈ ওলাইছে, ফ্ৰান্স বা পৰ্তুগালে নহয়। মোৰ মতে সেই ৰাজ্যকেইখনত থকা ভাৰতীয়সকলেও আজি নহ'লে কাইলৈ স্বাধীনতা পাবই। কিন্তু তেওঁলোকে আজি আইন হাতত লোৱা উচিত নহয়...।"

"কালি ৰাতি ছুহৰাবৰ্ডি চাহাবে মোক সাক্ষাৎ কৰিবলৈ আহিছিল। তেওঁ মোক অনুৰোধ কৰিছে যে এনেকুৱা অশান্ত পৰিস্থিতিত কলকাতা চহৰ এৰি যোৱা উচিত নহয়। পূৰ্ণ শান্তি স্থাপন নোহোৱা পৰ্যন্ত মই কলকাতাতে থকা উচিত। তেওঁৰ এই অনুৰোধ ৰক্ষা কৰিবৰ বাবে মই ছুহৰাবৰ্ডি চাহাবৰ সন্মুখত এটা চৰ্ত ৰাখিছোঁ। সেইটো হৈছে, কলকাতাৰ কোনো এক অশান্ত স্থানত ছুহৰাবৰ্ডি চাহাবে মোৰ লগত একেখন ছাঁদৰ তলত পুলিচ অথবা সেনাৰ কোনো সুৰক্ষা নোলোৱাকৈ থাকিব লাগিব।

অহা দুই-এদিনতে সীমা আয়োগৰ নিৰ্ণয় ঘোষণা কৰা হ'ব আৰু বিভাজনৰ নিশ্চিত ৰেখা স্পষ্ট হ'ব। এনেকুৱা কঠিন সময়ত হিন্দু আৰু মুছলমান উভয়েই সেই আয়োগৰ নিৰ্ণয়ক সন্মান কৰা উচিত।"

❑

**শ্ৰীনগৰ**

কাশ্মীৰ মহাৰাজে তেওঁৰ প্ৰধানমন্ত্ৰী ৰামচন্দ্ৰ কাকক বৰ্খাস্ত কৰিছে। প্ৰধানমন্ত্ৰী হিচাপে ৰামচন্দ্ৰ কাকৰ কেৱল দুবছৰ কাৰ্যকালহে বৰ বিতৰ্কমূলক আছিল। তেওঁ কংগ্ৰেছ আৰু জৱাহৰলাল নেহেৰুৰ মুক্তভাৱে বিৰুদ্ধাচৰণ কৰিছিল।

কিছুদিনৰ আগতে, ১৯ ৰ পৰা ২৩ জুনৰ ভিতৰত লৰ্ড মাউণ্টবেটেন কাশ্মীৰলৈ যাওঁতে মহাৰাজক কাশ্মীৰ ৰাজ্য পাকিস্তানত চামিল কৰিবৰ বাবে পৰামৰ্শ দিছিল। সেই সময়ত মহাৰাজে এই পৰামৰ্শ অস্বীকাৰ কৰে। ইয়াৰ পাছত কাক মহাশয়ে কৌশলেৰে ক'লে, "কাশ্মীৰৰ চামিলকৰণ যদি পাকিস্তানত নহয়, তেন্তে ভাৰততো হোৱা উচিত নহয়।" কাশ্মীৰ ৰাজ্য স্বাধীনভাৱে ৰাখিবৰ বাবে তেওঁ মহাৰাজক পৰামৰ্শ দিয়ে।

৯-১০ দিনৰ আগতে, শ্ৰীনগৰলৈ যাওঁতে গান্ধীজীয়ে যদি স্পষ্টভাবে কাশ্মীৰ ভাৰতত চামিল কৰাৰ সম্পৰ্কে মহাৰাজৰ লগত আলোচনাত কৰিলেহেঁতেন তেতিয়াই এই সমস্যাৰ সমাধান হ'লহেঁতেন। কিন্তু গান্ধীজীৰ মনত ভাৰত আৰু পাকিস্তান দুয়োখনেই তেওঁৰ সন্তান, সেয়ে এই প্ৰসংগত একো নকলে। বিপৰীতে নেহৰুৰ ইচ্ছাৰ প্ৰতি সঁহাৰি জনাই "ৰামচন্দ্ৰ কাকক উলিয়াই দিয়ক" এই কথাহে মহাৰাজক বুজালে। গান্ধীজীৰ পৰামৰ্শৰ প্ৰতি সন্মান জনাই মহাৰাজ হৰিসিংহই ৰামচন্দ্ৰ কাকক আঁতৰাই তেওঁৰ ঠাইত জনক সিংহক কাশ্মীৰৰ নতুন প্ৰধানমন্ত্ৰী ঘোষণা কৰিলে। তেতিয়াৰ পৰাই কাশ্মীৰত এক নতুন কিন্তু অনিশ্চিত অধ্যায়ৰ সূচনা হয়।

❑

## দিল্লী

ডাঃ জীৱৰাজ মেহতাক 'ডাইৰেক্টৰ জেনেৰেল অব-মেডিকেল চাৰ্ভিচেছ' ৰূপে নিযুক্তি প্ৰদান কৰা হৈছে। ব্ৰিটিছ শাসনত এইটো এটা ঐতিহাসিক ঘটনা বুলিয়েই ক'ব লাগিব। কাৰণ, 'ইণ্ডিয়ান মেডিকেল চাৰ্ভিচ'ৰ বাহিৰৰ চিকিৎসকক এই পদত নিযুক্তি দিয়া এয়েই প্ৰথম।

ডাঃ জীৱৰাজ মেহতা গান্ধীজীৰ ব্যক্তিগত চিকিৎসক। যোৱা বিশ বছৰ ধৰি তেওঁ গান্ধীজীৰ স্বাস্থ্য পৰীক্ষা কৰি আহিছে।

❑

## পণ্ডিচেৰী

ভাৰতৰ ফৰাচী চৰকাৰে আজি এখন বৈঠকত সভা আৰু সমাৰোহৰ

ওপৰত লগোৱা প্ৰতিবন্ধ উঠাই লয়। লগতে "...এই সম্পৰ্কত গ্ৰেপ্তাৰ কৰা সকলোকে সোনকালেই মুক্তি দিয়া হ'ব..." এই ঘোষণা কৰে।

ভাৰতত ফ্ৰান্সৰ গৱৰ্ণৰ আৰু আন ফৰাচী বিষয়াসকলে পেৰিছৰ পৰা উলটি আহিয়েই কলকাতাত গান্ধীজীক সাক্ষাৎ কৰে আৰু তাৰ পাছতেই এই ঘোষণা কৰে। এই ঘোষণা পণ্ডিচেৰীৰ লগতে মাহে আৰু চন্দন নগৰতো বলৱৎ হয়।

❑

## লাহোৰ

যোৱাৰাতিৰ পৰা লাহোৰত হৈ থকা মাৰ-পিটৰ ঘটনাসমূহে আজি ভয়ংকৰ ৰূপ ধাৰণ কৰিছে। কালি কোনোবাই উৰা বাতৰি প্ৰচাৰ কৰিলে এনদৰে যে "ৰেডক্লিফৰ সীমা আয়োগে লাহোৰক ভাৰতত চামিল কৰাৰ সিদ্ধান্ত লৈছে।" তাৰ পাছতেই আৰম্ভ হৈ গ'ল হত্যা-হিংসা-লুট-পাত-মাৰ-পিট... ! হিংসাত্মক কাৰ্যকলাপ কৰিবলৈ মাৰণাস্ত্ৰ লৈ সকলো সময়তে প্ৰস্তুত হৈ থকা 'মুছলিম নেচনেল গাৰ্ড' এ এনেকুৱা সুযোগৰ অপেক্ষাতে আছিল। সাধাৰণ মুছলমান নাগৰিকেও উক্ত উৰাবাতৰিটো শুনি ক্ৰোধান্বিত হৈ হিংসাত্মক ঘটনাত সহযোগ কৰিছিল। ৰাতিৰ পৰা অগ্নিকাণ্ড সংঘটিত কৰাৰ বাতৰি আহিয়েই আছিল। তাৰ মাজতে লাহোৰৰ কিছুমান ঠাইত নিজৰ জীৱন বিপন্ন কৰি সংঘৰ স্বয়ংসেৱকসকলে কিছু সংখ্যক হিন্দু-শিখৰ জীৱন বচাবলৈ সমৰ্থ হৈছিল। 'মুছলিম নেচনেল গাৰ্ড'- এ সংঘৰ কাৰ্যালয়ত আক্ৰমণ কৰিব বুলি গোপন সূত্ৰে গম পাই কিছুমান স্বয়ংসেৱকে সংঘ-কাৰ্যালয় ৰক্ষাৰ বাবে তাত গোটেই নিশা সজাগ হৈ আছিল।



আজি ৰাতিপুৱা ১০ বজাৰ পৰাই মুছলমান গুণ্ডাৰ আক্ৰমণ আৰু অধিক তীব্ৰ হৈছে। লগতে শিখসকলৰ সাজ-পোছাকত তেওঁলোকক দেখা মাত্ৰেই

চিনিব পৰাৰ ফলত তেওঁলোকৰ ওপৰত আক্ৰমণ অধিক হয়। দিপ্তীগঞ্জ নামৰ হিন্দু-শিখবহুল অঞ্চলত ৰাতিপুৱা ১১ বজাত এজন বয়োজ্যেষ্ঠ শিখক মুছলমান গুণ্ডাই ৰাস্তাৰ মাজতে কাটিলে।

লাহোৰৰ ৰাস্তাত অতি ভয়ানক আৰু পাশৱিক অত্যাচাৰ চলিল। বিয়লি ৩ বজালৈকে মৃতকৰ সংখ্যা পঞ্চাশৰ অধিক হৈছিল। গুৰুতৰভাৱে আহত হোৱাসকলৰ আঘাত ইমানেই ভয়ংকৰ যে সেয়া বৰ্ণনাতীত আছিল। লাহোৰৰ এই ভয়ানক সংঘৰ্ষৰ জুই পাছবেলালৈ গুৰুদাসপুৰ আৰু লায়লপুৰলৈকে বিয়পি পৰে।

বিয়লি চাৰি বজাত গৱৰ্ণৰ জেনকিন্সে লৰ্ড মাউণ্টবেটেনলৈ টেলিগ্ৰাম পঠায় যে লাহোৰ আৰু অমৃতসৰৰ পুলিচৰ ওপৰত ভৰসা কৰিব নোৱাৰি। 'মুছলিম নেচনেল গাৰ্ড'ৰ কৰ্মকৰ্তাই পুলিচৰ পোচাকত সংঘৰ্ষ কৰি আছে। পৰিস্থিতি বৰ্তমান নিয়ন্ত্ৰণৰ বাহিৰত... !

লাহোৰ জ্বলি আছে। লাহোৰৰ লগতে পাঞ্জাবো জ্বলিছে। কিন্তু দিল্লীৰ নেতৃত্বৰ এই বিষয়ত বিশেষ একো প্ৰতিক্ৰিয়া দেখা নগ'ল।

❑

## কলকাতা... দুপৰীয়া ২.০০ বাজিছে

কলকাতা বন্দৰৰ আঢ়ৈ লাখ মুছলমান চাপৰাছীৰ সংগঠনে এখন পুস্তিকা প্ৰকাশ কৰি উলিয়াইছে। সেই পুস্তিকাত সিহঁতে ধমকি দিছে যে কলকাতাক যদি পাকিস্তানত চামিল কৰা নহয় তেন্তে সিহঁতে অনিৰ্দিষ্ট কাললৈ ধৰ্মঘট কৰিব। লগতে উল্লেখ কৰে যে ১৬৯০ চনত যেতিয়া কলকাতা বন্দৰ নিৰ্মাণ কৰা হয় তেতিয়াৰ পৰাই এই বন্দৰটো মুছলমানৰ নিয়ন্ত্ৰণত আছে। সেয়ে হিন্দুবহুল পশ্চিম বংগক কোনো কাৰণতে এইটো দিয়া উচিত নহয়।

❑

## কলকাতা... সোডেপুৰ আশ্ৰম

অখণ্ড বংগৰ 'প্ৰধানমন্ত্ৰী' হুছেইন শহীদ ছুহৰাবৰ্ডিৰ হৈ পূৰ্ব মেয়ৰ ওস্মান আহিছে গান্ধীজীক সাক্ষাৎ কৰিবলৈ। আবেলি তিনি বজাত গান্ধীজীৰ লগত ওস্মানৰ সাক্ষাৎ হ'ল। ছুহৰাবৰ্ডিয়ে গান্ধীজীক দিবৰ বাবে তেওঁৰ হাতত

এখন চিঠি দি পঠাইছে। এই চিঠিত ছুহৰাবৰ্ডিয়ে গান্ধীজীৰ লগত একেলগে একেখন ছাঁদৰ তলত থকাৰ প্ৰস্তাৱটো মানি লৈছে। গান্ধীজীয়ে সেইখন পঢ়ি থাকোঁতে তেওঁৰ চকুৰে-মুখে সন্তুষ্টিৰ ভাৱ প্ৰকট হৈ উঠিছিল আৰু গান্ধীজীয়ে ছুহৰাবৰ্ডিৰ লগত একেখন ছাঁদৰ তলত থাকিবলৈ নিশ্চিত কৰে।

## কৰাচী, দিনৰ ২.০০ বজাত

কৰাচী কংগ্ৰেছ কাৰ্যালয়ৰ পৰা প্ৰেছ-বিজ্ঞপ্তি এখন সকলো বাতৰি কাকতলৈ পঠাবৰ বাবে তৈয়াৰ কৰা হৈছে। এইখন কংগ্ৰেছৰ অখিল ভাৰতীয় অধ্যক্ষ আচাৰ্য জে. বি. কৃপালনীৰ। তেওঁ বৰ্তমান কৰাচীত উপস্থিত আছে। কিন্তু কংগ্ৰেছ কাৰ্যালয়ত তাৰ কৰ্মকৰ্তাসকলৰ মাজত কৃপালনীৰ প্ৰতি উৎসাহ, আগ্ৰহ দেখা পোৱা নগল। এই প্ৰেছ-বিজ্ঞপ্তিত কৃপালনীয়ে লিয়াকত আলী খানে তেওঁৰ ওপৰত দিয়া অভিযোগ খণ্ডন কৰিছে, "কালি লিয়াকত



আলী খানে মোৰ ওপৰত অভিযোগ আনিছে যে মই সিন্ধত হিন্দুসকলক চৰকাৰৰ বিৰুদ্ধে বিদ্ৰোহ কৰিবলৈ উচটনি দিছোঁ।... মই এই অভিযোগ সম্পূৰ্ণৰূপে খণ্ডন কৰিছোঁ। কিছুমান সভাত মই যি ধ্বনিৰ কথা উল্লেখ কৰিছোঁ, তাত কোৱা হৈছে যে 'হঁস কে লিয়া পাকিস্তান, লড়কে লেংগে হিন্দুস্তান'। এই সন্দৰ্ভত মই হিন্দু আৰু মুছলমান সকলোৰে প্ৰতি এনেকুৱা প্ৰৰোচনামূলক বাৰ্তা বন্ধ কৰিবৰ বাবে আহ্বান জনাইছোঁ। এনেকুৱা ধ্বনি দিয়াসকলক কওঁ যে, যদি ভাৰতীয় সেনা পাকিস্তানৰ সীমালৈ আহে তেতিয়া পাকিস্তানত থকা হিন্দুসকল অভাবনীয় পৰিস্থিতিৰ সন্মুখীন হ'ব। সেইদৰে যদি পাকিস্তানৰ সৈনিক ভাৰতীয় সীমালৈ যায় তেতিয়া ভাৰতত থকা


মুছলমানসকলেও অনুৰূপ পৰিস্থিতিৰ মুখামুখি হ'ব।

কংগ্ৰেছে এতিয়াও অখণ্ড ভাৰতৰ আশা এৰা নাই। কিন্তু এই অখণ্ড ভাৰত শান্তিপূৰ্ণ পথেৰে লাভ কৰিবলৈ আমি চেষ্টা কৰিম'

❑

## দিল্লীৰ গৰ্ৱৰ্ণৰ হাউচ

লৰ্ড মাউণ্টবেটেনৰ কাৰ্যালয়। লৰ্ড চাহাবে নিজৰ বিশেষ 'আৰামী চকী'খনত আঁউজি চকু বন্ধ কৰি বহি আছে, তেওঁৰ চকুৰ আগত ভাৰতত ব্ৰিটিছ সাম্ৰাজ্যৰ বিস্তীৰ্ণ ইতিহাস, এখন চলচিত্ৰৰ দৰে জিলিকি উঠিছে ...



হয়, আজিৰ দিনটোতেই সেই সময়ৰ অখণ্ড ভাৰতত ইংৰাজৰ ৰাজনৈতিক প্ৰতিনিধিত্ব আৰম্ভ হৈছিল, ১৭৬৫ চনৰ ১২ আগষ্টৰ দিনাই 'এলাহাবাদ সন্ধি' হৈছিল। অৱশ্যে ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ভাৰতত ১৬০০ চনৰ পৰাই কাম কৰিছিল। এলাহাবাদ সন্ধিৰ আগতে মোগলৰ লগত, বিজাপুৰৰ চুলতানৰ লগত, মাৰাঠীৰ লগত, নিজামৰ লগত ...। কিন্তু এই সকলোবোৰ আছিল ব্যৱসায়িক ভিত্তিত। সকলোতকৈ আগতে, বক্সাৰ যুদ্ধৰ পাছত, ইংৰাজে প্ৰথম ৰাজনৈতিক সন্ধি যাৰ লগত কৰিছিল তেওঁ আছিল মোগল বাদশাহ শাহ আলম 'দ্বিতীয়', আজিৰ পৰা ঠিক ১৮২ বছৰৰ আগতে। তেতিয়াৰ পৰা আজিলৈকে গংগা নদীৰে কিমানযে পানী বাগৰি গ'ল.. ! মাজত চিপাহী বিদ্ৰোহো হৈ গ'ল... আৰু এতিয়া এই সাম্ৰাজ্য মাত্ৰ দুদিনৰ পাছতেই আমি ভাৰতীয়সকলক অৰ্পণ কৰিম... !

হঠাৎ কিবা মনত পৰাত তেওঁ চকু মেলি পুনৰ ভাবিলে, অতীতৰ কথা সুঁৰৰি এতিয়া একো লাভ নাই, সম্মুখত বৰ্তমান বহুত কাম! আটাইতকৈ ডাঙৰ ঘোষণাটো কৰিবলৈ এতিয়াও বাকী, সেইটো হৈছে অখণ্ড ভাৰতৰ সেনা বিভাজন! এয়াৰ ফ'ৰ্চৰ দহ স্কোৱাড্ৰনৰ পৰা দুভাগ পাকিস্তানে আৰু

আঠ ভাগ ভাৰতে পাব। সেইদৰে আৰ্মী আৰু নেভীৰ দুটা ইউনিট ভাৰত আৰু এটা ইউনিট পাকিস্তানক দিয়া হ'ব। ১৯৪৮ চনলৈকে ফিল্ড মাৰ্শ্বেল ছাৰ ক্লাউড অছিনলেক হ'ব দুয়োখন দেশৰ সেনাৰ ছুপ্রিম কামাণ্ডাৰ। সেইদৰে, লৰ্ড মাউণ্টবেটেন 'জইণ্ট ডিফেন্স কাউন্সিল'ৰ চে'য়াৰমেন হৈ থাকিব। মাউণ্টবেটেনে নিজেই এই ঘোষণা কৰে।

❑

## লণ্ডন

ইয়াত থকা ভাৰতীয়সকলে ১৫ আগষ্টৰ দিনা ৰাতিপুৱা ১১ বজাত 'ইণ্ডিয়া হাউচ'ত স্বাধীন ভাৰতৰ পতাকা উত্তোলন কৰিবৰ বাবে প্রস্তুতি প্রায় সম্পূৰ্ণ কৰি তুলিছে। বৃটিছ প্রধানমন্ত্রী এটলী আৰু তেওঁৰ মন্ত্রীসভাৰ সদস্যসকলকো স্বাধীনতা দিৱসৰ সমাৰোহলৈ আমন্ত্রণ জনাইছে। এই কাৰ্যক্রমৰ অধ্যক্ষতা কৰিব বৃটেনস্থ হাইকমিচনাৰ কৃষ্ণ মেননে।

ইয়াৰ বাহিৰেও লণ্ডনৰ বিভিন্ন ঠাইত, ভাৰতীয় ৰেস্তোৰাঁ সমূহত, ভাৰতীয় ছাত্রসকলৰ দ্বাৰা 'স্বৰাজ হাউচ'ত স্বাধীনতা দিৱস পালনৰ আয়োজন চলিছে। 'ইণ্ডিয়ান ৱৰ্কাৰ্চ এচোছিয়েশ্যনৰ' সমাৰোহত মুখ্য বক্তা হ'ব ভাৰতৰ সমাজবাদী আন্দোলনৰ প্রধান নেতা অচ্যুতৰাৱ পটৱৰ্ধন।

ভাৰতৰ স্বাধীনতা দিৱস পালনৰ বাবে ১৪ আগষ্টৰ ৰাতি ১১.৪৫ বজাত, ছিংগাপুৰৰ নৰ্থ ৰিজ ৰোড স্থিত 'ৰয়েল টকীজ'ত 'ধৰতী' নামৰ হিন্দী চিনেমা খন দেখুওৱাৰ ব্যৱস্থা কৰিছে।

❑

## কলকাতাৰ বেলিয়াঘাটৰ হাইদৰী মঞ্জিল

শহীদ ছুহৰাবৰ্ডিৰ লগত একেলগে একেখন ছাঁদৰ তলত থাকিবৰ বাবে গান্ধীজীয়ে এই ঠাই ঠিক কৰিছে। এই ভৱনটো প্রথমতে এজন ইংৰাজ ব্যৱসায়ীৰ আছিল। পাছত শ্বেখ আদম নামৰ ব্যৱসায়ী এজনে ক্রয় কৰে। মৃত্যুৰ পূৰ্বে তেওঁ এই ভৱনটো জীয়েক হুছেইনী বাঈৰ নামত লিখি দিয়ে। এই ঠাই বৰ্তমান ছুহৰাবৰ্ডিৰ দখলত।

হিন্দু-মুছলমানৰ মিশ্রিত জনসংখ্যা যদিও, মুছলমানবহুল বেলিয়াঘাট বৰ

লেতেৰা অঞ্চল। এই অঞ্চলটোতে উক্ত পৰিত্যক্ত ভৱনটো আছে। তাত কোনো মানুহ নাথাকে, ডাঙৰ ডাঙৰ নিগনিৰ ৰাজত্ব বৰ্তমান।

কাইলৈৰ পৰা গান্ধীজী আৰু ছুহৰাবৰ্ডি থাকিব বাবে বিশেষ ভৱনটোত চাফ-চিকুণৰ কাম চলি আছে।

❑

**মুম্বাই...**

দাদৰা স্থিত ৰাষ্ট্ৰীয় সেৱিকা সমিতিৰ ভৱন। ৰাতি ৯.০০ বাজিছে। প্ৰায় ৩৫-৪০ গৰাকী সেৱিকাৰ বৈঠক চলি আছে। ৰাষ্ট্ৰীয় সেৱিকা সমিতিৰ প্ৰধান সঞ্চালিকা লক্ষ্মীবাঈ কেলকৰ অৰ্থাৎ 'মৌসীজী' কাইলৈ ৰাতিপুৱাৰ বিমানত কৰাচীলৈ যাব। এই সন্দৰ্ভতে এই বৈঠক অনুষ্ঠিত কৰা হৈছে। কিছুদিনৰ আগতে হাইদৰাবাদ, সিন্ধৰ জেঠী দেৱানী নামৰ সেৱিকা এগৰাকীয়ে তেওঁৰ পৰিয়ালৰ ওপৰত হোৱা বিপদ সমূহ বৰ্ণনা কৰি মৌসীজীলৈ এখন চিঠি দিছিল। সেই চিঠিখন পঢ়িয়েই মৌসীজীয়ে সিদ্ধান্ত লয়, সিন্ধ প্ৰান্ত, বিশেষকৈ কৰাচীলৈ গৈ সেৱিকাসকলৰ ব্যৱস্থাবোৰ ঠিক কৰিবই লাগিব।

খণ্ডিত স্বাধীনতাৰ বাবে এতিয়া মাত্ৰ তিনি ৰাতিহে বাকী ! সীমাত সংঘৰ্ষই ভয়াবহ ৰূপ ধাৰণ কৰিছে... হাঁহ-কুকুৰা, ভেৰা-ছাগলীৰ দৰে হিন্দু নিধন হৈ আছে... আৰু সিফালে দিল্লীত ? ব্যস্ততাৰ অন্ত নাই ৩ জুনৰ ভাৰত বিভাজন মানি লোৱা কংগ্ৰেছ নেতাসকলৰ, সংঘৰ্ষত সৰ্বস্বান্তসকলৰ বিননিয়ে হৃদয় স্পৰ্শ কৰিব নোৱৰা দিল্লীৰ ৰাজনৈতিক পৰিবেশত প্ৰস্তুতি চলিছে ১৪ আগষ্টৰ ৰাতিৰ স্বাধীনতা সমাৰোহৰ ... !

❑



## ত্ৰয়োদশ ঃ ১৩ আগষ্ট, ১৯৪৭

### মুম্বাই ... জুহু বিমান কোঠ –

আজি ৰাষ্ট্ৰীয় সেৱিকা সমিতিৰ সঞ্চালিকা লক্ষ্মীবাঈ কেলকৰ অৰ্থাৎ 'মৌসীজী' কৰাচীলৈ আহিব। 'মৌসীজী'ক স্বাগত সম্ভাষণ জনাবৰ বাবে কিছু সংখ্যক সেৱিকা 'টাটা এয়াৰ চাৰ্ভিচেছ'ৰ কাউণ্টাৰত শৃংখলাবদ্ধভাৱে সাজু হৈ আছে।

কৰাচীৰ বৰ্তমান অৰাজক পৰিস্থিতিৰ বিষয়ে হাইদৰাবাদ 'সিন্ধ'ৰ, সাধাৰণ পৰিয়ালৰ, জেঠী দেৱানী নামৰ সেৱিকা এগৰাকীয়ে 'মৌসীজী'লৈ এখন চিঠি লিখিছিল। দেৱানীৰ চিঠিখন পোৱাৰ পিছতেই 'মৌসীজী'য়ে সিন্ধৰ সেৱিকাসকলক সহায় কৰিবলৈ অহাৰ সিদ্ধান্ত লয়।

ৰাষ্ট্ৰীয় সেৱিকা সমিতি গঠন হোৱা মাত্ৰ এঘাৰ বছৰ হৈছে, কিন্তু সমিতিৰ কাম দ্ৰুতগতিত আগবাঢ়িছে। সিন্ধ, পাঞ্জাব আৰু বংগৰ দৰে সীমান্তৱৰ্তী অঞ্চললৈকে ৰাষ্ট্ৰ সেৱিকা সমিতিৰ নাম আৰু কাম বিয়পি পৰিছে।



অহাকাইলৈ কৰাচীত কাইদে আজম জিন্নাই পাকিস্তানৰ ৰাষ্ট্ৰপ্ৰমুখ হিচাপে শপত ল'ব। পাকিস্তানত চাৰিওফালে স্বতন্ত্ৰতা দিৱসৰ সমাৰোহ পালন কৰিব। তথাপিও তালৈ যোৱাতো আৱশ্যক। চল্লিছ-পঞ্চাশজন যাত্ৰীৰ বহনক্ষমতাৰ সেই সৰু বিমানখনত 'মৌসীজী' আৰু সহযোগী বেণুতাঈ-- এই দুগৰাকীয়েই মহিলা যাত্ৰী আছিল। কংগ্ৰেছৰ জয়প্ৰকাশ নাৰায়ণো সেই বিমানত আছিল। বিমানখনত কেইজনমান যাত্ৰীয়ে "পাকিস্তান জিন্দাবাদ" ধ্বনি দিয়ে। কেইজনমানে "লড় কে লিয়া

হে পাকিস্তান, হঁস কে লেংগে হিন্দুস্তান" ধ্বনিও দিয়ে। কিন্তু 'মৌসীজী' আছিল দৃঢ়মনা, ধীৰ-স্থিৰ। এইবিলাকে তেওঁৰ ওপৰত একো প্ৰভাৱ পেলাব পৰা নাছিল। লাহে লাহে ধ্বনি দিয়াসকল শান্ত হয়... !

❑

## মুলতান-লাহোৰ ৰে'ল ট্ৰেক

লাহোৰৰ প্ৰথম ষ্টেচন, ৰিয়াজাবাদ। ৰাতিপুৱা ১১ বাজিছে। ষ্টেচনত প্ৰায় দুশমান মুছলমানে হাতত তৰোৱাল আৰু ছুৰী লৈ সাজু হৈ আছে। অমৃতসৰ আৰু আম্বালালৈ যাবলগীয়া ৰে'লখন লাহে লাহে ষ্টেচনত প্ৰবেশ কৰিছেহি। গোটেই প্লেটফৰ্মটোত অস্ত্ৰধাৰী মুছলমানৰ বাহিৰে আন কোনো নাই। ষ্টেচন-মাষ্টৰে নিজৰ কেবিনৰ দুৱাৰ বন্ধ কৰি সোমাই আছে। তেওঁৰ সহকাৰীজনে এই পৰিবেশৰ খবৰটো মূল কাৰ্যালয়লৈ জনাবৰ বাবে চেষ্টা কৰি আছে। কিন্তু তেওঁৰ হাত কঁপি থকা বাবে টেলিগ্ৰাফিক বাৰ্তা বাৰে বাৰে ভুল হৈছে।

ৰে'লখন ৰোৱাৰ লগে লগে হুইচেলৰ বিকট শব্দ আৰু..."দীন-দীন, আল্লা-হু-আকবৰ, মাৰো-কাটো-চালেকো"... এনেকুৱা গগনভেদী শব্দই মুহূৰ্ততে চৌদিশ কঁপাই তুলিলে। এই ৰে'লখনত শৰণাৰ্থীৰ ৰূপত মূলতান আৰু পশ্চিম পাঞ্জাবৰ গাঁৱবোৰৰ পৰা সৰ্বস্বান্ত হৈ কেইবাটাও হিন্দু-শিখ পৰিয়াল আহিছিল। নিজৰ সকলো হেৰুৱাই অহা হিন্দু আৰু শিখক ডবাৰ পৰা টানি উলিয়াই পাষণ্ডহঁতে তাতেই ডিঙি কাটে... ! সিমানতো ক্ষান্ত নাথাকি গুণ্ডাহঁতে বন্য উল্লাস ব্যক্ত কৰি হিন্দু আৰু শিখ ছোৱালী-বোৱাৰীবোৰক কান্ধত তুলি লৈ বলিয়াৰ দৰে সেই ঠাইৰ পৰা ওলাই গৈছিল... !

নিজৰ কাৰ্যালয়ৰ খিৰিকীৰ ফাঁকেৰে ভয়াতুৰ ষ্টেচন মাষ্টৰে এই সকলো দৃশ্য প্ৰত্যক্ষ কৰিছিল, কিন্তু একো কৰিব পৰা নাছিল। তেওঁ সহকাৰীজনক মাতি কয়, "এই সমস্ত ঘটনাৰ খবৰ টেলিগ্ৰাফৰ মাধ্যমেৰে প্ৰধান কাৰ্যালয়লৈ পঠিয়াই দিয়াঁ।" কিন্তু পাঞ্জাবত এনেধৰণৰ বাতৰি প্ৰচাৰত বাতৰি-কাকতৰ ওপৰত নিষেধাজ্ঞা আৰোপ কৰাৰ বাবে সেই বাতৰিৰ লগতে বিভিন্ন ঠাইত সংঘটিত হোৱা এনেকুৱা বহু ঘটনাই অপ্ৰকাশিত হৈয়ে ৰ'ল ... !

❑

## কৰাচী

ভাৰত, পাকিস্তান আৰু বৃটিছ বিষয়াসকলৰ এখন গুৰুত্বপূৰ্ণ বৈঠক চলি আছে। যোগাযোগ ব্যৱস্থাকে আদি কৰি বিভিন্ন দিশত আলোচনা হোৱাৰ লগতে ভাৰত আৰু পাকিস্তানৰ প্ৰশাসনত নেতৃত্বৰ বিভাজন যাতে শান্তিপূৰ্ণ হয় সেই সম্বন্ধে এই বৈঠকত আলোচনা হৈছে। শেষত এই সিদ্ধান্ত লোৱা হয় যে সংযুক্ত ভাৰতত যিবোৰ নীতি আছে, বিভাজনৰ পাছতো দুয়োখন দেশতে ১৯৪৮ চনৰ মাৰ্চ মাহলৈকে সেই নীতিয়েই বাহাল থাকিব। মাৰ্চৰ পাছত দুয়োখন দেশে নিজৰ নিজৰ নীতি অনুসৰি দেশ শাসন কৰিব। এই সময়ছোৱাত অনুমতি অবিহনেই দুয়োখন দেশৰ মাজৰ যোগাযোগ ব্যৱস্থা অব্যাহত থাকিব।

❑

## দিল্লী

নেহৰু চৰকাৰৰ সন্মুখত আটাইতকৈ ডাঙৰ প্ৰত্যাহ্বান হৈছে ভাৰত ত্যাগ কৰি যাবলৈ ওলোৱা বৃটিছ বিষয়াসকলৰ ঠাইত ভাৰতীয় বিষয়াক নিযুক্তি দিয়া। অখণ্ড ভাৰতৰ মুখ্য ন্যায়াধীশ ছাৰ উইলিয়াম পেট্ৰিকৰ কাৰ্যকাল কাইলৈ সমাপ্ত হ'ব। তেওঁ কাৰ্যভাৰ এৰাৰ পাছত এই ঠাইত কাক নিযুক্তি দিয়া হ'ব? কেইটামান নাম নেহৰুৰ মনলৈ আহিছে যদিও অৱশেষত গুজৰাটৰ ছাৰ হৰিলাল জয়কিশনদাস কানিয়াৰ নামটো ঠিক কৰে।



ছাৰ কানিয়া চুৰাটৰ মধ্যবিত্ত পৰিয়ালৰ পৰা অহা। তেওঁ মুম্বাই উচ্চ ন্যায়ালয়ত ১৯৩০ চনৰ পৰা ন্যায়াধীশ হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে। ৫৭ বছৰ বয়সীয়া কানিয়া বৰ্তমান সৰ্বোচ্চ ন্যায়ালয়ৰ সহযোগী ন্যায়াধীশ।

বৰ্তমানৰ মুখ্য ন্যায়াধীশ ছাৰ উইলিয়াম পেট্ৰিকক ভাৰত-পাকিস্তানৰ 'অৰ্বিট্ৰেচন ট্ৰিবিউনেল' 'বিবাদ নিষ্পত্তিৰ মধ্যস্থতাকাৰী' চেয়াৰমেন হিচাপ নিযুক্তি দিয়া হয়।

❑

## পেৰিছ

পেৰিছৰ 'ইণ্ডিয়ান মিলিটেৰী মিশ্যনে' আজি ঘোষণা কৰে যে "জাৰ্মানীৰ বৃটিছ আৰু ফ্ৰান্স অধিকৃত অঞ্চলসমূহত থকা 'আজাদ হিন্দ ফৌজ'ৰ ভাৰতীয় সেনাসকলে এতিয়া ভাৰতীয় পাছপোৰ্টৰ বাবে আৱেদন কৰিব পাৰিব আৰু মুক্তভাৱে যিকোনো ঠাইলৈ যাব পাৰিব" এই কয়দীসকলৰ ভিতৰত এজনৰ নাম আছিল ডাঃ হৰবংশ লাল। লাল চাহাব নেতাজীৰ 'আজাদ হিন্দ সেনা'ৰ লেফটেনেন্ট আছিল। আন কয়দীসকলৰ লগতে ডাঃ লালও ভাৰতলৈ আহিব।

❑

## ১৫১ বেলিয়াঘাট, কলকাতা –

হাইদৰী মঞ্জিল, বিয়লি ৩.০০ বাজিছে। সোডেপুৰ আশ্ৰমৰ পৰা পুৰণি 'চেভ্ৰলেট' গাড়ীখনেৰে গান্ধীজী, মনু, মহাদেৱ ভাই আৰু দুজন কৰ্মকৰ্তা হাইদৰী মঞ্জিলত উপস্থিত হ'লগৈ। তেওঁলোকৰ পিছে পিছে অহা গাড়ীখনতো কেইবাজনো কৰ্মকৰ্তা আহিছে। বৰষুণৰ বতৰ, চাৰিওফালে বোকা। হাইদৰী মঞ্জিলৰ সন্মুখত অসংখ্য মানুহ গোট খাইছে, অধিকাংশই হিন্দু।

গান্ধীজীৰ গাড়ীখন ৰোৱাৰ লগে লগে উপস্থিত জনতাই ধ্বনি দিবলৈ ধৰিলে। কিন্তু এই ধ্বনি গান্ধীজীক স্বাগত জনোৱাৰ নহয়, গালি আৰু অভিশাপৰ... "গান্ধীজী চলে জাও, ... নোৱাখলী মে জাকৰ হিন্দুওঁকী ৰক্ষা কৰো, ... পহলে' হিন্দুওঁ কো জীৱন দান, ফিৰ মুছলমানো কো স্থান, ... হিন্দুওঁ কে গদ্দাৰ গান্ধী, চলে জাও..." আৰু এই ধ্বনিৰ লগতে বটল আৰু শিলাবৰ্ষণ কৰিবলৈ ধৰিলে...।

অখণ্ড ভাৰতৰ জনপ্ৰিয় জননেতাজনৰ প্ৰতি এয়া আছিল প্ৰথম ৰাজহুৱা আক্ৰমণ আৰু অপমান... !



ক্ষন্তেক ৰৈ গান্ধীজীয়ে উপস্থিত জনতাক শান্ত হ'বলৈ হাতেৰে ইংগিত দিয়ে আৰু লাহে লাহে ক'বলৈ আৰম্ভ কৰে, "মই ইয়াত হিন্দু আৰু মুছলমানক সমানে সেৱা কৰিবলৈ আহিছোঁ। ... আপোনালোকৰ লগত ইয়াতে থাকি মই নোৱাখলীৰ হিন্দুৰ প্ৰাণ ৰক্ষা কৰি আছোঁ। মুছলমান নেতাসকলে মোৰ আগত এনেকুৱাই শপত লৈছে। আপোনালোক সকলো হিন্দুকে অনুৰোধ কৰিছোঁ, আপোনালোকেও কলকাতাৰ কোনো মুছলমান বন্ধুক যাতে কোনো ধৰণৰ অসুবিধা নকৰে।"

জনতাক তেনেদৰে আৱেদন জনাই গান্ধীজী হাইদৰী মঞ্জিলত প্ৰবেশ কৰে।

কিছুসময়ৰ পিছতে, পাঁচ হাজাৰ হিন্দুৰ হত্যাকাৰী ছুহৰাবৰ্ডি যেতিয়া সেই ঠাই পালেহি, ইতিমধ্যে শান্ত হোৱা জনতা পুনৰ গৰজি উঠিল। ভৱনটো চাৰিওফালে ঘেৰি লৈ শিলাবৰ্ষণ কৰিবলৈ ধৰিলে ...।

আবেলি ৩.০০ বজাত কৰাচীত মৌসিজী অহা বিমানে অৱতৰণ কৰিলে। বিমানবন্দৰত সেৱিকাসকল আগতীয়াকৈ আহি উপস্থিত হৈছে। 'মৌসীজী'ৰ

জোঁৱায়েক চোলকৰো উপস্থিত হৈছেহি। 'মৌসীজী'য়ে জীয়েক বৎসলাৰ পঢ়াৰ প্ৰতি বৰ আগ্ৰহ দেখা পাই ঘৰুৱা শিক্ষক ৰাখি পঢ়ুৱাইছিল। বৎসলাও ৰাষ্ট্ৰ সেৱিকা সমিতিৰ কামত জড়িত। কৰাচীত সেৱিকা সমিতিৰ শাখা বিস্তাৰত বৎসলাৰ বিশেষ অৱদান আছিল।

'মৌসীজী'ৰ সুৰক্ষাৰ বাবে সংঘৰ কেইজনমান স্বয়ংসেৱকো উপস্থিত আছে। সেৱিকা এগৰাকীৰ গাড়ীত বহি 'মৌসীজী'ৰ দলটো বিমানবন্দৰৰ পৰা ওলাই নিৰ্দিষ্ট স্থানলৈ আগবাঢ়িল ...।

ইতিমধ্যে অখণ্ড ভাৰতৰ গৱৰ্ণৰ জেনেৰেল লৰ্ড মাউণ্টবেটেন আৰু তেওঁৰ পত্নী লেডী এডৱিনা মাউণ্টবেটেন, লৰ্ডৰ 'ডাকোটা' বিমানেৰে আহি কৰাচীৰ মৌৰিপুৰ স্থিত ৰয়েল এয়াৰ ফ'ৰ্চৰ বিমানবন্দৰত নামিছেহি। তেওঁলোকক স্বাগত জনাবৰ বাবে ইয়াত পাকিস্তানৰ উচ্চপদস্থ বিষয়াসকল উপস্থিত আছে। কায়দে আজম জিন্না আৰু তেওঁৰ ভনীয়েক ফাটেমাই কৰাচীৰ চৰকাৰী আৱাস অৰ্থাৎ সিন্ধৰ 'গৱৰ্ণৰ হাউচ'ত মাউণ্টবেটেন দম্পত্তীক স্বাগত সম্ভাষণ আৰু ৰাজকীয় ভোজনৰ আয়োজনত ব্যস্ত হৈ পৰিছে।

❑

## লাহোৰ

বিয়লি ৪.০০ বাজিছে। টেম্পল ৰোডৰ নিবাসী, সহজ-সৰল স্বভাৱৰ, সাধাৰণ মানুহ মুজাহিদ তাজদিন, ৰাস্তাৰ কাষতে নান আৰু কুলছা বিক্ৰী কৰে। তাজদিনৰ প্ৰায়বোৰ বন্ধুৱেই 'মুছলিম নেচনেল গাৰ্ড'ৰ কৰ্মকৰ্তা। তাজদিনৰ এই বন্ধুবৰ্গৰ লগতে পুলিচ থানাৰ মুছলমান হাৱালদাৰেও আজি ৰাতিপুৱা তাক বুজালে যে টেম্পল ৰোডত শিখৰ যিটো ডাঙৰ গুৰুদ্বাৰা আছে, সেইটোৰ ওপৰত আক্ৰমণ কৰি সম্পূৰ্ণৰূপে ধ্বংস কৰিব লাগে ... এইটো নিজৰ ধৰ্মৰ বাবেই কৰা কাম!

তাজদিনে ইমানদিনে নান আৰু কুলছাৰ বাহিৰে আন একো জনা নাছিল। আজি কিন্তু তাৰ মগজুত এইবোৰ বৰ বেয়াকৈ সোমাল। দুপৰীয়া তাৰ দোকান বন্ধ কৰি বন্ধুবৰ্গৰ লগত সি গুৰুদ্বাৰা আক্ৰমণ কৰিবলৈ ওলাল।

এই গুৰুদ্বাৰাটো 'ছেৱীন পাতশাহী' শিখৰ কাৰণে অতি পবিত্ৰ গুৰুদ্বাৰা।



মহাৰাজ ৰঞ্জিৎ সিংহই এই গুৰুদ্বাৰাটো নিৰ্মাণ কৰিছিল। ১৬১৯ চনত গুৰু হৰগোবিন্দ সিংহ, দেৱান চন্দুৰ লগত লাহোৰলৈ আহে। সেই সময়ত তেওঁ যি ঠাইত বাস কৰিছিল, সেই ঠাইত এই গুৰুদ্বাৰাটো নিৰ্মাণ কৰে।

অধিকাংশ শিখেই আছিল ব্যৱসায়ী, ৰাতিহে তেওঁলোক ঘৰলৈ আহে। আনহাতে, গুৰুদ্বাৰা ৰক্ষাৰ দায়িত্বত আছিল মাত্ৰ চাৰিজন। গতিকে আক্ৰমণ কৰিবলৈ গুণ্ডাবাহিনীৰ এয়াই সুযোগ। বিয়লি চাৰি বজাৰ লগে লগে 'মুছলিম নেচনেল গাৰ্ড'- এ এই গুৰুদ্বাৰা আক্ৰমণ কৰে। তাজদিন সকলোতকৈ আগত, প্ৰথম পেট্ৰল বোমা সিয়েই দলিয়ায়। প্ৰায় ষাঠিটা মুছলমান গুণ্ডাৰ সন্মুখত

চাৰিজন শিখে কিমান সময় যুঁজিব? তথাপিও অসীম সাহস আৰু বীৰত্বৰে যুঁজি অৱশেষত নিজৰ তেজতেই উবুৰি খাই পৰিল ...! মহাৰাজ ৰঞ্জিৎ সিংহই নিৰ্মাণ কৰোৱা 'ছেৰীন পাতশাহী' গুৰুদ্বাৰা নিৰ্দোষী শিখৰ তেজেৰে ৰাঙলী হ'ল...!

❑

**পেশাৱৰ**

উত্তৰ পশ্চিম সীমান্ত অঞ্চল (NWFP) ৰ ৰাজধানী, পেশাৱৰৰ এটা বিশাল ভৱনতে থাকে প্ৰচুৰ ব্যক্তিত্বসম্পন্ন, সকলোৰে সন্মানিত নেতা খান আব্দুল গফুৰ খান। খান চাহাব গান্ধীজীৰ অনুগামী আছিল। সেয়ে তেওঁক 'সীমান্ত গান্ধী' উপাধি প্ৰদান কৰা হৈছিল। অৱশ্যে পাঠানসকলৰ মাজত তেওঁ 'বাদশাহ খান' নামেৰেহে প্ৰসিদ্ধ আছিল। গফুৰ খানে এই পাহাৰীয়া অঞ্চলৰ সকলো অশিক্ষিত আদিবাসীকে কংগ্ৰেছৰ পতাকাৰ তলত একগোট কৰিছিল। সেয়ে ১৯৪৫ চনৰ প্ৰান্তীয় নিৰ্বাচনত মুছলমান বহুল হোৱা সত্বেও এই প্ৰান্তত কংগ্ৰেছ শাসন হয়। মুছলিম লীগে বিশেষ আসন নাপালে। যেতিয়াৰ পৰা ভাৰতৰ বিভাজন হোৱাটো নিশ্চিত হ'ল, তেতিয়াৰ পৰাই পাঠানসকলৰ সন্মুখত এটা ডাঙৰ প্ৰশ্ন, তেওঁলোক কাৰফালে যাব ? পাঠান আৰু পাকিস্তানৰ পাঞ্জাবীসকলৰ মাজত পৰস্পৰ শত্ৰুতা বহু পুৰণি। সেইকাৰণে এই প্ৰান্তৰ সকলো পাঠানৰ ইচ্ছা, ভাৰতত চামিল হোৱা। বিধানসভাত গৰিষ্ঠসংখ্যকে এই মত প্ৰকাশ কৰিছিল। কিন্তু ভৌগোলিক সমস্যাৰ কথা আহিল। তথাপি তেওঁলোকে যুক্তি দৰ্শায় যে পূব আৰু পশ্চিম পাকিস্তানৰ মাজত দেখোন হাজাৰ মাইল দূৰ হয়, তদুপৰি কাশ্মীৰ যদি ভাৰতত চামিল হ'ব পাৰে তেন্তে আমাৰ ৰাজ্য ভাৰতত চামিল কৰিলেও নিশ্চয় কিবা এটা সমাধান ওলাব, কাৰণ, গিলগিটৰ দক্ষিণ অংশ নৰ্থ ৱেষ্ট ফ্ৰণ্টিয়াৰৰ লগত সংলগ্ন।

নেহৰুৰ সন্মুখত এইবোৰ যুক্তি একো কামত নাহিল। কংগ্ৰেছ কাৰ্যকৰী কমিটিত এই বিষয়ত আলোচনা হয়। চৰ্দাৰ বল্লভভাই পেটেলে কয়, "প্ৰান্তীয় বিধানসভাসমূহে সিদ্ধান্ত ল'ব, তেওঁলোকৰ ৰাজ্য ভাৰত নে পাকিস্তানত অন্তৰ্ভুৰ্ক্ত হ'ব। দেশৰ আন আন ভাগতো আমি এনেদৰেই কৰিছোঁ। সেয়ে



যিবোৰ অঞ্চলত গৰিষ্ঠ সংখ্যক মুছলমান, সেই সকলোবোৰ ৰাজ্য পাকিস্তানৰ অন্তৰ্ভুক্ত হ'ব। এই নীতিৰ ওপৰত ভিত্তি কৰিয়েই নৰ্থ ৱেষ্ট ফ্ৰণ্টিয়াৰ ৰাজ্য ভাৰতত চামিল হোৱা উচিত, কাৰণ তাত কংগ্ৰেছৰহে সংখ্যাগৰিষ্ঠ মত আছে।" কিন্তু নেহৰু নিজৰ মতত অটল আছিল। নেহৰুৱে তেতিয়া ক'লে, "মই গণতন্ত্ৰবাদী। সেয়ে তাৰ অধিবাসীসকলক এনেকুৱা সিদ্ধান্ত ল'বৰ বাবে আৰু কিছুদিন সময় দিয়া উচিত।"

বাদশাহ খানে বাতৰি কাকতত পঢ়িহে এই কথা গম পালে যে তেওঁৰ ৰাজ্যৰ সম্বন্ধে 'সৰ্বমত'ৰ সিদ্ধান্ত লোৱা হৈ গৈছে। যিজন ব্যক্তিয়ে ইমান কঠিন পৰিস্থিতিৰ মাজতো, মুছলমান বহুল অঞ্চল হোৱা সত্বেও কংগ্ৰেছী ৰাজ্য কৰিলে, সেইজনক নেহৰুৱে এনেকুৱা এটা গুৰুত্বপূৰ্ণ বিষয়ৰ আলোচনা হওঁতে, সেই আলোচনাত অংশগ্ৰহণ কৰাৰ যোগ্য বুলিও নাভাবিলে... ! সেয়ে বাতৰিটো পঢ়িয়েই খান আব্দুল গফুৰ খানে বৰ দুখেৰে ক'লে, "কংগ্ৰেছে এই ৰাজ্যখন থালীত সজাই মুছলিম লীগক দি দিলে ... !"

এই প্ৰান্তত জনমতৰ প্ৰক্ৰিয়া ১৯৪৭ চনৰ ২০ জুলাইত আৰম্ভ হয়। ইয়াৰ আগৰেপৰাই মুছলিম লীগে ইয়াত সকলোৰে মাজত ধৰ্মৰ প্ৰতি আকৃষ্ট কৰাৰ নামত উচটনি দিছিল। বাদশাহ খানে চিন্তা কৰিছে, নেহৰুৰ ভুলৰ বাবে আমি কিমান আৰু কেনেকুৱা শাস্তি ভোগ কৰিব লাগিব?

এই জনমত প্ৰৱঞ্চনাৰ বাহিৰে আন একো নাছিল। যি ৬ টা আদিবাসী অঞ্চলত খান আব্দুল গফুৰ খানৰ গভীৰ প্ৰভাৱ আছিল, সেইসকলক ভোট দান কৰিবলৈ দিয়া নহ'ল। পঁয়ত্ৰিশ লাখ জনতাৰ ভিতৰত মাত্ৰ পাঁচ লাখ বাসত্তৰ হাজাৰকহে ভোট দান কৰিবলৈ দিয়া হয়। সৱত, দীৰ, অম্ব আৰু চিত্ৰাল --- এইবোৰ কেন্দ্ৰত ভোটদান নহ'লেই।

ভোট দানৰ মুঠ সংখ্যা আছিল ৫১শতাংশ। পাকিস্তানত চামিল বিচৰাসকলৰ বাবে সেউজীয়া আৰু ভাৰতত চামিল বিচৰাসকলৰ বাবে ৰঙা ৰঙৰ পাত্ৰ থোৱা হৈছিল। পাকিস্তানৰ পক্ষে ২, ৮৯, ২৪৪ ভোট পৰে আৰু কংগ্ৰেছে বহিষ্কাৰ কৰা সত্বেও ভাৰতত চামিলকৰণৰ পক্ষে ২, ৮৭৪ ভোট পৰে। অৰ্থাৎ পঁয়ত্ৰিশ লাখৰ ভিতৰত তিনিলাখতকৈও কম ভোট পৰে পাকিস্তানৰ পক্ষত।

এই কথাৰ বাবে বাদশাহ খানৰ মনত নেহৰু আৰু কংগ্ৰেছৰ ওপৰত বৰ খং। যেতিয়া পেশাৱৰ, কোহট, বানু, স্বাত, সঞ্জৱাত অঞ্চলৰ কৰ্মকৰ্তাসকলে তেওঁক সুধিছিল, "আমি ভাৰতৰ পৰা আঁতৰি যাব লাগিব নেকি ?" তেতিয়া সীমান্ত গান্ধীৰ ওচৰত এই প্ৰশ্নৰ কোনো উত্তৰ নাছিল ...।

❑

## কৰাচী

কায়দে আজম জিন্নাৰ নিৱাস স্থান... ৰাতি ৯.০০ বাজিছে। লৰ্ড মাউণ্টবেটেনক আদৰণিৰ বাবে, পাকিস্তানৰ স্বাধীনতা দিৱসৰ পূৰ্ব সন্ধ্যা, জিন্না চাহাবে ৰাজকীয় ভোজনৰ আয়োজন কৰিছে। কেইখনমান দেশৰ ৰাজদূত আৰু বিষয়াও তাত উপস্থিত আছে। পানীৰ নিচিনাকৈ দামী মদ বিলোৱা হৈছে। কিন্তু এই ভোজমেলৰ আয়োজনকৰ্তা অৰ্থাৎ স্বয়ং জিন্না সকলোৰে পৰা অলপ আতৰি আছে। ভোজন-পৰ্ব আৰম্ভ হোৱাৰ আগতে জিন্নাই নিজৰ চমু ভাষণ পাঠ কৰে--

"য়ৰ এক্সিলেন্সী, য়ৰ হাইনেছ! হিজ মেজেষ্টি সম্ৰাটৰ দীৰ্ঘ আৰু সুস্থ জীৱনৰ বাবে আপোনাৰ সন্মুখত এই জামু ৰাখি মই বৰ আনন্দিত হৈছোঁ। য়ৰ এক্সিলেন্সী, লৰ্ড মাউণ্টবেটেন, ৩ জুনৰ বৈঠকত সকলো সিদ্ধান্ত আৰু

নীতিগত কথাবোৰ আপুনি যিদৰে কুশলতাৰে সম্পূৰ্ণ কৰিলে, আমি তাৰ বাবে প্ৰশংসা কৰিছোঁ। পাকিস্তান আৰু হিন্দুস্তানে আপোনাৰ যোগদানক কেতিয়াও পাহৰিব নোৱাৰে ... !

কি যে বিড়ম্বনা, ইছলামিক সিদ্ধান্তৰ বাবে যি ৰাষ্ট্ৰ জন্ম লবলৈ গৈ আছে, সেই ৰাষ্ট্ৰৰ নিৰ্মাণ মদৰ নদী বোৱাই কৰিব ধৰিছে।

❑

## অল ইণ্ডিয়া ৰেডিঅ', লাহোৰ কেন্দ্ৰ। ৰাতি ১১.৫০ বাজিছে

ঘোষকে ঘোষণা কৰিছে -- "এয়া অল ইণ্ডিয়া ৰেডিঅ'ৰ লাহোৰ কেন্দ্ৰ। পৰৱৰ্তী কাৰ্যসূচীৰ বাবে আপোনালোকে আৰু ১০ মিনিট অপেক্ষা কৰক..." লগে লগে বাদ্য-সংগীত আৰম্ভ হয়।

১২ বাজি ১ মিনিট --

"আসলাম আলেকুম। ... মই লাহোৰৰ পৰা কৈছোঁ। আপোনালোক সকলোকে স্বাগত জনাইছোঁ। কুবুল-এ-সুবহ-এ-আজাদী... !" আৰু এনেকৈয়ে পাকিস্তানৰ জন্মৰ ঘোষণা কৰা হ'ল।

❑

## চতুৰ্দশ ঃ ১৪ আগষ্ট, ১৯৪৭

হাইদৰী মঞ্জিলৰ পৰা প্ৰাতঃভ্ৰমণৰ বাবে গান্ধীজী ওলাই গৈছে। ওচৰ-চুবুৰীয়াৰ ভগা-ছিগা আৰু জুয়ে পোৰা ঘৰবোৰ দেখি গান্ধীজী ক্ষন্তেকৰ বাবে স্তব্ধ হৈ পৰে। তেওঁৰ লগত যোৱা কৰ্মকৰ্তাই ক'লে যে এইবোৰ হিন্দুৰ ঘৰ, মুছলমান গুণ্ডাই তিনি দিন আগতে জ্বলাইছে। গান্ধীজীয়ে বিষণ্ণ দৃষ্টিৰে ঘৰবোৰৰ ফালে চাই লাহে লাহে আগবাঢ়ে।

আজি ছুহৰাবৰ্ডি গান্ধীজীৰ লগত নাই। কাৰণ সেই হাইদৰী মঞ্জিলত ৰাতি শুবৰ বাবে তেওঁৰ সাহস নহ'ল, আজি ৰাতিপুৱা ১১ বজাতহে আহিব। এজন কাৰ্যকৰ্তাই গান্ধীজীক জনালে যে গান্ধীজীৰ দ্বাৰা আহ্বান কৰাৰ ফলত সম্পূৰ্ণ কলকাতা চহৰত হিন্দু আৰু মুছলমানৰ সংযুক্ত শোভাযাত্ৰা ওলাব। যোৱাকালিৰ পৰা কলকাতা চহৰত এটাও সংঘৰ্ষৰ বাতৰি অহা নাই।

❑

### কৰাচী, ৰাতিপুৱা ৯.০০ বাজিছে

বিধানসভা হলত উখল-মাখল পৰিবেশ, কিছুসময়ৰ ভিতৰতে পাকিস্তানৰ অস্তিত্বই পূৰ্ণতা লাভ কৰিব। বিভিন্ন ক্ষেত্ৰৰ পৰা নেতাসকল আহি এই শংখ আকৃতিৰ সভাগৃহটোত বহিছেহি। এইসকলৰ ভিতৰত পাঠান, আফ্ৰিদী, ৰজিৰ, মহছুদ, পাঞ্জাবী, বলুচ, সিন্ধী আৰু বঙালীও আছে। ডেৰহাজাৰ মাইল দূৰৈত থকা এই বঙালীসকল বাকীসকলতকৈ দেখাত অলপ বেলেগ।

প্ৰথম ভাষণ লৰ্ড মাউণ্টবেটেনৰ। তেওঁৰ ভাষণ লিখি দিয়াজনৰ নাম জন ক্ৰিষ্টী। মাউণ্টবেটেনে লিখিত ভাষণ পাঠ কৰে -- "পাকিস্তানৰ উদয়,



এইটো এটা ঐতিহাসিক ঘটনা। প্ৰত্যেক ইতিহাস কেতিয়াবা কিছুমান হিমখণ্ডৰ দৰে লাহে লাহে আৰু কেতিয়াবা পানীৰ দৰে বেগেৰে বৈ আগলৈ যায়। আমি কেৱল ইতিহাসৰ বাধাবোৰ দূৰ কৰি এই ঘটনাৰ প্ৰবাহত নিজকে সমৰ্পণ কৰা উচিত। এতিয়া আমি পিছলৈ চোৱা উচিত নহয়, আমি কেৱল ভৱিষ্যতৰ দিশে চোৱা উচিত।

ভাৱলেশ হীন আৰু কিন্তু কঠোৰ চেহেৰাৰ জিন্নাৰ পিনে চাই মাউন্টবেটেনে ক'লে - এই সুযোগতে মই মিষ্টাৰ জিন্নাক ধন্যবাদ জনাইছোঁ। আমাৰ দুয়োজনৰ মাজত আত্মীয়তা আছে। সেয়ে ভৱিষ্যতেও আমাৰ সম্বন্ধ ভাল হৈ থাকিব, এইটোত মোৰ সম্পূৰ্ণ বিশ্বাস আছে।"

আজি জিন্নাৰ বিশেষ ক'বলগীয়া নাই। সংক্ষিপ্ত ভাষণৰ বাবে জিন্না থিয় হয়। পিন্ধনত উজ্জ্বল, সুন্দৰ শেৰৱানী, ডিঙিলৈকে বুটাম বন্ধ। নাকৰ সহায়ত এটা চকুৰ ওপৰত পিন্ধা চশমাৰে জিন্নাই কয় -- "বৃটেইন আৰু বৃটেইনে নিৰ্মাণ কৰা উপনিবেশৰ লগত আজি তেওঁলোকৰ সম্বন্ধ-বিচ্ছেদ হোৱাৰ সময়, কিন্তু আমাৰ পৰস্পৰ স্নেহ ভাৱ আজিও জাগ্ৰত হৈ আছে। যোৱা তেৰশ বছৰৰ পৰা অস্তিত্বত থকা আমাৰ পৱিত্ৰ ইছলামৰ ফালৰপৰা মই আপোনাক কথা দিছোঁ যে পাকিস্তানত অন্য ধৰ্মৰ প্ৰতি সহিষ্ণুতা পালন কৰা হ'ব। আমাৰ চুবুৰীয়া ৰাষ্ট্ৰ আৰু বিশ্বৰ আন সকলো দেশৰ লগত বন্ধুত্বপূৰ্ণ সম্বন্ধ তৈয়াৰ কৰাৰ দিশত পাকিস্তান কেতিয়াও পিছ নোহোঁহঁকে... !"

এই চমু ভাষণৰ পিছতে পাকিস্তানৰ প্ৰথম গৱৰ্ণৰ জেনেৰেল ৰূপে জিন্নাই শপত গ্ৰহণ কৰে আৰু অধিকাৰিক ৰূপে পাকিস্তান নামেৰে এখন ৰাষ্ট্ৰৰ উদয় হয়...।



## এতিয়া শোভাযাত্ৰা আৰম্ভ ...!

বিধানসভা হলৰ পৰা গৱৰ্ণৰ হাউচ অৰ্থাৎ জিন্নাৰ বৰ্তমান নিৱাস স্থানলৈকে, তিনি মাইল দূৰলৈকে হ'ব এই শোভাযাত্ৰা।

সুন্দৰকৈ সজোৱা এখন ক'লা ৰঙৰ গাড়ী, দুয়োফালে জনতাৰ শাৰী। গাড়ীৰ পিছৰ চিটত জিন্না আৰু লৰ্ড মাউণ্টবেটেন বহিছে। সেনাই একৈশ জাই গুলী ফুটাই সম্ভাষণ জনোৱাৰ লগে লগে গাড়ীখন ধীৰ গতিৰে আগবাঢ়িল।

ৰাস্তাত অসংখ্য জনতাৰ ভিৰ, সকলোৰে মুখত জিন্না আৰু পাকিস্তানৰ নামত জয়ধ্বনি ! নিৰ্দিষ্ট দূৰত্বৰ ব্যৱধানত সজাগ সেনা আৰু পুলিচ। গৱৰ্ণৰ হাউচৰ মূল প্ৰবেশ পথত কাৰখন ৰোৱাৰ পাছত সদায় কঠোৰ ভাৱত থকা জিন্নাই সামান্য হাঁহি মাউণ্টবেটেনক ক'লে, " ইনশাল্লাহ... মই আপোনাক 'ইমান ভিৰৰ মাজেৰে' জীৱিত অৱস্থাতযে আনিব পাৰিলোঁ... !"

মাউণ্টবেটেনে একো উত্তৰ নিদিলে। জিন্নাৰ ফালে কেৱল চাই থাকিল আৰু মনে মনে ভাৱিলে কোনে কাক জীৱিত অৱস্থাত আনিলে ? আৰে বদমাছ মোৰ কাৰণেই তুমি জীৱিত অৱস্থা এইখিনি পালাহি...।

## শ্ৰীনগৰ ৰাতিপুৱা ১০.০০ বাজিছে

চহৰৰ মূল পোষ্ট অফিচ 'জি, পি, অ', বিষয়াজনে কাৰ্যালয়ত পাকিস্তানৰ পতাকা লগাই থৈছে। দুজন স্বয়ংসেৱকে দেখা পাই পোষ্ট মাষ্টাৰক সুধিলেগৈ, "আপুনি ইয়াত পাকিস্তানৰ পতাকা কেনেকৈ লগাইছে ? মহাৰাজ হৰিসিংহই এতিয়াও কাশ্মীৰ পাকিস্তানত চামিল কৰা নাই।" মুছলমান পোষ্ট মাষ্টাৰজনে শান্তভাৱে উত্তৰ দিলে, "বৰ্তমান শ্ৰীনগৰ পোষ্ট অফিচ, শিয়ালকোট চাৰ্কোলৰ অন্তৰ্গত আৰু এতিয়া শিয়ালকোট পাকিস্তানৰ অংশ হ'ল। সেয়ে এই পোষ্ট অফিচত পাকিস্তানৰ পতাকা লগাইছোঁ।"

স্বয়ংসেৱক দুজনে জম্মু-কাশ্মীৰৰ প্ৰান্তীয় সঞ্চালক প্ৰেমনাথ ডোগৰাক এই বাৰ্তা জনালে। ডোগৰাই তৎক্ষণাৎ মহাৰাজ হৰিসিংহৰ কাৰ্যালয়ৰ দায়িত্বত থকাসকলক এই কথা জনালে আৰু কেইজনমান স্বয়ংসেৱকক মূল পোষ্ট অফিচলৈ পঠিয়ালে। এই স্বয়ংসেৱকসকলে সেই পোষ্ট মাষ্টাৰজনক বুজালে আৰু আধাঘণ্টাৰ ভিতৰতে পাকিস্তানৰ পতাকা গুচাই দিয়া হ'ল।

ৰাতিপুৱা ১০.০০ বাজিছে।

## কৰাচী

বিয়লি, ২.০০ বাজিছে।

সমাৰোহৰ 'দৰবাৰী' সাজ সলোৱাৰ পাছত লৰ্ড মাউণ্টবেটেন আৰু লেডি



মাউণ্টবেটেন দিল্লীলৈ যাবৰ বাবে সাজু হৈছে। আজি ৰাতি তেওঁলোক ভাৰতৰ সমাৰোহত উপস্থিত থাকিব। কায়দে আজম জিন্না আৰু তেওঁৰ ভনীয়েক ফাতেমাই লৰ্ড দম্পতীক বিদায় দিয়ে।

এইদৰে, নৱনিৰ্মিত পাকিস্তানৰ প্ৰথম ৰাজনৈতিক অতিথি ৰূপে ভাৰতৰ গৱৰ্ণৰ জেনেৰেল লৰ্ড আৰু লেডি মাউণ্টবেটেনে জিন্নাৰ পৰা বিদায় লয়।

❑

## কলকাতা বিমান বন্দৰ

বিয়লি ৩.০০ বাজিছে...। বিভাজিত বংগ অৰ্থাৎ পশ্চিমবঙ্গৰ গৱৰ্ণৰ হিচাপে নিযুক্ত কৰা চক্ৰৱৰ্তী ৰাজাগোপালাচাৰীৰ বিশেষ বিমান আজি দিল্লীৰ পৰা আহিব। আজি ৰাতিয়েই ৰাজাজীৰ শপত গ্ৰহণ সমাৰোহ হ'ব। বিমানবন্দৰত কংগ্ৰেছৰ কেইজনমান কৰ্মকৰ্তা উপস্থিত হৈছেহি। কিন্তু তেওঁলোকৰ মাজত একো উৎসাহ দেখা পোৱা নগ'ল, কাৰণ বংগত ৰাজাজীৰ বিৰোধ অব্যাহত আছে। ৰাজাগোপালাচাৰীৰ এই পদৰ বিৰোধিতা কৰি সুভাষচন্দ্ৰ বসুৰ ভায়েক আৰু বংগৰ কংগ্ৰেছৰ জ্যেষ্ঠ নেতা শৰৎচন্দ্ৰ বসুৱে নিজৰ পদৰ পৰা পদত্যাগ কৰিছে।

গৱৰ্ণৰ হাউচৰ কেইজনমান বিষয়া আৰু কৰ্মচাৰীয়ে, বিমানবন্দৰৰ পৰা ৰাজাজীক তেওঁৰ বাবে অনুমোদিত বিশেষ 'গৱৰ্ণৰ কাৰ'ত লৈ গৱৰ্ণৰ হাউচ পালেগৈ।

❑

## ছিংগাপুৰ

ছিংগাপুৰৰ 'ইণ্ডিয়ান ইণ্ডিপেণ্ডেন্টছ ডে' চেলিব্ৰেছন কমিটী'য়ে মালয় এয়াৰৱেজৰ লগত কাইলৈ স্বাধীনতা দিৱস পালন কৰাৰ বিষয়ে আলোচনা কৰিছে। মালয় এয়াৰৱেজৰ বিমানত সুভাষ চন্দ্ৰ বসুৰ 'আজাদ হিন্দ সেনা'ৰ চিপাহী আৰু বিষয়া, 'ৰাণী ঝান্সী ৰেজিমেন্ট'ৰ মহিলা সৈনিক আৰু 'বাল সেনা'ৰ কেইজনমান কৰ্মকৰ্তা সেই সময়ত বিমানত থাকিব আৰু পতাকা উত্তোলন কৰাৰ সময়ত বিমানৰ পৰা পুষ্পবৃষ্টি কৰাৰ ইচ্ছা প্ৰকাশ কৰিছে।

কিন্তু 'আজাদ হিন্দ সেনা'ৰ নাম শুনা মাত্রেই ছিংগাপুৰৰ চিভিল এৱিএছন বিভাগে আপত্তি কৰে। অৱশেষত ছিংগাপুৰৰ 'ইণ্ডিয়ান ইণ্ডিপেণ্ডেন্টছ ডে' চেলিব্রেছন কমিটী'য়ে অকলেই স্বাধীনতা দিৱস পালন কৰিবলৈ মনস্থ কৰে।

❑

## কৰাচী

বিয়লি ৪.০০ বাজিছে। কৰাচীৰ এটা বিশাল ভৱন। সংঘৰ লগত সম্বন্ধ থকা এটা পৰিয়ালৰ ঘৰ। ঘৰৰ দুগৰাকী মহিলা 'ৰাষ্ট্ৰ সেৱিকা সমিতি'ৰ সক্রিয় সেৱিকা। এই ভৱনটোৰ ছাঁদৰ ওপৰত সেৱিকাসকলৰ একত্রিকৰণ কাৰ্যক্রম ৰখা হৈছে। কৰাচী চহৰৰ হিন্দুবহুল গাঁৱবোৰৰ পৰা আহিছে এই সেৱিকাসকল। ৰাতিপুৱা কায়দে আজম জিন্না আৰু লৰ্ড মাউণ্টবেটেনৰ শোভাযাত্রাৰ কিছুসময়ৰ আগতে সামৰণি পৰিছে। সেইকাৰণে ৰাস্তাত বিশেষ ভীৰ নাই। আজি গুৰুবাৰ হ'লেও পাকিস্তানৰ স্বাধীনতা দিৱস উপলক্ষে বিদ্যালয় সমূহ বন্ধ।

সাত-আঠশ সেৱিকাৰ উপস্থিতিত গম্ভীৰ পৰিৱেশ, কিন্তু সকলোৰে মনত উৎসাহ, কাম কৰাৰ হাবিয়াস ! তেওঁলোকৰ নিজা পতাকা উত্তোলন কৰি, সেৱিকাসকলৰ মনত আশা আৰু আত্মবিশ্বাস জগোৱাৰ বাবে গীত গোৱা হয়। ইয়াৰ পাছত লক্ষ্মীবাঈ কেলকৰ অৰ্থাৎ 'মৌসীজী'য়ে ধীৰ-স্থিৰ স্বৰেৰে ভাষণ আৰম্ভ কৰে। বৈঠকত প্রশ্নোত্তৰৰ বাবেও কিছুসময় ৰখা হয়। এগৰাকী সেৱিকাৰ প্রশ্ন -- "পাকিস্তানত আমাৰ সন্মান বিপদত। আমি কি কৰা উচিত ? আমি ক'লৈ যাম ?"

'মৌসীজী'য়ে আশ্বাসৰ সুৰত ক'লে, "যেনেদৰে সম্ভৱ হয়, ভাৰতলৈ আহাঁ। ইয়াৰ পৰা ওলাই ভাৰতলৈ কেনেকৈ যাব পাৰি, কেৱল এইটো কথা চিন্তা-চৰ্চা কৰা। মুম্বাই আৰু আন চহৰসমূহত সংঘই আপোনালোকৰ বাবে ব্যৱস্থা কৰিছে, চিন্তা নকৰিব। আমি সকলো একেটাই পৰিয়াল। এই জটিল সময়ত নিজৰ ভিতৰত মিলা-প্রীতিৰে যিকোনো প্রকাৰে আমি সকলোকে উলিয়াই নিম।"

"ভনীহঁত, ধৈৰ্যশীল হোৱা, নিজৰ সন্মান বচাবা, নিজৰ সংগঠনৰ ওপৰত

ভৰসা ৰাখা। মাতৃভূমিৰ সেৱাৰ ব্ৰত সকলো সময়তে ৰাখিবা। সংগঠনৰ শক্তিৰ দ্বাৰা আমি এই সংকটৰ পৰা সুৰক্ষিতভাবে ওলাই যাম।"

'মৌসীজী'ৰ মুখেৰে এই আশ্বাস-বাণী শুনি সিন্ধৰ সেই সেৱিকাসকলৰ মনত নিশ্চিতভাৱে আত্মবিশ্বাস জাগি উঠে।

❑

## কৰাচীত পুণৰ এবাৰ

কৰাচীত হোৱা জিন্না আৰু মাউণ্টবেটেনৰ শোভাযাত্ৰা আৰু সমাৰোহক বাদ দি পাকিস্তানত স্বতন্ত্ৰতা দিৱসৰ বিশেষ কোনো উৎসাহ দেখা পোৱা নগ'ল। পশ্চিম পাকিস্তানত চন্দ্ৰ-তৰাযুক্ত সেউজীয়া পতাকা উৰি থকা দেখা পোৱা গৈছিল যদিও পূব পাকিস্তানত চন্দ্ৰ-তৰাযুক্ত পতাকা কতো উৰি থকা দেখা নগৈছিল। পাকিস্তান নিৰ্মাণ হোৱাৰ ফলত ইছলামিক ৰাষ্ট্ৰ সকলৰ মাজত শক্তিশালী নেতৃত্ব প্ৰদান কৰিব পৰা এখন দেশৰ উদয় হ'ল বুলি সকলোৱে অনুভৱ কৰিছে।

❑

## কলকাতা, বেলিয়াঘাট

গান্ধীজীৰ সান্ধ্য প্ৰাৰ্থনাৰ সময় হৈছে। পৰাধীন ভাৰতত আজি তেওঁৰ



অন্তিম প্ৰাৰ্থনা। গান্ধীজীয়ে সদায় সন্ধিয়া প্ৰাৰ্থনাৰ অন্তত সূতা কটা, আণৱিক বোমাৰ পৰা হোৱা বিপদ, শৰীৰ-চৰ্চা, ব্ৰহ্মচৰ্য ব্ৰত পালনৰ লাভ, ভগৱদগীতাৰ শিক্ষা, অহিংসা, স্বচ্ছতা আদি বিভিন্ন বিষয়ৰ ওপৰত কয়। স্বাধীনতাৰ পূৰ্ব সন্ধ্যা, ...গান্ধীজীয়ে বা আজি কি বিষয়ে কয়... আজি সকলোৰে মনত কৌতুহল, সেয়ে আজি সান্ধ্য প্ৰাৰ্থনা-সভা বেলিয়াঘাটৰ ৰাজহুৱা স্থানত অনুষ্ঠিত কৰিবলৈ ঠিক কৰা হৈছে।

সভাত প্ৰায় দহ হাজাৰ লোক সমবেত হৈছে। গান্ধীজীয়ে শান্ত স্বৰেৰে ক'বলৈ আৰম্ভ কৰে, "প্ৰথমতে আপোনালোক সকলোকে মই অভিনন্দন জনাইছোঁ, কাৰণ, আপোনালোকে কলকাতাত হিন্দু-মুছলমানৰ বিবাদ নোহোৱা কৰিলে। এইটো বৰ ভাল কথা। মই আশা কৰিছোঁ যে, এইটো সাময়িক নহয়, আপোনালোক সকলোৱে আগলৈকো বন্ধু ভাবতেই থাকিব।"

"কাইলৈৰ পৰা আমি বৃটিছৰ দাসত্বৰ পৰা মুক্তি লাভ কৰিম। কিন্তু ইয়াৰ লগতে আজি ৰাতি আমাৰ দেশ বিভাজিত হ'ব। সেয়ে কাইলৈৰ দিনটো এফালে যেনেদৰে আনন্দদায়ক, তেনেদৰে দুখজনকো। স্বাধীনতা লাভৰ পিছত আমাৰ সকলোৰে দায়িত্ব যথেষ্ট বাঢ়িব। যদি কলকাতা চহৰৰ বুদ্ধি আৰু বন্ধুভাব প্ৰমাণিত হয়, তেতিয়া সম্ভৱতঃ আমাৰ দেশ ডাঙৰ সংকট এটাৰ পৰা মুক্ত হ'ব। কিন্তু যদি জাতীয়-ধাৰ্মিক বিদ্বেষ ভাবে এই দেশ ছানি ধৰে, তেতিয়া নতুনকৈ লাভ কৰা আমাৰ স্বাধীনতা বেছি সময়লৈ তিষ্ঠি থাকিবনে ?"

"আপোনালোকক এই কথা ক'বলৈ মোৰ বৰ কষ্ট হৈছে যে ব্যক্তিগতভাবে মই কাইলৈৰ স্বাধীনতা দিৱস আনন্দেৰে পালন নকৰোঁ। মোৰ অনুগামীসকলকো কওঁ যে কাইলৈ চৌবিশ ঘণ্টাৰ উপবাস ৰাখক, প্ৰাৰ্থনাত নিজৰ সময় কটাওক আৰু যঁতৰত সূতা কাটক। এইবোৰ কৰিলেহে আমাৰ দেশৰ কল্যাণ হ'ব।"

❑

## দিল্লী

কংগ্ৰেছৰ প্ৰধান কাৰ্যালয়ত সন্ধিয়া ৬.০০ বাজিছে। নিৰন্তৰ বৰষুণ দি আছে।

কংগ্ৰেছৰ ৰাষ্ট্ৰীয় অধ্যক্ষৰ প্ৰেছ্-বিজ্ঞপ্তি এখন প্ৰকাশৰ বাবে পঠোৱাৰ ব্যৱস্থা কৰা হৈছে। ইয়াত অধ্যক্ষ জে.বি. কৃপালনীয়ে লিখিছে, ‘‘আজিৰ দিনটো আমাৰ বাবে দুখৰ দিন। আমাৰ প্ৰিয় মাতৃভূমিৰ বিভাজন হ’বলৈ গৈ আছে, কিন্তু আশাকৰো আমি ইয়াতকৈও আগুৱাই যাম আৰু এখন নতুন ভাৰত নিৰ্মাণ কৰিম... !’’

❑

## দিল্লী

সন্ধিয়া ৬.০০ বাজিছে।

ডঃ ৰাজেন্দ্ৰ প্ৰসাদৰ ভৱন।

নেহেৰুক বাদ দি তেখেতৰ মন্ত্ৰীসভাৰ অধিকাংশ সদস্যই ইয়াত উপস্থিত আছে। প্ৰতিৰক্ষা মন্ত্ৰী বলদেৱ সিংহ পাঞ্জাব ভ্ৰমণত আছে, সেয়েহে এতিয়ালৈকে আহি পোৱা নাই যদিও সোনকালেই পাবহি।

এই ভৱনৰ চৌহদত স্বাধীন ভাৰতৰ উজ্জ্বল ভৱিষ্যতৰ বাবে যজ্ঞ চলি আছে। বেদবিদ্যাত পাৰ্গত আচাৰ্যসকলৰ দ্বাৰা যজ্ঞ কৰোৱা হৈছে। যজ্ঞৰ পূৰ্ণাহুতিৰ পিছত আহাৰ গ্ৰহণ কৰি সকলো মন্ত্ৰীকে ষ্টেট কাউন্সিল বিল্ডিঙত হ’বলগীয়া ৰাজ্যাৰোহণ সমাৰোহলৈ লৈ যোৱা হ’ব।

❑

## দিল্লী... ৰাতি ১০.০০ বাজিব হৈছে

বাহিৰত বৰষুণ দি আছে। ষ্টেট কাউন্সিল বিল্ডিঙত সংবিধান সভাৰ সকলো সদস্য, মন্ত্ৰী, জ্যেষ্ঠ বিষয়াসকল লাহে লাহে সমবেত হৈছেহি। গোলাকাৰ সভাগৃহৰ বাহিৰত হাজাৰোধিক লোকে বৰষুণলৈও কেৰেপ নকৰি তিতি-বুৰি ৰৈ আছে।

চৰ্দাৰ বল্লভভাই পেটেল, আজাদ, ডঃ ৰাজেন্দ্ৰ প্ৰসাদ, শ্যামা প্ৰসাদ মুখাৰ্জী, ডঃ আম্বেদকাৰ, বলদেৱ সিংহ, নেহৰু, ৰাজকুমাৰী অমৃত কৌৰ... সকলো মন্ত্ৰী এজন এজনকৈ আহি আছে আৰু তাত উপস্থিত জনতাৰ উৎসাহ শীৰ্ষবিন্দুত উপনীত হৈছে। প্ৰতিজন মন্ত্ৰীৰ আগমনত তেওঁলোকৰ নামত



জনতাই জয়ধ্বনি দিছে, লগতে "ৰন্দে মাতৰম্", " মহাত্মা গান্ধী কী জয়" ধ্বনিত চোদিশ কঁপি উঠিছে... !

সভাগৃহত সৰ্বোচ্চ আসনত এই সভাগৃহৰ অধ্যক্ষ ডঃ ৰাজেন্দ্ৰ প্ৰসাদ বহিছে। তেওঁৰ বাওঁফালে সামান্য তলত সম্পূৰ্ণ সৈনিক সাজত লৰ্ড মাউণ্টবেটেন বহিছে। নেহৰুৱে বগা কুৰ্তা-পাইজামা, লগতে নতুনকৈ চিলোৱা ডিঙিলৈকে বন্ধ কোট, সেই কোটৰ ওপৰত এটা সুন্দৰ জেকেট আৰু জেকেটত এটা গোলাপ ফুলৰ কলি লগাই থোৱা আটক ধুনীয়া পোচাক পিন্ধি আহিছে।

ডঃ ৰাজেন্দ্ৰ প্ৰসাদে সভা আৰম্ভ কৰে। ভাষণত স্বাধীনতা সংগ্ৰামত প্ৰাণ আহুতি দিয়াসকলক স্মৰণ কৰে তেওঁ। ভাষণৰ অন্তত মহাত্মা গান্ধীৰ কথা উল্লেখ কৰে --"আমাৰ সকলোৰে গুৰু, আমাক পথ দেখুৱাওতা গান্ধীজী আজি আমাৰ পৰা হাজাৰ মাইল দূৰত, শান্তি স্থাপন কৰাৰ কামত ব্যস্ত আছে ... !"

ৰাজেন্দ্ৰ প্ৰসাদৰ পাছত শান্ত আৰু গম্ভীৰ স্বৰেৰে নেহৰুৱে ভাষণ দিবলৈ আৰম্ভ কৰে --"বহুবছৰৰ আগতে আমি নিয়তিৰ লগত এটা সন্ধি কৰিছিলোঁ। সম্পূৰ্ণৰূপে নহ'লেও আজি আমি যথেষ্ট সফলতা লাভ কৰিছোঁ। ঠিক মাজৰাতি ১২.০০ বজাৰ লগে লগে, যেতিয়া সমস্ত পৃথিৱী শান্তিত শুই থাকিব, তেতিয়াই ভাৰতৰ স্বাধীনতাই এটা নতুন যুগত, নতুন জন্মত প্ৰবেশ

হ'ব... ! নেহেৰুৱে অতি সুন্দৰ শব্দৰে নিজৰ ভাষণটো তৈয়াৰ কৰি আনিছিল। যিটো তৈয়াৰ কৰিবলৈ নেহেৰুৱে হয়টো বহুত ৰাতি উজাগৰে কটাইছিল।

ৰাতি ১২.০০ বজাৰ লগে লগে, সভাগৃহত বহি থকা গান্ধী-টুপী পিন্ধা এজন সদস্যই থিয় হৈ তেওঁৰ হাতত লৈ অহা শংখটো বজালে ... তাৰ পিছতেই আৰম্ভ হ'ল এক নতুন যুগৰ... ! স্বৰ্গগামী হোৱা অনেক ক্ৰান্তিকাৰীৰ আত্মাই এই দৃশ্য দেখি নিশ্চয় তৃপ্তি পাইছিল।

ভাৰতবৰ্ষ এতিয়া স্বাধীন হ'ল ... !

❑

## দিল্লী, মধ্যৰাতি

ৰাতি গভীৰ হৈ আহিছে, ধাৰাসাৰ বৰষুণ। এনেকুৱা পৰিস্থিতিতিত দিল্লীৰ কমলা নগৰ স্থিত সংঘৰ সৰু কাৰ্যালয়টোত কেইজনমান প্ৰচাৰক আৰু দিল্লীৰ সংঘৰ কেইজনমান প্ৰমুখ কাৰ্যকৰ্তা একত্ৰিত হৈছে। তেওঁলোকে পাঞ্জাব আৰু সিন্ধৰ পৰা অহা নিৰ্বাসিতসকলকৰ থকা-খোৱাৰ ব্যৱস্থাত নিয়োজিত আছিল। পিছদিনা হ'বলগীয়া স্বাধীনতা দিৱসৰ সমাৰোহত মুছলমানৰ কেইটামান সংগঠনে অপ্ৰীতিকৰ ঘটনা সংঘটিত কৰাৰ প্ৰস্তুতি চলাইছে বুলি খবৰ পাই, সজাগ হৈ আছিল তেওঁলোক।

❑

## কলকাতা, গৱৰ্ণৰ হাউচ

মাজৰাতি ১.০০ বাজিছে...

ইতিমধ্যে দিল্লীত নেতৃত্বৰ হস্তান্তৰকৰণ কাৰ্যসূচী সম্পন্ন হৈছে আৰু ইয়াত, ইংৰাজৰ পুৰণি ৰাজধানীত আন এক অধ্যায় লিপিবদ্ধ হৈ ৰ'ল !

গৱৰ্ণৰ হাউচত চক্ৰৱৰ্তী ৰাজা গোপালাচাৰীৰ গৱৰ্ণৰ হিচাপে শপত গ্ৰহণ অনুষ্ঠান আৰম্ভ হৈছে। পূৰ্বৰ গৱৰ্ণৰ ছাৰ ফ্ৰেডেৰিক বৰোজে ৰাজাগোপালাচাৰীক কাৰ্যভাৰ অৰ্পণ কৰিব। ৰাজাজীয়ে ইংৰাজীত শপত গ্ৰহণ কৰে কিন্তু নৱনিৰ্বাচিত মুখ্যমন্ত্ৰী ডঃ প্ৰফুল্ল চন্দ্ৰ ঘোষ আৰু অন্যান্য মন্ত্ৰীসকলে বাংলা ভাষাত শপত লয়।



এই কাৰ্যক্ৰম চাবলৈ অসংখ্য জনতা সমবেত হৈছে। স্বাধীনতা দিৱসৰ বাবে আজি ৰাতি গৱৰ্ণৰ হাউচ সাধাৰণ জনতাৰ বাবে মুকলি কৰি দিয়া হৈছে। জনতাই জয়ধ্বনি দি আছে ...“জয় হিন্দ”, “বন্দে মাতৰম্”, “গান্ধীজী জিন্দাবাদ”... !

ৰাজাজীয়ে গৱৰ্ণৰ পদৰ কাৰ্যভাৰ গ্ৰহণৰ পিছতেই এইসকল জনতা নিয়ন্ত্ৰণৰ বাহিৰ হৈ গ'ল ! অত্যুৎসাহী জনতাই আনন্দতে মতলীয়া হৈ গৱৰ্ণৰ হাউচৰ পৰা ভালেমান মূল্যবান বস্তু লৈ “মহাত্মা গান্ধী জিন্দাবাদ” ধ্বনি দি বাহিৰলৈ ওলাই আহিল... !

স্বাধীন ভাৰতৰ প্ৰথম সূৰ্য উদয় হ'বলৈ এতিয়াও কেইঘণ্টামান বাকী আছিল ... !

❑

## পঞ্চদশ ঃ ১৫ আগষ্ট, ১৯৪৭

ক'ব পাৰি, নৱ ভাৰতৰ নতুন সূৰ্যোদয়ৰ পূৰ্ব ৰাতি প্ৰায় সকলোৱে টোপনি ক্ষতি। দিল্লী, মুম্বাই, কলকাতা, মাদ্ৰাজ, বাংগালোৰ, লক্ষনৌ, ইন্দোৰ, পাটনা, বৰোদা, নাগপুৰকে ধৰি বিভিন্ন ঠাইত সাৰে আছে অসংখ্য জনতা...! যোৰাৰাতিৰ পৰাই দেশৰ চুকে-কোণে দেখা গৈছে আনন্দ, উৎসাহৰ পৰিবেশ! এই পৃষ্ঠভূমিলৈ চাই যোৰাকালি আৰু আজিৰ পাকিস্তানৰ নিৰুৎসাহী বাতাবৰণ অধিক স্পষ্টৰূপে দেখাপোৱা গৈছিল।

গোটেই ৰাতি চহৰত ঘূৰি ঘূৰি স্বাধীনতাৰ আনন্দ উপভোগ কৰি সকলোৱে নিজৰ নিজৰ ঘৰলৈ উভতি গৈছে আৰু অপেক্ষা কৰিছে ৰাতিপুৱাৰ বাতৰি কাকতলৈ...!--ভাৰতৰ স্বাধীনতা দিৱসৰ আয়োজন ক'ত বা কেনেধৰণে কৰে ?-- কিন্তু আজিৰ বাতৰিকাকতবোৰ আহিছিল দেৰিকৈ কাৰণ, সকলো বাতৰি-কাকতে মাজনিশাৰ সংবিধান সভাৰ বাতৰি প্ৰকাশ কৰিবলগীয়া আছিল।

আজি, দিল্লীৰ 'হিন্দুস্তান টাইমছ'ৰ বাতৰিৰ শিৰোনাম-- India Independent ঃ British Rule Ends.


The Times of India
BIRTH OF INDIA'S FREEDOM

शताब्दियों की दासता के बाद, भारत में स्वतंत्रता की मंगल प्रभात।

কলকাতাৰ 'ষ্টেটছমেন'ৰ শিৰোনাম -- Two Dominions are Born.

দিল্লীৰ পৰা প্ৰকাশিত 'হিন্দুস্তান'ৰ শীৰ্ষ বাতৰি -शताब्दियों की दासता के बाद, भारत में स्वतंत्रता की मंगल प्रभात।

মুম্বাইৰ 'টাইমছ অব ইণ্ডিয়া'ই লিখিছে -- Birth of India's Freedom.

কৰাচীৰ পৰা প্ৰকাশিত 'ডন' কাকতৰ শীৰ্ষক -- Birth of Pakistan -- an Event in History.

❑

যোৱা ৰাতি সাৰে আছে কলকাতা চহৰো। জনতাই স্বাধীনতাৰ সোৱাদ ল'বলৈ উৎসাহিত হৈ পৰিছে, অনুভৱ কৰিছে এই সোৱাদ কিমান মধুৰ... !

কোনো ঠাইৰ পৰা হিন্দু-মুছলমানৰ সংঘাতৰ খবৰ অহা নাই, কলকাতাৰ পৰিবেশৰ আজি এয়া আচৰিত পৰিবৰ্তন বুলিয়েই ক'ব লাগিব। গোটেই চহৰখনত হিন্দু-মুছলমান একত্ৰিত হৈছে, একেলগে ধ্বনি দিছে, পৰস্পৰে প্ৰীতি-সম্ভাষণ জনাইছে। নিশ্চিতভাৱে এয়া বেলিয়াঘাটৰ হাইদৰী মঞ্জিলত বাস কৰা গান্ধীজীৰ পৰামৰ্শ অনুসৰিয়েই পালন কৰা হৈছে।

হাইদৰী মঞ্জিল এইকেইদিনত কলকাতাবাসীৰ কাৰণে এখন তীৰ্থক্ষেত্ৰত পৰিণত হৈছে। কালিৰ পৰা গান্ধীজীৰ দৰ্শনৰ বাবে কলকাতাৰ বিভিন্ন অঞ্চলৰ পৰা মানুহ আহিয়েই আছে।



আনহাতে গান্ধীজীয়ে আজিৰ দিনটোও আনদিনাৰ দৰেই পালন কৰিবলৈ ঠিক কৰিছে। অৱশ্যে আজি পুৱাৰ কৰ্মসূচীত তেওঁ শৌচালয় চাফা কৰা কামটো অন্তৰ্ভুক্ত কৰিছে।

❑

## ছিংগাপুৰ

আৰ্চাৰ ৰোড, ৱাটাৰ্লূ ষ্ট্ৰিট, ৰেংগুন ৰোড আদিত থকা ভাৰতীয়সকলে ভাৰতৰ স্বাধীনতা দিৱস উপলক্ষে পতাকা উত্তোলনৰ লগতে বিভিন্ন কাৰ্যক্ৰমৰ আয়োজন কৰিছে। ৰাষ্ট্ৰগীত হিচাপে এই গীতটো গাবলৈ ঠিক কৰিছে ---

সুধা, সুখ চেন কী বৰখা বৰসে
ভাৰত ভাগ হেঁ জাগা।
পঞ্জাব, অৱধ, গুজৰাট, মৰাঠা
দ্ৰবিড়, উৎকল, বংগ
চঞ্চল সাগৰ, বিন্ধ্য, হিমালা
নীলা জমুনা গংগা
তেৰে নিত গুণ গায়
তুঝসে জীৱন পায়ে
সব তন পাএ আশা
সুৰজ বনকৰ জগ পৰ চমকেঁ
ভাৰত ভাগ হেঁ জাগা।।
জয় হো, জয় হো, জয় হো, জয় জয়-জয়-জয় হো... !

❑

## কলকাতা, বেলিয়াঘাট

ৰাতিপুৱা ৯.০০ বাজিছে। ভাৰত চৰকাৰৰ তথ্য আৰু জনসংযোগ বিভাগৰ বিষয়া এজনে গান্ধীজীৰ প্ৰতিক্ৰিয়া জানিবৰ বাবে আহিছে। গান্ধীজীৰ উত্তৰ --“ মোৰ ক'বলগীয়া একো নাই।” --“আজিৰ দিনটোত আপুনি একো বাৰ্তা নিদিলে ভাল নালাগিব। “ বিষয়াজনে পুনৰ অনুৰোধ কৰাৰ পাছতো গান্ধীজীৰ

একেটাই উত্তৰ --"মোৰ ওচৰত একো নাই। যদি ঠিক নালাগে, তেন্তে এইটোৱেই ঠিক।"

কিছুসময়ৰ পাছত বি. বি. চি.ৰ প্ৰতিনিধিও আহিল। কিন্তু গান্ধীজীৰ উত্তৰ একেটাই থাকিল।

❑

## দিল্লী

ভূতপূৰ্ব ভাইচৰয়ৰ নিৱাস স্থান, অৰ্থাৎ ৰাজপ্ৰাসাদ। এইটো বৰ্তমান 'গৱৰ্ণমেণ্ট হাউচ', ভাৰতৰ প্ৰথম গৱৰ্ণৰ জেনেৰেল লৰ্ড মাউণ্টবেটেনে আজি ইয়াতেই শপত গ্ৰহণ কৰিব। সেই উপলক্ষে ইয়াৰ বিশাল ৰাজসভা-হলটো আজি সুন্দৰকৈ সজোৱা হৈছে।



পুৱা ৯ বজাৰ লগে লগে, ৰূপৰ বিকুল বজাই কাৰ্যক্ৰম আৰম্ভ কৰা হয়। ইয়াৰ পাছত হয় শংখধ্বনি।


ভাৰতৰ প্ৰথম মুখ্য ন্যায়াধীশ ছাৰ হৰিলাল জয়কিশন দাস কানিয়াৰ সন্মুখত লৰ্ড মাউণ্টবেটেন থিয় হয়। বাইবেলত চুম্বন কৰি লৰ্ডে শপত বাক্য উচ্চাৰণ কৰে। এই অনুষ্ঠানত মন্ত্ৰী, সংবিধান সভাৰ সদস্য আৰু ভালেসংখ্যক বিষয়া উপস্থিত আছিল।

❑

## কলকাতা, বেলিয়াঘাট

ৰাতিপুৱা ৮.০০ বাজিছে। গান্ধীজীয়ে সূতা কাটি আছে, লগতে তেওঁৰ বৃটিছ বন্ধু মিছ আগাথা হেৰিছনৰ বাবে চিঠি এখন লিখাইছে। চিঠিত তেওঁ কৌতুক কৰিছে, “তোমাৰ ৰাজাজীৰ জৰিয়তে পঠিওৱা চিঠিখন মই পালোঁ। ৰাজাজীয়েতো ইয়ালৈ আহি এইখন মোক দিব নোৱাৰে, কাৰণ কালি ৰাতিৰ পৰাই তেওঁৰ গৱৰ্ণৰ হাউচত ইংৰাজৰ ঘৰ চাবৰ কাৰণে বহুতো জনতা সমবেত হৈছে।”

ইয়াৰ পাছত গান্ধীজীয়ে পশ্চিমবংগৰ নৱনিৰ্বাচিত মন্ত্ৰীসকলৰ বাবে এখন চিঠি লিখায়। এই চিঠিত প্ৰধানকৈ তেওঁ ‘সত্য, অহিংসা আৰু নম্ৰতা’ পালন কৰিবৰ বাবে আৱেদন জনায়। ‘ক্ষমতা’ৰ বেয়াবোৰৰ বিষয়ে সতৰ্ক কৰি তেওঁ লিখে, “ক্ষমতাই ভ্ৰষ্টাচাৰী কৰি তোলে, এই কথা পাহৰি নাযাব যে আপোনালোকে ইয়ালৈ দুখীয়াৰ সেৱা কৰিবলৈ আহিছে।”



কিছুসময়ৰ পাছত, প্ৰায় ১০.০০ বজাত পশ্চিমবংগৰ নৱনিযুক্ত গৱৰ্ণৰ, চক্ৰৱৰ্তী ৰাজাগোপালাচাৰী, গান্ধীজীক সাক্ষাৎ কৰিবলৈ আহে। এয়া আছিল স্বাধীনতা আন্দোলনকাৰী দুজন তপস্বীৰ সাক্ষাৎ। ৰাজাজীয়ে উৎসাহেৰে ক’লে, “বাপু, আপোনাক অভিনন্দন জনাইছোঁ। আপুনিতো কলকাতাত একদম যাদু দেখুৱাই দিলে...!” কিন্তু গান্ধীজীয়ে বেলেগ ধৰণে উত্তৰত ক’লে, “মই এতিয়াও কলকাতাৰ স্থিতিত সন্তুষ্ট নহয়। যেতিয়ালৈকে মাৰ-পিট... হিংসাত্মক ঘটনাত আক্ৰান্ত হোৱা সকলো লোক নিজৰ নিজৰ ঘৰলৈ উলটি নাযায়, তেতিয়ালৈকে বিশেষ কিবা কাম হৈছে বুলি মই নাভাবোঁ।”

ৰাজাজীয়ে যোৱাৰাতি সম্পন্ন হোৱা কাৰ্যক্ৰমৰ বিষয়ে শুনায়। গান্ধীজীৰ লগত প্ৰায় এঘণ্টা সময় কটাই নিজৰ কৰ্মথলীলৈ ৰাজাজী ঘূৰি যায়।

❑

## মুম্বাই, দাদৰ, চাৱাৰকাৰৰ সদন –

আজি ৰাতিপুৱাৰ পৰাই তাত্যাৰাৱ অৰ্থাৎ ৱিনায়ক চাৱাৰকাৰক বিষণ্ণ দেখা গৈছে। তেওঁ একোৱেই খোৱা-লোৱা কৰা নাই। খণ্ডিত ভাৰতৰ কল্পনাই



তেওঁৰ বুকুত দ- কৈ আঘাত হানিছে। বাৰে বাৰে তেওঁৰ এই কথাই মনলৈ আহিছে... আমি আমাৰ দেশ অতি দুৰ্বল লোকৰ হাতত সঁপি দিছোঁ... !

তথাপি স্বাধীনতাৰ আনন্দতো হ'বই। সেই স্বাধীনতা, যাৰ বাবে কলিয়া-পানীৰ শাস্তি ভোগ কৰা, ১৫ বছৰে গৃহবন্দী, সমুদ্ৰৰ সেই অথাই পানীত জাপ দি, আন্দামানৰ অন্ধকূপত সীমাহীন কষ্ট সহি ... খণ্ডিত হ'লেও আজি স্বাধীনতাযে প্ৰাপ্ত হ'ল !

১০.০০ বাজিছে। হিন্দু মহাসভাৰ কেইবাজনো কৰ্মকৰ্তাই তাত্যাৰাৱক সাক্ষাৎ কৰিবলৈ আহিছে। তেওঁলোকৰ উপস্থিতিত ক্ৰান্তিবীৰ ৱিনায়ক দামোদৰ চাৱাৰকাৰে দুখন পতাকা উত্তোলন কৰে। প্ৰথমখন ভগৱাধ্বজ -- অখণ্ড ভাৰতৰ প্ৰতীক, দ্বিতীয়খন ভাৰতৰ ৰাষ্ট্ৰীয় পতাকা -- তিৰংগা। দুয়োখন পতাকাতে তেওঁ ফুল ছ'টিয়াই শ্ৰদ্ধা জনাই কিছুসময় মৌন হৈ ৰয়... !

❑

## দিল্লী, কাউন্সিল হাউচৰ গোলাকাৰ ভৱন

ৰাতিপুৱা ১০.৩০ বাজিছে। আজি ইয়াত শাসকবৰ্গই ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিব। মন্ত্ৰী, জ্যেষ্ঠ বিষয়া আৰু কংগ্ৰেছৰ জ্যেষ্ঠ নেতাসকল আহি আছে। কিছুসময়ৰ পাছতেই নেহেৰুৱে ইয়াত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিব।

পাহাৰৰ ওপৰৰ এই গোলাকাৰ ভৱনটোৰ চাৰিওফালে অসংখ্য জনতা সমবেত হৈছে। এই সকলোবোৰ আজি স্বাধীন দেশৰ নাগৰিক। ইংৰাজৰ শাসনকালত ইয়াত সাধাৰণ জনতাৰ প্ৰবেশ নিষেধ আছিল, কিন্তু আজি ইয়াৰ ঠিক বিপৰীত। কৌতূহল-আনন্দ-উৎসাহেৰে সকলোৱে 'বন্দে মাতৰম্'



ধ্বনিৰে আকাশ-বতাহ মুখৰিত কৰি তুলিছে, গান্ধী আৰু নেহৰুৰ নামত জয়ধ্বনি দিছে... !

ইতিমধ্যে নেহৰু উপস্থিত হৈছেহি। তেওঁৰ মন্ত্ৰীসভাৰ সহযোগীসকলেৰে সৈতে, এডুইন লুটিয়ন আৰু হাৰ্বাৰ্ড বেকৰ দ্বাৰা পাহাৰৰ ওপৰত নিৰ্মিত এই ‘কাউন্সিল হল’ত, প্ৰথমবাৰ স্বাধীন ভাৰতৰ ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰা হ’ব। আমাৰ ৰাষ্ট্ৰগীত কোনটো হ’ব সেইটো এতিয়াও ঠিক হোৱা নাই সেয়েহে সকলো বন্দে মাতৰম্ জয়ধ্বনিৰে আকাশ-বতাহ মুখৰিত কৰে।

❑

## লাহোৰ, ডী. এ. ৱী. কলেজ –

বিয়লি ২.০০ বাজিছে, কলেজ চৌহদ আৰু হোষ্টেলত, ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ দ্বাৰা সঞ্চালিত ‘পঞ্জাব সহায়তা সমিতি’ৰ শৰণাৰ্থী শিবিৰ। লাহোৰ মেডিকেল কলেজৰ স্বয়ংসেৱক চিকিৎসক, ছাত্ৰ-ছাত্ৰী, কেইগৰাকীমান মহিলা ডাক্তৰ আৰু নাৰ্ছে নিজৰ ভিতৰতে মিলি, বিশখন বিচনাযুক্ত এখন সৰু হাস্পতাল আৰম্ভ কৰিছে। গোটেই পশ্চিম পাঞ্জাবৰ পৰা হিন্দু আৰু শিখে নিজৰ ঘৰ-বাৰী, খেতি-বাতি, দোকান-কাৰখানা সকলো এৰি অসহায় অৱস্থাত এই শিবিৰলৈ আহি আছে।

কালি ৰাতিৰ পৰাই, এফালে ভাৰতত স্বাধীনতা সমাৰোহৰ আনন্দ উপভোগ কৰিছে সকলোৱে আৰু ইয়াত অতি ভয়ানক পৰিস্থিতিতি হৈছে। হিন্দু-শিখে যেনে তেনে নিজৰ প্ৰাণটো বচাই এই শিবিৰটোলৈ আহিছে। তেওঁলোকৰ ওপৰত হোৱা অত্যাচাৰৰ কাহিনী ভাষাৰে বৰ্ণনা কৰা সম্ভৱ নহয়। তেওঁলোকৰ পত্নী আৰু ভগ্নীহঁতক মুছলমান গুণ্ডাই উঠাই লৈ গৈছে। কিছুমানৰ জীয়ৰী-বোৱাৰীয়ে গুণ্ডাৰ হাতত পৰাৰ আগতেই কুঁৱাত জাপ দি আত্মহত্যা কৰিছে।

প্ৰতিদিনে দুপৰীয়া ১.৩০ বজাত চৰ্দাৰ কুলৱন্ত সিং নামৰ এজন সংঘ স্বয়ংসেৱকে এই শিবিৰটোত ভৰ্তি কৰোৱা আহতসকলৰ বাবে ভোজন লৈ আহে। এই ভোজন লাহোৰৰ গেট নামৰ হিন্দুৰ চুবুৰী এটাত সংঘৰ স্বয়ংসেৱকসকলে তৈয়াৰ কৰি পঠিয়ায়। আজি আঢ়ৈ বজালৈকে কুলৱন্ত সিং আহি নোপোৱাত সকলোৰে চিন্তা লাগিল। দেৰি হোৱাৰ বাবে দিনদয়াল নামৰ স্বয়ংসেৱকজন আগবাঢ়ি গ'ল। কিছুদূৰ গৈ দেখা পালে, ৰাস্তাৰ মাজত মানুহৰ জুম। কাষলৈ গৈ দেখে কুলৱন্ত সিং তেজেৰে তুমৰলি হৈ পৰি আছে ! ওচৰতে তেওঁৰ মটৰচাইকেলখন বাগৰি পৰি আছে আৰু মটৰচাইকেলৰ কেৰিয়াৰত বান্ধি অনা ভোজনৰ পাত্ৰৰ পৰা তৰকাৰীৰ জোল বৈ আহি তেজৰ ডোঙাত একাকাৰ হৈ পৰিছে !

এফালে দিল্লীৰ ৰাজসভাত মন্ত্ৰীৰ শপত গ্ৰহণ কাৰ্যক্ৰম চলি আছে..., বেলিয়াঘাটত গান্ধীজীয়ে পশ্চিমবংগৰ মন্ত্ৰীসকললৈ চিঠিত লিখিছে, “মুছলমানসকল যাতে সুৰক্ষিত হৈ থাকে ...” আৰু ইয়াত লাহোৰত মুছলমান গুণ্ডাই, আহত হিন্দু-শিখৰ বাবে ভোজন কঢ়িয়াই অনা সংঘৰ স্বয়ংসেৱক কুলৱন্ত সিংহক দিন-দুপৰতে ৰাস্তাৰ মাজত ছুৰীৰে হত্যা কৰিলে ... !

❑

## দিল্লী, ইণ্ডিয়া গেট

ইয়াতো ৰাজহুৱা ভাৱে ৰাষ্ট্ৰীয় পতাকা উত্তোলনৰ কাৰ্যক্ৰম আয়োজন কৰা হৈছে। হাজাৰ হাজাৰ জনতাৰে ইণ্ডিয়া গেটৰ চৌপাশ ভৰি পৰিছে...।

৪.৩০ বজাত নেহৰুৱে ইয়াত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিব।



**কলকাতা, বেলিয়াঘাট**


সন্ধিয়া, ৫.৩০ বাজিছে। গান্ধীজীৰ আজি সান্ধ্য প্ৰাৰ্থনা-সভা বেলিয়াঘাটৰ ৰাশ বাগান থলীত আয়োজন কৰা হৈছে। স্বাধীন ভাৰতত গান্ধীজীৰ এয়া প্ৰথম সন্ধিয়াৰ প্ৰাৰ্থনা, গতিকে আজি ইয়াত যথেষ্ট জনসমাগম হোৱাৰ সম্ভাৱনা আছে।

ইতিমধ্যে গান্ধীজী আহি পাইছে। ত্ৰিশ হাজাৰ লোকৰ ক্ষমতাৰ এই মুক্তাংগন জনতাৰে ঠাহ খাই পৰিছে।

প্ৰাৰ্থনা আৰু সূতা কটাৰ পিছত গান্ধীজীয়ে কয়, ‘‘কালি মই যি কৈছিলোঁ, তাকেই পুনৰ দোহাৰিছোঁ। কলকাতাৰ সকলো হিন্দু-মুছলমানকে মই অভিনন্দন জনাইছোঁ। আপোনালোকে এটা অসম্ভৱ কাৰ্যক সম্ভৱ কৰিলে। এতিয়া আপোনালোকে মুছলমানক মন্দিৰত প্ৰৱেশ কৰিবলৈ দিয়ক আৰু মুছলমান বন্ধুৱে হিন্দুক মছজিদত। এনেকুৱা কৰিলে হিন্দু-মুছলমানৰ একতা আৰু মজবুত হ’ব। কোনো কোনো ঠাইত মুছলমানক হাৰাশাস্তি কৰাৰ খবৰ মই এতিয়াও পাই আছোঁ। এই কথাত লক্ষ্য ৰাখিব, কলকাতা আৰু হাওৰা, এই অঞ্চলত যাতে এজনো মুছলমানে কোনো ধৰণৰ কষ্ট পাবলগীয়া নহয়।’’

ইয়াৰ পাছত গান্ধীজীয়ে যোৱা মাজৰাতি ৰাজভৱনত সংঘটিত হোৱা ঘটনাৰ বিষয়ে উল্লেখ কৰে, ‘‘তেওঁলোকে ভাবিছে, আমি স্বাধীনতা পালোঁ,

গতিকে যি মন যায় কৰিব পাৰোঁ, সকলো বাধা আঁতৰিল। এইটো ভাল কথা হোৱা নাই। কালি ৰাতি ৰাজভৱনত জনতাৰ দ্বাৰা যি ঘটিল সেয়া বৰ দুৰ্ভাগ্যজনক! স্বাধীনতাৰ সৎব্যৱহাৰ কৰক।”



সন্ধিয়াৰ প্ৰাৰ্থনাৰ শেষত গান্ধীজীয়ে নেমু চৰবত গ্ৰহণ কৰি চৌবিশ ঘণ্টাৰ উপবাসৰ অন্ত পেলায়।

❑

আন্ধাৰ আঁতৰি গ'ল, দেশে স্বাধীনতা ঘূৰাই পালে। বিভাজন হ'ল, কিন্তু নৱনিৰ্মিত পাকিস্তানৰ অধিক সংখ্যক মুছলমান ভাৰতবৰ্ষতে থাকি গ'ল। বাবাচাহেব আম্বেদকাৰে জনসংখ্যাৰ সাল-সলনিৰ যি পৰামৰ্শ আগবঢ়াইছিল, সেইটো কংগ্ৰেছে নাকচ কৰিলে। এতিয়াও দেশৰ বিভিন্ন ঠাইত ধৰ্মীয় বিদ্বেষৰ জুই জ্বলি আছে, এয়া অধিক সম্প্ৰসাৰণ হোৱাৰ আশংকা আছে। সন্মুখত অনেক প্ৰত্যাহ্বান !... নিৰ্বাসিতসকলক ক'ত সংস্থাপিত কৰা হ'ব ? আৰু কাশ্মীৰ প্ৰসংগ ...? নিজামৰ ৰাজ্য ভাৰতত চামিল হোৱাই নাই ! গোৱা এতিয়াও পৰ্তুগীজৰ দখলত ! পণ্ডিচেৰী, চন্দন নগৰো ভাৰতলৈ ঘূৰি অহা নাই। সিফালে নেহৰুৰ জেদৰ কাৰণে খান আব্দুল গফুৰ খানৰ নেতৃত্বৰ উত্তৰ পশ্চিম সীমান্ত অঞ্চল ভাৰতে হেৰুৱালে !

আজি স্বাধীন দেশৰ যিখন চিত্ৰ দেখিবলৈ পাইছোঁ, সামৰিক দৃষ্টিত বৰ দুৰ্বল দেখা গৈছে ! আমাৰ নেতৃত্বৰ দুৰ্বলতা, লগতে দুৰদৰ্শিতাৰ অভাৱৰ বাবে দেশৰ ভৱিষ্যতৰ সন্মুখত এতিয়া অনেক প্ৰশ্ন !

স্বাধীন ভাৰতৰ সন্মুখত যেতিয়া এইবোৰ প্ৰশ্নই অগা-দেৱা কৰিছিল, তেতিয়া এটাই উত্তৰ আছিল আৰু সেইটো হৈছে --- দৃঢ়, দূৰদৃষ্টিসম্পন্ন, সবল নেতৃত্বৰ হাতত যদি এই দেশ অৰ্পণ কৰা যায়, তেতিয়াহে এই দেশৰ ভৱিষ্যত উজ্জ্বল হ'ব...!

❑

# সামৰণি

১৫ আগষ্টৰ পাছত...

ভাৰত স্বাধীন হ'ল, বিভাজিত হৈ ! আগলৈ কি হ'ব ?

গান্ধীজীয়ে বিশ্বাস কৰিছিল-- মুছলিম লীগক পাকিস্তান লাগে, সেয়া সিহঁতে পাইছে। এতিয়া সিহঁতে অশান্তি নকৰিব।

বাস্তৱত কিন্তু সেয়া মিছা প্ৰমাণিত হৈছিল। আচল সংঘৰ্ষ আৰম্ভ হৈছিল স্বাধীনতা লাভৰ পিছত। আগষ্টৰ অন্তিম সপ্তাহ, চেপ্তেম্বৰ আৰু অক্টোবৰ, ১৯৪৭ ত সংঘৰ্ষই তীব্ৰ ৰূপ ধাৰণ কৰে। ১৭ আগষ্টত ৰেডক্লিফৰ দ্বাৰা বিভাজনৰ ৰেখা ঘোষণা কৰা হয়। ইয়াৰ পিছতেই ভয়ানক ৰক্তপাত হয়। বিভাজনৰ এই সময়ছোৱাত প্ৰায় দহ লাখ লোক নিহত হয়, লাখ লাখ মানুহে নিজৰ পৰিয়াল, ঘৰ-বাৰী, সা-সম্পত্তি, আত্মীয়-কুটুম্ব... সকলো হেৰুৱাবলগীয়া অৱস্থা হয়... !



## এই স্বাধীনতাৰ পৰা আমি কি পালোঁ ?

ঢাকাৰ দেৱী ঢাকেশ্বৰী, এতিয়া আমাৰ হৈ নাথাকিল। বাৰীশালৰ কালী মন্দিৰ দৰ্শন কৰা আৰু দুৰ্গা সৰোবৰত স্নান কৰা আমাৰ বাবে দুৰ্লভ হ'ল। শিখ পন্থৰ প্ৰতিষ্ঠাপক গুৰুনানক চাহাবৰ জন্মস্থান নানকানা চাহিব এতিয়া আমাৰ দেশৰ অংশ হৈ নাথাকিল। পৱিত্ৰ গুৰুদ্বাৰা পাঞ্জা চাহিব আমাৰ পৰা আঁতৰি গ'ল ! মা হিংগলাজ দেৱীৰ দৰ্শন আমাৰ বাবে দুৰ্লভ হ'ল।

কি পাপ কৰিছিলোঁনো আমি, আমাৰ নিজৰ দেশখন যে পৰৰ হৈ গ'ল ?

'পাঞ্জাব বাউণ্ডেৰী ফোৰ্চ'ৰ প্ৰধান কাৰ্যালয়টো জ্বলাই দিয়া হ'ল। অক্টোবৰত 'গিলগিট স্কাউট'ৰ মুছলমান চিপাহীয়ে বিদ্ৰোহ কৰে আৰু পূৰা 'গিলগিট-বাল্টিস্তান' দখল কৰে। অক্টোবৰৰ শেষৰ ফালে পাকিস্তানী সেনাই কাবুলীৰ ৰূপত কাশ্মীৰৰ কিছু অংশ হস্তগত কৰে। অৱশেষত ২৭ অক্টোবৰত মহাৰাজ হৰিসিংহই কাশ্মীৰৰ 'বিলয়-পত্ৰ'ত হস্তাক্ষৰ কৰে। ১৯৪৮ চনৰ মাৰ্চত পাকিস্তানে সমগ্ৰ কলাত ক্ষেত্ৰ বেলুচিস্তান বলপূৰ্বক দখল কৰি লয়।

১১ চেপ্তেম্বৰ, ১৯৪৮ ত কায়দে আজম জিন্নাৰ মৃত্যু হয়। ইয়াৰ ঠিক এসপ্তাহৰ ভিতৰতে ১৭ চেপ্তেম্বৰত বিশাল হায়দৰাবাদ ৰাজ্য সেনাৰ দ্বাৰা ভাৰতত চামিল কৰোৱা হয়।

৩০ জানুৱাৰী, ১৯৪৮ ত গান্ধীজীক হত্যা কৰা হ'ল।

২১ জুন, ১৯৪৮ ... লৰ্ড মাউণ্টবেটেনে ভাৰত ত্যাগ কৰি ইংলেণ্ডলৈ উভতি যায়...।

সেই পোন্ধৰ দিনৰ প্ৰত্যেক চৰিত্ৰৰ প্ৰত্যেক পাত্ৰৰ ভৱিষ্যত ভিন্ন আছিল !

সেই পোন্ধৰটা দিনে আমাক বহুকথাই শিকালে...।

মাউণ্টবেটেনে কওঁতেই স্বাধীন ভাৰতত য়ুনিয়ন জেক উৰাবলৈ প্ৰস্তুত হোৱা নেহৰুক আমি দেখিলোঁ।

"লাহোৰৰ যদি মৃত্যু হ'বলৈ ধৰিছে, তেন্তে আপোনালোকেও লগতে মৰিবলৈ সাজু হওক...।" লাহোৰত সেই অসহায়সকলৰ সন্মুখত তেওঁলোকৰ প্ৰতি গান্ধীজীৰ এই 'আশ্বাস'ৰ কথাও জানিলোঁ। একেসময়তে, ৮০০ মাইল দূৰৈত ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ প্ৰমুখ, গুৰুজীয়ে হাইদৰাবাদ 'সিন্ধ'ত কৈছিল, দাহিৰৰ প্ৰেৰণাৰে -- "সাহসেৰে সংগঠিত হৈ জীয়াই থকাৰ সূত্ৰ"ৰ কথা।

কংগ্ৰেছ অধ্যক্ষৰ পত্নী সুচেতা কৃপালনীয়ে কৰাচীত সিন্ধী মহিলাসকলক কৈছিল, ‘‘আপোনালোকৰ ‘মেক-আপ’, ল’ কাটৰ ব্লাউজৰ বাবেহে মুছলমান গুণ্ডাই আপোনালোকক সুবিধা পায় !’’

সেই কৰাচীতেই ৰাষ্ট্ৰ সেৱিকা সমিতিৰ ‘মৌসীজী’য়ে হিন্দু মহিলাসকলক আশ্বাস দিছিল, সংস্কাৰিতভাৱে থাকি শক্তিশালী হোৱাৰ বিষয়ে পৰামৰ্শ দিছিল। যেতিয়া কংগ্ৰেছৰ হিন্দু কৰ্মকৰ্তাই পাঞ্জাব, সিন্ধ ত্যাগ কৰি ভাৰতলৈ পলাই আহিছিল আৰু মুছলমান কৰ্মকৰ্তা মুছলিম লীগত চামিল হৈছিল, সেই সময়ত সংঘৰ স্বয়ংসেৱকসকলে হিন্দু-শিখসকলক সুৰক্ষিতভাৱে ভাৰতলৈ ঘূৰাই অনাৰ চেষ্টাত ব্ৰতী আছিল।

পাৰ্থক্য বহুত আছিল..., কাৰ্য, চিন্তা-চৰ্চা... সকলোতে !

শেষ ফলাফল ? অতি দুৰ্ভাগ্যজনক !

হিন্দু-শিখক উদ্ধাৰ কৰোঁতাসকলক জেলত ভৰোৱা হ’ল! ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ ওপৰত নিষেধাজ্ঞা আৰোপ কৰা হয়। গুৰুজী, বীৰ চাৱাৰকাৰ জেইলত ...! আৰু নেতৃত্ব কাৰ হাতত ?

নিজৰ জেদৰ কাৰণে উত্তৰ পশ্চিম সীমান্ত অঞ্চল হেৰুওৱা, বৃটিছ নেতৃত্বৰ ওচৰত মূৰ দোওৱা, ইংৰাজ ৰীতি-নীতিত ডাঙৰ-দীঘল হোৱা নেহৰুৰ কাষত ...!

সেই পোন্ধৰ দিনৰ গাথা ইয়াতে সমাপ্ত ...!

❑❑❑

# संदर्भ

## अंग्रेजी


1. Partition—Barney White-Spunner
2. An Era of Darkness—Shashi Tharoor
3. The Punjab : Bloodied, Partitioned and Cleansed—Dr. Ishtiq Ahmed
4. The Aftermath of Partition in South Asia—Gyanesh Kudaisya and Tan Tai Young
5. The Hindu Civilization : A Miracle of History—Shashibhushan Sahani
6. Pakistan : Counting the Abyss—Tilak Devashree
7. Gandhiji's Moral Politics—Naren Nanda
8. A Life in Shadow (Secret Story of ACN Nambiar)—Vappala Balachandran
9. Partition and Independence of India—Manmath Nath Das
10. Remembering Partition : Violence, Nationalism and History in India—Gyanendra Pandey
11. Bahuroope Gandhi—Ann Bandopadhyay
12. Mahatma : Life of M. K. Gandhi (Volume 8)—D. G. Tendulkar
13. Join Indian Union Movement in Warangal District (1946–48)—Dr. M. Brahmaih
14. The Politics of Punjab Boundry Award—Pervaiz Iqbal Cheema

15. The Partition of Bengal and Assam (1932–1947)—Bidyut Chakrabarty
16. Now It Can Be Told—A. N. Bali
17. Midnight Furies : The Deadly Legacy of India's Partition—Nisid Hajari
18. The Longest August—Dilip Hiro
19. Freedom at Midnight—Dominique Lapierre and Larry Collins
20. Pangs of Partition : Lahore in 1947—Sukhdev Singh Sohal
21. Fifty Years of Modern India – Vidya Dhar Mahajan
22. Abdul Gaffar Khan : Faith is a Battle—D.G. Tendulkar
23. Jinna—Stenali Volapart
24. RSS in Sindh : (1942–48)—Rita Kothari (Economic and Political Weekly. July 8-21, 2006)
25. 1947 Archives—Guneeta Singh Bhalla
26. Veer Savarkar : Thought and Action—Jyoti Trehan
27. Mountbatten's Response to the Communal Riots in Punjab. 20th March to 15th August : An Overview—Muhammad Iqbal Chawala
28. Did Sikh Squad Participate in an Organized Attack to Cleanse East Punjab During Partition?—Nisid Hajari/Caravan/30th June, 2015
29. Why Wasn't Sindh Partitioned in 1947?—South Asia Blog
30. The Unfolding Crisis in Punjab : March–August 1947—V. Sundaram (Retd IAS)
31. Constituent Assembly of Pakistan—http://www.na.gov.pk/uploads/documents/1434523779_849.pdf
32. Letter Correspondence of Jawaharlal Nehru—https://archive.org/stream/HindSwaraj-Nehru-SW2-03/nehru.sw2.vol.s03_djvu.txt

33. Redcliff Line—Kuldip Nayar (The Tribune, September 24, 2006)
34. Various issues of 'Indian Daily Mail' newspaper
35. Various issues of Hidustan Times and Times of India


## हिंदी


1. विभाजन : भारत और पकिस्तान का उदय—यास्मीन खान
2. क्या देश का विभाजन अनिवार्य ही था ?—भवानीप्रसाद चट्टोपाध्याय
3. भारत का विभाजन—डॉ. भीमराव (बाबासाहेब) आंबेडकर
4. चक्र से चरखे तक—दिनकर जोशी
5. मुस्लिम मन का आईना—राजमोहन गांधी
6. बोस बंधू और भारतीय स्वतंत्रता : एक करीबी का विवरण—माधुरी बोस
7. खोज गांधी की—वर्ष 1, अंक 3, सितंबर 2011
8. विनायक दामोदर सावरकर—राघवेंद्र तंवर
9. और देश बँट गया—हो.वे. शेषाद्री
10. भारत विभाजन का दु:खांत और संघ (भाग 3)—मदनलाल विरमानी


## मराठी


1. 1947—वि.स. वालिंबे
2. आणि भारतमाता खंडित झाली—श्री. म. जोशी
3. फालणी : युगांतापूर्वीचा कालोख—वि.ग. कानिटकर
4. दंभस्फोट—डॉ. ना.भा. खरे
5. तेजाची आरती—हरी विनायक दात्ये
6. स्वातंत्र्य संग्राम : ज्ञात आणि अज्ञात—वि.स. वालिंबे
7. अकोला करार—http://thinkmaharashtra.com/node/561


□□□

◆ সেইপোন্ধৰ দিনৰ বিশেষ চৰিত্ৰৰ ব্যক্তি কেইজনৰ প্ৰত্যেকজনৰে ভৱিষ্যত ভিন্ন আছিল। সেই পোন্ধৰ দিনে আমাক বহুত শিক্ষা দিলে। মাউণ্টবেটেনে কোৱাৰ বাবেই স্বাধীন ভাৰতত 'য়ুনিয়ন জেক' উত্তোলন কৰিবৰ বাবে সাজু হোৱা নেহৰুক আমি দেখিলোঁ। "লাহোৰৰ যদি মৃত্যু হয়, তেতিয়া আপোনালোকেও তাৰ লগতে মৃত্যুৰ সন্মুখীন হওক ....।" এনেদৰে যেতিয়া গান্ধীজীয়ে লাহোৰত কৈছিল, তাৰপৰা মাত্ৰ ৮০০ মাইল দূৰত, একেদিনাই, একেসময়তে, ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ প্ৰমুখ 'শ্ৰীগুৰুজী'য়ে হায়দৰাবাদত (সিন্ধ)ত "সাহসেৰে সৈতে, সংগঠিত হৈ, জীয়াই থকাৰ সূত্ৰ"ৰ কথা কৈ ৰজা দাহিৰক প্ৰেৰণা যোগাইছিল। কংগ্ৰেছ অধ্যক্ষৰ পত্নী সুচেতা কৃপালনীয়ে কৰাচীত সিন্ধী মহিলাসকলক কৈছিল, "আপোনালোকৰ প্ৰসাধন আৰু হাতকটা ব্লাউজৰ বাবে মুছলমান গুণ্ডাই আপোনালোকক নিৰ্যাতন কৰে।" তেতিয়া কৰাচীতেই ৰাষ্ট্ৰসেৱিকা সমিতিৰ 'মৌসীজী'য়ে হিন্দু মহিলাসকলক সংস্কাৰিত ভাবে থাকি শক্তিশালী আৰু সামৰ্থশালী হোৱাৰ উপায় শিকাইছিল। য'ত কংগ্ৰেছৰ হিন্দু কাৰ্যকৰ্তাসকলে পাঞ্জাব, সিন্ধ ত্যাগ কৰি হিন্দুস্তানলৈ পলাবলগীয়া হৈছিল আৰু কংগ্ৰেছৰ মুছলমান কাৰ্যকৰ্তা সকল মুছলিম লিগৰ লগত মিলিত হৈছিল, তাত সংঘৰ স্বয়ংসেৱকসকলে নিজৰ জীৱন বিপন্ন কৰি হিন্দু, শিখক ৰক্ষা কৰিবলৈ অহোপুৰুষাৰ্থ কৰিছিল। সেই লোকসকলক সুৰক্ষিতভাবে হিন্দুস্তানলৈ আনিবলৈ অশেষ চেষ্টা কৰিছিল। পাৰ্থক্য আছিল, বহুত পাৰ্থক্য আছিল, কাৰ্যক্ষেত্ৰত, ভাৱনা, বিচাৰ, সকলোতে পাৰ্থক্য বিৰাজমান। ১৯৪৭ চনৰ ১৫ আগষ্ট, ভাৰতবৰ্ষৰ স্বাধীনতা-প্ৰাপ্তিৰ সেই দিনটোৰ আগৰ ১৫ দিনৰ ঘটনাক্ৰম আৰু অলিখিত তথা জনসাধাৰণৰ অজ্ঞাত, তথ্যসমূহ জানিবৰ বাবে এইখন পঢ়িবলগীয়া গ্ৰন্থ।




**প্ৰশান্ত পোল**

BE Hons. (Electronic and Telecom), MA (মাৰাঠী)

নিৰ্দেশক - দিশা কনচালটেণ্ট আৰু ভাৰতী ৱেব (প্ৰা.) লিমিটেড, নাগপুৰ।


প্ৰায়, ৩৪ বৰ্ষৰ ব্যৱসায়ীক অনুভৱ। ৩৫ খনতকৈও অধিক দেশত প্ৰবাস কৰিছে। Meltron (Maharashtra Electronic Development) ৰ অনুসন্ধান বিকাশ প্ৰমুখ আছিল। বালাচোৰৰ মিছাইল ফায়াৰিং আভ্যন্তৰিণ টেষ্ট ৰেঞ্জৰ কাৰণে বিশেষ সঁজুলি বিকশিত কৰিছে। ১৯৯৮-৯৯ চনত মহাৰাষ্ট্ৰ চৰকাৰৰ আই. টি. টাস্ক ফোৰ্চৰ সদস্য আছিল। ১৯৯৯ চনত World ho's Who' ৰ বাবে মনোনীত। কেন্দ্ৰীয় পথ পৰিবহন আৰু জাহাজৰাণী বিভাগৰ আই. টি. টাস্ক ফোৰ্চৰ সদস্য। মাখনলাল চতুৰ্বেদি পত্ৰকাৰিতা আৰু জন সংযোগ বিশ্ববিদ্যালয়ৰ মহাবিদ্যত পৰিষদৰ সদস্য। আই. আই. আই. টি. জব্বলপুৰৰ গবৰ্ণিং কাউঞ্চিলৰ সদস্য, মুম্বাই বিশ্ববিদ্যালয় কাউঞ্চিলৰ আই. টি. উপদেষ্টা।

'ভাৰতীয় জ্ঞান কা খজনা' আৰু 'ৱে পন্দ্ৰহ দিন' নামৰ কিতাপ দুখন মাৰাঠী, গুজৰাটী, ইংৰাজী ভাষাতো প্ৰকাশিত হৈছে।

"দেশৰ সীমা মাতৃৰ বস্ত্ৰ স্বৰূপ, ইয়াক ৰক্ষা কৰা প্ৰতিজন সন্তানৰ প্ৰথম কৰ্তব্য।" - পিতামহ ভীষ্ম


Follow us @ Seemanta Chetana Mancha Purvottar

visit us at www.seemantachetanamancha.org